দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ৩১ জুলাই, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## বহু অসমীয়া মানুহ সঞ্চয়ৰ প্ৰতি আগ্ৰহী

■ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ থ্ৰিফট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ'চাইটিৰ বাৰ্ষিক সাধাৰণ সভা

**বিশেষ সংবাদদাতা**
**নগাঁও, ৩০ জুলাই ঃ** উত্তৰ-পূব ভাৰতৰ সৰ্ব্ববৃহৎ ধৰ্মীয়-সামাজিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই সংঘৰ সকলো সংগীকে আৰ্থিক দিশত সৱল কৰাৰ মূল উদ্দেশ্যে অসম চৰকাৰৰ সমবায় বিভাগৰ দ্বাৰা ৰাজ্যিক ভিত্তিত পঞ্জীয়ন লাভ কৰি 'শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ থ্ৰিফ্‌ট এণ্ড ক্ৰেডিট কো - অপাৰেটিভ ছ'চাইটি লিমিটেড' নামেৰে এটা বিত্তীয় অনুষ্ঠানৰ জন্ম দিছিল । শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মূল কাৰ্যনিৰ্ব্বাহক সভাৰ অনুমোদন সাপেক্ষে আৰু আঠ পৃষ্ঠাত চাওক

## ■ জনজীৱনলৈ নামি আহিছে ভয়ানক পৰিস্থিতি ■ খহনীয়া প্ৰতিৰোধ কৰিবলৈ চৰকাৰক উচিত ব্যৱস্থা ল'বলৈ ৰাইজৰ দাবী

# নালা-শুক্লাই নদীৰ খহনীয়াত আতংকিত নৈপৰীয়া



**অগ্ৰদূত বাৰ্তা**
**টংলা, ৩০ জুলাই ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত ভেৰগাঁও মহকুমাৰ নালাপাৰা, শুক্লাইৰ মাজেৰে বৈ যোৱা খৰস্ৰোতা নালানদী আৰু শুক্লাই নৈৰ খহনীয়াত কে'বাখনো গাঁৱৰ নৈপৰীয়া ৰাইজে আতংকত দিন অতিবাহিত কৰিবলগীয়া হৈছে। ভূটানৰ পৰা বৈ অহা খৰস্ৰোতা নৈ দুখনে নালাপাৰা, শুক্লাই আৰু শুক্লাই জংঘলবস্তিত ভয়াৱহ খহনীয়াৰ সৃষ্টি কৰিছে। নালানদীৰ খহনীয়াত নালাপাৰাত ইতিমধ্যে বহুকেইটা পৰিয়ালৰ মাটি আৰু চাহ বাগিচা নদীৰ বুকুত জাঁহ গৈছে। নালানদীৰ বুকুত একাংশ দুষ্টচক্ৰই অবৈধভাৱে খনন চলোৱাৰ ফলতো নদীৰ গতিপথ সঘনাই সলনি হৈ থকাৰ বাবে খহনীয়াৰ তীব্ৰতা বৃদ্ধি পাই আহিছে বুলি স্থানীয় ৰাইজে অভিযোগ কৰে। ইমানৰ পাছতো চৰকাৰে নালানদীৰ খহনীয়া প্ৰতিৰোধৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ তোলে ৰাইজে। বন বিভাগেও নালানদী কিম্বা শুক্লাই নৈৰ অবৈধ খনন বন্ধ কৰিবলৈ ৰহস্যজনকভাৱে তৎপৰতা দেখুওৱা নাই। ফলত দুষ্টচক্ৰই দুগুণ উৎসাহেৰে নদীৰ বুকুত খনন অব্যাহত ৰাখিছে । আনফালে, শুক্লাই নৈৰ খহনীয়াৰ তাণ্ডৱত শুক্লাই জংঘলবস্তি গাঁৱৰ কে'বাটাও পৰিয়ালৰ বাসগৃহ, কৃষিভূমি নদীৰ বুকুত জাঁহ যোৱাৰ লগতে শুক্লাই চ'কৰ পৰা জংঘলবস্তি হৈ যোৱা পকীপথ চোৱাও নদীৰ খহনীয়াৰ কবলত পৰিছে। শুক্লাই জংঘলবস্তিৰ মিলন প্ৰাথমিক বিদ্যালয়খনো খহনীয়াত জাহ যোৱাৰ উপক্ৰম হৈছে। শুক্লাই নৈৰ ভয়াৱহ খহনীয়া ইতিমধ্যে ৰাজ্য চৰকাৰৰ মন্ত্ৰী, বিধায়ক তথা বিটিচি প্ৰশাসনৰো বহুসংখ্যক নেতা-পালিনেতাই পৰিদৰ্শন কৰি ৰাইজক আশ্বাস-প্ৰতিশ্ৰুতি প্ৰদান কৰিছে যদিও বছৰৰ পাছত বছৰ খহনীয়াৰ সমস্যাৰ কোনোধৰণৰ সমাধান নহ'ল। ৰাইজক দিয়া প্ৰতিশ্ৰুতি আজিও প্ৰতিশ্ৰুতি হৈয়ে থাকিল। খহনীয়া প্ৰতিৰোধকাৰী চৰকাৰখনক উচিত ব্যৱস্থা ল'বলৈ আৰু অবৈধ শিল-বালি তোলাৰ ক্ষেত্ৰত ৰোধ কৰিবলৈ বন বিভাগক ৰাইজে দাবী জনায়।

# ধিঙত আনন্দৰাম বৰুৱা বঁটাৰ ওপৰতো দুষ্টচক্ৰৰ চকু

■ বঁটাৰ বাবে আবেদন কৰিবলৈ গৈ বিপাঙত ছাত্ৰ-ছাত্ৰী
■ ছাত্ৰ-ছাত্ৰীৰ সলনি দুষ্টচক্ৰই কৰিলে আবেদন-এজাহাৰ দাখিল

**অগ্ৰদূত বাৰ্তা**
**ধিং, ৩০ জুলাই ঃ** যোৱা পাঁচ জুলাইত অসম চৰকাৰৰ ৰাজ্যিক কেবিনেটে 'আনন্দৰাম বৰুৱা বঁটা'ৰ ক্ষেত্ৰত লৈছিল কে'বাটাও সিদ্ধান্ত। বিগত বৰ্ষসমূহত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক প্ৰদান কৰা হৈছিল আনন্দৰাম বঁটাৰ লগতে ডেস্কটপ আৰু পাছত লেপটপ; কিন্তু এইবাৰ ৰাজ্য চৰকাৰে ৰাজ্যিক কেবিনেটত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক ১৬ হেজাৰকৈ টকা প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। লগতে কেবিনেটৰ সিদ্ধান্ত লৈছিল যে ছাত্ৰ-ছাত্ৰীসকলে ৩১ জুলাইৰ ভিতৰত অনলাইন যোগে এই বঁটাৰ বাবে আবেদন কৰিব লাগিব; কিন্তু এই অনলাইন আবেদনেই যে এই বঁটাৰ পৰা শ শ শিক্ষাৰ্থীক বঞ্চিত কৰিলে সেয়া স্পষ্ট হৈ পৰিল আৰু এনে এক চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে নগাঁও জিলাৰ অন্তৰ্গত ধিঙৰ ধূপগুৰিত। বটদ্ৰৱা শিক্ষা খণ্ডৰ অন্তৰ্গত ধূপগুৰিৰ কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নামত দুষ্টচক্ৰই অন্য একাউন্ট নম্বৰৰ জৰিয়তে কৰিছে আবেদন। এতিয়া এই বঁটাৰ বাবে আবেদন কৰিবলৈ গৈ বিপাঙত পৰিছে ধূপগুৰিৰ বহুকে'ইগৰাকী ছাত্ৰ-ছাত্ৰী। যিহেতুকে এই আবেদনৰ বাবে আজি অন্তিম তাৰিখ আৰু এই বঁটাৰ পৰা এইসকল শিক্ষাৰ্থী বঞ্চিত হোৱাৰ বিপৰীতে দুষ্টচক্ৰৰ ধন সৰকোৱাৰ যি ব্লু প্ৰিণ্ট আঠ পৃষ্ঠাত চাওক



# কলিয়াবৰত চোৰাং গৰু সৰবৰাহকাৰী কণ্টেইনাৰ জব্দ ঃ উদ্ধাৰ ২৭ টাকৈ গৰু

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ৩০ জুলাই ঃ** কলিয়াবৰত পুনৰ জব্দ হৈছে গৰুভৰ্তি কণ্টেইনাৰ। ৩৭ নম্বৰ ঘাইপথত আজি পুৱা খেদি খেদি আৰক্ষীয়ে জব্দ কৰে ট্ৰাকখন। যোৰহাটৰ পৰা মেঘালয় অভিমুখী বাহনখনৰ নম্বৰ এ-এছ-০১-ছিছি- ৮১৪৩। জব্দকৃত কণ্টেইনাৰখনৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰে ২৭ টা গৰু। আজি পুৱা আৰক্ষীৰ নাকা-চেকিঙৰ বেহু ফালি পলাবলৈ চেষ্টা কৰোতে আৰক্ষীয়ে খেদি খেদি জব্দ কৰে গৰুভৰ্তি কণ্টেইনাৰখন। ইফালে, আৰক্ষীৰ অভিযানৰ সময়তে কলিয়াবৰৰ হালোৱাগাঁৱৰ ঘাইপথৰ দাঁতিত কন্টেইনাৰ বাহন এৰি পলায়ন কৰে বাহনখনৰ চালক। ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত আছে কলিয়াবৰ আৰক্ষীৰ। উল্লেখ্য যে অবৈধ গো-সৰবৰাহৰ বিৰুদ্ধে চৰকাৰে কঠোৰ আইন প্ৰণয়নৰ পাছতো উজনিৰ পৰা নামনিলৈ ন- ন কৌশলেৰে অব্যাহত আছে গৰুৰ অবৈধ সৰবৰাহ। উজনি অসমৰ কে'বাখনো আৰক্ষী থানাৰ সন্মুখেৰে পাৰ হৈ অহা গৰুভৰ্তি বাহন ধাৰাবাহিকভাৱে জব্দ হৈছে কলিয়াবৰত।

# বৰপথাৰত কৰায়ত্ত কানি বেপাৰী ঃ নগদ ধনসহ জব্দ কানি

**বৰপথাৰ, ৩০ জুলাই ঃ** ৰাজ্যজুৰি মাৰাত্মক ড্ৰাগছ আৰু কানিৰ বিৰুদ্ধে অভিযান চলি থকাৰ মাজতে বৰপথাৰৰ টেঙানীত সাংবাদিকৰ তৎপৰতাত কৰায়ত্ত হয় এজন কানি বেপাৰী। উল্লেখ্য যে চুবুৰীয়া কাৰ্বি-আংলং জিলাৰ পৰা বৰপথাৰৰ টেঙানীলৈ সৰবৰাহ কৰি থকা অৱস্থাত কানিসহ ছামখাং শ্যাম নামৰ কানি বেপাৰীজনক কৰায়ত্ত কৰে। ধৃত কানি বেপাৰীজনৰ পৰা কানিৰ উপৰি এখন মটৰ চাইকেল, এটা ম'বাইল আৰু নগদ ১০ হেজাৰ টকা জব্দ কৰিবলৈ সক্ষম হয়। কানি বেপাৰীজনৰ পৰা জব্দ কৰা মটৰ চাইকেলখনৰ নম্বৰ এএছ-০৫ বি-৩৪১০। প্ৰণিধানযোগ্য বিশেষ তথ্যৰ ভিত্তিত সাংবাদিকৰ তৎপৰতাত প্ৰায় ১৫০০০-২০০০০ টকাৰ কানি জব্দ কৰে। ধৃত কানি বেপাৰীজনৰ ঘৰ বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত টেঙানী বৰহোলা ছ্যাম গাঁৱত। স্মৰ্তব্য যে বছৰ বছৰ ধৰি কানি বেপাৰৰ লগত জড়িত থকাৰ কথা সাংবাদিকৰ আগত স্বীকাৰ কৰিছে ধৃতজনে। তাৎপৰ্যপূৰ্ণ কথা ধৃত বেপাৰীজনে তেওঁৰ উপৰি অঞ্চলটোৰ আৰু বহু কেইজনলোক কানি ব্যৱসায়ৰ লগত জড়িত থকাৰ কথা সদৰী কৰে।

# ৩৭ নম্বৰ ঘাইপথ নিৰ্মাণৰ ১০ দিনৰ সীমা বান্ধি দিলে আছুৱে

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ৩০ জুলাই ঃ** উজনিৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গাঁতবোৰে জীয়াতু ভোগাইছে ৰাইজক। গৰু গাড়ী এখন চলাবলৈও চিন্তা কৰিব লগাৰ দৰে পৰিস্থিতি সৃষ্টি হৈছে উজনিৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত। যোৰহাটৰ পৰা ডিব্ৰুগড়লৈকে পথছোৱা ইমানেই জৰাজীৰ্ণ হৈ পৰিছে যে ৰাষ্ট্ৰীয় ঘাইপথ নে গ্ৰামাঞ্চলৰ পথ ধৰিবই নোৱাৰি। পথৰ মাজতেই দ' দ' পুখুৰী সদৃশ গাঁত। এই গাঁতবোৰ পাৰ হৈ যোৱাটো এক প্ৰকাৰ ভয়ৰ কাৰণ হৈ পৰিছে যান-বাহনৰ বাবে। অৱশেষত আজি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণৰ ১০ দিনৰ সীমা বান্ধি দিলে সদৌ অসম ছাত্ৰ সন্থাই। অন্যথা তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হ'ব লাগিব গড়কাপ্তানী বিভাগৰ লগতে ৰাজ্যৰ মন্ত্ৰী সাংসদসকল। আজি সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থা আৰু সদৌ চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত মৰাণহাট

### চৰাইদেউ-ডিব্ৰুগড় জিলা আছুৰ সংবাদমেল

গড়কাপ্টানী পৰিদৰ্শন ভৱনত অনুষ্ঠিত এক সংবাদমেলত এই কথা ঘোষণা কৰে আছুৰ নেতৃত্বই। চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ সম্পাদক অনুপজ্যোতি ভূঞাই আৰু ডিব্ৰুগড়ত জিলা ছাত্ৰ সন্থাৰ সম্পাদক অৱণী গগৈয়ে সংবাদমেল সম্বোধন কৰি লগতে কয় যে এনএছআইডিচিএল আৰু ৰাষ্ট্ৰীয় পথ নিৰ্মাণ সংস্থাৰ অমনোযোগিতাৰ বাবে ৰাইজে সমস্যাত পৰিব লগা হৈছে । অতি শীঘ্ৰেই নিৰ্মাণৰত অৱস্থাত থকা চাৰিলাইনযুক্ত পথৰ কাম সম্পূৰ্ণ কৰাৰ লগতে ডিমৌৰ পৰা তিলৈলৈকে মৰাণৰ মাজেদি যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথছোৱা নিৰ্মাণ কৰাৰ দাবী তুলিলে আছুৱে। ৰাষ্ট্ৰীয় ঘাইপথটো নিৰ্মাণৰ নামত কেৱল কমিছন সংগ্ৰহত ব্যস্ত থকা বুলি অভিযোগ কৰি সংবাদমেলত আছু নেতাসকলে কয় যে ডিব্ৰুগড়ৰ শিক্ষা আৰু স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এখন গুৰুত্বপূৰ্ণ জিলা হোৱাৰ পাছতো ডিব্ৰুগড়লৈ অহা জৰাজীৰ্ণ পথে আচলতে চৰকাৰৰ উন্নয়নৰ প্ৰকৃত ছবিখন উদঙাই দিছে।

# নলবাৰী হৰিমন্দিৰ উৰণীয়া সেতুৰ নিৰ্মাণ কাৰ্য ক্ষিপ্ৰতৰ কৰাৰ দাবী

■ যুৱ-ছাত্ৰৰ বিক্ষোভত কপিল ৰাজপথ



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৩০ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত নলবাৰীৰ পবিত্ৰ শ্ৰীশ্ৰীহৰিমন্দিৰৰ সমীপত নিৰ্মীয়মাণ উৰণীয়া সেতু ক্ষিপ্ৰতাৰে নিৰ্মাণৰ দাবীত আজি গণ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে নলবাৰী চহৰৰ শ্ৰীশ্ৰীহৰিমন্দিৰ চকৰ পৰা ৩১ নম্বৰ ঘাইপথ সংলগ্ন মূল পথচোৱা অতি ব্যস্ত তথা যান-জঁট হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰ তথা লোক নিৰ্মাণ বিভাগে পাচ বছৰ পূৰ্বে ৰেল ক্ৰছিঙৰ বাবে উৰণীয়া সেতু নিৰ্মাণৰ কাম হাতত লৈছিল যদিও ৰহস্যজনকভাৱে সংশ্লিষ্ট বিভাগ তথা কৰ্তৃপক্ষৰ হেমাহিৰ বাবে সেতুখন সম্পূৰ্ণ হৈ নুঠিল। যাৰ বাবে অলেখ পথচাৰী, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, ৰোগী, আবাল বৃদ্ধ-বনিতাকে ধৰি সৰ্বস্তৰৰ ৰাইজে যমৰ যাতনা ভোগ কৰি আহিছে। বিক্ষোভকাৰীসকলে 'লোক নিৰ্মাণ বিভাগ হায় হায়, ৰেলৱে বিভাগ হায় হায়, অসম চৰকাৰ আঠ পৃষ্ঠাত চাওক

# বিশ্বনাথত বিধায়কৰ উপস্থিতিত ই-ৰিক্সাক লৈ সমস্যা সন্দৰ্ভত সভা

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৩০ জুলাই ঃ** কালি বিশ্বনাথ চাৰিআলি পৌৰসভাৰ সভা কক্ষত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰা হয়। বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিশ্বনাথ জিলাৰ পৰিবহণ বিষয়া উমেচ চন্দ্ৰ শৰ্মা, বিশ্বনাথ চাৰিআলি পৌৰসভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, বিশ্বনাথ চাৰিআলি পৌৰসভাৰ কাৰ্যবাহী বিষয়া দেৱাশীষ গোস্বামী, বিশ্বনাথ চাৰিআলি পৌৰসভাৰ বিভিন্ন ৱাৰ্ডৰ ৱাৰ্ড সদস্য, স্থানীয় সচেতন যুৱক নয়ন শইকীয়া আৰু বিশ্বনাথ চাৰিআলি ই-ৰিক্সা সন্থাৰ বিভিন্ন বিষয়ববীয়াৰ উপস্থিতিত এই সভা অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে বিশ্বনাথ চাৰিআলি পৌৰসভাই বিশ্বনাথ চাৰিআলি নগৰত মাত্ৰ ৫২০খনহে ই-ৰিক্সা চলাবলৈ অনুমতি প্ৰদান কৰিছে যদিও বৰ্তমান বিশ্বনাথ নগৰত নীতি বহিৰ্ভূতভাৱে ১৫০০খনতকৈ অধিক ই-ৰিক্সা চলাচল কৰি আছে। যাৰ বাবে বিশ্বনাথ আঠ পৃষ্ঠাত চাওক

# তিনিচুকীয়াত কৃষিমন্ত্ৰী বৰাৰ উপস্থিতিত বিভিন্ন বিভাগৰ স'তে পৰ্যালোচনা সভা



**অগ্ৰদূত বাৰ্তা**
**ডুমডুমা, ৩০ জুলাই ঃ** অসম চৰকাৰৰ কৃষি, পশুপালন আৰু পশু চিকিৎসা আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা প্ৰশাসন আৰু উন্নয়নী বিভাগসমূহৰ বিষয়ববীয়াসকলৰ স'তে এখন পৰ্যালোচনা সভাত মিলিত হয়। কৃষিমন্ত্ৰীয়ে কৃষি বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লোৱাৰ উপৰি জিলাখনত পৰ্যাপ্ত পৰিমাণত সাৰ তথা প্ৰয়োজনীয় বীজ মজুত আছে নে নাই বুজ লয়। কৃষি বিভাগক বীজৰ অংকুৰণ পৰীক্ষা কৰাৰ পাছতহে কৃষকসকলৰ মাজত বিতৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। কৃষি বিভাগৰ আঁচনিৰ সুবিধা কেৱল যোগ্য কৃষকেহে যাতে লাভ কৰে সেয়া সুনিশ্চিত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। সভাত জলসিঞ্চন বিভাগ, লোকনিৰ্মাণ পথ, জনস্বাস্থ্য কাৰিকৰী তথা অন্যান্য বিভিন্ন বিভাগৰ স'তে জিলাখনত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে বিভিন্ন বিভাগৰ আধৰুৱা হৈ থকা আঁচনিসমূহৰ কাম তাৎক্ষণিকভাৱে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। জিলাখনত জল জীৱন মিছনৰ কাম-কাজৰ অগ্ৰগতিৰ সন্দৰ্ভত বিতংকৈ আলোচনা কৰি প্ৰতিখন আঁচনিৰ কামৰ গুণগত মানৰ ক্ষেত্ৰত আপোচ নকৰিবলৈ নিৰ্দেশ দিয়ে। জিলাখনত ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান সন্দৰ্ভতো কৃষিমন্ত্ৰীয়ে আলোচনা কৰে। পৰ্যালোচনা সভাত জিলা উপায়ুক্ত নৰসিং পৱাৰ, জিলা উন্নয়ন আয়ুক্ত আঠ পৃষ্ঠাত চাওক

# পঞ্চায়ত মন্ত্ৰীৰ সমষ্টিতে বিজেপিৰ বিৰুদ্ধে বিজেপি

### সভাপতিক ফাইল এৰি নিদিয়ে সচিবে

**অগ্ৰদূত বাৰ্তা**
**বৰপেটাৰোড, ৩০ জুলাই ঃ** গোৰৰ্ধনা উন্নয়নখণ্ডৰ অন্তৰ্গত ৯৪ নম্বৰ খৈৰাবাৰী গাঁও পঞ্চায়ত সভাপতি সুজিত সাহা ওৰফে কেতুই পঞ্চায়ত সচিব প্ৰদীপ ঘোষৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিশেষকৈ সচিবজনে তেওঁ দায়িত্বভাৰ লোৱাৰ পাছতো ফাইল চমজাই নিদিয়া তথা কামৰ খতিয়ান দাঙি নধৰা বুলি অভিযোগ আনিছে। উল্লেখ্য যে বিগত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ পৰা পঞ্চায়ত সভাপতি হিচাপে সুজিত সাহা নিৰ্বাচিত হৈছিল আৰু যোৱা দুই ফেব্ৰুৱাৰী ২০১৯ ত সাহাই শপতগ্ৰহণ কৰিছিল। কিন্তু এইজন সভাপতিৰ বিৰুদ্ধে খোদ কংগ্ৰেছৰ দুজন সদস্যৰ লগতে বিজেপিৰ ছয়জন সদস্যই অনাস্থা আনে। পৰৱৰ্তী সময়ত গোৰৰ্ধনা উন্নয়ন খণ্ডৰ অন্তৰ্গত আঞ্চলিক পঞ্চায়তত এই সন্দৰ্ভত যোৱা ১৪/১০/২০২০ ত বহা এখন সভাত প্ৰস্তাৱ গ্ৰহণ কৰি সুজিত আঠ পৃষ্ঠাত চাওক

## চোৰৰ উপদ্ৰৱ

# নাৰায়ণপুৰৰ যমুনাখাতত গাঁওৰক্ষী বাহিনী গঠন

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ৩০ জুলাই ঃ** লখিমপুৰ জিলাৰ নাৰায়ণপুৰ আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত বিগত কিছুদিন ধৰি চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱাত অতিষ্ঠ হৈ পৰিছে ৰাইজ। অঞ্চলটোৰ বিভিন্ন ব্যৱসায়িক প্ৰতিস্থান, এ টি এম, দুচকীয়া-চাৰি চকীয়া বাহনকে বিভিন্ন সামগ্ৰী চোৰে লুট কৰি নিছে। আৰক্ষী প্ৰশাসনৰ সোপাঢিলা নীতিৰ বাবেই অঞ্চলটোত নিশাৰ সময়চোৱাটো দূৰৰে কথা দিনৰ পোহৰতে গৃহস্থ নথকাৰ সুযোগ গ্ৰহণ কৰি কেঁবাটাও পৰিয়ালত চোৰে চলাইছে চাফাই। এনে সময়তে নাৰায়ণপুৰৰ যমুনাখাতত গঠন কৰা হৈছে গাঁওৰক্ষী আঠ পৃষ্ঠাত চাওক

# এবছুৱে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি সফল হৈছে

## চিৰাঙৰ গয়বাৰীত এবছুৰ উদ্যোগত সন্ত্ৰাসবাদ বিৰোধী দিৱস উদযাপন



**অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা**
**বঙাইগাঁও/কাজলগাঁও, ৩০ জুলাই ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী গয়বাৰীত নিখিল বড়ো ছাত্ৰ সন্থা (এবছু)ৰ উদ্যোগত আজি ২৬ সংখ্যক সন্ত্ৰাসবাদ বিৰোধী দিৱস উদ্‌যাপন কৰা হয়। এবছুৰ প্ৰয়াত সভাপতি শ্বৌমলা বসুমতাৰীক ১৯৯৬ ত সন্ত্ৰাসবাদীয়ে হত্যা কৰাৰ পাছত নিখিল বড়ো ছাত্ৰ সন্থাই সন্ত্ৰাসবাদ ৰোধ কৰাৰ বাবে প্ৰয়াত নেতাজনৰ সোঁৱৰণত তেওঁৰ মৃত্যু দিৱসত সন্ত্ৰাসবাদ বিৰোধী দিৱস হিচাপে পালন কৰি আহিছে। এই অনুসৰি আজি পুৱা জৌহৌলীও শ্বৌমলা বসুমতাৰীৰ সমাধিত পতাকা উত্তোলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে এবছুৰ সভাপতি দ্বীপেন বড়োৱে। প্ৰয়াত এবছুৰ সভাপতি শ্বৌমলা বসুমতাৰীৰ সমাধিস্থলীত বন্তি প্ৰজ্বলন আৰু পুষ্প অৰ্পণ কৰে তেওঁৰ পত্নী ভানুমতী বসুমতাৰী আৰু কন্যা ফামি বসুমতাৰীয়ে। আজিৰ এই অনুষ্ঠানত গণস্বাক্ষৰ আৰু মানৱ শৃংখলৰ জৰিয়তে সন্ত্ৰাসবাদৰ বিৰুদ্ধে সবল প্ৰতিবাদ সাব্যস্ত কৰা হয় ।

উল্লেখ্য যে ১৯৯৬ ৰ আজিৰ এই দিনটোতে কোকৰাঝাৰ চহৰৰ হাতিমাথা গাঁৱত সশস্ত্ৰ উগ্ৰপন্থীৰ দলে নৃশংসভাৱে গুলিয়াই হত্যা কৰিছিল তদানীন্তন এবছুৰ কেন্দ্ৰীয় সভাপতি শ্বৌমলা বসুমতাৰীক। এবছুৰ আজিৰ এই 'উদখাৰি বেৰেখা সান' অৰ্থাৎ সন্ত্ৰাসবাদ বিৰোধী দিৱস কাৰ্যসূচীত উপস্থিত থাকে বিটিচি প্ৰধান প্ৰমোদ বড়ো। বিটিচিৰ কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে দীৰ্ঘসময়ৰ বাবে বিটিচিত হত্যা- হিংসা চলি অহাত নিখিল বড়ো ছাত্ৰ সন্থাই সন্ত্ৰাসবাদ ৰোধ কৰাৰ বাবে এতিয়া সফল হোৱা বুলি প্ৰকাশ কৰে। তেওঁ সকলো জাতি-জনগোষ্ঠীৰ লোকক এই দিশত আগুৱাই আহিবলৈ আহ্বান জনায়। বড়োৱে লগতে কয় যে আজি বিটিচিত শান্তি বিৰাজ কৰিছে কোনো উগ্ৰপন্থী সংগঠন নাই যদিও সমাজত চলি থকা সকলো ধৰণৰ অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে আমি মাৰ বান্ধি থিয় দিব লাগিব তেতিয়াহে আমাৰ এই সন্ত্ৰাস বিৰোধী দিৱস সফল হ'ব। এবছুৰ সভাপতি দ্বীপেন বড়োৱে এবছুৰ অহৰহ প্ৰচেষ্টাত সম্প্ৰতি বিটিচিত শান্তিৰ পৰিৱেশ বিৰাজ কৰিছে বুলি উল্লেখ কৰে। বিটিচিত চলি থকা ডকাইতি আদিও যাতে আমি নিৰ্মূল কৰি সম্পূৰ্ণ শান্তি প্ৰতিষ্ঠা কৰিব পাৰো সেয়া আমাৰ মূল লক্ষ্য বুলি উল্লেখ কৰে এবছুৰ সভাপতিজনে। তেওঁ লগতে কয় যে আমি অনাগত দিনতো শ্বৌমলা বসুমতাৰীৰ জীৱনাদৰ্শ জীয়াই ৰাখিবলৈ চেষ্টা কৰিম সমাজত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে। একেদৰে অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক আঠ পৃষ্ঠাত চাওক

### শ্ৰদ্ধাঞ্জলি

জন্ম ঃ ২৬ জুলাই ১৯৫৯ চন



মৃত্যু ঃ ২১ জুলাই ২০২২ চন

**স্বৰ্গীয় শশীন্দ্ৰ নাথ শৰ্মা**

'দেউতা' মাথোঁ এটা শব্দ নহয়, এখন বিশাল আকাশ, যাৰ তলত আমি নিৰাপদে আশ্ৰয় ল'ব পাৰো। দেউতা অসম আৰক্ষী বিভাগৰ এজন উপ-পৰিদৰ্শক আছিল। দেউতাই কৰ্মসূত্ৰে যি যি ঠাইত বদলি হ'বলগীয়া হৈছিল সেই প্ৰত্যেক ঠাইতেই দেউতাই একোজোপাকৈ আঁহত গছ ৰোপণ কৰিছিল। দেউতাক সদায় দেখি আহিছো এজন আদৰ্শৱান সমাজ সেৱকৰ ৰূপত।

এইজনা মহান মানুহ মোৰ 'দেউতা' যাক ৰাইজে 'বুধিয়ক শৰ্মা' নামেৰে জানে, তেওঁৰ ৩১ জুলাই, ২০২২ চন তাৰিখে আদ্যশ্ৰাদ্ধ আৰু দুই আগষ্ট ২০২২চনত তাৰিখে মৎস্যস্পৰ্শৰ দিন ধাৰ্য কৰা হৈছে। তেওঁৰ বিদেহ আত্মাৰ শান্তি কামনা কৰিলো এই শ্ৰদ্ধাঞ্জলিৰ জৰিয়তে।

ইতি,
প্ৰিয়ংকা দেৱী (জী)
যুগশ্ৰীনগৰ, কাহিলীপাৰা

দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১৪ শাওণ ১৪২৯ ভাস্কৰাব্দ ৩১ জুলাই ২০২২



## দ্বৈত মাধ্যম



**অসম** চৰকাৰে ৰাজ্যৰ সকলো চৰকাৰী বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে গণিত আৰু বিজ্ঞান বিষয় দুটাৰ শিক্ষাৰ মাধ্যম ইংৰাজী কৰাৰ সিদ্ধান্ত লৈছে। যোৱা ২৮ জুলাইত চৰকাৰৰ এক কেবিনেট বৈঠকত চৰকাৰী বিদ্যালয়সমূহত গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষা মাধ্যমত শিকোৱাৰ সিদ্ধান্ত লয়। চৰকাৰৰ এই সিদ্ধান্তই অসমৰ সকলো অসমীয়া তথা অন্যান্য স্থানীয় ভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়ক দ্বৈত মাধ্যমলৈ পৰিৱৰ্তিত কৰিব। ইয়াৰ পাছত অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয় বুলি একোৱেই নাথাকিব। সকলো বিদ্যালয় হৈ পৰিব দ্বৈত মাধ্যমৰ হ'ব। অৰ্থাৎ কিছুমান বিষয় অসমীয়া বা স্থানীয় ভাষা মাধ্যমৰ আৰু কিছুমান বিষয় (যেনে গণিত আৰু বিজ্ঞান) ইংৰাজী মাধ্যমৰ। চৰকাৰে অহা ২০২৩ শিক্ষাবৰ্ষৰ পৰাই এই সিদ্ধান্ত কাৰ্যকৰী কৰা হ'ব বুলি সদৰী কৰিছে। শিক্ষাবিদ তথা শিক্ষা বিশেষজ্ঞসকলৰ স'তে আলোচনা অবিহনে খৰ-ধৰকৈ চৰকাৰে কিয় এনে এটা সিদ্ধান্ত ল'লে সেয়া স্পষ্টকৈ জনোৱা নাই যদিও শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ মতে সৰ্বভাৰতীয় পৰীক্ষাসমূহত ছাত্ৰ-ছাত্ৰীসকলে যাতে ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়, তাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। চৰকাৰৰ সিদ্ধান্তই অসমীয়া ভাষা বা মাধ্যমৰ কোনো ক্ষতি নকৰে; কিন্তু শিক্ষামন্ত্ৰীৰ এনে কথাৰ বিপৰীতে ৰাজ্যৰ বিভিন্ন দল-সংগঠন, বিভিন্ন শিক্ষাবিদ তথা শিক্ষা বিশেষজ্ঞই চৰকাৰৰ সিদ্ধান্তৰ তীব্ৰ প্ৰতিবাদ কৰিছে। এই সিদ্ধান্তৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মাতৃভাষা মাধ্যমত শিক্ষা লাভৰ অধিকাৰ খৰ্ব কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰা হৈছে। অসমীয়া তথা অন্যান্য থলুৱা ভাষাৰ বিকাশত বাধাৰ সৃষ্টি কৰিব বুলিও অভিযোগ কৰিছে বিভিন্নজনে। তেওঁলোকৰ মতে ইয়াৰ ফলত অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকল ক্ষতিগ্ৰস্ত হ'ব। একাংশৰ মতে অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়লৈ যাবলৈ এৰি দিয়াৰ সম্ভাৱনা আছে।

অসম চৰকাৰে সকলো চৰকাৰী বিদ্যালয়তে প্ৰধান বিষয় গণিত আৰু বিজ্ঞানৰ শিক্ষাৰ মাধ্যম ইংৰাজী কৰাৰ পৰিৱৰ্তে পৰীক্ষামূলকভাৱে কিছু সংখ্যক নিৰ্বাচিত বিদ্যালয়ত এনে ধৰণৰ দ্বৈত মাধ্যম প্ৰৱৰ্তনৰ বাবেও সিদ্ধান্ত ল'ব পাৰিলেহেঁতেন। দ্বৈত মাধ্যমৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকল উপকৃত হৈছে নে নাই সেই বিষয়ে জানিব পৰা গ'লহেঁতেন। দ্বৈত মাধ্যমৰ প্ৰতি ছাত্ৰ-ছাত্ৰীয়ে আগ্ৰহ দেখুৱাইছে নে নাই, দ্বৈত মাধ্যমক খিচিৰি মাধ্যম বুলি কৈ ব্যক্তিগত ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ যোৱাই উত্তম বুলি ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলে বিবেচনা কৰিছে নেকি— এনে ধৰণৰ সমস্যাবোৰ বুজাত সহজ হ'লহেঁতেন; কিন্তু চৰকাৰে তাকে নকৰি খৰখেদাকৈ সকলো চৰকাৰী বিদ্যালয়ক দ্বৈত মাধ্যমৰ বিদ্যালয়ত পৰিণত কৰাৰ সিদ্ধান্ত ল'লে। আনহাতে, চৰকাৰে গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজীত তৃতীয় শ্ৰেণীৰ পৰাই শিকাবলৈ গ'লে বিজ্ঞান বিষয়ৰ অসমীয়া প্ৰতি শব্দ তথা বাক্যাংশৰ ভঁৰাল ইতিমধ্যে যিদৰে চহকী হ'বলৈ ধৰিছিল সেয়া বন্ধ হৈ পৰিব। অৰ্থাৎ অসমীয়া ভাষা সমৃদ্ধ হোৱাৰ বাট বন্ধ হৈ পৰিব।

দ্বৈত মাধ্যমৰ নামত গণিত আৰু বিজ্ঞান ইংৰাজীত শিকোৱাৰ পৰিৱৰ্তে চৰকাৰে একাংশ বিদ্যালয়ত সকলো বিষয় দুটা ভাষাত শিকোৱাৰ ব্যৱস্থা হাতত ল'বও পাৰিলেহেঁতেন। বিশ্বৰ বিভিন্ন দেশত একাংশ দ্বিভাষী বা দ্বৈত মাধ্যমৰ বিদ্যালয় আছে, যিবোৰ বিদ্যালয়ত প্ৰাথমিক পৰ্যায়ত সকলো বিষয় দুটা ভাষা মাধ্যম পোৱা যায়। ছাত্ৰ-ছাত্ৰীৰ মাতৃভাষা সুকীয়া সুকীয়া হোৱাৰ বাবে এনেদৰে দ্বিভাষী বা দ্বৈত মাধ্যমৰ বিদ্যালয় স্থাপন কৰা হৈছে। জাৰ্মানী, ফ্ৰান্স আদি ইউৰোপীয় দেশবোৰত এনে ধৰণৰ দ্বৈত মাধ্যমৰ প্ৰাথমিক বিদ্যালয়সমূহ যথেষ্ট জনপ্ৰিয়। শিক্ষক-শিক্ষয়িত্ৰীসকলো বেলেগ বেলেগ। চৰকাৰে যদি অসমৰ বিদ্যালয়বোৰত অসমীয়া বা থলুৱা ভাষাৰ লগতে ইংৰাজী মাধ্যমো খোলে, তেন্তে ছাত্ৰ-ছাত্ৰীসকলে পছন্দ অনুসৰি ইংৰাজী বা অসমীয়া মাধ্যমত অধ্যয়ন কৰিবলৈ সুবিধা লাভ কৰিব। ইংৰাজী মাধ্যমত পঢ়োৱাৰ বাবে নতুন শিক্ষক নিযুক্তি দিব লাগিব। চৰকাৰে যদিহে বিচাৰে যে দৰিদ্ৰ, আৰ্থিকভাৱে অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীসকলেও ইংৰাজী মাধ্যমত পঢ়াৰ সুযোগ পোৱা উচিত, তেন্তে এনে ব্যৱস্থাহে উত্তম হ'লহেঁতেন। চৰকাৰী বিদ্যালয়ত বিনামূলীয়াকৈ ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী মাধ্যমত শিক্ষা আহৰণ কৰিব পাৰিলেহেঁতেন। চৰকাৰে নতুন শিক্ষক নিযুক্তি দিব নিবিচাৰে। শিক্ষাৰ নামত অধিক ধন ব্যয় কৰিব নিবিচাৰে। এতিয়া সেয়ে গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত শিকোৱাৰ বাবে কোনো নতুন শিক্ষক নিযুক্তি দিয়া নহ'ব বুলি প্ৰকাশ পাইছে। চৰকাৰে একাংশ শিক্ষকক ইংৰাজীত গণিত আৰু বিজ্ঞান শিকোৱাৰ বাবে বিশেষ প্ৰশিক্ষণ দিয়া হ'ব বুলি কৈছে; কিন্তু কিছু দিনৰ প্ৰশিক্ষণ লৈ শিক্ষকসকলে বিজ্ঞান আৰু গণিতৰ দৰে বিষয় ছাত্ৰ-ছাত্ৰীক ইংৰাজীত শিকোৱাটো বা বুজাব পৰাটো সহজসাধ্য হ'বনে? সম্ভৱ হ'বনে? সেয়ে এই ক্ষেত্ৰত পৃথক শিক্ষক নিযুক্তি অধিক যুক্তিসংগত হ'ব। কিছুদিনৰ প্ৰশিক্ষণতে একোজন যোগ্য শিক্ষক হৈ পৰাটো সম্ভৱ নহয়; কিন্তু অসমীয়া বা থলুৱা ভাষাৰ শিক্ষকে যদি ইংৰাজী মাধ্যমত গণিত, বিজ্ঞান পঢ়ায়, তেন্তে ছাত্ৰ-ছাত্ৰীয়ে যে বুজি পোৱা সহজ নহ'ব, সেই বিষয়ত কোনো সন্দেহ নাই। ইয়াৰ ফল ভয়ংকৰ হ'বগৈ পাৰে। ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী ভাষাও নিশিকিব আৰু বিষয়বিলাকৰ মৌলিক ধাৰণাবোৰো বুজি নাপাব। বহু ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকৰ মাজত দ্বৈত বা খিচিৰি মাধ্যমৰ প্ৰতি অনীহাই দেখা দিব পাৰে। ৰাজ্যৰ শৈক্ষিক পৰিৱেশত অনিশ্চয়তা তথা অনাস্থাই দেখা দিয়াৰ সম্ভাৱনা আছে।

উল্লেখ্য যে পঞ্জাৱতো কিছুমান নিৰ্বাচিত আদৰ্শ (মডেল) বিদ্যালয়ত গণিত আৰু বিজ্ঞান বিষয় ইংৰাজী ভাষাত শিকোৱাৰ আঁচনি ঘোষণা কৰিছে। আনবোৰ বিষয় পঞ্জাৱী ভাষাতেই শিকোৱা হ'ব। ইতিমধ্যে চৰকাৰে ১৫,০০০ শিক্ষকক নিযুক্তি দিয়া হ'ব বুলি কৈছে। অৱশ্যে বহুতে এই বুলিও প্ৰশ্ন উত্থাপন কৰিছে যে নতুনকৈ নিযুক্তি দিয়া শিক্ষকৰ মাজত কিমানজন দ্বৈত মাধ্যমৰ বাবে যোগ্য বিবেচিত হ'ব। কৰ্ণাটকতো বহুতো বিদ্যালয় দ্বৈত মাধ্যমৰ বাবে অনুমোদন জনোৱা হৈছে। স্থানীয় লোকৰ মাতৃভাষা কানাড়া ভাষা সকলো চৰকাৰী বিদ্যালয়ত প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ এটা বিষয় হিচাপে থকাটো বাধ্যতামূলক; কিন্তু ষষ্ঠ শ্ৰেণীৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে ত্ৰিভাষা সূত্ৰ মানি ইংৰাজী আৰু কানাড়া দ্বৈত মাধ্যমত শিক্ষা দান ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। এনে ধৰণৰ দ্বৈত মাধ্যমৰ নিদৰ্শন অসমেও গ্ৰহণ কৰিব পাৰে। অৱশ্যে এই ক্ষেত্ৰত চৰকাৰে শিক্ষাবিদ, শিক্ষা বিশেষজ্ঞসকলৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত হ'ব। অসম চৰকাৰে কিছু সংখ্যক নিৰ্বাচিত আদৰ্শ বিদ্যালয়ত দ্বৈত মাধ্যমত শিক্ষা দানৰ ব্যৱস্থা গ্ৰহণ কৰা হ'লে হয়তো বেছি বিতৰ্ক তথা প্ৰতিবাদ দেখিবলৈ পোৱা নগ'লহেঁতেন। ই পৰীক্ষামূলক হ'লহেঁতেন; কিন্তু চৰকাৰে ৰাজ্যৰ সকলো চৰকাৰী বিদ্যালয়কে দ্বৈত মাধ্যমলৈ পৰিৱৰ্তিত কৰাটো কিমান যুক্তিসংগত হৈছে, সেই কথা নিশ্চিতভাৱে ক'ব নোৱাৰি। বিশ্ব বেংক, ইউনেস্ক' আৰু বিভিন্ন শিক্ষা বিশেষজ্ঞসকলে প্ৰাথমিক পৰ্যায়ত (নিম্ন তথা উচ্চ প্ৰাথমিক) মাতৃভাষা মাধ্যমত শিকোৱাটো সৰ্বোত্তম আৰু বিজ্ঞানসন্মত বুলি দেখুৱাইছে। বিশ্বৰ সকলো দেশেই এই শিক্ষানীতি গ্ৰহণ কৰি আহিছে।

# মানুহেই মানুহৰ ভৱিষ্যৎ

## ইতিহাস কেৱল অতীতৰ বিষয় নহয়। ইতিহাস বৰ্তমানেও প্ৰৱাহিত। প্ৰৱাহিত ভৱিষ্যতৰ পিনেও



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা মুস্তাফিজুৰ ৰহমান

**চৰকাৰৰ** ওপৰত জনগণৰ নিয়ন্ত্ৰণ নাথাকিলে তাক গণতন্ত্ৰ বুলি কোৱা নাযায়। ক্ষমতাৰ কেন্দ্ৰীকৰণ গণতন্ত্ৰৰ বাবে অশনি সংকেত। যি দেশত জনগণে চৰকাৰক নিয়ন্ত্ৰণত ৰাখিব পাৰে, সেয়াই হ'ল গণতন্ত্ৰ। যি দেশত চৰকাৰৰ ওপৰত জনগণৰ নিয়ন্ত্ৰণ নাই তাক গণতন্ত্ৰ বুলি কোৱা নাযায়।

গণতান্ত্ৰিক দেশত মিডিয়া হৈছে স্বচ্ছ দাপোণৰ দৰে। যি দেশত সাংবাদিক নিগৃহীত হয়, টেলিভিছনে চৰকাৰী যাদুৰ বাকচৰ দৰে আচৰণ কৰে, বাতৰি কাকতৰ সম্পাদকক ভাবুকি দিয়া হয় সেই দেশৰ বৰ দুৰ্ভাগ্য। গণতন্ত্ৰৰ প্ৰকৃত স্বাদ জবাবদিহিতাৰ নিৰাপত্তা সেই দেশৰ মানুহৰ ভাগ্যত নিমিলে। বিতৰ্ক আৰু আলোচনা হৈছে গণতন্ত্ৰৰ ভিত্তি। সভ্য সমাজ তিষ্ঠি থাকে বিতৰ্ক আৰু আলোচনাৰ দ্বাৰাহে। অস্ত্ৰৰ সংঘাত যেতিয়া আৰম্ভ হয়, সেই সমাজ তেতিয়া ধ্বংস হয়। সমাজত নানা মত আৰু পথ থাকিব। সৱ কিছু মচি পেলাই কোনো তত্ত্ব তাত্ত্বিকতাৰ দ্বাৰা কোনো সমাজৰ মানুহক ভেড়াৰ পালত পৰিণত কৰা নাযায়; কিন্তু মানুহ যিহেতু সমাজবদ্ধ জীৱ আৰু নিজৰ মাজত আলোচনা কৰিব জানে, সেই বাবে সৱ অনৈক্য আৰু দ্বন্দ্বৰ মাজতো ঐক্যমতৰ এটা সাধাৰণ সূত্ৰ উদ্ভাৱন কৰাটো সম্ভৱ। আৰু তাৰ চাৰিসীমাৰ মাজত এক গণতান্ত্ৰিক সমাজ নিৰ্মাণ কৰি শান্তিপূৰ্ণ সহ-অৱস্থানো সম্ভৱ।

গণতন্ত্ৰ বিকাশত কেৱল যে ৰাজনৈতিক দাৰ্শনিকসকলে লেখা লেখি বা তত্ত্ব ৰচনা কৰিছে, সেয়া নহয়। কবি কথাশিল্পী নাট্যকাৰেও তেওঁলোকৰ সৃষ্টিশীল ৰচনাক গণতান্ত্ৰিক মূল্যবোধ আৰু মানৱাধিকাৰ প্ৰচাৰৰ বাহন কৰিছে। যাৰ ৰাজনৈতিক আৰু সামাজিক তত্ত্ব এতিয়া বিশ্বব্যাপী প্ৰচাৰিত, তেওঁলোকৰ বহুতেই মূলত সৃষ্টিশীল লেখক। ভল্টেয়াৰ প্ৰধানত কবি। ৰুছো ঔপন্যাসিক। দিদেৰে এগৰাকী বিজ্ঞানী। হোলবাখ এজন তত্ত্ববিদ। সমাজ বিজ্ঞানী মন্তেস্কু ব্যংগ লেখক।

গণতন্ত্ৰৰ এটা দিশ হ'ল তাত্ত্বিক আৰু এটি হ'ল প্ৰয়োগৰ দিশ। কোনো তত্ত্ব প্ৰয়োগ কৰিব বিচাৰিলে সেয়া চৰ্চাৰ মাজেৰে কৰাৰ প্ৰয়োজন। নিৰ্বাচনৰ মাধ্যমেৰে জনগণৰ পৰা পোৱা ক্ষমতা গঠনমূলক কামত ব্যৱহাৰ নহ'লে তাৰ অপব্যৱহাৰ ঘটে। সমাজৰ স্তৰে স্তৰে তাৰ বিকৃত প্ৰকাশ ঘটে। অপ্ৰশিক্ষিত নেতৃত্বত গণতান্ত্ৰিক ব্যৱহাৰ বিকৃতিত সমাজত সৃষ্টি হয় নৈৰাজ্যৰ। যি নৈৰাজ্য বৰ্তমান চলি আছে আমাৰ দেশত।

মহান কমিউনিষ্ট বিপ্লৱী লেনিনে কৈছিল— 'যিকোনো ৰাজনৈতিক সংকটৰ উপযোগিতা আছে। কাৰণ যি আছিল গুপ্ত সেয়া সংকটৰ সময়ত প্ৰকাশ পায়।' লেনিনৰ এই তাৎপৰ্যপূৰ্ণ কথাখিনি যিকোনো দেশ বা জাতিৰ ক্ষেত্ৰতেই প্ৰযোজ্য। অসমীয়া জাতিৰ ক্ষেত্ৰত আৰু বেছি প্ৰযোজ্য। অসমীয়া জাতিৰ জীৱনত বাৰে বাৰে সংকটৰ সৃষ্টি হৈছে। সৃষ্টি হৈছে বুলি কোৱাতকৈ সংকট তৈয়াৰ কৰা হৈছে বুলি ক'লে শুদ্ধ হ'ব।

**(দুই)**

শ্ৰীশ্ৰীৰামকৃষ্ণ পৰমহংসদেৱ আছিল ভাৰতবৰ্ষৰ আধুনিক যুগৰ এজন অৱতাৰ। মহামানৱৰ বাণী ধৰ্ম-বৰ্ণ-জাতি নিৰ্বিশেষে সকলোৱে তাৰ পৰা শিক্ষা লাভ কৰিব পাৰে। পৰমহংসদেৱে আধ্যাত্মিক নৈতিক আৰু কৰ্মৰ কঠিন তত্ত্বক সহজ-সৰল ভাষাত বুজাই দিছিল ভক্তক। তেওঁৰ প্ৰায়বোৰ কথাই আছিল সহজ। যেনে সাধু নাসাজিবা। সাধু হ'বা। চালাক নহ'বা বুদ্ধিমান হ'বা। চালাকি কৰি তাৎক্ষণিক কিছু সুবিধা লাভ কৰিলেও শেষ পৰ্যন্ত বিশেষ কোনো লাভ নহয়। বুদ্ধিমত্তাৰ স'তে কাম কৰিলে সাময়িক অসুবিধা হ'লেও শেষ পৰ্যন্ত সুফল পোৱা যায়। শ্ৰীশ্ৰী ৰামকৃষ্ণৰ চালাক নহৈ বুদ্ধিমান হোৱাৰ উপদেশ ব্যক্তিৰ ক্ষেত্ৰত যেনেকৈ সঁচা, তেনেকৈ জাতীয় জীৱনতো সত্য। জাতীয় জীৱনত তাৎক্ষণিক সুবিধাৰ বাবে কোনো ধৰণৰ চাতুৰ্যৰ আশ্ৰয় ল'লে তাৰ ফল শুভ নহয়। যিয়ে চাতুৰ্য কৰে তাৰ বাবেও নহয়, যাৰ বিৰুদ্ধে চাতুৰ্য কৰা হয় সিহঁতৰ বাবেতো নহয়েই।

**তিনি**

ইতিহাস কেৱল অতীতৰ বিষয় নহয়। ইতিহাস বৰ্তমানেও প্ৰৱাহিত। প্ৰৱাহিত ভৱিষ্যতৰ পিনেও। আৰু ইতিহাসতো কেৱল ঘটনা নহয়। ইতিহাসত সমাজ থাকে।

পৃথিৱীত ধৰ্মীয় সাম্প্ৰদায়িকতাৰ ভিত্তিত প্ৰতিষ্ঠিত দুখন ৰাষ্ট্ৰ আছে। পাকিস্তান আৰু ইজৰাইল। জন্মৰ পৰাই দুয়োখন ৰাষ্ট্ৰই অশান্তি আৰু বিভেদৰ অগ্নি জ্বলাই আহিছে। সাম্ৰাজ্যবাদী মনিবৰ আঙুলিৰ ঠাঁৰত। পাকিস্তানে উপ-মহাদেশত আৰু ইজৰাইলে মধ্য প্ৰাচ্যত। পাকিস্তানত তালিবানৰ আক্ৰমণ সেই দেশৰ নিজৰ সৃষ্টি। ভাৰতৰ বিৰুদ্ধে নিজস্ব 'ৰিজাৰ্ভ' সৃষ্টিৰ লক্ষ্যত পাকিস্তানী চোৰাংচোৱা বাহিনীৰ তত্ত্বাৱধানত তালিবানৰ জন্ম। নিজেই পোহা ক'লা সাপে এতিয়া গৃহকৰ্তাক খুঁটিয়াইছে। মছজিদত মুছলমান নিধন কৰিছে। অজ্ঞানতা কু-সংস্কাৰেৰে পৰিপূৰ্ণ আৰু সদা বিবদমান এক জনগোষ্ঠীৰ মাজত বেদুইনভূমিত যি ইছলামে জন্মগ্ৰহণ কৰিছিল, সেই ইছলামৰ মূল কথা আছিল ন্যায়, স্বাধীনতা আৰু সামাজিক সাম্য। বিদায় হজৰ ভাষণত বিশাল জনসমুদ্ৰত বিশ্বনবীয়ে কৈছিল— কাৰোবাক অহেতুক হত্যা কৰা সামাজিক অনাচাৰ আৰু জুলুমৰ অন্তৰ্ভুক্ত।

শান্তিৰ ধৰ্ম ইছলামত সকলো ধৰণৰ হত্যাযজ্ঞ ৰক্তপাত অৰাজকতা সন্ত্ৰাস আৰু সহিংসতাক কঠোৰভাৱে নিষিদ্ধ ঘোষণা কৰা হৈছে। কোৰানত আছে— সিহঁতৰ ওপৰত কঠিন ব্যৱস্থা অৱলম্বন কৰা হ'ব, যিয়ে মানুহৰ ওপৰত অত্যাচাৰ কৰে আৰু পৃথিৱীত অন্যায়ভাৱে বিদ্ৰোহ কৰি ফুৰে। (চুৰা আশ-শুৰা, আয়াত ৪২)।

সততাই শ্ৰেষ্ঠ পন্থা— এয়া ধৰ্মৰ কথা। জীৱৰ প্ৰতি দয়া এয়াও ধৰ্মৰ কথা; কিন্তু ধৰ্ম লৈ ৰাজনীতি কৰা নেতাবোৰক দুটাৰ কোনোটোৱে পালন কৰা নেদেখো এয়াও এক অশুভ লক্ষণ। ক্ষমতাৰ দৌৰাত্ম্য চলিছে। ক্ষমতা দেখুওৱাৰ প্ৰতিযোগিতাৰ ফলত প্ৰতিষ্ঠিত হৈছে নিয়ম ভঙাৰ নিয়ম। বাঢ়িছে নৈৰাজ্য। নষ্ট হৈছে শৃংখলা আৰু জন্মগ্ৰহণ কৰিছে এক ধৰণৰ অৰাজক পৰিস্থিতিয়ে। বাস্তৱতে আইনে কাকো ক্ষমতাৱান নবনায়। আইনে সৃষ্টি কৰে দায়িত্বশীলতা। দায়িত্বকে ক্ষমতা বুলি ভবাৰ মাজতেই লুকাই আছে অসংখ্য সমস্যাৰ বীজ। ক্ষমতাৰ দুন্দুভি বজাই থকা মানুহৰ দৌৰাত্ম্য সৰ্বত্ৰ। চৌদিশে মেৰুদণ্ডহীন মানুহৰ ভিৰ।

অ ই বোলে অসম নামৰ
আছে এখন দেশ
মন্ত্ৰী আমোলাই লুটিপুতি
কৰিছে যে শেষ
নামতহে ডেম'ক্ৰেচী
আচলতে মবক্ৰেচী
নষ্ট চৰিত্ৰ নষ্ট স্বভাৱ
নষ্ট পৰিৱেশ
অক্ষম এখন মন্ত্ৰীসভা
দিছপুৰত কৰিছে সভা
চামচা আৰু বিসম্বাদীৰ
কি যে ছদ্মবেশ
আ ই বোলে আমাৰ দেশত

**আমাৰ শত্ৰু আমি নিজেই। এই শত্ৰুৰ আনুগত্য কেৱল এটা বস্তুৰ প্ৰতি। তাৰ ধৰ্ম। দেশৰ উৰ্বৰ মাটিত সিঁচি ফুৰে ঘৃণাৰ বীজ। দেশৰ স্বপ্নক চূৰ্ণ কৰি পূৰ্ণ কৰে নিজৰ স্বপ্ন।**

বাস্তৱ জীৱনত। এনে হৃদয়হীন সমাজ কি আমাৰ ইতিহাসৰেই অৱশ্যম্ভাৱী পৰিণতি? আমাৰ শত্ৰু আমি নিজেই। এই শত্ৰুৰ আনুগত্য কেৱল এটা বস্তুৰ প্ৰতি। তাৰ ধৰ্ম। দেশৰ উৰ্বৰ মাটিত সিঁচি ফুৰে ঘৃণাৰ বীজ। দেশৰ স্বপ্নক চূৰ্ণ কৰি পূৰ্ণ কৰে নিজৰ স্বপ্ন।

**চাৰি**

মোৰ মাতৃভূমি অসম আঠসত্তৰ বৰ্গ কিলোমিটাৰৰ সৰু এখনি দেশ। সমস্যা অগণন। জনগণৰ মৌলিক সমস্যাবোৰ চৰমভাৱে উপেক্ষিত। অগ্নিমূল্যৰ বজাৰত ক্ৰেতাৰ মনত জ্বলিছে জুই। তাৰ স'তে সুশাসনৰ অনুপস্থিতি যোগ হৈ হতাশাক বঢ়াই দিছে আৰু কেইগুণমান। মানুহৰ মৰ্যাদা সৰ্বত্ৰ ভূলুণ্ঠিত। শাসন-শোষণৰ কি নিষ্ঠুৰ পৰিহাস। শাসক শ্ৰেণী সৰৱ হৈ উঠিছে। চৰকাৰৰ একপক্ষীয় প্ৰচাৰ প্ৰপাগাণ্ডা চলিছে। অস্বাভাৱিক পৰিস্থিতিৰ

আছে সব কিছু
আমছু আছে আলফা আছে
আৰু আছে আছু
আছে হৰতাল আছে বন্ধ
আছে নেতা আছে ভণ্ড
চামচা আছে আছে বিসম্বাদী
আছে বোন্দা কেচু

**পাঁচ**

পৃথিৱীৰ সবাতোকৈ বেছি কিতাপ লিখা সাহিত্যিক গৰাকী ক'ৰ? অসমৰ। পৃথিৱীৰ সৰ্ববৃহৎ গ্ৰন্থখনৰ লেখক ক'ৰ? অসমৰ। পৃথিৱীৰ ভিতৰত সবাতোকৈ বেছি কবিৰ সংখ্যা ক'ত? অসমত। পৃথিৱীৰ ভিতৰত সবাতোকৈ বেছি সাহিত্য পুৰস্কাৰ ক'ত? অসমত। পৃথিৱীৰ ভিতৰত সবাতোকৈ বেছি সাহিত্যিক পেন্সনাৰ ক'ত? অসমত। সাহিত্যক লৈ গঠিত পৃথিৱীৰ একমাত্ৰ সভাখন ক'ত? অসমত। সেই সভাখনক লৈ বিতৰ্ক চলিছে। খাদ্য বিতৰ্ক। গাহৰিৰ মাংস। লিখি থাকোতেই ফোনটো বাজিল। তুলি ল'লো। পোনে পোনে প্ৰশ্ন কৰিলে ফোনৰ সিমূৰৰ পৰা মানুহজনে আজমল চাহেবকে ভালোবাসেন না কেনো?

ঃ কাৰণ তেওঁ ধৰ্মক লৈ ৰাজনীতি কৰে। জৰা ফুঁকা কৰে।

ঃ তুই কি বেছি জানিচ? তাহলে আমাৰ আৰ একটা প্ৰশ্নৰ উত্তৰ দেনতো।

ঃ বলেন।

ঃ আৰহাৱাৰ পূৰ্বাভাস আছে পশ্চিমাভাস নাই কেনো?

ঃ যেমন কৰে আপনাৰ এই প্ৰশ্নৰ উত্তৰ আছে কিন্তু কোনো দক্ষিণ নাই।

ঃ ধূৰ চালা।

ঃ ঐ হালাৰ ভাই মোলা। আজমলেৰ পোলা।

মানুহজনে ফোনটো থৈ দিলে।

**ছয়**

এগৰাকী আদিবাসী মহিলা দ্ৰৌপদী মুৰ্মুক দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত কৰাৰ বাবে বিজেপি নিশ্চয় ধন্যবাদৰ পাত্ৰ। পাঁচ বছৰ আগতে নিৰ্বাচিত কৰিছিল এগৰাকী দলিতক। যাক দলিত সম্প্ৰদায়ৰ হোৱা বাবে দাক্ষিণাত্যৰ এটা মন্দিৰত প্ৰৱেশ কৰিবলৈ দিয়া হোৱা নাছিল। দ্ৰৌপদী মুৰ্মুক শপত লোৱাৰ আগতে এগৰাকী ব্ৰাহ্মণে শুদ্ধিকৰণ কৰিলে।

স্বপ্ন দেখাৰ যি কিছু আছিল দেশত সেয়া লাহে লাহে ধ্বংস হৈ গৈছে। চৌপাশে এতিয়া অসুন্দৰৰ ভিৰ। তাত কোনো মহত্ত্ব নাই। ভালপোৱা নাই।

এটা সময় আছিল গুৱাহাটীৰ পৰা উন্নত চিকিৎসাৰ বাবে ৰোগীক লৈ যোৱা হৈছিল ডিব্ৰুগড়লৈ। ডিব্ৰুগড়ৰ পৰা এয়াৰ এম্বুলেন্সৰ উন্নত চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত জুবিন গাৰ্গক লৈ অহা হ'ল গুৱাহাটীলৈ। জুবিনৰ লাখ লাখ অনুৰাগীয়ে মুখ্যমন্ত্ৰীৰ শলাগ ল'লে। হিমন্ত বিশ্ব জনপ্ৰিয় হোৱাৰ ইও এটা কাৰণ। জুবিন গাৰ্গ এয়াৰ এম্বুলেন্সেৰে আনিব লগা ৰোগী নাছিল। ষ্ট্ৰেচাৰত তুলি অজ্ঞান অচেতন অৱস্থাত জুবিনক অনা হোৱা নাছিল। জুবিনে খোজ কাঢ়ি আহিব পাৰিছিল।

জুবিনৰ সুস্বাস্থ্যৰ কামনা কৰিলো। সুৰাপান কৰা কমাব বুলি আশা কৰিলো।

ৰাষ্ট্ৰপতি নিৰ্বাচনত ক্ৰছ ভোটিং হ'ল। হিমন্ত বিশ্বই ক'লে— কংগ্ৰেছী বিধায়কৰ ১৫/১৬ টা ভোট লাভ কৰিছো। কংগ্ৰেছী বিধায়কে ক্ৰছ ভোটিং কৰিছে বুলি তেওঁ জানিলে কেনেকৈ? নিশ্চয় ১৫/১৬ জন বিধায়ক কিনিছে। বিজেপিৰতো টকাৰ আকাল নাই। টকাই টকা।

এডাল লাইনক সৰু কৰাৰ দুটা উপায়। ৰবৰেৰে ঘঁহি অলপ মচি দিয়া অথবা তাৰ কাষত ডাঙৰ এডাল লাইন টানি দিয়া। মচি দিয়া হীন কাম। কাষত ডাঙৰ এডাল লাইন টানি দিয়া মহৎ কাম। মহৎ কাম কৰাৰ সুযোগ যেতিয়া থাকে, তেতিয়া হীন কাম কৰাৰ জানো কিবা প্ৰয়োজন আছে?

**সাত**

সুখ এক ৰঙীন প্ৰজাপতিৰ নাম। পৃথিৱীৰ সবাতোকৈ এবষ্ট্ৰাক আৰ্ট। আচলতে স্বপ্নৰ অন্য এক নাম সুখ।

ফোন ঃ ০০১৪০৩২৭০১৮১৭

## গিৰীৰ নাই বিত্ত তিৰীৰ নাই চিত্ত

মনোজ কুমাৰ ভট্টাচাৰ্য



— **দুদিনমানৰ** পৰা কথা এটা মই ভালদৰে লক্ষ্য কৰি আছো। কেৱল তোমাক ক'বহে খোজা নাছিলো।
— কি?
— তুমি বৰ খিংখিঙীয়া হৈ উঠিছা।
— হয় নেকি? হৈছো যদি কিয় হৈছো, কাৰ বাবে হৈছো কওকচোন? হাঁহি-মাতি থাকিবলৈ মোৰ ইচ্ছা নাই নেকি? সেই সুবিধাকণ মই জানো পালো?
— হেৰা, খংটো অকণমান দমাবলৈ চেষ্টা কৰা। খং কৰিলে তোমাৰ দেহৰো ক্ষতি হ'ব আৰু ঘৰখনৰ সুস্থ পৰিৱেশো বিঘ্নিত হ'ব।
— ঘৰখনত অশান্তি বঢ়াব আপুনি আৰু মই শান্তি ৰক্ষকৰ ভূমিকা পালন কৰি থাকিম। কি কথা কয়হে আপুনি?
— মই শান্তিপ্ৰিয় মানুহ। তেনেস্থলত মই অশান্তি কিয় বঢ়াম কোৱাচোন?
— আপুনি মোক বিয়া কৰাই আনিছিল কিয়? সেইটো আগতে কওক।
— কি অবান্তৰ প্ৰশ্ন কৰাহে তুমি? তুমি নাজানা নেকি মানুহে বিয়া কৰাই কিয়?
— নাজানো, সেইবাবেই আপোনাক সুধিছো, কওক।
— একো নজনাকৈ তুমি মোৰ লগত বিয়া হৈছা নেকি? এইটো আৰু কেনে কথা?
— মোৰ আগত চালে-বেৰে কোবোৱা কথা নক'ব। যি সুধিছো পোনে পোনে উত্তৰ দিয়ক।
— শুনা, এখন সুখৰ সংসাৰ কৰিবলৈ মই তোমাক বিয়া পাতি আনিছিলো।
— পিছে সুখৰ সংসাৰত ছমাহতে ঘূণে ধৰিলে নহয়? সেইবাবে এতিয়া মোৰ দুখে কুলাই-পাচিয়ে নধৰা হৈছে?
— হেৰা, সুখ টকাৰে কিনা বস্তু নহয়। এইটো একান্ত উপলব্ধিৰ কথা। যেতিয়ালৈকে তোমাৰ মনত সন্তুষ্টিৰ ভাৱ নাথাকে, তেতিয়ালৈকে তুমি সুখী হ'ব নোৱাৰা।
— যি ক'বলগীয়া আছে আনক ক'ব। মোক অন্ততঃ উপদেশ দিবলৈ নাহিব। মুখৰ কথাত সুখ উৰি নাহে, বুজিছে?
— এটা কথা জানি ল'বা— তুমি কি বা তোমাৰ কি আছে, তাৰ ওপৰত তোমাৰ সুখ নিৰ্ভৰ নকৰে। তোমাৰ সুখ নিৰ্ভৰ কৰে তুমি কি চিন্তা কৰিছা তাৰ ওপৰতহে।
— হেৰি, মই কি চিন্তা কৰো সেইটো মোৰ ব্যক্তিগত কথা। আপোনাক সুধিহে মই চিন্তা কৰিব লাগিব নেকি?
— তুমি কথাবোৰ কিবা ওলোটাকৈ লোৱাহে। এয়াৰ কথা আছে জানা? সংসাৰত এনে মূৰ্খ নাই যি সুখী হ'ব পাৰিছে আৰু এনে জ্ঞানী লোক নাই যি সুখী নোহোৱাকৈ আছে।
— সুখ পাবলৈ, হাঁহি-ফূৰ্তি কৰিবলৈ, আনন্দ মনে থাকিবলৈ মোৰ জানো হেঁপাহ নাই। পিছে এইখন ঘৰত মই পালো কি কওকচোন? আপুনি মোক দিলে কি, সেইটো এবাৰ চিন্তা কৰি চাওকচোন?
— হেৰা, যোৱা মাহত মই চাকৰিটো হেৰুৱালো। ব্যক্তিগত খণ্ডৰ চাকৰিৰ সুৰক্ষা একো নাথাকে, সেইটো তুমিও জানা। চৰকাৰী চাকৰিৰ কথা বেলেগ। সেই বুলি মই আন এটা চাকৰি নোপোৱাকৈ নাথাকো। চাই থাকিবা তুমি।
— ইফালে ধান পকে মানে টুনীৰ যে মৰণ হ'ব, সেই কথাটো এবাৰ ভাবি চাইছেনে?
— ঘৰখন চলিবলৈ টকাৰ অভাৱ যে হৈছে সেইটো মই জানো। দৰমহা নাপালে অসুবিধা হোৱাটো স্বাভাৱিক। হেৰা, যেনেতেনে চাকৰি এটা যোগাৰ কৰি ল'ম দিয়া। চিন্তা নকৰিবা তুমি?
— কোনোবাই আপোনাৰ কাৰণে চাকৰি সাঁচি ৰাখিছে দিয়ক। আপুনি গ'লেই আথে-বেথে মাতি নি নিযুক্তি পত্ৰখন দি দিব। আপুনি ভবাৰ দৰে হ'লেতো অসমত আজি লাখ লাখ লোক বেকাৰ হৈ থাকিবলগীয়াই নহ'লহেঁতেন।
— চাকৰিৰ বাবে অৰ্হতা যেনেকৈ লাগে, অভিজ্ঞতাও তেনেকৈ লাগে। দুয়োটাই যিহেতু মোৰ আছে, গতিকে চাকৰি পোৱাটো নিশ্চিত।
— দেখিলেহে লেখিম দিয়ক। বৰ বৰ কথা কোৱা বহুত মানুহ লগ পাইছো। পিছে কামৰ বেলিকা ফুচ। সব ফুটুকাৰ ফেন।
— শুনা, শব্দৰ খেতি কৰা লোক আমাৰ সমাজত কিমানজন আছেহে? তাতে আকৌ সাংবাদিকতা কৰা লোক আঙুলিৰ মূৰত গন্তিৰ লেখীয়া। এই কামত নিচা নাথাকিলে সব মিছা। যিকোনো লোকে ইমান গধুৰ দায়িত্ব এটা মূৰ পাতি ল'বলৈ সাহসেই নকৰে, বুজিছা?
— হয় দিয়ক। আপোনাৰ দৰে বাহাদুৰ লোক অসমত নায়েই। আছে যদিও তেনেই নগণ্য। ভাগ্য ভাল, অধিক সংখ্যক সাংবাদিক হোৱা হ'লে মোৰ দৰে কিমান তিৰোতাৰ পানীত হাঁহ নচৰা সাংঘাতিক অৱস্থা হ'লহেঁতেন কোনে জানে?
— তোমাক বুজাই একো লাভ নাই দিয়া। জগতত যেনেকৈ দিন আৰু ৰাতি আছে, সংসাৰতো তেনেকৈ সুখ আৰু দুখ আছে। দুখত নপৰিলে সুখৰ অনুভৱ কেতিয়াও তুমি কৰিব নোৱাৰিবা।
— হ'ব দিয়ক। ভাল বুদ্ধি দিছে আপুনি। কেইবছৰমান দুখত থাকি আধামৰা হোৱাৰ পাছত যেতিয়া ভাল দিন আহিব, তেতিয়া একেকোবে স্বৰ্গসুখ পাম, নহয়নে?
— শুনা, প্ৰতিজন সফল পুৰুষৰ পাছত এগৰাকী সবল নাৰী থাকে, যিয়ে পুৰুষজনক প্ৰেৰণা দি থাকে। তুমি যদি নিজেই মনোবল হেৰুওৱা, তেনেহ'লে মোক কেনেকৈ উদগনি যোগাবা কোৱাচোন?
— সংসাৰৰ প্ৰতি উদাসীন লোকক মই উদগনি যোগাম? কি কথা কয়হে? এমাহতে মই জীৱনৰ যি তিতা-কেঁহা পালো, তাৰ পাছতো আপুনি কি যুক্তিত মোৰ পৰা অনুপ্ৰেৰণা পাম বুলি আশা কৰে কওকচোন?
— চোৱা, সংসাৰখন বাইচাইকেলৰ দৰে। তুমি আৰু মই দুটা চকা। এটা চকা অকামিলা হ'লে চাইকেলখন চলিব জানো?
— আপুনি চকা হৈ বাটে-পথে ঘূৰি ফুৰক আৰু মই জঁকা হৈ ঘৰতে পৰি থাকো। নহয় জানো? মই মাত্ৰ আৰু এমাহ বাট চাম, আপোনাৰ এইকেইদিনত একো এটা নহ'লে মই কিন্তু জাহ যাম। কৈ থ'লো।
— হেৰা, মোৰ বিত্তৰ নাটনি দুদিনমানৰ পাছতে শেষ হ'ব, তোমাৰ কিন্তু চিত্ত শুদ্ধি এই জীৱনত কোনোদিনেই নহ'ব। কথাষাৰ মনত ৰাখিবা।
— হা?

ফোন : ৯১০১৭৭৪৮৬৮

## ৰাষ্ট্ৰপত্নী

মহেশ্বৰ হাজৰিকা



**মহাবৈয়াকৰণ** পাণিনিৰ অষ্টাধ্যায়ীত এটা সূত্ৰ আছে 'পত্যুৰ্নো যজ্ঞসংয়োগে' (৪.১.৩৩)। তাৰ অৰ্থ হ'ল যে যজ্ঞৰ লগত সংযোগ থাকিলে 'পতি' শব্দৰ ইকাৰৰ ঠাইত ন্ আদেশ হয়, আৰু ঙীপ্ প্ৰত্যয় হয়। তেতিয়া শব্দটো হ'ব 'পত্নী'। এতিয়া প্ৰশ্ন হ'ল এই যে যজ্ঞসংযোগ থাকিলে হে এনে ৰূপ হয় বুলি ক'লে তেন্তে যজ্ঞসংযোগ নাথাকিলে 'পত্নী' শব্দ সিদ্ধ নহ'ব নেকি? যজ্ঞ নকৰাকৈ যি বিয়া কৰাইছে তেওঁৰ ঘৈণীয়েকক 'পত্নী' বোলা নাযাব নেকি? এই আশংকা কৰিয়ে পতঞ্জলিয়ে তাৰ সমাধান দি কৈছে যে, পতিশব্দটো ঐশ্বৰ্যবাচী। যাৰ ঈশ্বৰত্ব আছে অৰ্থাৎ প্ৰভুত্ব আছে, অৰ্থাৎ যি মালিক হয় তেৱেঁই পতি। তদুপৰি সকলো গৃহস্থই পঞ্চমহাযজ্ঞ সম্পাদন কৰেই, এতেকে তেওঁ হোম কৰিয়ে বিয়া কৰাওক বা পলুৱায়ে আনক, তেওঁ যিহেতু পঞ্চ মহাযজ্ঞ সম্পাদন কৰেই তেওঁৰ ঘৈণীয়েক পত্নী হয়। তাত আপত্তি কৰিবলগীয়া নাই। ঘৈণীয়েকেও এই পঞ্চ মহাযজ্ঞৰ ফল লাভ কৰে কাৰণে তেওঁৰ যজ্ঞৰ স্বামিত্ব থাকে। সেয়ে তেওঁ পত্নী হয়। এতিয়া আকৌ প্ৰশ্ন হৈছে যে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনি বৰ্ণৰ হে যজ্ঞাধিকাৰ থাকে, শূদ্ৰৰ যজ্ঞাধিকাৰ নাথাকে; তেনে স্থলত শূদ্ৰৰ ঘৈণীয়েক পত্নী হ'ব নোৱাৰিব নেকি? তাৰো উত্তৰ পতঞ্জলিয়ে এই বুলি দিছে যে সি উপমানৰ বলত সিদ্ধ হয়। যজ্ঞাধিকাৰীৰ পত্নীৰ লগত তুলনীয় কাৰণে অনধিকাৰী শূদ্ৰৰ ঘৈণীয়েকো পত্নী হয়। (তুলনীয় - 'এৱমপি তূৰ্জকস্য পত্নী ন সিধ্যতি। উপমানাৎ সিদ্ধম্। পত্নীৱ পত্নীতি' - মহাভাষ্য)। এইদৰে দেখা গ'ল যে যজ্ঞসংযোগ নাথাকিলেও পতিৰ স্ত্ৰীলিঙ্গ পত্নী হ'ব পাৰে। তাত বাধা নাই। এয়া গ'ল সমাস নথকা পতিশব্দৰ স্ত্ৰীলিঙ্গবিষয়ক কথা।

এতিয়া আহিল সমাসত থকা পত্নী শব্দৰ কথা। পাণিনিৰ এটা সূত্ৰ আছে 'ৱিভাষা সপূৰ্ৱস্য' (৪.১.৩৪)। তাৰে কাত্যৰায়নে বাৰ্তিক কৰিছে এই বুলি 'পত্যুঃ সপূৰ্ৱাদুপসৰ্জনসমাস উপসংখ্যানম্''। ইয়াত কোৱা হৈছে যে যদি পতি শব্দটো সমাসৰ উত্তৰপদ হয় অৰ্থাৎ তাৰ আগত যদি আন পদ পূৰ্ৱপদ হৈ আছে তেন্তে স্ত্ৰীলিঙ্গত বিকল্পে 'পতি' আৰু 'পত্নী' দুয়োটাই হ'ব পাৰে। তাৰ ফলত স্ত্ৰীলিঙ্গত বৃদ্ধপতি আৰু বৃদ্ধপত্নী, স্থূলপতি আৰু স্থূলপত্নী, আশাপতি আৰু আশাপত্নী সিদ্ধ হয়। এই সূত্ৰ মতে 'পতি' শব্দৰ আগত 'ৰাষ্ট্ৰ' শব্দ থাকিলে স্ত্ৰীলিঙ্গত 'ৰাষ্ট্ৰপতি' আৰু 'ৰাষ্ট্ৰপত্নী' এই দুয়োটাই বিকল্পে সিদ্ধ হয়। অৰ্থাৎ স্ত্ৰীলিঙ্গত ৰাষ্ট্ৰপতি আৰু ৰাষ্ট্ৰপত্নী দুয়োটাই শুদ্ধ। তাত কোনো ভুল নাই।

এতিয়া আন এটা প্ৰশ্ন আহিল কাশিকা বৃত্তিৰ আলোচনা প্ৰসঙ্গত। কাশিকাত এইদৰে আছে 'সপূৰ্ৱস্যেতি কিম্। পতিৰিয়ং ব্ৰাহ্মণী গ্ৰামস্য'। এই উদাহৰণকে আলমৰূপে লৈ এগৰাকী সংস্কৃতজ্ঞ পণ্ডিতে কৈছে যে ইয়াত 'ব্ৰাহ্মণী' শব্দৰ সান্নিধ্যত থকা হেতুকে যিহেতু 'পতি' শব্দ হৈছে, এতেকে মাননীয়া মুৰ্মু মহাশয়াৰ ক্ষেত্ৰতো 'পতি' শব্দই হ'ব লাগে। ৰাষ্ট্ৰপতি হে হ'ব লাগে। কিন্তু পণ্ডিতগৰাকীয়ে বাক্যটো ব্যাখ্যা কৰোতে অঁকাই পকাই কৰিছে। 'সপূৰ্ৱস্যেতি কিম্। পতিৰিয়ং ব্ৰাহ্মণী গ্ৰামস্য'— ইয়াৰ অৰ্থ হ'ল যে পাণিনিৰ সূত্ৰত যে 'সপূৰ্ৱস্য' বুলি ক'লে, কিয় তাৰ কাৰণ এয়ে যে 'পতিৰিয়ং ব্ৰাহ্মণী গ্ৰামস্য' এই বাক্যত থকা পতিশব্দ যাতে পত্নী হ'ব নোৱাৰে। কেলেই পতিশব্দৰ আগত কোনো পূৰ্ৱপদ নাই। পতিশব্দৰ আগত পূৰ্ৱপদ নাথাকিলে বিকল্পে পতি বা পত্নী হ'ব নোৱাৰে, সমাসত হে এই কথা প্ৰযোজ্য। 'গ্ৰামস্য পতিঃ ব্ৰাহ্মণী' হ'লে 'গ্ৰামপতিঃ ব্ৰাহ্মণী', 'গ্ৰামপত্নী ব্ৰাহ্মণী' দুয়োটাই সিদ্ধ হ'ব। অসমীয়াত যেনেকৈ 'গাওঁবুঢ়া' আৰু 'গাওঁবুঢ়ী' দুয়োটা সিদ্ধ হয়। মাননীয়া মুৰ্মু মহোদয়াৰ ক্ষেত্ৰত পাণিনিৰ এই সূত্ৰটো প্ৰযোজ্য। তেওঁক 'ৰাষ্ট্ৰপতি' বুলিবও পাৰি, 'ৰাষ্ট্ৰপত্নী' বুলিবও পাৰি। পাণিনিৰ সূত্ৰমতেই 'ৰাষ্ট্ৰপতি' শব্দটো স্ত্ৰীলিঙ্গও, পুংলিঙ্গও।

পত্নীশব্দৰ মৰ্যাদা আছে, তাক অপমানজনক বুলি ল'ব নালাগে। ৰাষ্ট্ৰপতিৰ যি মৰ্যাদা, ৰাষ্ট্ৰপত্নীৰো সেয়ে মৰ্যাদা। পত্নীশব্দ 'ৱাইফ' অৰ্থত ল'ব নালাগে। পতঞ্জলিয়ে কৈছে ঃ 'পতিশব্দোয়মৈশ্বৰ্য্যৱাচী।' পতিশব্দই 'মালিক' বুজায়; এতেকে পত্নীশব্দই মালিকনী বা 'মালকিন' অৰ্থ কৰে। 'ৰাষ্ট্ৰপত্নী' মানে ৰাষ্ট্ৰৰ ঈশ্বৰী, ৰাষ্ট্ৰৰ মালিকনী, ৰাষ্ট্ৰৰ গৰাকিনী।

আমি কৰা ব্যাখ্যা মহাচাৰ্য পাণিনি, কাত্যায়ন আৰু পতঞ্জলি এই ত্ৰিমুনিৰ বচনত আধাৰিত। তদুপৰি কাশিকাৰৰ কথাও তাত যোগ দিয়া হ'ল। মহাভাষ্যৰ টীকাকাৰ কৈয়টৰ কথাও সন্নিৱিষ্ট হৈছে। এইসকল আচাৰ্যক যি নামানে তেওঁ আৰু কাক মানিব ? পাণিনিকো কোনোবাই সন্দেহ কৰে ?

কোনোবাই কয় যে বিখ্যাত পদৰ লিঙ্গবিচাৰ নহয়। কিন্তু সদস্য, সদস্যা, অধ্যক্ষ, অধ্যক্ষা, অধ্যাপক, অধ্যাপিকা ; আচাৰ্য্য, আচাৰ্যা; উপাধ্যায়, উপাধ্যায়া, উপাচাৰ্য, উপাচাৰ্যা; সম্পাদক, সম্পাদিকা; সভাপতি, সভানেত্ৰী ইত্যাদি অনেক মৰ্যাদাসম্পন্ন পদ আছে যাৰ লিঙ্গবিচাৰ কৰা হয়। ৰাষ্ট্ৰপতি শব্দ ভাৰতীয় শব্দ, তাৰ লিঙ্গবিচাৰ কৰাটো অন্যায় নহয়। শাস্ত্ৰই যদি ৰাষ্ট্ৰপতি আৰু ৰাষ্ট্ৰপত্নী দুয়োটাকে স্বীকাৰ কৰে তেন্তে আমি তাত কিয় আপত্তি কৰিব লাগে? 'ৰাষ্ট্ৰপত্নী' শব্দ লোকসিদ্ধ তথা শাস্ত্ৰসিদ্ধ। এতেকে সি বৰ্জনীয় নহয়।

ফোন : ৯৯৫৭৮৩১২২

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৩১ জুলাই দেওবাৰ, ২০২২ পৃষ্ঠা ৫

# পতি-পত্নীৰ কথাৰে

**তাহানিৰ দিনৰ স্বামী-স্ত্ৰীৰ সংসাৰ বুলি সুকীয়া কথা এটা নাছিল। ই গোটেই পৰিয়ালটোৰ মাজতে জাহ গৈছিল। শাহু-শহুৰ, জা-ননদ-দেৰৰ বৰজনাৰে ভৰা একোটাহঁত যৌথ পৰিয়ালৰ মাজত থকা আত্মীয়তাই আইন-কানুন চিনি পোৱা নাছিল।**

**এখন** ঘৰলৈ এগৰাকী ন-বোৱাৰী অহাৰ লগে লগে ঘৰখন জীপ দি উঠে। আটাইৰে মন ন-ন আনন্দৰে ভৰি পৰে। ন-বোৱাৰীৰ শোৰনি কোঠাৰ মিঠা গোন্ধ, ন-ন সাজ-পাৰ, আচবাবে সকলোকে মোহিত কৰে। আলহী আহিলেই ন-বোৱাৰীৰ কোঠালৈ শাহু-আয়ে আঙুলিয়াই কয় বোৱাৰীয়ে নিজে বোৱা কাপোৰ-গামোচাৰে ইগৰাকী সিগৰাকীকৈ সকলোকে সন্মান জনাই অহাটো তাহানিৰ দিনৰ এক পৰম্পৰা।

তাহানিৰ দিনত এখন ঘৰলৈ এগৰাকী ন-বোৱাৰী অহাৰ লগে লগে দুয়োখন ঘৰৰ পৰিয়ালৰ চিনা-জনা, ওচৰ-চুবুৰীয়া, বন্ধু-বান্ধৱৰ মাজত আপোন ভাব গঢ়ি উঠে, দুয়োখন গাঁৱৰ আত্মীয়তা গঢ়ি উঠে। তেতিয়াৰ দিনত মাক চাই জীয়েক কাজী, মাটি কিনিবা মাজ খাল, ছোৱালী আনিবা জাত ভাল' আদি কথাৰ মাজেৰে নিয়ম-নীতিবোৰ চলিছিল। সেই সময়ত বংশ-মৰ্যাদা বৰ ডাঙৰ কথা আছিল। জাত-পাতৰো কথা আছিল। গতিকে 'সমানে-সমানে কৰিবা কাজ, হাৰিলে জিকিলে নাই লাজ' নামৰ কথাষাৰে বহু কাম দিছিল। যিহেতু সেই সময়ছোৱাত শিক্ষা-দীক্ষাৰে বংশক ঢাকিব পৰা নাছিল বা জাত-পাতৰ আচাৰ-ব্যৱহাৰ শোধন কৰাৰ ব্যৱস্থাও নাছিল। কোনোৰে কাৰো জাত-পাতক ঘিণ কৰা নাছিল বা তুচ্ছ জ্ঞান কৰাও নাছিল। কিন্তু বিয়া-বাৰুৰ ক্ষেত্ৰত ব্যৱধান এটা ৰাখিছিল।

তাহানিৰ দিনৰ স্বামী-স্ত্ৰীৰ সংসাৰ বুলি সুকীয়া কথা এটা নাছিল। ই গোটেই পৰিয়ালটোৰ মাজতে জাহ গৈছিল। শাহু-শহুৰ, জা-ননদ-দেৰৰ বৰজনাৰে ভৰা একোটাহঁত যৌথ পৰিয়ালৰ মাজত থকা আত্মীয়তাই আইন-কানুন চিনি পোৱা নাছিল। ল'ৰাই ছোৱালী এজনী পলুৱাই আনিলেও কৰ্ট-কাছাৰীৰ ওচৰ চাপিব লগা হোৱা নাছিল। গাঁৱৰ ৰাইজে সকলো মীমাংসা কৰি দুয়োৰে ঘৰ-সংসাৰ পাতি দিছিল। মৃত্যুৰ বাহিৰে স্বামী-স্ত্ৰীৰ মাজত বিচ্ছেদ হোৱাটো সমাজখনৰে লাজৰ কথা আছিল। ঘৰ দুখন বাবে নুশুনিবলগীয়া কথা শুনাৰ দৰে পাপৰ কথা আছিল। সেই সময়ছোৱাত স্বামীৰ ঘৰখনেই এগৰাকী নাৰীৰ বাবে মুক্তি অথবা স্বাধীনতা আছিল। পিতৃ-মাতৃ, ভাই-ককাই, খুৰা, বৰদেউতাহঁতৰকৈ শাহুৰ-শহুৰ, বৰজনা, দেৰৰেই এগৰাকী নাৰীৰ বাবে সুৰক্ষা অধিক আছিল। উত্তম পতিৰক্ষক আছিল। তাহানিৰ দিনবোৰত ঘৰত বোৱাৰীগৰাকীয়ে শহুৰ-শাহুৰেকৰ ঘৰখন মাক দেউতাকৰ ঘৰৰ দৰেই পাইছিল। কোনো ব্যতিক্ৰম নাছিল। বৰঞ্চ মাক-দেউতাকৰ ঘৰতকৈ শহুৰ-শাহুৰেকৰ ঘৰখনত নিজৰ স্বাধীনতা বাহাল ৰাখিবলৈ সুবিধা পাইছিল। বাৰীত গছ পুলি এটা ৰুলেও ল'ৰা-ছোৱালীহঁতে ইয়াৰ ফল খাবলৈ পাব বুলি মনে মনে ভাবিছিল। এই মনটোৰেই আচল কথা। মাক-দেউতাকৰ ঘৰখন প্ৰত্যেকগৰাকী কন্যাৰ বাবে নিজৰ ঘৰ নহয়। ই আধি লোৱা মাটিৰ দৰে। পট্টাখন কিন্তু পোৱা যায় শহুৰ-শাহুৰেকৰ ঘৰখনৰ পৰাহে। গতিকে এনে এখন স্থায়ী ঘৰৰ বাসিন্দা হিচাপে শহুৰ-শাহুৰেকৰ ঘৰখনত সেই তাহানিৰ দিনৰে পৰা বোৱাৰীহঁতে 'বোৱাৰী হিচাপে, পাবলগীয়া সা-সুবিধা, আদৰ-যতন মৰম-চেনেহ, মান-সন্মান পাই আহিছে। তাহানিতে প্ৰচলিত তাহানিৰে কথা এষাৰ ঢাকন নাইকিয়া চৰু, গৰখীয়া নাইকিয়া গৰু, তাহানিৰ মহিলাসকলে বেয়া পাইছিল। তেওঁলোক আজিৰ দৰে শিক্ষিত ছোৱালী বা নাৰী নাছিল যদিও ঘৰখনৰ প্ৰতিজন সদস্যৰ মন বুজিছিল। স্বামীৰ মাত-কথা আকাৰ-ইংগিত, দেহৰ অংগী-ভংগীতে ভাল-বেয়া, সুখ-দুখৰ পায় নাপায়। ভুল দোষৰ বতৰা জুকীয়াই লৈছিল। তেওঁলোক মনোবিজ্ঞানী নাছিল, কিন্তু মন বুজিছিল।

তাহানিৰ বোৱাৰী তথা নাৰী সমাজত লাজ দেহৰ প্ৰথম আৰু প্ৰধান অলংকাৰ আছিল। স্বামীৰ আগতো তেওঁলোকৰ



**এলি আহমেদ**

সাজ-পাৰ অসংযত নহৈছিল। শহুৰ-শাহু, বৰজনা, দেওৰৰ কথা বাদেই। ভগৱানৰ দান স্তন যুগলৰ অমৃত সাদৃশ্য গাখীৰকণ সন্তানৰ ওঁঠত দিওতে দেহৰ কাপোৰেৰে আঁৰ-বেৰ দি লৈছিল। গা ধোঁৱা ঘৰৰ পৰা ওলাওতে ওৰণি লৈহে ওলাইছিল। তেওঁলোকৰ বাবে ওৰণিখন মূৰৰ বোজা নাছিল। সন্মানৰ মুকুট হৈ আছিল । এই ওৰণিখন আৰু শিৰৰ সেন্দূৰকণে স্বামীৰ মংগল সূচনা কৰে বুলি বিশ্বাস কৰিছিল আৰু ই এগৰাকী কন্যা সন্তানৰ বাবে বহু আশা বহু কল্পনাৰ গৌৰৱময় স্বীকৃতি আছিল।

গতিকে তাহানিৰ স্বামী-স্ত্ৰীৰ সংসাৰ মানে মাক-দেউতাক শহুৰ-শাহুৰ দুটা পৰিয়াল এখন সমাজৰ কথাকে সূচাইছিল। প্ৰতি ঘৰে ঘৰে একেই স্বামী-স্ত্ৰী একেই নিয়ম নীতি একেই আত্মীয়তা। ইয়াৰ কোনো আইন নাছিল, আদালত নাছিল, তাৰ মাজতো তাহানিৰ নাৰীয়ে অথবা বোৱাৰীয়ে চাকৰি কৰিছিল, ব্যৱসায় কৰিছিল, ঘৰুৱা কাম-বন কৰিছিল, পথাৰত ভূঁই ৰুইছিল। কঠীয়াতলিত কঠীয়া তুলিছিল। ইয়াতকৈ বেছি স্বাধীনতাৰে তেওঁলোকে স্বাধীন হ'বলৈ বিচৰা নাছিল। তেওঁলোকে জানিছিল যে তেওঁলোকৰ এখন ঘৰ আছে। এটা পৰিয়াল আছে। ল'ৰা-ছোৱালী আছে, তেওঁলোক ইয়াৰ গুৰিয়াল। তেওঁলোকে জানিছিল এখন ঘৰ গঢ়িলেহে এখন সমাজ গঢ়িব পৰা যাব। তেতিয়াৰ দিনত আমাৰ অসমীয়া সমাজখন আমাৰ অসমীয়া মানুহচামৰ মনে প্ৰাণে মিলা সমাজ আছিল। সমাজৰ নীতি-নিয়মত নাৰী-পুৰুষৰ সমমৰ্যাদা আছিল। প্ৰতিগৰাকী নাৰীয়ে নাৰীৰ নিয়ম-নীতিৰ মাজেৰে একোখন সুখৰ সংসাৰ গঢ়ি তুলিছিল। তেওঁলোকে নিজক সন্মান কৰিব জানিছিল। যি নাৰীয়ে নিজক সন্মান কৰিব জানে, নিজক আবুৰত ৰাখিব জানে, নিজৰ কৰ্তব্য বুজি পায়, কৰ্ম কৰি যায় সেই নাৰীয়ে ঘৰখনৰ ৰাহি ধন আৰু মান বজাই ৰাখিবও জানে। আবুৰত থকা নাৰীৰ আবুৰ খহি নপৰে।

তেতিয়াৰ দিনত প্ৰতিগৰাকী নাৰীয়ে নিজৰ নিজৰ সন্মান বজাই ৰাখিছিল। সমাজ তেওঁলোকৰ বৰ শ্ৰদ্ধাৰ আছিল। তেতিয়াৰ অসমীয়া সমাজত নাৰীৰ স্থান নাছিল বুলি ক'লে ভুল কোৱা হ'ব। পুৰুষ সমাজত কাম-কাজত, সভা-সমিতিত নাৰীৰ উপস্থিতিয়ে নাৰীৰ স্থান নুসূচায়। এজন পুৰুষক সমাজৰ কাষলৈ আগবঢ়াই দিয়া বহু নাৰীক আজি একো গৰাকী আদৰ্শ নাৰী হিচাপে গুণ-গান গোৱা হয়।

অৱশ্যে এতিয়াৰ যুগ আৰু আগৰ যুগৰ মাজত এতিয়া বহু তাৰতম্য আহি পৰিছে। শিক্ষা-দীক্ষা লৈয়ো কথা আছে। তথাপি তেতিয়াৰ নাৰীসকলকহে মহীয়সী কোৱা হৈছিল। ত্যাগ নাৰীৰ প্ৰথম অস্ত্ৰ।

স্বামীৰ পৰা ঠেলাটো খালেহে বুকুৰ মাজত সোমাব পৰা যাব। ঘৰৰ মানুহজনী ক'লৈ গৈছে, ক'ত আছে স্বামীয়ে বিচাৰ ল'লেহে মৰম আৰু আগ্ৰহটো বুজি পোৱা যায়। এনেবোৰ কথাৰ মাজেৰে চলিছিল তাহানিৰ স্বামী-স্ত্ৰীৰ মন দুটা। তেতিয়াৰ স্বামীসকলৰ বাবে নাৰীৰ ধনেৰে ধনী হোৱাটো লাজৰ কথা আছিল। স্বামীয়েই পত্নীৰ বাবে একমাত্ৰ ভঁৰাল আছিল। যৌতুক তেতিয়াও আছিল। কিন্তু 'যৌতুকৰ দাবী' তেতিয়া নাছিল। কন্যা সন্তান এগৰাকীক ঘৰৰ পৰা বিয়া দি স্বামীৰ ঘৰলৈ উলিয়াই দিওঁতে লগত দিয়া দুই-এপদ বস্তু তেতিয়াৰ দিনত উপহাৰ হিচাপেহে সন্মানৰ আছিল। তাহানিৰ সহজ দিনৰ সহজ কথা। কিতাপৰ আখৰ চিনি নোপোৱাসকলে মন চিনি পোৱা যুগত স্বামী-স্ত্ৰীৰ সংসাৰখনত কন্দল নাছিল। ঘৰুৱা হিংসাও নাছিল। ক'ৰবাত ইয়াৰ ব্যতিক্ৰম আছিল যদিও 'মহিলাৰ আইন' বুলি পৃথক আইন আদালত নাছিল যিহেতু তেতিয়াৰ দিনত পুৰুষ-মহিলাই একে আইন-আদালতৰ অধীনত আছিল। সেয়াই আছিল তেতিয়াৰ সমাজ ব্যৱস্থা। তেতিয়া অসমীয়া মানুহচামে সমাজ গঢ়িছিল এখন সুস্থ অসমীয়া সমাজ। এতিয়াৰ সমাজে মানুহ গঢ়া হ'ল। পাকটো লাগিছে এইখিনিতে। বিভিন্ন সমাজত বিভিন্ন নীতিত অসমীয়া সমাজ আজি মাজ পানীৰ পকনীয়াৰ কবলত।

*ফোন ঃ ৯৪৩৫১০৪৮৮৪*

**শৰীৰটোকেই জীৱন বুলি ভবাৰ বাবেই বাহ্যিকভাৱে শৰীৰ সুন্দৰ কৰিবলৈ অত্যাধুনিক যুগত মানুহে অজস্ৰ টকা আৰু অবাবত সময় খৰচ কৰে। কিন্তু শৰীৰ নিয়ন্ত্ৰণ কৰা চৈতন্য শক্তি আত্মাৰ ভোজনৰ কথা কোনেও চিন্তা নকৰে।**

# 'দৈনিক অগ্ৰদূত'ৰ প্ৰশ্ন ঃ মোৰ উত্তৰ

**আপোনাৰ মতে জীৱনৰ সংজ্ঞা কি? আপুনি প্ৰভাৱান্বিত হোৱা ব্যক্তি, গ্ৰন্থ আৰু তত্ব কোনটো?**

সভ্যতা-সংস্কৃতিৰ আদিম পুৰাৰে পৰা জিজ্ঞাসু, সাধক, পণ্ডিত, দাৰ্শনিক, মনীষী, কবি-সাহিত্যিক আদিয়ে জীৱনৰ সংজ্ঞা সম্পৰ্কে ভিন ভিন দৃষ্টিভংগী দাঙি ধৰিছে। প্ৰাচীন পাশ্চাত্যৰ মনীষী হিপ্পক্ৰে'টছে 'এফৰিজমছ'ত জীৱন সম্পৰ্কে ব্যক্ত কৰিছে— Life is short, art long, opportunity fleeting, experience treacherous, judgement difficult. (জীৱনটো ক্ষণস্থায়ী, শিল্পকলা প্ৰসাৰিত, সুযোগবোৰ দ্ৰুতবেগী, অভিজ্ঞতাবোৰ অপৰিপক্ক, চিন্তাধাৰাবোৰ জটিল) আলবাৰ্ট হুবাৰ্ডে থাউজেণ্ড এণ্ডৱান এপিগ্ৰাম'ত জীৱন সম্পৰ্কে মন্তব্য কৰিছে। Life is Kust one damn thing after another. (জীৱনৰ অৰ্থ হ'ল এটাৰ পাছত এটাকৈ ঘটি থকা অভিশাপগ্ৰস্ত ঘটনা) আৰ্নেষ্ট হেমিংৱেই 'The old man and the sea' ত উল্লেখ কৰিছে Man is born to win, not to full অৰ্থাৎ জয়-বিজয়েৰে বিভূষিত হ'বলৈহে মানুহৰ জন্ম, পৰাজয়ৰ গ্লানিৰে বিদায় ল'বলৈ নহয়। জন ৰাস্কিন আন টু দ্য লাষ্টত স্পষ্টভাৱে কৈছে— 'জীৱনৰ দৰে পৰম সম্পদ একোৱেই হ'ব নোৱাৰে।'

সহজ-সৰল ভাষাত জীৱনৰ সংজ্ঞা বুলিলে যাৰ প্ৰাণ আছে অৰ্থাৎ জীৱ আছে সেয়ে জীৱন। আধ্যাত্মিক দৃষ্টিভংগীৰে চালে পৰিলক্ষিত হয় পঞ্চভূতেৰে সৃষ্ট মানৱ শৰীৰটোক চৈতন্য শক্তি আত্মাই পৰিচালিত কৰে। জ্যোতিবিন্দুস্বৰূপ আত্মা ইমান সূক্ষ্ম যে অত্যাধুনিক সূক্ষ্ম যন্ত্ৰয়ো ইয়াৰ অস্তিত্ব উলিয়াব নোৱাৰে, অস্ত্ৰ-শস্ত্ৰই ছেদন কৰিব নোৱাৰে, জুয়ে পুৰিব নোৱাৰে। আত্মা শৰীৰত থকালৈকেহে সকলো কৰ্মেন্দ্ৰিয় আৰু জ্ঞানেন্দ্ৰিয়ই নিয়মিতভাৱে কৰ্ম কৰি যাব পাৰে। আত্মা শৰীৰত থকা সময়খিনিলৈকেহে জীৱন আৰু শৰীৰৰ পৰা ওলাই গ'লেই মৃত বুলি কোৱা হয়।

জীৱনক ভাৱৰীয়া বুলিও ক'ব পাৰি। আত্মাই সৃষ্টিৰূপী ৰংগমঞ্চত শৰীৰৰূপী পোছাক পিন্ধি নিজ নিজ পাৰ্ট অনুসৰি অভিনয় কৰে আৰু যৱনিকা পৰিলেই শৰীৰৰূপী সাজ সলাই পৰমধামলৈ গতি কৰে।

আধ্যাত্মিক দৃষ্টিৰে 'জীৱনক যুদ্ধক্ষেত্ৰ বুলিও আখ্যা দিব পাৰি। মানুহৰ অন্তৰ্জগতত কুৰুক্ষেত্ৰৰ যুদ্ধৰ দৰে এক ভয়ংকৰ যুদ্ধ চলি থাকে। এই যুদ্ধ ধৰ্ম-অধৰ্ম, অসুৰ-মানৱৰ মাজত অৰ্থাৎ পাঁচ বিকাৰৰ (কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰ) লগত যুঁজি যুঁজি সাত্বিক গুণ ধৰাশায়ী হৈছে। ইতিবাচক আৰু নেতিবাচক এই যুদ্ধৰ মূলতত্ত্ব। ইতিবাচক তত্বক পাণ্ডৱ আৰু নেতিবাচক তত্বক কৌৰৱ বোলা হৈছে। এই যুদ্ধৰ গতি তীব্ৰতকৈও তীব্ৰ হোৱাৰ ফলত সমগ্ৰ বিশ্ব থৰহৰি কম্পমান হৈছে।

দাৰ্শনিক চাৰ্বাকে জীৱনটোক Life is eat, drink and marry বুলি কৈছে। জীৱনটো খায়, হাঁহি, মাতি, আনন্দ উপভোগ কৰিবলৈ দিছে। কাৰণ জীৱনটো দুখ-কষ্টৰে ভৰা, সুখ-শান্তি ক্ষণস্থায়ী। সেয়েহে দুখ-কষ্টৰ কথা চিন্তা নকৰি শোক-দুখৰ কথা পাহৰি আনন্দত থাকিবহে দিছে।

বুদ্ধিজমৰ মতে জন্ম হ'লে বেমাৰ-আজাৰ, ৰোগ আদি থাকিবই। মৃত্যু চিৰন্তন লগৰীয়া। সেয়েহে আত্মাৰ জ্ঞানৰ কথা আহৰণ কৰি চৈতন্য শক্তিৰে আত্মা শক্তিশালী দুখ-শোক পাহৰি বোকাৰ মাজত পদুমৰ দৰে ফুলি থাকিবলৈ চেষ্টা কৰিব লাগে।

প্ৰকৃততে মানৱ জীৱন অতি দুৰ্লভ। জীৱৰ ভিতৰত মানুহক সৰ্বশ্ৰেষ্ঠ বুলি কোৱা হয়। মানুহৰ বিবেক-বুদ্ধি, জ্ঞান আছে। চিন্তাশক্তি আছে। মানুহে এই জগতত কৰিব নোৱাৰা কাম একো নাই। সুন্দৰ চিন্তনে সুন্দৰ জীৱন গঢ়ি তুলিব পাৰে। নেতিবাচক চিন্তাই জীৱন দুৰ্বিষহ কৰি তোলে।

জীৱন সুন্দৰ কৰিবলৈ সুখ-শান্তিত থাকিবলৈ সকলো মানুহে কামনা কৰে। শৰীৰটোকেই জীৱন বুলি ভবাৰ বাবেই বাহ্যিকভাৱে শৰীৰ সুন্দৰ কৰিবলৈ অত্যাধুনিক যুগত মানুহে অজস্ৰ টকা আৰু অবাবত সময় খৰচ কৰে। কিন্তু শৰীৰ নিয়ন্ত্ৰণ কৰা চৈতন্য শক্তি আত্মাৰ ভোজনৰ কথা কোনেও চিন্তা নকৰে। শৰীৰ নিয়ন্ত্ৰণকাৰী আত্মা এতিয়া ভয়াৱহভাৱে ৰোগগ্ৰস্ত। সমগ্ৰ বিশ্বতে শৰীৰৰ ৰোগতকৈ আত্মাৰ ৰোগীয়েই ভয়াৱহভাৱে বৃদ্ধি পাইছে। আত্মাৰ ৰোগসমূহ হ'ল—কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰ, ঈৰ্ষা আদি। আত্মাৰ ৰোগৰ লগতে মানুহৰ উদ্বেগ-অস্থিৰতা, হতাশা, নিৰাশা আদিয়ে মানৱ জীৱন দুৰ্বিষহ কৰি তুলিছে। আত্মাৰ ৰোগ নিৰ্মূল কৰিবলৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই আজিলৈকে একো আৱিষ্কাৰ কৰিব পৰা নাই। আধ্যাত্মিক জ্ঞানৰ দ্বাৰাহে এই ৰোগ নিৰ্মূল কৰা সম্ভৱ। আত্মাৰ ৰোগ নিৰ্মূল কৰিবৰ বাবে সকলো ধৰ্মতে শুদ্ধ ভোজন, শ্ৰৱণ-কীৰ্তন, আধ্যাত্মিক জ্ঞানৰ মনন-চিন্তন, সু-সংগৰ আদি কিছুমান ধৰা- বন্ধা নীতি আছে। আত্মা নিৰোগীকৈ ৰাখি সু-গুণেৰে (শান্তি) উদ্ভাসিত হৈ উঠিবলৈ ধ্যান-ৰাজযোগেই শ্ৰেষ্ঠ যোগ। আত্মাক ৰোগমুক্ত কৰিবলৈ মনোবিজ্ঞানীসকলেও আধ্যাত্মিক দৃষ্টিভংগী দাঙি ধৰিছে। শৰীৰ নিয়ন্ত্ৰণকাৰী আত্মা নিৰোগী হ'লেই মানৱ জীৱন সুন্দৰ আৰু সফল হৈ উঠিব।

সুদীৰ্ঘ ৭৪ বছৰৰ প্ৰতিটো মুহূৰ্ততে অসীম মানসিক শক্তি তথা বিশাল ব্যক্তিত্বৰ অধিকাৰিণী, ধৰ্মপৰায়ণা মোৰ চেনেহৰ আইৰ লৌকিক আৰু অলৌকিক প্ৰভাৱৰ কথা এতিয়াও (তেওঁৰ অৱৰ্তমানতো) মই গভীৰভাৱে অনুভৱ কৰো।

**শশীপ্ৰভা দাস**

সৰুৰে পৰাই মোক তুলি-তালি ডাঙৰ কৰাই নহয়, সুস্বাদু আত্মাৰ ভোজন কৰাই মোক ঈশ্বৰানুভূতি কৰিবলৈ এক সুন্দৰ পৰিৱেশ সৃষ্টি কৰি দিছিল। ঘাত-প্ৰতিঘাতৰ মাজেদি জীৱন অতিবাহিত কৰিবলৈ শিক্ষা দিয়াৰ লগতে জীৱন গঢ়াৰ মন্ত্ৰ শিকাইছিল। মোৰ জীৱনৰ সকলো ক্ষেত্ৰতে মোৰ আইৰ অস্তিত্ব বিদ্যমান। মহাকবি খলিল জিব্ৰানৰ ভাষাত ঃ 'যিজনে মাতৃক হেৰুৱায়, তেওঁ হেৰুৱায় এখন বিশাল বক্ষ, য'ত তেওঁ নিৰুদ্বেগচিত্তে থ'ব পাৰে তেওঁৰ মূৰটো, যিগৰাকীৰ হাতেৰে বৰ্ষিত হয় আশিস-অমিয়া আৰু যিগৰাকীৰ চকুযুৰিয়ে সতৰ্ক দৃষ্টিৰে তেওঁক কৰি ৰাখে সুৰক্ষিত।'

মোৰ জীৱনৰ ওপৰত প্ৰভাৱ পেলোৱা তিনিখন গ্ৰন্থ উল্লেখ কৰা হ'ল।

আমি সৰু থাকোতে আমাৰ ঘৰত খুৰাদেউ আৰু লগৰ ভকত কেইজনমানে নিতৌ সন্ধিয়া সুৰ লগাই লগাই গীতা, ৰামায়ণ, মহাভাৰত পাঠ কৰিছিল আৰু ভাঙনি কৰি শুনাইছিল। ময়ো একান্তমনে শুনিছিলো। ৰামায়ণত থকা ৰামৰ পিতৃ ভক্তি, ৰাম-লক্ষ্মণ আৰু ভৰতৰ ভ্ৰাতৃস্নেহ, সীতাৰ স্বামীভক্তি, মহাভাৰতৰ দুৰ্যোধনৰ অহংকাৰৰ বাবে পতন, ভাই-ভাইৰ মাজত যুদ্ধ হিংসাৰ পৰিণতি এইবোৰে সৰু কালতেই কোমল মনত গভীৰ চাপ পেলাইছিল। যিবোৰ এতিয়াও মোৰ স্মৃতিপটত চিৰসেউজ হৈ আছে। বয়সৰ লগে লগে আধ্যাত্মিক চিন্তাধাৰাৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈ গীতাশাস্ত্ৰ পঢ়াত মনোনিৱেশ কৰিছিলো। বিশ্বৰ সৰ্বশাস্ত্ৰ শিৰোমণি গীতাশাস্ত্ৰই মোৰ মনত গভীৰ চাপ পেলাইছিল। কাৰণ সাৰ্বজনীন এই গ্ৰন্থখন কোনো সম্প্ৰদায় বিশেষৰ ধৰ্মগ্ৰন্থ নহয়, সমগ্ৰ মানৱ জাতিৰ বাবে প্ৰযোজ্য গ্ৰন্থ। কুৰুক্ষেত্ৰ যুদ্ধৰ আগমুহূৰ্তত আত্মীয়-স্বজন, স্ব-কুলৰ বিনাশ নিশ্চিত বুলি জানি অৰ্জুন শোকত ম্ৰিয়মান হৈ পৰা দেখি স্বয়ং ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক যি উপদেশ দিছে সেয়াই গীতাৰ বাণী। ভগৱানে দিয়া এই উপদেশ কেৱল অৰ্জুনৰ বাবেই নহয়, বিশ্বৰ সমগ্ৰ মানৱ জাতিৰ বাবেই। এই গ্ৰন্থ একান্তমনে পাঠ কৰিলে মানুহৰ চিত্ত শুদ্ধ হয়, ভোগ-বাসনা সংযত হয় আৰু মনত শান্তি অনুভৱ হয়। গীতা শাস্ত্ৰ জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে বাবে পৰম বন্ধু, শান্তিৰ আলম। শৰীৰ নিয়ন্ত্ৰণকাৰী চৈতন্য আত্মাক শক্তিশালী কৰিবৰ বাবে গীতা শাস্ত্ৰত আত্মাৰ ভোজন সূক্ষ্মভাৱে নিহিত হৈ আছে। এই গ্ৰন্থসমূহে পৰোক্ষভাৱে বা প্ৰত্যক্ষভাৱে হওক বিভিন্ন প্ৰকাৰে সকলোকে অনুপ্ৰাণিত কৰি আহিছে।

বেদ-বেদান্ত, উপনিষদ, ঋষি-মুনিসকলৰ মুখ নিঃসৃত শাশ্বত বাণী—

অসতো মা সদ্গময়
তমসো মা জ্যোতিৰ্গময়ঃ
মৃত্যু মা অমৃতমঃ গময়ঃ —এয়াই হ'ল সাৰতত্ত্ব।



মানৱ জীৱন দুৰ্লভ। মানুহৰ অন্তৰত দেৱত্ব আৰু পশুত্ব সুপ্তভাৱে থাকে। পৰিৱেশ পৰিস্থিতি সাপেক্ষে দেৱত্ব আৰু পশুত্ব জাগ্ৰত হৈ পৰে।

মানুহৰ অন্তৰত অসীম-অনন্ত, বিস্ময়কৰ শক্তি নিহিত হৈ আছে। মানুহে এই সম্পৰ্কে অজ্ঞতাৰ বাবে নজনাৰ বাবেই নিজকে দুৰ্বল অনুভৱ কৰে। শৰীৰ নিয়ন্ত্ৰণকাৰী চৈতন্য শক্তি আত্মাক নিয়মিতভাৱে শুদ্ধ সাত্বিক ভোজন দিলে আত্মা শক্তিশালী হৈ উঠিব। পঞ্চকৰ্মেন্দ্ৰিয় (কাণ, নাক, মুখ, চকু, জিভা)ৰ দ্বাৰা গ্ৰহণ কৰা আহাৰো শুদ্ধ হ'ব লাগে। তদুপৰি ধ্যান-প্ৰাৰ্থনা, ৰাজযোগ আদিৰ নিয়মিত অভ্যাসে আত্মাৰ শক্তি জাগ্ৰত কৰি তোলে। আত্মা শুদ্ধ-শক্তিশালী হ'লেই মানুহে—মানৱৰ পৰা দেৱত্বলৈ উত্তৰণ হয়। এয়াই মানৱী জনম সাৰ্থক হোৱাৰ মূলতত্ত্ব।

*ফোন ঃ ৬০০০৬৮৫৮০৫*

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

# নামনিৰ শব্দসম্ভাৰ অবিহনে অসম্পূৰ্ণ অসমীয়া ভাষা
# জ্ঞানপীঠ বিজয়িনী মামণি ৰচয়ম গোস্বামীয়ে মহিমান্বিত কৰা
# দক্ষিণ কামৰূপীয়া আপুৰুগীয়া শব্দসমৃদ্ধ

## 'ভাখাৰ ভাখেৰি'ৰ লাখ বিলাখ লাখৰ বাখৰে অপৰূপকৈ শুৱাব 'অসমীয়া জাতীয় অভিধান'

**গৌৰৱোজ্জ্বল** সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰি থকা জনপ্ৰিয় (দৈনিক) অগ্ৰদূতৰ এই শিতানতে যোৱা 24û07û2022 তাৰিখে আমি দক্ষিণ কামৰূপৰ শব্দসমৃদ্ধ মইনা গোস্বামী (মুখ্য সম্পাদক) আৰু সুৰেশ কলিতা (সম্পাদক)ৰ দ্বাৰা সম্পাদিত '**ভাখাৰ ভাখেৰি**'খনৰ কথা আলোচনা কৰি আহিছোঁ। তাৰে আঁত ধৰি আজি আৰু কিছু কথা ক'ব বিচাৰিছোঁ।

দক্ষিণ কামৰূপৰ এই অভিধানখনত সংকলিত শব্দসমূহত কিছু আভাস পুনৰ দি লওঁ। যথা ঃ **আইধৰ বাইধৰ** (ক্ৰি. বিণ.) হুৱাদুৱা। উদাহৰণ-বামুণথেৰ ঘৰত দেখু আইধৰ-বাইধৰখান লাগ্‌ছি, কিবা হ'ছি হানপাওঁ! **আই-মাই** (অব্য.) কাকুতি-মিনতি কৰা শব্দ। উদাহৰণ-আই-মাই বুল্‌ছু এনাই কাম নকৰ্‌বি। **আইল্‌চা** (বি.) এলাহ। উদাহৰণ-আইল্‌চাই সৰ্বনাখৰ মূল। **আইহেৰে** (স.প.) আইজনী অ', মৰমৰ মাত। উদাহৰণ-আইহেৰে, বাচানখেনি ধুই থৈ যাৰে! **আউৰাউ** (বি.) গুজৰ। উদাহৰণ-আধানমান কথাটোকে আউৰাউ কৰি বেছি ক'চ্ছি। **আঁউলি** (বি.) আঙুলি। উদাহৰণ-পিয়াঁক খচাওঁতে খচাওঁতে বেটাৰ ভৰিৰ আঁউলি পচি গেছি। **আকখুৰ** (বিণ.) এগছি। উদাহৰণ-(1) আকখুৰ চাতিয়ে হাজাৰ খুৰ চাতি জ্বলাবা পাৰে। (2) দিপিৰা নাদৰ পাৰত মস্ত আকখুৰ সাপ অল্‌ছিল। **আকঘেঙীয়া** (বিণ.) (1) গতানুগতিক, (2) আঁকোৰগোজ। উদাহৰণ-আকঘেঙীয়া কাম কল্লি সনকাল্‌তে ভাগাৰ লাগে। (2) আকঘেঙীয়া মান্‌হুৰ লগত কাম কৰা মচ্‌কিল। **আকচাৰ** (বিণ.) পেট পুৰাই খোৱা। উদাহৰণ-গৰুকেটাই আকচাৰ পালি নিজৰ পেটটো ভৰা হান পাওঁ। **আকচোল** (বিণ.) এচলু। উদাহৰণ-এথিয়ানো বহুক আকচোল ভাল পানী দেখ্‌বাৰ নাই। **আকানদেলিûআকানদেৰি** (ক্ৰি. বিণ.) লণ্ডভণ্ড। উদাহৰণ-বস্তুমাখা কাই আকানদেলি ক'চ্ছা? **আকালকটীয়া** (বিণ.) অকলে খোৱা। উদাহৰণ-আকালকটীয়া হৈ তইনু কি সুখ পাচা ঐ? **আকালা উকুলা** (ধ.শ.) অকলশৰীয়া। উদাহৰণ-আকালা উকুলা ছ'লি বেয়াই লাগে, নিজে ৰান্ধি নিজে বাৰি খায়। **আকাহতিলাûআকাহ তালিয়া** (বিণ.) ফিতাহি মাৰি কথা কোৱা। উদাহৰণ-আকাহতিলা মান্‌হুৰে দেঙ মাৰিয়ে আকাশখান চুবা খুজে। **আখাচিত** (ক্ৰি. বিণ.) আশা কৰা বা বিচনা বস্তুটো নিদিয়া। উদাহৰণ-সৰু ছ'লিটোক পিঠাখান দিম বুলি যে নেদলি, এনাই আখাচিত কাকো নকৰ্‌বি দে। **আখাৰা** (বি.) জন্ম পত্ৰিকা, তালিম। উদাহৰণ-(1) গণকটোই আজি ছ'লটোৰ আখাৰাখান কৰি দিলাক। (2) জীৱানৰ চব কামতে আখাৰা লাগে। **আখুৰি অ'খুদ** (বি.) গাঁৱলীয়া বেজে দিয়া ঔষধ। উদাহৰণ-আখুৰি অ'খুদ খাই ম'ল্‌লা তাই। **আগধেপা** (বিণ.) যাৰ আগটো জোঙা নহয়। উদাহৰণ-

**দ° দেৱব্ৰত শৰ্মা**

আগ ধেপা ধেপা গুটি শাৰী শাৰী যাইû ক'ৰা নৰে মেখেলা ভাৰী। **আগপান্নি** (বি.) বসন্তৰোগ হ'লে পাঁচদিনৰ দিনা গোৱা শীতলা নাম। উদাহৰণ-চুৰাচুতি লাগ্‌বো, আগপান্নি নকাৰাওতে কহয়ও ওলাৰা-সুমাৰা নকৰ্‌বি। **আগহেতীয়া** (বিণ.) সোঁহতীয়া। উদাহৰণ-আগহেতীয়া মান্‌হুটোই বাওহাতে কিয়া কাট্‌বা লাগছা! **আগহেতীয়াûআগহেতি** (বি.) হাঁচতি, তামোল-পাণ বান্ধি লৈ ফুৰা গামোচা। উদাহৰণ-আগহেতীয়াখান নহ্‌লি, পাঠ পঢ়াক আইহুাই টান লাগে। **আগাআগি** (ক্ৰি.বিণ.) মুখামুখি। উদাহৰণ-এনাম বদ্‌মান সহ্য কৰ্‌বা নৰি, আগাআগি কৰি ফায়চলা কল্লু। **আগাদেঙা** (বি.) অগাডেৰা, সন্মুখেদি ভেটা দি অহা-যোৱা কৰি ফুৰা। খোৱাৰ অযোগ্য। উদাহৰণ-সৰু ছ'লটোই বয়খীয়া মান্‌হুমাখাৰ মাঝেদি এন্‌কে আগাদেঙা কৰি ফুৰ্‌বা পাইনা। **আগাৰা**(বি.) শস্যৰ আগবোৰ মুজুৰা পৰা, মৃত্যুৰ আগমুহূৰ্তত খাবলৈ দিয়া। উদাহৰণ-(1)আগাৰা হ'লি গাছৰ শ্ৰীবৃদ্ধি নহায়। (2)আগাৰা খুৱাবা ভাগী জুগীৰ তিৰীমাখা গটাই ভৰি পচ্‌ছি। **আগাৰি** (বি.) গৰুগাড়ীৰ আগফালে, নৈ-বিল আদিৰ যি ফালেদি বাৰিষাৰ পানী সোমায়। উদাহৰণ-নৈখানৰ আগাৰিত বান্ধ কিয়া দিছা, পানী কহয়দি ওল্‌বো! **আগাল** (বি.) অগ্ৰিমভাৱে দিয়া কাৰ্য। উদাহৰণ-আপীটোৰ বিয়াত মাটিখেন বিকিম বুলি মাহাজনৰ পেৰে আগাল টাকা ল'ছিলু। **আগাল খাৰা** (বিণ.) আগতীয়াকৈ টকা লৈ আনৰ মাটি চহোৱা, নিজে আগতে খোৱা। উদাহৰণ-(1)আগাল খাই থছু, এথিয়ান গৰুৰে মান্‌হুৰে টানা-টনি কৰি পথাৰত মচ্ছু। (2) আমি আগাল খাৰাক আকালকটীয়া বুলিও কওঁ। **আঙ্‌পাকাৰা** (বিণ.) একাচেকা বিধৰ। উদাহৰণ-এনাই আঙ্‌পাকাৰা মান্‌হু, আপীটোই কি ৰকাম বঞ্চিৰো, সন্দেহে হয়। **আঙা** (বিণ.) এৰা। উদাহৰণ-আঙা গাখীৰ উতুলে নথলি ফাটি যায়। **আঙা কাৰাûআঙামুৰি** (বিণ.) নপকোৱা সূতা। হাত-ভৰি মেলি সজীৱ হোৱা। উদাহৰণ-(1) আঙা কাৰা সূতাকেডাল দি, শ'ল্‌তা কৰি দেও, (2) গধূলা কাম কৰি আহি ভাগাৰতে মান্‌হকেইটা আঙা কাৰি ম'ৰ্‌বা ধচ্‌ছি। **আচ্‌কা ভাউ** (বি.) অনুমানতে কৰা দাম-দৰ। উদাহৰণ-আচ্‌কা ভাউতে সহখেনি দিলু, নাজানু লাভ হ'ল না লকচান হ'ল। **আচাভুৰা** (বিণ.) আচৰিত লগা। আচহুৱা। উদাহৰণ- দিপিৰা মান্‌হুটো যেন্‌কে আহি ওলাল, মোৰ গটাই আচাভুৰা লাগিল। **আচেন্নী** (বি.) পানীপতা। আচহুৱা। উদাহৰণ- আচেন্নীত এন্‌কে থিয়া হ'ব নাপায়। **আজাৰ** (ধা.) খালী কৰ। উদাহৰণ- আঘাণ মাহ পচ্‌ছি, ভাখেৰিটো আজাৰে দিলু। **আজাৰûআঝাৰ** (বি.) আঘাত। উদাহৰণ- ভীখন আজাৰ পালু, বিখত কাকালখান ডাঙ্‌বা নৰা হ'ছু। **আজালûবিজাল** (বিণ.) মন মাৰি থকা। উদাহৰণ- মাইচানা, কি হ'ছিয়ে তোৰ, দিনটো দেখু আজাল-বিজালকে আছা? **আটিয়া** (বি.) সীমা বা ঘৰৰ ভেটিৰ কাষৰ ওখ ঠাই। উদাহৰণ- আটিয়াত তামুলৰ পুলিমাখা পুটি থৌ। **আটুক** (বিণ.) অত্যুৎসাহ। উদাহৰণ- চব কথাতে ইমান আটুক হৰা বৰ বয়া।



*উন্মোচন কৰিছে ভাষাচাৰ্য গোলাক চন্দ্ৰ গোস্বামী, কাষত মামণি ৰয়ছম গোস্বামী*

**আঠকেৰিûআটকেৰিûআঠকিৰি** (বি.) দীৰ্ঘদিন লেতেৰা হৈ থকা। উদাহৰণ- লহৰাটো আঠকেৰি বান্‌হ্‌ছি, খাবাই দেখু ঘিনা লাগে। **আঠাসিনাûআঠাসেনিয়া** (ক্ৰি.বিণ.) কমকৈ পনীয়া বস্তু সানি লোৱা গোটা আহাৰ। উদাহৰণ- সি আঠাসেনিয়াকে ভাত খাইহানে ভাল পায়। **আত্‌তেজা** (বিণ.) যোৱা বছৰৰ আগৰ বছৰ। উদাহৰণ-আত্‌তেজা বাৰিখা এই দুই বছাৰতকৈ বেছি আছিল। **আতহু** (বি.) চিঞৰ-বাখৰ কৰা লোক। উদাহৰণ- আতহুটো মৰাত, গতাই অঞ্চালটোৰে ঠান্দা মুন্দা হৈ প'চ্‌ছি। ... পাঠকে নিশ্চয় মন কৰিছে কেৱল 'অ' আৰু 'আ' ৰে আৰম্ভ হোৱা এনে শব্দৰ নমুনাই বহুত। সমগ্ৰ অভিধানখনত এনে 8,500 শব্দ আছে আৰু সেইবোৰৰ ব্যাখ্যা কৰিবলৈ প্ৰায় 1,00,000 দঃ কামৰূপৰ শব্দ ব্যৱহাৰ কৰা হৈছে। যাক আমি লাখৰ বাখৰ বুলি কৈছোঁ।

সামৰনিত উভতি চাওঁ **অসমীয়া জাতীয় অভিধান**ৰ দ্বিতীয় খণ্ডৰ উন্মোচনী অনুষ্ঠানত দঃ কামৰূপৰ জীয়াৰী জ্ঞানপীঠ বিজয়িনী দ$^0$ মামণি ৰয়চম গোস্বামীয়ে কোৱা এইষাৰ কথালৈ ঃ "মই কামৰূপৰ মানুহ। কিন্তু মই মোৰ লেখাত কামৰূপী শব্দ ব্যৱহাৰ কৰা নাছিলো। ফলত মোৰ শিক্ষাগুৰু দ$^0$ বিৰিঞ্চি কুমাৰ বৰুৱা, যাক মই ভালকৈ এবছৰ পাইছিলোঁ, তেওঁ এদিন মোক মতাই আনি ক'লে যে, 'মামণি, তুমি ইমান সুন্দৰ কিতাপ লিখিছা, কিন্তু তুমি কামৰূপী ছোৱালী। কামৰূপৰ দেখোন এটাও শব্দ নাই।' তেতিয়া চাৰৰ কথা মোৰ গাত লাগিল। মই কামৰূপী শব্দ ব্যৱহাৰ কৰিম বুলি চাৰক প্ৰতিশ্ৰুতি দিলোঁ আৰু বিচ বছৰৰ পাচত দিল্লীত বহি মই ('দঁতাল হাতীৰ) উঁয়ে খোৱা হাউদা লিখিছিলোঁ। কামৰূপত তেতিয়া থকা নাই। কিন্তু এটা কথা আছে যে 'Distance purifies your feeling'। গতিকে দূৰত গৈ ভাষাটো আৰু স্বচ্ছভাৱে দেখিলোঁ। ফলত মই ভাল উপন্যাস এখন লিখিব পাৰিলো বুলি ভাবিছোঁ। কিন্তু তাৰ পাচত এটা ঘটনা ঘটিল; কামৰূপৰ ভিতৰুৱা গাঁও এখনত বহু সুন্দৰ পাচলি বাগিচা এখন দেখিলোঁ। গৃহস্থক ক'লোঁ—বিলাহীবোৰ বৰ সুন্দৰ হৈছে। গৃহস্থই ক'লে 'মাইচানা বিলিহি বাংনা অভাৰ হৈ গেছি'। এনেকুৱা বহুত অদ্ভুত অদ্ভুত শব্দ শুনিলো, মই টোকা কৰি আনিলোঁ। যদি আন ৰাজ্যৰ ভাষাৰ বাগিচাখনৰ পৰা এটা সুন্দৰ ফুল যদি অসমীয়া ভাষাৰ বাগিচাত সোমাই সিয়ে আমাৰ ভাষাৰ বাগিচাখন নষ্ট নকৰে। বহুতে কয় 'ভেলেন্তাইন দে' শব্দটো ভাৰতৰ প্ৰায়বোৰ ভাষাতে সোমাইছে। আপুনি কি কয় বা? মই ক'লো —চাওক ব্ৰনচনে বহু বছৰ আগতে কৈ গৈছে অসমীয়া ভাষাৰ মৃত্যু নাই। হেজাৰ বছৰ হ'লেও অসমীয়া ভাষাৰ মৃত্যু নহ'ব। গতিকে তেনেকুৱা ভাষাত যদি এটা ভেলেন্তাইন শব্দ সোমায় আপত্তি কি আছে? তেনে শব্দ সোমালে ভাষাটো উন্নত হ'ব, সমৃদ্ধহে হ'ব। ভাষাটো নষ্ট নহয়, সংস্কৃতি নষ্ট নহয়। এইদৰে সকলো ভাষাৰ শব্দ অসমীয়া সোমাইছে, এইটো অতি ভাল কাম হৈছে। এইখনহে আচল প্ৰকৃত অসম আৰু আমাক এইখন **জাতীয় অভিধানে**ই লাগে। আন ৰাজ্যক নালাগিলেও আমাৰ ভাষাৰ পৰিচয় দিবলৈ হ'লে জাতীয় অভিধানত জনগোষ্ঠীসকলৰ শব্দবোৰ অসমীয়াত সোমাইছে, ইও অতি সুন্দৰ হৈছে। অভিধানত এইবোৰ আহিবই লাগিব।

মোৰ শিক্ষাগুৰু দ$^0$ গোলোকচন্দ্ৰ গোস্বামী মহোদয়ে লিখিছিল—'অসমৰ বিভিন্ন প্ৰান্তৰ সিচঁৰতি হৈ থকা যিসকল লোকে জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে অসমৰ কৃষ্টি সংস্কৃতি নিজৰ বুলি সাৱটি লৈছে তেওঁলোক অসমীয়া'। এইটো অতি গুৰুত্বপূৰ্ণ কথা। ময়ো দেখিছোঁ তেওঁলোকে কি সুন্দৰ কথা কয়। এইবোৰ বাদ দিব লাগিব নেকি? সেইটোতো নহয়। তেওঁ আৰু লিখিছে—'এই প্ৰত্যেকটো জাতি গোষ্ঠীৰ ব্যৱহৃত শব্দ '**অসমীয়া জাতীয় অভিধান**ত অন্তৰ্ভুক্ত কৰিম। কিন্তু সেই শব্দবোৰ সেই জনগোষ্ঠীৰ সাহিত্যত নাইবা সংস্কৃতিত ব্যৱহৃত হ'ব লাগিব। এইবোৰ খুব গভীৰভাৱে চাব লাগিব। শব্দ ভাষাৰ সম্ভাৰ। শব্দ অভিধানৰ অপৰিহাৰ্য অংগ। শব্দতেই সোমাই থাকে জাতিটোৰ প্ৰকৃত তথ্য আৰু সত্তা। সেয়ে এটা জাতিৰ পৰিচয় দিবলৈ হ'লে সেই জাতিটোৰ উপভাষাৰ শব্দসমূহ অবহেলা কৰিলে নহ'ব। অনেক সময়ত উপভাষাৰ শব্দবোৰ মূল শব্দৰ বহু ওচৰ চপা। নামনিৰ বহু শব্দ উজনিতকৈ মাৰ্জিত আৰু অধিক অৰ্থবহ। সেয়ে এইবোৰ **জাতীয় অভিধান**ত থাকিবই লাগিব।'...

মই এই সভালৈ অহা বাবে কোনো কোনোৱে কৈছিল, তুমি তালৈ নাযাবা, তালৈ গ'লে কিছুমানে তোমাৰ ভুল ধৰিব। কিন্তু সেইটো নহয়। মই ইয়ালৈ আহি বৰ আনন্দ পাইছোঁ। গোলোক গোস্বামী চাৰে মোক মাতি এই সুযোগ দিয়া বাবে মই ধন্য মানিছোঁ।

মই এই **অসমীয়া জাতীয় অভিধান**ৰ উন্মোচনী অনুষ্ঠান উদ্বোধন কৰি গৌৰৱবোধ কৰিছোঁ। এইটো অসমৰ বাবে বৰ মহত্বপূৰ্ণ কাম হৈছে। এইটো মই সসন্মানেৰে স্বীকাৰ কৰোঁ। ধন্যবাদ।" (2010 চনৰ 26 দিচেম্বৰত গুৱাহাটী বি. বৰুৱা কলেজত অনুষ্ঠিত **অসমীয়া জাতীয় অভিধান**ৰ দ্বিতীয় খণ্ডৰ উন্মোচনী সভাৰ উদ্বোধনী ভাষণ ) (**অসমীয়া জাতীয় অভিধান**, তৃতীয় খণ্ড, পৃ.8-9 )

সেয়েহে মইনা গোস্বামীসকলৰ 'সদিচ্ছা'ৰ এই উৎকৃষ্ট উপহাৰটি আমি **অসমীয়া জাতীয় অভিধান**ৰ হৈ সসন্মানে গ্ৰহণ কৰিছোঁ।

*(লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক, চলভাষ ঃ৯৪৩৫৩ ৫১২৫৫)*



যিসমূহ পৰিয়ালৰ আয় বাৰ্ষিক এক লাখ টকাতকৈ বেছি তেওঁলোকে এপিএল ৰেছন কাৰ্ড ল'ব পাৰে। এই কাৰ্ডৰ দ্বাৰা দেশৰ ৰাজধানী দিল্লীত প্ৰতি কিলোত মাত্ৰ দুটকাকৈ মুঠ চাৰি কিলো গম আৰু তিনি টকাকৈ এক কিলো চাউল কিনিব পৰা যায়। কাৰ্ডত সদস্যৰ সংখ্যা কম বেছি হ'লেও ৰেছনৰ পৰিমাণ সলনি নহয়।

# ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন আৰু চৰকাৰী ৰেছন ব্যৱস্থা

**আমাৰ** দেশৰ মুঠ জনসংখ্যাৰ এক বৃহৎ অংশক সামৰি লোৱা ৰেছন ব্যৱস্থাটোৱে জনসাধাৰণক সুলভ মূল্যত খাদ্য সামগ্ৰী যোগানৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত বৰ্তমানে দেশৰ ৮১ কোটি ৩৫ লাখ নাগৰিকলৈ ৰেছন সৰবৰাহ কৰি থকা হৈছে আৰু ২০১১ ৰ হিচাপ অনুযায়ী ভাৰতৰ দুই তৃতীয়াংশ মানুহে প্ৰত্যক্ষভাৱে চৰকাৰী ৰেছন ব্যৱস্থাৰ সুযোগ গ্ৰহণ কৰিছে। ৰেছন কাৰ্ডে যে কেৱল বহু দৰিদ্ৰ মানুহৰ পেটৰ ভোক নিবাৰণ কৰিছে তেনে নহয়, পৰিচয় পত্ৰ হিচাপেও ইয়াৰ গুৰুত্ব অপৰিসীম। বিভিন্ন চৰকাৰী কামৰ পৰা আৰম্ভ কৰি অন্যান্য বহুক্ষেত্ৰত এই কাৰ্ড ব্যৱহৃত হৈ আহিছে গুৰুত্বপূৰ্ণ নথি হিচাপে। আয়ৰ বিভিন্ন শ্ৰেণী বিভাজনৰ ভিত্তিত ভাৰতীয় নাগৰিকসকলক চৰকাৰে বিভিন্ন ধৰণৰ ৰেছন কাৰ্ড প্ৰদান কৰে। ৰেছন কাৰ্ড প্ৰদানৰ পূৰ্ব চৰ্ত হিচাপে চৰকাৰৰ তৰফৰ পৰা নাগৰিকসকলৰ বাৰ্ষিক আয়ৰ মূল্যায়ন কৰা হয় প্ৰথমতে। তাৰ পাছতহে শ্ৰেণী বিভাজনৰ ভিত্তিত এই কাৰ্ডসমূহ হিতাধিকাৰীক প্ৰদান কৰা হয়। দৰিদ্ৰ সীমাৰ ওপৰৰ সকলক এপিএল (Above Poverty Level) কাৰ্ড আৰু তলৰ সকলক বিপিএল (Below Poverty Level) ৰেছন কাৰ্ড দিয়াৰ নিয়ম। এই দুখনক বাদ দি আৰু একপ্ৰকাৰৰ ৰেছন কাৰ্ড আছে যাৰ নাম অন্তোদয়া (Temporary) কাৰ্ড। ভাৰতত বাস কৰা যিকোনো পৰিয়াল য'ত অন্ততঃ এগৰাকী হ'লেও মহিলা সদস্য থাকে আৰু যাৰ বাৰ্ষিক উপাৰ্জন এক লক্ষ টকাতকৈ কম, তেওঁলোকৰ বাবেহে এই ৰেছন কাৰ্ডৰ সুবিধাসমূহ উপলব্ধ। অসম চৰকাৰে ৰেছন কাৰ্ডৰ বাবে আবেদন কৰা যোগ্য প্ৰাৰ্থীক সম্পূৰ্ণ বিনামূলীয়াকৈ এই সুবিধা দি আহিছে।

**এপিএল ৰেছন কাৰ্ড ঃ**

এই শ্ৰেণীৰ ৰেছন কাৰ্ড মূলতঃ দৰিদ্ৰসীমাৰ ওপৰত বসবাস কৰা পৰিয়ালসমূহৰ বাবে। যিসমূহ পৰিয়ালৰ আয় বাৰ্ষিক এক লাখ টকাতকৈ বেছি তেওঁলোকে এপিএল ৰেছন কাৰ্ড ল'ব পাৰে। এই কাৰ্ডৰ দ্বাৰা দেশৰ ৰাজধানী দিল্লীত প্ৰতি কিলোত মাত্ৰ দুটকাকৈ মুঠ চাৰি কিলো গম আৰু তিনি টকাকৈ এক কিলো চাউল কিনিব পৰা যায়। কাৰ্ডত সদস্যৰ সংখ্যা কম বেছি হ'লেও ৰেছনৰ পৰিমাণ সলনি নহয়।

**বিপিএল ৰেছন কাৰ্ড**

দৰিদ্ৰ সীমাৰ তলত বসবাস কৰা ভাৰতীয় নাগৰিকৰ বাবে উপলব্ধ এই বিপিএল ৰেছন কাৰ্ড। বিপিএল কাৰ্ডখন পাবলৈ হ'লে পৰিয়াল এটাৰ বাৰ্ষিক উপাৰ্জন ২৭ হেজাৰ টকাতকৈ কম হ'ব লাগে। ২০১৭ ৰ নতুন নাগৰিক চনদ অনুযায়ী, এই কাৰ্ডেৰে প্ৰতিজন হিতাধিকাৰীয়ে প্ৰতি কিলোত চাৰি টকাকৈ মুঠ চাৰি কেজি গম আৰু তিনি টকাকৈ এক কেজি চাউল কিনিব পাৰে। অৰ্থাৎ একোজন বিপিএল নাগৰিকে মাত্ৰ সাত টকাতে পাঁচ কিলো ৰেছন লাভ কৰে। সমান্তৰালভাৱে,পৰিয়াল এটাত সদস্যৰ সংখ্যা যিমানেই বেছি হয়, ৰেছনৰ পৰিমাণো সিমানেই বাঢ়ে। উদাহৰণস্বৰূপে, কাৰ্ডত মুঠ সদস্যৰ সংখ্যা পাঁচজন থাকিলে সৰ্বমুঠ ২৫ কিলো ৰেছন লাভ কৰে পৰিয়াল একোটাই।

**অন্তোদয়া ৰেছন কাৰ্ড**

কেন্দ্ৰৰ তৰফৰ পৰা সম্প্ৰতি এই ৰেছন ব্যৱস্থা নতুনকৈ আৰম্ভ কৰা হৈছে। দেশৰ প্ৰত্যেকখন ৰাজ্যতে এই নতুন ব্যৱস্থাৰ আওতাত ৰেছন প্ৰদান কৰি থকা হৈছে। এই অন্তোদয়া ৰেছন কাৰ্ডৰ মাধ্যমেদি মূলতঃ যিসকল অৰ্থনৈতিকভাৱে দুৰ্বল অথবা শাৰীৰিকভাৱে প্ৰতিবন্ধী, তেওঁলোককহে ৰেছনৰ সামগ্ৰী প্ৰদান কৰা হয়। অন্তোদয়াৰ কাৰ্ড সেইসমূহ দুখীয়া পৰিয়ালকহে দিয়া হয় যাৰ উপাৰ্জনৰ কোনো স্থিৰতা নাথাকে আৰু মাহিলি উপাৰ্জন ২৫০টকাৰো কম। এইখন কাৰ্ডৰ মাধ্যমেদি সুলভ মূল্যৰ দোকানৰ পৰা কিলো তিনি টকাকৈ মুঠ ৩৫ কিলো চাউল পাব পৰা যায়।

উল্লেখ্য যে অসমত বিপিএল, এপিএল,অন্তোদয়াৰ উপৰি পিংক, ব্লু, ৰেড ৰেছন কাৰ্ড আৰু ইয়েল' তথা অৰেঞ্জ ৰেছন কাৰ্ডৰ প্ৰচলন আছে। ইয়াৰে পিংক, ব্লু,ৰেড ৰেছন কাৰ্ডেৰে এপিএল গ্ৰাহকে আৰু এলপিজি নথকা গ্ৰাহকে সুলভ মূল্যৰ কেৰাচিন ক্ৰয় কৰিব পাৰে।

**ৰেছন কাৰ্ডৰ আবেদনৰ বাবে প্ৰয়োজনীয় নথিসমূহঃ**

আধাৰ কাৰ্ড, ভোটাৰ আইডি, পাছপোৰ্ট, চৰকাৰী পৰিচয় পত্ৰ, হেলথ্ কাৰ্ড, ড্ৰাইভিং লাইচেন্স, পেন কাৰ্ড, পাছপোৰ্ট ফটো, আয়কৰ ফাইল, ঠিকনাৰ প্ৰমানপত্ৰ হিচাপে বিদ্যুতৰ বিল, এলপিজি কানেকছন, টেলিফোনৰ বিল, বেংক ষ্টেটমেন্ট বা পাছবুক ইত্যাদি।

ওপৰত উল্লেখ কৰি অহা বিভিন্ন প্ৰকাৰৰ ৰেছন কাৰ্ডৰ মাধ্যমেৰে সমাজৰ বিভিন্ন শ্ৰেণীৰ পৰিয়ালৰ মাজত প্ৰয়োজনীয় খাদ্য সামগ্ৰী নিয়মীয়াকৈ আৰু শৃংখলাবদ্ধভাৱে বিতৰণ কৰাৰ বাবে কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে যৎপৰোনোস্তি চেষ্টা চলোৱাৰ পাছতো কিন্তু প্ৰায়েই ৰেছন ব্যৱস্থাৰ সঠিক প্ৰয়োগত বাধা হৈ দেখা দিয়ে দুৰ্নীতি আৰু অনিয়মে। এনে কোনো অনিয়ম দৃষ্টিগোচৰ হ'লে যাতে সাধাৰণ গ্ৰাহকে ততাতৈয়াকৈ অভিযোগ দাখিল কৰি নিজেই সমাধান বিচাৰিব পাৰে তাৰো উপায় আছে এতিয়া। ৰেছন দুৰ্নীতিৰ ক্ষেত্ৰত সচৰাচৰ যিবোৰ ঘটনা সংঘটিত হৈ আহিছে সেইবোৰৰ বেছিভাগেই ডিলাৰে কৰা কাৰচাজিৰ পৰিণাম। চৰকাৰী যোগান পৰ্যাপ্ত থকাৰ পাছতো ডিলাৰে হিতাধিকাৰীক বহু সময়ত তেওঁলোকৰ প্ৰাপ্য ৰেছন নিদিয়ে। এই ধৰণৰ কোনো ঘটনাৰ চিকাৰ হ'লে এতিয়াৰে পৰা তাৎক্ষণিকভাৱে অভিযোগ কৰিব পাৰিব ভুক্তভোগী গ্ৰাহকে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ভাৰত চৰকাৰে মুকলি কৰা এক নিৰ্দিষ্ট ৱেবছাইটত ক্লিক কৰি অভিযোগ দাখিল কৰিব পাৰিব গ্ৰাহকে। উক্ত ৱেবছাইটটোৰ লিংক হৈছে - https.//nfsa.gov.in। ইয়াৰ বাদেও ভাৰতৰ প্ৰতিখন ৰাজ্যৰ বাবে বিভিন্ন টোল ফ্ৰী নম্বৰো মুকলি কৰা হৈছে য'ত ফোন কৰি সহজতে অনিয়ম সম্পৰ্কে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰাব পাৰিব গ্ৰাহকে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (National Food Security Act ) বা চমুকৈ এনএফএছএৰ ৱেবছাইটৰ পৰাই ভিন ভিন ৰাজ্যৰ বাবে থকা এনে টোল ফ্ৰী নম্বৰসমূহ সংগ্ৰহ কৰিব পৰা যাব। সমান্তৰালভাৱে, https.// nfsa.gov.in ঃ ত ই-মেইল কৰিও ৰেছন দুৰ্নীতিৰ বিষয়ে জনাব পাৰিব ।



ৰেছন ডিলাৰৰ কেলেংকাৰিৰ বাদেও আন এক গুৰুতৰ সমস্যা হিচাপে চিহ্নিত হৈছে এজন গ্ৰাহকৰ নামত থকা ৰেছন কাৰ্ডেৰে আন এজনে ৰাজসাহায্যযুক্ত খাদ্য সামগ্ৰী কিনাৰ সমস্যাটো। প্ৰায়েই দেখা যায়, বিয়া দিয়াৰ পাছতো পৰিয়াল এটাৰ কন্যা সন্তানগৰাকীৰ নামত উলিওৱা কাৰ্ডখন ব্যৱহাৰ কৰি পৰিয়ালবৰ্গই ৰাজসাহায্যযুক্ত খাদ্য সামগ্ৰীৰ সুবিধা উপভোগ কৰি থাকে বা আগৰ ৰেছন কাৰ্ডতেই নাম নকটাকৈ ৰৈ যায় বিয়া হৈ ওলাই যোৱা কন্যা সদস্যগৰাকীৰ নাম। ইও দৰাচলতে একধৰণৰ অপৰাধেই। এই কাম কৰি ধৰা পৰিলে মোটা অংকৰ ধন জৰিমনা হিচাপে ভৰিব লাগে। এইক্ষেত্ৰত সেয়ে অনিয়ম নহ'বলৈ আৰু জৰিমনা ভৰাৰ পৰা বাচিবলৈ ডিলাৰৰ দ্বাৰা সদস্যৰ নাম কৰ্তন কৰিব লাগে। তদুপৰি food.wb.gov.in ৱেবছাইটত গৈও খুব সহজতে অনলাইনযোগে বিয়া হৈ যোৱা সদস্যগৰাকীৰ নাম কৰ্তন কৰিব পাৰি। প্ৰসংগক্ৰমে উনুকিয়াব পাৰি, ৰেছন ব্যৱস্থাৰ এই ধৰণৰ বিভিন্ন দুৰ্নীতি, অনিয়ম আৰু কেলেংকাৰি ৰোধ কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হোৱা কেন্দ্ৰীয় চৰকাৰে বিগত ২০১৩ ৰ পৰা এই পৰ্যন্ত দেশত প্ৰায় ৪.৫০ কোটি ৰেছন কাৰ্ড বাতিল কৰিছে। কিন্তু, ইমানৰ পাছতো বৰ বিশেষ সফল হ'ব পৰা নাই অনিয়ম ৰোধত। সেয়েহে এইবাৰ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰি দেশব্যাপী হোৱা ৰেছন দুৰ্নীতি বন্ধ কৰিবলৈ প্ৰয়াস কৰিছে চৰকাৰে।



# শক্তি সংকট আৰু খৰচ নিয়ন্ত্ৰণলৈ অনাৰ নাই কোনো উপায়

# মূল্য বৃদ্ধি

## ডলাৰ-তেলৰ খৰচ বৃদ্ধিক লৈ উদ্বিগ্ন বিশেষজ্ঞমহল

**এফালে** ইন্ধনৰ উচ্চ মূল্য। আনফালে, ক্ৰমাগত বৃদ্ধি পোৱা ডলাৰৰ মূল্য — বিশ্বৰ বহু অৰ্থনীতিক সংকটৰ মুখামুখি কৰাইছে এই দুই চাপে। যদিও এনেবোৰ দেশত এই মুহূৰ্তলৈ শ্ৰীলংকাৰ দৰে গম্ভীৰ মন্দাই দেখা দিয়া নাই, তথাপি পাকিস্তানকে ধৰি কে'বা ডজন দেশে একে পথতে অগ্ৰসৰ হৈছে বুলি ক'ব লাগিব। ৰাছিয়াৰ পৰা তেল আৰু গেছৰ যোগান হ্ৰাস বা বন্ধ হোৱাৰ বাবে ইউৰোপে শক্তি সংকটত ভুগিছে। ভাৰতৰ নীতি নিৰ্ধাৰকসকলো ইয়াক লৈ চিন্তিত। কাৰণ, ডলাৰৰ তুলনাত টকাৰ দাম নিতৌ হ্ৰাস পাইছে। ফলত তেলৰ দাম বেছি হোৱাৰ বাবে ইন্ধন আমদানিৰ ব্যয় বৃদ্ধি পাইছে। ফলস্বৰূপে খাৰুৱা তেল আৰু কয়লা আমদানিৰ ফলত বৈদেশিক মুদ্ৰাৰ মজুত হ্ৰাস পোৱা দেশসমূহৰ তালিকাতো ভাৰতে নাম লিপিবদ্ধ কৰিছে।

কিছুমান দেশে শক্তি সংকট আৰু খৰচ নিয়ন্ত্ৰণলৈ আনিবলৈ বিভিন্ন কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা গৈছে যদিও ভাৰতে অদ্যাপি তেনে কোনো পন্থা গ্ৰহণ কৰা নাই। উদাহৰণস্বৰূপে বাংলাদেশে ডিজেল চালিত শক্তি কেন্দ্ৰসমূহ বন্ধ কৰাৰ সিদ্ধান্ত লৈছে। বিদ্যুৎ উৎপাদনৰ বাবে যিহেতুকে প্ৰচুৰ পৰিমাণে গেছ আৰু ডিজেলৰ প্ৰয়োজন হয়, সেয়ে সেইসমূহ খণ্ডত ব্যয় হ্ৰাস কৰাৰ উদ্দেশ্যে বিভিন্ন অঞ্চলত প্ৰতিদিনে এঘণ্টাৰ পৰা দুঘণ্টালৈকে বিদ্যুৎ যোগান কৰ্তন কৰিছে চুবুৰীয়া দেশখনে। কিন্তু বৰ্তমান সময়ত ভাৰতত এনে কোনো পদক্ষেপ বাস্তৱসন্মত নহয়। বৰঞ্চ এই পৰিস্থিতিতো কেন্দ্ৰই ৰাছিয়াৰ পৰা সস্তীয়া খাৰুৱা তেল ক্ৰয় বৃদ্ধি কৰিব বিচাৰিছে। দৰাচলতে স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো ভাৰত বহু সামগ্ৰী আৰু কেঁচামালৰ বাবে আমদানি নিৰ্ভৰশীল। মূলতঃ আমদানি কৰা ইন্ধনৰ ব্যয় পূৰণৰ বাবে ভাৰতৰ বৈদেশিক মুদ্ৰাৰ মজুত হ্ৰাস পাইছে। যোৱা অক্টোবৰত এই সংৰক্ষিত ধন আছিল ৬৪ হেজাৰ কোটি ডলাৰ; কিন্তু, ১৫ জুলাইত সমাপ্ত হোৱা সপ্তাহত ই ৫৭,২৭১.২ কোটিলৈ হ্ৰাস পাইছে। এফালে ইন্ধনৰ আমদানি আৰু আনফালে শ্বেয়াৰ বজাৰৰ পৰা বিদেশী বিনিয়োগৰ বহিঃপ্ৰবাহ হৈ থকাৰ বাবে টকাৰ বিপৰীতে ডলাৰৰ মূল্য নিতৌ বৃদ্ধি পাইছে। এই বিষয়টো নিয়ন্ত্ৰণহীন হৈ পৰাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকে মাজে মাজে নিজৰ ৰিজাৰ্ভৰ পৰা ডলাৰ বিক্ৰী কৰি আছে। ইয়াৰ ফলতো বৈদেশিক মুদ্ৰাৰ মজুত আৰু অধিক হ্ৰাস পাবলৈ ধৰিছে। স্বাভাৱিকতে ইয়াকে লৈ সম্প্ৰতি উদ্বিগ্ন হৈ পৰিছে দেশৰ অৰ্থনীতি বিশেষজ্ঞমহল।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, ডলাৰৰ মূল্য এতিয়া ৮০ টকাৰ আশে-পাশে আছে। অথচ যোৱা জানুৱাৰী পৰ্যন্ত প্ৰতি ডলাৰৰ মূল্য আছিল ৭৪ টকা। অৰ্থাৎ সাত মাহত টকাৰ দাম ৭.৫ শতাংশ হ্ৰাস পাইছে। ইফালে আমেৰিকাৰ ফেডাৰেল ৰিজাৰ্ভৰ পৰিৱৰ্তিত মুদ্ৰা নীতিয়ে মুদ্ৰাস্ফীতিৰ ক্ষেত্ৰত আৰু অধিক ইন্ধন যোগোৱাৰ সম্ভাৱনা আছে। যদি তেনেকুৱা হয় তেন্তে ভাৰতত ডলাৰৰ দাম আৰু বেছি বৃদ্ধি হ'ব পাৰে। এনে পৰিস্থিতিত যদি মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ লক্ষ্যৰে ভাৰতেও সুতৰ হাৰ বৃদ্ধি কৰে তেন্তে শ্বেয়াৰ বজাৰ পুনৰ দুৰ্বল হ'ব পাৰে বুলি আশংকা কৰিছে বিশেষজ্ঞমহলে।

# এটিএমৰ পৰা ওলাব ৰেছনৰ সামগ্ৰী !



আমি সকলোৱে আজিকালি এটিএমৰ পৰা টকা উলিওৱাত প্ৰায় অভ্যস্ত নহয়নে বাৰু? এটিএমে আমাক আমাৰ প্ৰয়োজন আৰু সুবিধা অনুযায়ী দিন ৰাতি সকলো সময়তে নগদ ধন পাব পৰাৰ ব্যৱস্থা কৰি দিছে। কিন্তু অচিৰেই আপুনি এটিএমৰ পৰা ধনৰ লগতে ৰেছনৰ সামগ্ৰীও লাভ কৰিব পাৰিব। খবৰটো পঢ়ি হয়তো আপুনি আচৰিত হৈছে। অচিৰেই ওড়িছাত আৰম্ভ হ'বলৈ ওলাইছে এটিএমৰ পৰা খাদ্য শস্য লাভ কৰিব পৰা সুবিধা। ওড়িছাত চৰকাৰে শীঘ্ৰেই এই সুবিধাৰ অধীনত ৰেছন ডিপ'ত এটিএমৰ জৰিয়তে খাদ্য শস্য প্ৰদানৰ ব্যৱস্থা কৰিবলৈ ওলাইছে। ইয়াক নাম দিয়া হৈছে শস্য এটিএম বা গ্ৰেইন এটিএম বুলি। ৰাজ্যখনৰ খাদ্য যোগান আৰু গ্ৰাহক কল্যাণ মন্ত্ৰী আতনু সব্যসাচীয়ে এই আঁচনিৰ বিষয়ে কয় যে ওড়িছাৰ অংশীদাৰসকলক গ্ৰেইন এটিএমৰ পৰা ৰেছন দিয়াৰ প্ৰস্তুতি চলি আছে। প্ৰাৰম্ভিক পৰ্যায়ত চহৰাঞ্চলত স্থাপন কৰা হ'ব এনে শস্যৰ এটিএম। ইয়াৰ পাছত সকলো জিলাতে এই বিশেষ এটিএম স্থাপনৰ পৰিকল্পনা কৰা হৈছে। ইফালে, পৰৱৰ্তী পৰ্যায়ত পৰ্যায়ক্ৰমে ভাৰতবৰ্ষৰ সকলো ৰাজ্যতে শস্যৰ এটিএম স্থাপনৰ পৰিকল্পনা কৰিছে কেন্দ্ৰীয় চৰকাৰে। স্মৰ্তব্য যে ইয়াৰ পূৰ্বে হাৰিয়ানাৰ গুৰুগ্ৰামত স্থাপন কৰা হৈছিল দেশৰ প্ৰথমটো শস্যৰ এটিএম। এই বিশেষ এটিএমটো চৰকাৰে বিশ্ব খাদ্য কাৰ্যসূচীৰ অধীনত প্ৰচাৰ কৰি আছে। ইয়াক 'স্বয়ংক্ৰিয়, বহু পণ্য, শস্য বিতৰণ মেচিন' বুলিও কোৱা হয়।

**শস্য এটিএমে কেনেদৰে কাম কৰে ?**

শস্যৰ এটিএমৰ পৰা ৰেছনৰ সামগ্ৰী যেনে ঘেঁহু, চাউল, দাইল আদি উপলব্ধ কৰিবলৈ গ্ৰাহকসকলক বিশেষ ক'ড থকা এখন কাৰ্ড যোগান ধৰা হ'ব চৰকাৰৰ ফালৰ পৰা। এই এটিএমত সম্পূৰ্ণ টাচ্চ স্ক্ৰীণ থাকিব আৰু ইয়াত বায়'মেট্ৰিক সুবিধাও উপলব্ধ থাকিব। ৰেছন কাৰ্ডধাৰীসকলে শস্যৰ এটিএমত নিজৰ আধাৰ কাৰ্ডৰ নম্বৰ আৰু ৰেছন কাৰ্ডত উল্লেখ কৰা নম্বৰটো দিব লাগিব। এনে কৰিলে এটিএমৰ পৰা খাদ্য শস্য নিজে নিজে ওলাই আহিব আৰু গ্ৰাহকে সংগ্ৰহ কৰিব পাৰিব।

# বিশ্ববেংকৰ মুখ্য অৰ্থনীতিবিদৰ পদত নিযুক্তি লাভ ভাৰতৰ ইন্দৰমিত গিলৰ



ইন্দৰমিত গিলক বিশ্ব বেংকৰ মুখ্য অৰ্থনীতিবিদ হিচাপে নিযুক্তি দিয়া হৈছে। কৌশিক বসুৰ পাছত তেওঁ হ'ব এই পদৰ শোভা বঢ়োৱা দ্বিতীয়জন ভাৰতীয়। অহা পহিলা ছেপ্টেম্বৰৰ পৰা তেওঁ কাৰ্যভাৰ গ্ৰহণ কৰিব।

বিশ্ব বেংকৰ সভাপতি ডেভিদ মালপাছে এক বিবৃতিত কয় যে উন্নয়ন, দৰিদ্ৰতা, জলবায়ু পৰিৱৰ্তন আদি বিষয়ত বিভিন্ন দেশৰ স'তে কাম কৰাৰ ক্ষেত্ৰত ইন্দৰমিত গিলৰ ব্যৱহাৰিক অভিজ্ঞতা আৰু দক্ষতা আছে। বৰ্তমানে এই পদটোত অৱস্থানৰ বাবে এইবোৰৰ সংমিশ্ৰণ অতি গুৰুত্বপূৰ্ণ বুলি কয় মালপাছে।

স্মৰ্তব্য, ইয়াৰ পূৰ্বে ২০১২ ৰ পৰা ২০১৬লৈ বিশ্ব বেংকৰ মুখ্য অৰ্থনীতিবিদ আছিল কৌশিক বসু। অৱশ্যে ৰঘুৰাম ৰাজন আৰু গীতা গোপীনাথেৰাই বিশ্ব বেংকৰ সহযোগী প্ৰতিষ্ঠান আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ মুখ্য অৰ্থনীতিবিদ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

# বিশ্বৰ শ্ৰেষ্ঠ ১০খন দামী গাড়ী!

এই পৃথিৱীত এনে কিছুমান দুৰ্দান্ত গাড়ী আছে যিবোৰৰ গৰাকী হোৱাৰ সপোন প্ৰতিজন গাড়ী প্ৰেমীয়ে দেখে। কিন্তু সপোন দেখিলেও সকলোৱে ইয়াক কিনিব নোৱাৰে। কাৰণ বৰ্তমান এই গাড়ীবোৰৰ দাম কে'বা নিযুত ডলাৰ। সৰ্বাধুনিক ডিজাইন, আকৰ্ষণীয় বৈশিষ্ট্যৰে সুসজ্জিত বিশ্বৰ এনে শ্ৰেষ্ঠ ১০ খন বিলাসী গাড়ীৰ বিষয়ে জানো আহকচোন...



**মেকলেৰেন পি ১**
**দাম ঃ ১.০ নিযুত মাৰ্কিন ডলাৰ**

মেকলেৰেন পি ১ হৈছে কিংবদন্তি মেকলেৰেন এফ ১ৰ উত্তৰাধিকাৰী। এই বাহনখন হাইব্ৰিড ছেটআপত চলিব পৰা এখন সীমিত সংস্কৰণৰ গাড়ী। ২০১৩ত ইয়াক প্ৰথমবাৰৰ বাবে মুকলি কৰা হৈছিল। গাড়ীখনত ৩.৮ লিটাৰৰ টুইন টাৰ্বো চাৰ্জড ভি৮ ইঞ্জিন আছে, যিয়ে ৭২৭ বিএইছপি আৰু ৭২৭ এনএম টৰ্ক উৎপন্ন কৰে।

**পাগানি হুৱাইৰা**
**দাম ঃ ১.৪ নিযুত মাৰ্কিন ডলাৰ**

পাগানিয়ে প্ৰস্তুত কৰা এই বাহনখন বিশ্বৰ সৰ্বাধুনিক বিলাসী আৰু ধুনীয়া গাড়ীসমূহৰ অন্যতম। সৌন্দৰ্য আৰু শিল্পৰ সমন্বয় ঘটিছে পাগানি হুৱাইৰাত। ইয়াৰ নতুন মডেলৰ মূল্য ১৪ লাখ মাৰ্কিন ডলাৰ। গাড়ীখন প্ৰিমিয়াম পাৰ্টছ আৰু মেটেৰিয়েল, চামৰা আৰু এলুমিনিয়ামৰ দ্বাৰা নিৰ্মিত। ইয়াৰ একেবাৰে নতুন সংস্কৰণখন বজাৰলৈ আহে ২০১৮ত। পাগানি হুৱাইৰাত আছে এএমজি ভি১২ ইঞ্জিন যিয়ে ৭৩০ বিএইছপি শক্তি উৎপাদন কৰে আৰু যাৰ ত্বৰণ সময় ২.৮ ছেকেণ্ড। ইয়াৰ সৰ্বোচ্চ গতিবেগ প্ৰতি ঘণ্টাত ৩৮৩ কিলোমিটাৰ।

**লা ফেৰাৰী**
**দাম ঃ ১.৪ নিযুত মাৰ্কিন ডলাৰ**

লা ফেৰাৰী হৈছে বিশ্বৰ অন্যতম জনপ্ৰিয় বিলাসী গাড়ী। ইয়াৰ মূল্য ১.৪ নিযুত মাৰ্কিন ডলাৰ। ২০১৩ত ইয়াক প্ৰথমবাৰৰ বাবে মুকলি কৰা হৈছিল। তেতিয়া ইয়াৰ এক হাইব্ৰিড ছেটআপ আছিল, যিয়ে ৯৫০ ব্ৰেক হৰ্ছপাৱাৰ আৰু ৯০০ এনএম টৰ্ক উৎপন্ন কৰিছিল। ইয়াৰ গতিবেগ ৩৪৫ কিলোমিটাৰ। এই বাহনখন হৈছে এতিয়ালৈকে বজাৰলৈ অহা সৰ্বাধিক দ্ৰুতবেগী ফেৰাৰী মডেল।

**মেকলেৰেন এলভা**
**দাম ঃ ১.৭ নিযুত মাৰ্কিন ডলাৰ**

মেকলেৰেনৰ শেহতীয়া অভিযান্ত্ৰিক আশ্চৰ্য অপ্ৰতিৰোধ্য। গাড়ীখনত থকা টুইন টাৰ্বোচাৰ্জড ৪.০ লিটাৰৰ ভি৮ ইঞ্জিনে ৮০৫ বিএইছপি শক্তি উৎপাদন কৰে।



বিশ্বজুৰি এই মডেলৰ মাত্ৰ ২৪৯ খন গাড়ী বিক্ৰীৰ বাবে মুকলি কৰা হৈছে ।

**বেণ্টলি মুলিনাৰ বাকালাৰ**
**দাম ঃ ১.৯ নিযুত মাৰ্কিন ডলাৰ**

চিকচিকিয়া হুডৰ স'তে অত্যন্ত বিলাসী এই মডেলখনৰ আৰ্হি চালে চকু ৰোৱা। দেখাত প্ৰায় বেণ্টলীৰ দৰেই লগা এই মডেলৰ টেগলাইন হৈছে 'আল্টিমেট এক্সপ্ৰেছন অৱ অ'পেন লাক্সাৰী।' ইয়াত আছে ০.৬ লিটাৰৰ ডব্লিউ১২ টাৰ্বোচাৰ্জড্ ইঞ্জিন, যাৰ সৰ্বোচ্চ শক্তি উৎপাদন আৰু টৰ্ক ক্ৰমে ৬৫০ বিএইচপি আৰু ৯০০ এনএম। গাড়ীখনৰ শীৰ্ষ গতিবেগ ঘণ্টাত ৩২২ কিলোমিটাৰ।

**লোটাছ ইৱিজা**
**দাম ঃ ২.১ নিযুত মাৰ্কিন ডলাৰ**

লোটাছ ব্ৰেণ্ডৰ এই আটকধুনীয়া মডলখন হৈছে এখন বিদ্যুৎচালিত বাহন। গাড়ীখন ২০০০ বিএইছপিৰ বৈদ্যুতিক মটৰৰ দ্বাৰা চালিত।

**পিনিনফাৰিনা বাটিষ্টা**
**দাম ঃ ২.৫ নিযুত মাৰ্কিন ডলাৰ**

ইয়াত গাড়ীখনৰ নাম ইয়াৰ প্ৰতিষ্ঠাপকৰ নামেৰে নামকৰণ কৰা হৈছে। ই এখন বিদ্যুৎ চালিত গাড়ী। এই বাহনখনৰ বেটাৰীৰ শক্তি হৈছে প্ৰতি ঘন্টাত ১২০ কিলোৱাট পৰ্যন্ত। প্ৰতিটো চকাৰ বাবে চাৰিটা মটৰ আছে। গাড়ীখনৰ শীৰ্ষ গতিবেগ প্ৰতি ঘন্টাত ৩৫০ কিলোমিটাৰ।

**মাৰ্চিডিজ এ এম জি**
**দাম ঃ ২.৭ নিযুত মাৰ্কিন ডলাৰ**

গাড়ীখন যান্ত্ৰিকভাৱে মাৰ্চিডিজ এফ-১ৰ পৰা অনুপ্ৰাণিত হৈছে। মাৰ্চিডিজ এফ-১ৰ দৰেই মাৰ্চিডিজ এ এম জিতো আছে ১.৬ লিটাৰ আৰু পাঁচ ইলেক্ট্ৰিক মটৰ। ১২০০ বিএইছপি শক্তি উৎপাদন কৰিব পৰা বাহনখনে ০-১০০ কেএমপি স্পীড মাত্ৰ ২.২ ছেকেণ্ডতে অতিক্ৰম কৰিব পাৰে। উল্লেখ্য যে এই গাড়ীখনৰ শীৰ্ষ গতিবেগ ঘণ্টাত ৩৫০ কিলোমিটাৰ।

**বুগাট্টি বলিডে**
**দাম ঃ তিনি নিযুত মাৰ্কিন ডলাৰ**

এই গাড়ীখনত আছে এক্সট্ৰিম ট্ৰেক ফ'কাচ, ৮.০ লিটাৰৰ কিংবদন্তি ৮.০ ইঞ্জিন, যি ডব্লিউ-১৬ৰ দ্বাৰা চালিত। এই গাড়ীখনৰ মূল বৈশিষ্ট্য হৈছে এৰ'ডাইনেমিক্স আৰু ওজনৰ অনুপাত জোখাৰ শক্তি। গাড়ীখনে ১৮২৪ বিএইছপি আৰু ১৮৫০ এনএম টৰ্ক উৎপন্ন কৰে।

**এষ্টন মাৰ্টিন ভেলকিৰি**
**দাম ঃ ৩.৪ নিযুত মাৰ্কিন ডলাৰ**

এই গাড়ীখনৰ ৬.৫ লিটাৰৰ ভি১২ ইঞ্জিনে ১১৬০ বিএইছপি আৰু ৯০০ এনএম টৰ্ক প্ৰদান কৰে। ইয়াৰ শীৰ্ষ গতিবেগ ঘণ্টাত ৩৩০ কিলোমিটাৰতকৈও অধিক। এতিয়ালৈকে এই গাড়ীখনৰ ১৫০ ইউনিট উৎপাদন কৰা হৈছে। ইয়াৰ এখন এএমআৰ-প্ৰো ভেৰিয়েন্টো আছে, যি হৈছে ৪০২ কেএমপিৰ স'তে এখন ট্ৰেক-অনলি মডেল।

# বাতিল কৰা হৈছে ছয় লাখ আধাৰ কাৰ্ড



আধাৰ কাৰ্ড আজিকালি এক অতি প্ৰয়োজনীয় নথি হৈ পৰিছে। দেশৰ যিকোনো চৰকাৰী আৰু বিত্তীয় আঁচনিৰ সুবিধা ল'বলৈ আধাৰ কাৰ্ডৰ প্ৰয়োজন। স্কুল-কলেজত নামভৰ্তিৰ সময়ত আৰু ভ্ৰমণৰ সময়ত শিশুৰ বাবে আইডি প্ৰুফ হিচাপে ইয়াক সকলোতে ব্যৱহাৰ কৰা হয়। কিন্তু বহু প্ৰৱঞ্চকে ভুৱা আধাৰ কাৰ্ড তৈয়াৰ কৰাৰ ফলত সময়ে সময়ে হিতাধিকাৰীসকলে নানা অসুবিধাৰ সন্মুখীন হৈ আহিছে। আধাৰ কাৰ্ডৰ জালিয়াতি পৰীক্ষা কৰি শেহতীয়াকৈ ইউআইডিএআয়ে প্ৰায় ছয় লাখ ভুৱা আধাৰ কাৰ্ড বাতিল কৰিছে। তদুপৰি, দ্ৰুতগতিত বৃদ্ধি পোৱা আধাৰ কাৰ্ডৰ জালিয়াতি পৰীক্ষা কৰাৰ এক নতুন উপায় উলিয়াইছে ইউআইডিএআয়ে। ইউআইডিএআয়ে বায়'মেট্ৰিক মেচিনৰ নতুন এক পদ্ধতি প্ৰৱৰ্তনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে।

## ১১ টি ভুৱা ৱেবছাইট ব্লক কৰাৰ নিৰ্দেশ, শীঘ্ৰেই বায়'মেট্ৰিকৰ নতুন পদ্ধতি

এক শীৰ্ষ সূত্ৰত প্ৰকাশ পোৱা মতে, নতুন নিয়মৰ আওতাত আধাৰ কাৰ্ডধাৰীসকলে বায়'মেট্ৰিক মেচিনত দিয়া মুখখনকেই আধাৰ কাৰ্ড ভেৰিফিকেচনৰ বাবে ব্যৱহাৰ কৰা হ'ব। য'ত নেকি ইমানদিনে আধাৰ কাৰ্ডৰ ভেৰিফিকেচন কেৱল আঙুলিৰ ছাপ আৰু চকুৰ সহায়ত কৰা হৈছিল।

ইফালে, ভুৱা আধাৰ কাৰ্ডৰ সন্দৰ্ভত তথ্য দি কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰে অলপতে সংসদত এই বুলি কয় যে ভুৱা আধাৰ কাৰ্ড সেৱা প্ৰদান কৰা ভুৱা ৱেবছাইটসমূহৰ বিৰুদ্ধে ইতিমধ্যে কাৰ্যপন্থা হাতত লৈছে আধাৰ কৰ্তৃপক্ষই। অতি শীঘ্ৰেই ডুপ্লিকেট আধাৰ কাৰ্ড সৃষ্টি কৰা ৱেবছাইটসমূহ ব্লক কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয় ।

স্মৰ্তব্য যে চলিত বছৰৰ জানুৱাৰীত ইউআইডিএআয়ে প্ৰথমবাৰৰ বাবে ভুৱা আধাৰ কাৰ্ড সৃষ্টি কৰা ৱেবছাইট সম্পৰ্কীয় অভিযোগ লাভ কৰিছিল। ইয়াৰ পাছতে ইউআইডিএআয়ে এই ভুৱা আধাৰ কাৰ্ড প্ৰস্তুত কৰা ১১টা ৱেবছাইট ব্লক কৰাৰ নিৰ্দেশ দিয়ে। উল্লেখ্য যে এনে ৱেবছাইটসমূহত ব্যৱহাৰকাৰীৰ নামভৰ্তি আৰু বায়'মেট্ৰিক তথ্য সলনি কৰাৰ বা আৱাসীসকলৰ ম'বাইল নম্বৰ আধাৰ কাৰ্ডৰ স'তে সংযোগ কৰাৰ ক্ষমতা নাই। ইউআইডিএআইৰ অফিচিয়েল ৱেবছাইটৰ লগতে অনুমোদিত আধাৰ চেণ্টাৰলৈ গৈহে ম'বাইল নম্বৰ, ঠিকনা আৰু ফটোগ্ৰাফ আপডেট কৰিব লাগে ব্যৱহাৰকাৰীসকলে।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, ইউআইডিএআয়ে সময়ে সময়ে আধাৰ সম্পৰ্কীয় বিভিন্ন তথ্য প্ৰদান কৰি আহিছে। আধাৰ পৰীক্ষণ সন্দৰ্ভত কেতবোৰ নতুন নিয়ম প্ৰণয়ন কৰিছে চৰকাৰে। এই নিয়ম অনুসৰি, এতিয়াৰে পৰা পৰীক্ষণৰ বাবে ডিজিটেলভাৱে স্বাক্ষৰিত নথিপত্ৰ দিব লাগিব আধাৰ আবেদনকাৰীয়ে। এই ডিজিটেল স্বাক্ষৰিত নথি ইউআইডিএআয়ে জাৰি কৰা হ'ব লাগিব। তদুপৰি, এই নিয়মাৱলীৰ অধীনত অফলাইনযোগে অৰ্থাৎ কোনো ইন্টাৰনেট বা অনলাইন অবিহনে আধাৰ ভেৰিফাই কৰিব পৰা যাব।

সম্প্ৰতি প্ৰায় প্ৰতিটো দিনতে কোনো এটা বিষয়ৰ উদ্‌যাপনৰ বাবে দিৱসৰ আয়োজন কৰাটো নিয়মত পৰিণত হৈছে। সম্প্ৰতি উদ্‌যাপিত হোৱা দেশভক্তি দিৱসৰ প্ৰয়োজনীয়তাক লৈ প্ৰশ্ন উত্থাপিত হৈছে। এই বিষয়টোক লৈ বিভিন্নজনৰ মতামতেৰে আজিৰ প্ৰতিবেদন। *শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত— অৰূপ কলিতা, কিশোৰ কুমাৰ কলিতা, নৱেন শৰ্মা আৰু ছাহিন আহমেদ।*

# দেশভক্তিৰ বাবেও দিৱসৰ প্ৰয়োজন?

## দেশভক্তিৰ বাবে দিৱসৰ প্ৰয়োজন

■ **দুলাল নাথ,** সাহিত্যকৰ্মী



সাম্প্ৰতিক সময়ত আধুনিকতাৰ ধামখুমীয়াত আমি প্ৰত্যেকেই অত্যন্ত ব্যস্ত বুলি ক'লেই বঢ়াই কোৱা নহয়। যাৰ ফলস্বৰূপে মানুহ যান্ত্ৰিকতাৰ কৰাল গ্ৰাসত পৰিবলৈ আৰম্ভ কৰিছে। লগতে মানুহ নামৰ এই প্ৰাণীবিধো ক্ৰমান্বয়ে আত্মকেন্দ্ৰিকতা ডুব যোৱাৰ উপক্ৰম হৈছে। জীৱন-জীৱিকাৰ বাবে মানুহে সামাজিক বা পৰিয়ালৰ পৰিজনৰ পৰাও ক্ৰমশঃ ব্যৱধান বাঢ়িছে। উৎসৱে মানুহক একগোট কৰাত সহায় কৰে। অসমৰ প্ৰেক্ষাপটলৈ যদি চাও বিহুৱে হওক বা আন কিবা ধৰ্মীয় উৎসৱ-পাৰ্বণতেই হওক মানুহে আন নহ'লেও বছৰেকত এবাৰ লগ পোৱাৰ বা অন্তৰংগভাৱে সাক্ষাৎ কৰাৰ সুবিধা থাকে। থিক একেদৰে আমি পালন কৰি অহা দিৱসসমূহতো সংশ্লিষ্ট দিৱসটিৰ তাৎপৰ্য স্মৰণ কৰাৰ এক সুবিধা পোৱা যায়। মোৰ দৃষ্টিত দৰাচলতে দিৱস উদ্‌যাপনৰ মুখ্য উদ্দেশ্য হৈছে আমি শ্ৰদ্ধা সহকাৰে সেই দিনটোৰ তাৎপৰ্য, ত্যাগ আৰু ইয়াক কি কাৰণেনো উদ্‌যাপন কৰিব লাগে তাক সাৱলীলভাৱে পৰৱৰ্তী প্ৰজন্মক অৱগত কৰোৱা। বৰ্তমান সময়ত চৰকাৰী দিৱসসমূহ জনসাৰণক পালন কৰিবলৈ চৰকাৰে বিচৰা ধৰণে কিছু আঁচনি যুগুত কৰে। দেশৰ ২৬ জানুৱাৰীৰ গণতন্ত্ৰ দিৱস বা ১৫ আগষ্টত স্বাধীনতা দিৱসটি ধুমধামৰে উদ্‌যাপন কৰিবলৈ (কেন্দ্ৰীয় বা ৰাজ্য) চৰকাৰখনে চৰকাৰী বা বেচৰকাৰী প্ৰতিষ্ঠানসমূহকো নীতি-নিৰ্দেশনা দি দিৱসটি সফলতাৰ দিশে নিবলৈ চেষ্টা কৰে। অসমৰ বাহিৰৰ প্ৰদেশ দিল্লী মুম্বাই বা হিন্দী বলয়ৰ যিবোৰ ৰাজ্য সেই ৰাজ্যসমূহত এনে ধৰণৰ ৰাষ্ট্ৰীয় দিৱসবোৰ কে'বাদিনীয়াকৈ বৰ ধুমধামেৰে উদ্‌যাপন কৰা দেখা য়ায় আৰু নাগৰিকসমূহৰ অংশগ্ৰহণো বৰ মনকৰিবলগীয়া। তাৰ বিপৰীতে অসমত কিছু বছৰ পূৰ্বলৈ ৰাষ্ট্ৰীয় দিৱসসমূহত অঘোষিত বন্ধ বা আন ৰাষ্ট্ৰদ্ৰোহী সংগঠনসমূহে বন্ধ ঘোষণা কৰাৰ ফলত জনসাধাৰণ বিবুধিত পৰে আৰু বহু লোক ভীতিগ্ৰস্ত হৈ নিজকে সুৰক্ষিত কৰিবলৈ এক দূৰত্ব বজাই ৰাখে। কিন্তু মানুহৰ মানসিকতা সলনি কৰিবলৈ যোৱা কেইবছৰ ধৰি চৰকাৰে এই দিৱসসমূহত (জনসাধাৰণৰ প্ৰত্যক্ষ অংশগ্ৰহণ কৰাবলৈ) সাংস্কৃতিক অনুষ্ঠান, সম্বৰ্ধনা খেল-ধেমালি আদিকে ধৰি বহুৰঙী অনুষ্ঠানৰ আয়োজন কৰা দেখা গৈছে। এটা কথা থিক সমাজত নানান লোকৰ মনৰ ভাবৰ প্ৰকাশভংগী বেলেগ বেলেগ হয়। থিক সেইদৰে দেশভক্তি হৃদয়ৰ পৰা সকলোৱে চৰকাৰে বিচৰা ধৰণে দেখাই নকৰিব পাৰে কিন্তু বুকুৰ মাজত তেওঁলোকেও দেশৰ প্ৰতি সমপৰ্যায়ৰ দেশভক্তি বিদ্যমান। তেনে পৰিপ্ৰেক্ষিতত চৰকাৰে দেশৰ ৰাষ্ট্ৰীয় সংহতিৰ বাবে ৰাষ্ট্ৰীয় দিৱসসমূহত দেশভক্তিৰ বাবে দিৱসৰ কিছু প্ৰাসংগিকতা নথকা নহয়। দেশৰ অখণ্ডতা তথা সংবিধানৰ প্ৰতি আনুগত্যতা প্ৰকাশ কৰিবলৈ বা কেতিয়াবা কেতিয়াবা ৰাইজক উদ্বুদ্ধ কৰিবলৈকো দেশভক্তিৰ বাবে সৰ্বজনগ্ৰাহী অনুষ্ঠানৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। ফলশ্ৰুতিত বয়োজ্যেষ্ঠ বা ভোটাৰসকলৰ কথা বাদ দিলো অন্য নহ'লেও উঠি অহা প্ৰজন্মই এই দেশভক্তি সম্পৰ্কীয় দিৱসসমূহত নিজকে সংপৃক্ত কৰি মাতৃভূমিৰ প্ৰতি প্ৰেম ভালপোৱাৰ বীজ অংকুৰণৰ বাট মোকলোৱাৰ প্ৰশস্ত হয়।

## দেশপ্ৰেম ঃ নাগৰিক হোৱাৰ প্ৰথম চৰ্ত

■ **তাজিমউদ্দিন আহমেদ**

সাংগঠনিক সম্পাদক, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ



এখন দেশত জন্মগ্ৰহণ কৰি সেই দেশৰ বায়ু পানী খাই ডাঙৰ দীঘল হোৱা প্ৰতিগৰাকী নাগৰিক প্ৰতি মুহূৰ্ততে দেশপ্ৰেমেৰে উদ্বুদ্ধ হোৱাটো সেই নাগৰিকজনৰ নৈতিক কৰ্তব্য। তেনেদৰে আমাৰ দেশ ভাৰতবৰ্ষ ভিন্ন জাতি, ভিন্ন ভাষা, ভিন্ন ধৰ্মৰ বিভিন্নতাৰে গঠিত। ভাষা-ধৰ্ম-জাতি নিৰ্বিশেষে দেশৰ প্ৰতি প্ৰেম প্ৰদৰ্শন কৰাটো আমাৰ দেশৰ নাগৰিক হোৱাৰ এটি প্ৰধান চৰ্ত। সেই দেশপ্ৰেম প্ৰদৰ্শন কৰাৰ বাবে নিৰ্দিষ্ট দিৱস বা দিনৰ প্ৰয়োজনীয়তা নাই। যিসকল নিজৰ দেশৰ প্ৰতি শ্ৰদ্ধাশীল নহয় তেওঁলোক দেশৰ নাগৰিক হোৱাৰ যোগ্য নহয়। দেশপ্ৰেম নিৰ্দিষ্ট দিৱসৰ ব্যৱস্থা কৰি সোঁৱৰাই দিব লগা হোৱাটো দুৰ্ভাগ্যজনক বুলি আমি অনুভৱ কৰো। তাৰ পৰিৱৰ্তে চৰকাৰে সংবিধানৰ সুস্থ প্ৰয়োগ কৰি জনসাধাৰণৰ মাজত বিভেদকামী চিন্তা-চেতনাৰ অন্ত পেলাই দেশপ্ৰেম জাগ্ৰত কৰাৰ সংকল্প লোৱাটোৱে সাম্প্ৰতিক সময়ৰ আহ্বান।

## দিৱস পালি দেশভক্তি প্ৰদৰ্শনৰ প্ৰয়োজন নাই

■ **জ্ঞানেন্দ্ৰ চক্ৰৱৰ্তী,** মানৱাধিকাৰ কৰ্মী



দেশভক্তি? দেশভক্তি দেখুৱাবলৈ দিৱস? দেশক ভাল পোৱা দেখুৱাবলৈ উৎসৱ? কিয় ২৬ জানুৱাৰীৰ গণতন্ত্ৰ দিৱস আৰু ১৫ আগষ্টৰ স্বাধীনতা দিৱসেই নুকুলায়? ১৬ টকীয়া পলিয়েষ্টাৰ কাপোৰৰ পতাকাৰে দেশভক্তিৰ প্ৰদৰ্শন। ভাৰতৰ জাতীয় পতাকাখন খদ্দৰৰ হে, পলিয়েষ্টাৰ কাপোৰৰ নহয়। ভাৰতৰ কোনজনা নাগৰিকে দেশখনক ভাল নাপায়, এটা নাম উল্লেখ কৰি দিয়কচোন চৰকাৰে। কিয় মানুহবোৰে যে জয় আই অসম আৰু জয় হিন্দু বুলি কৈ থাকে, এওঁলোকে নেদেখে নেকি? এইবোৰ দেশভক্তিৰ দৃষ্টান্ত নহয়নে? বহিঃশত্ৰুৰ আক্ৰমণৰ সময়ত ভাৰতত নাগৰিকসকলে ৰাষ্ট্ৰ আৰু চৰকাৰৰ স'তে একগোট হৈ থিয় দিয়া নাইনে? এই চৰকাৰখনে এই কথাবোৰ দেখা নাছিল নেকি? দেশৰ মানুহক মৌলিক সমস্যাৰ পৰা আঁতৰাই ৰাখিবলৈ এইবাৰ নব্য প্ৰপাগাণ্ডা, ১৬ টকীয়া পতাকাৰে দেশভক্তিৰ প্ৰদৰ্শনৰ নৌটংকী এয়া। ব্ৰিটিছৰ দিনৰ পৰা দেশৰ স্বাধীনতাৰ পাছলৈ ৩৬৫ খনতকৈ অধিক সৰু-বৰ স্বাধীন ৰাষ্ট্ৰ, স্বাধীন ৰাজ্য, নগৰ ৰাষ্ট্ৰ, নগৰ ৰাজ্য আৰু নিগমসকলে যে বৈচিত্ৰ্য আৰু ঐতিহ্যসমূহ অটুট ৰাখি বৃহত্তৰ ভাৰত গণৰাজ্য গঢ়ি তুলিছে, সেই কথা দেশৰ স্বৈৰাচাৰী শাসকে লুকুৱাই ৰাখি দেশভক্তি প্ৰদৰ্শনৰ যি উৎসৱ পাতিছে, সেয়াই দেশৰ নাগৰিকক একো দিব নোৱাৰে। বৰং নাগৰিকসকলৰ মূল সমস্যাক ঢাকি ৰখাই এই তথাকথিত দিৱসৰ গোপন অথচ মুক্ত এজেণ্ডা। জনগণৰ বাক স্বাধীনতা আৰু জীয়াই থকাৰ মৌলিক অধিকাৰক বঞ্চিত কৰাসকলহে আচলতে স্বাধীনতাৰ বৈৰী। দেশৰ জনগণ দেশভক্তই। তাৰ বাবে ১৬ টকীয়া দেশভক্তি প্ৰদৰ্শনৰ কোনো প্ৰয়োজন নাই। জয় আই অসম।

## শিৰোনাম তৰুণৰাম ফুকন আৰু দেশভক্তি দিৱসৰ প্ৰাসংগিকতা

■ **গৌৰী দেৱী,** অধ্যাপিকা

১৮৭৭ৰ ২২ জানুৱাৰীত জন্মগ্ৰহণ কৰা অসমৰ সুযোগ্য সন্তান দেশভক্ত উপাধিৰে বিভূষিত তৰুণৰাম ফুকনৰ মৃত্যুবাৰ্ষিকীটো ২৮ জুলাইত অসম চৰকাৰে দেশভক্তি দিৱস হিচাপে পালন কৰে। তৰুণৰাম ফুকনৰ দৰে এজন বিদ্বৎ ব্যক্তিৰ মৃত্যুবাৰ্ষিকীৰ স্বীকৃতিৰ বাবে কিয় ইমান দীঘলীয়া সময়ৰ প্ৰয়োজন হ'ল সেইটো বিচাৰ্যৰ বিষয় ....কিন্তু পলমকৈ হ'লেও চৰকাৰে লোৱা পদক্ষেপ হয়তো এক আশাবাদ ...যি নতুন প্ৰজন্মক তৰুণৰাম ফুকনৰ বিশাল ব্যক্তিত্বৰাজিৰ লগত চিনাকি কৰাই দিব। ৰাজনীতিক আদৰি লোৱাসকলৰ বাবে তৰুণৰাম ফুকনৰ কৰ্মৰাজি আদৰ্শ স্বৰূপ হ'ব পাৰে। অসম মাতৃৰ সুযোগ্য সন্তান তৰুণৰাম ফুকন ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। মতিলাল নেহৰু,



চিত্তৰঞ্জন দাস প্ৰমুখ্যে সৰ্বভাৰতীয় নেতাগণৰ লগত স্বৰাজ দলত যোগ দি তৰুণৰাম ফুকনে এজন সৰ্বভাৰতীয় নেতাৰ মৰ্যাদা লাভ কৰিছিল। ১৯২০ত মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা আন্দোলনত অসমৰো আকাশ-বতাহ কঁপি উঠিছিল। ৰাজনৈতিক আৰু সামাজিকভাৱে দায়বদ্ধ তৰুণৰাম ফুকনে এই আন্দোলনক অসমত এটা নতুন গতি দিবলৈ সমৰ্থ হৈছিল। জাতীয় কংগ্ৰেছৰ মহাসভা অনুষ্ঠিত কৰাৰ বাবে গঠন কৰা অভ্যৰ্থনা সমিতিৰ চেয়াৰ পাৰ্ছন আছিল সুবক্তা তৰুণৰাম। Leper Asylum প্ৰতিষ্ঠাৰ ক্ষেত্ৰটো তেওঁ আগভাগ লৈছিল। তেওঁৰ সাহিত্য প্ৰতিভাৰ বলত তেওঁ ১৯২৭ত গোৱালপাৰাত অনুষ্ঠিত হোৱা সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। বাকচাতুৰ্যতাত তেওঁ অদ্বিতীয় আছিল আৰু অসমীয়া ভাষাৰ উপৰি হিন্দী, উৰ্দু আৰু সংস্কৃত ভাষাৰ লগতে অন্য দোৱানতো সাৱলীল ভাষণ দাঙি ধৰিছিল। দেশৰ প্ৰতি কৰা ত্যাগ, অসমভূমিৰ ওপৰত দেখুওৱা আনুগত্যৰ বাবে তেওঁক দেশভক্ত উপাধি দিয়া হৈছিল। চৰকাৰীকৰণ আৰু ৰাজনীতিৰ মেৰপাকত পৰি তৰুণৰাম ফুকন যাতে হেৰাই নাযায়, তাৰ বাবে সকলো অসমীয়া যত্নপৰ হোৱাৰ প্ৰাসংগিকতা আহি পৰিছে। স্বীকৃতিৰ গতি যাতে থমকি নৰয় অসম চৰকাৰে পলমকৈ হ'লেও তেওঁৰ প্ৰতিভাসমূহৰ, ত্যাগ আৰু অৱদানৰ সুন্দৰ অৱলোকন কৰি নৱ প্ৰজন্মৰ মাজলৈ বিয়পাই দিয়াটো হয়তো উচিত হ'ব।

## দেশভক্তিৰ বাবে দিৱসৰ প্ৰয়োজন নাই

■ **মিন্টু হাজৰিকা,** অসম আৰক্ষী অনাতাঁৰ বিভাগ, বৰঘাট আউট পোষ্ট



নিজৰ দেশৰ প্ৰতি ভালপোৱাৰ ভাবেই হ'ল-দেশভক্তি। তেনে এটা ভাব মানুহৰ হৃদয়ত জাগ্ৰত কৰিবলৈ দিৱসৰ প্ৰয়োজন আছে বুলি মই নাভাবো। কিয়নো নিজৰ জন্মভূমিক ভাল পাবলৈ হ'লে সেই ঠাইৰ মাটি-পানী-বতাহ আদি পৰিৱেশক ভাল পাব লাগিব। জন্ম সূত্ৰেই এই ভাব এক প্ৰকাৰ হৃদয়ত অংকুৰণ হয়। সেই অংকুৰিত ভালপোৱাৰ স্বাৰ্থতে পিছলৈ মানুহজনে নানা মহামানৰ, মহান ব্যক্তিৰ জীৱনীক আদৰ্শ কৰি লয়। সেই আদৰ্শৰ পৰাই দেশভক্তি জাগ্ৰত হয় বুলি মোৰ বিশ্বাস। ইয়াৰ বাবে অৱশ্যে প্ৰধানকৈ গ্ৰন্থাগাৰৰে ভূমিকা একক আৰু অনন্য। দিৱসৰ ভূমিকা তেনেই নগণ্য বুলি ক'লেও ভুল কোৱা নহয়। কাৰণ বাকী সময় শুই-বহি থাকি বছৰেকত এবাৰ দিৱস পাতি জয়ঢোল বজাই দেশভক্তি জাগ্ৰত কৰাটো মৰুভূমিত মৰীচিকা খেদাৰ বাহিৰে অন্য একো নহ'ব।

## দেশভক্তৰ লগতে প্ৰতিজন মুক্তিযোদ্ধা স্বীকৃত হওক

■ **ভাস্কৰ পটংগীয়া,** সমাজকৰ্মী



কেতিয়াবা অনুভৱ হয় স্বাধীনতা সংগ্ৰামৰ বহু সংগ্ৰামী তথা বাগ্মী পুৰুষক স্বাধীনতাৰ পৰৱৰ্তীকালত উপেক্ষা কৰা হ'ল। বিদেশী শাসক তথা ব্ৰিটিছ অপশাসনৰ বাঘজৰী ওফৰাই স্বৰাজ প্ৰতিষ্ঠা তথা স্বাধীনতা উপহাৰ দিয়া সেই মহান হিতৈষীসকলক যোগ্য সন্মানৰ পৰা স্বাধীনতাৰ হীৰক জয়ন্তীৰ সময়লৈকে বঞ্চিত কৰি ৰখাটো অনুচিতেই নহয় দুৰ্ভাগ্যজনক। কেৱল যদিহে অসমৰ বিষয়ে চাবলৈ যাওঁ অসমত ইংৰাজৰ বিৰুদ্ধে যুঁজ দি আত্মবলিদান দিয়া তথা জীৱনৰ সৰ্বস্ব ত্যাগ কৰা বহু মহান হিতৈষী আজিপৰ্যন্ত অজ্ঞাত নায়ক হিচাপে ৰৈ গ'ল। বিষয় হৈছে যে শেহতীয়াকৈ দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু তিথিত দেশভক্তি দিৱস উদ্‌যাপন কৰা হৈছে। এয়া অতি আদৰণীয়। এই দিৱস বহু পূৰ্বেই উদ্‌যাপন কৰাৰ প্ৰয়োজনীয়তা আছিল। কিন্তু স্বাধীনতাৰ ৭৫ বছৰলৈ ৰ'বলগা হোৱাটোৱে স্বাধীন ভাৰত তথা গণতান্ত্ৰিক ভাৰতত গণতন্ত্ৰৰ প্ৰতিষ্ঠাৰ হকে মৰণপণ যুঁজ দিয়া জ্ঞাত বা অজ্ঞাত স্বৰাজকামী নেতা-কৰ্মীসকলক প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত কৰাটোৱেই সূচায়। ভাৰতীয় স্বাধীনতা আন্দোলনত জঁপিয়াই পৰা তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মীসকলেই নহয় জাতীয় আন্দোলনটোক আগশাৰীৰ পৰা নেতৃত্ব দিয়া কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা আদিসকলৰ দৰে বহু দেশহিতৈষীও কেৱল জন্মভূমিৰ ঠাইডোখৰতেই আবদ্ধ। আমি যদিহে দেশভক্ত তৰুণৰাম ফুকনৰ দৰেই কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ বিষয়ে আলোকপাত কৰিবলৈ যাওঁ অসম ছাত্ৰ সন্মিলন, অসম সাহিত্য সভা আৰু অসম কংগ্ৰেছ জন্মৰ আঁৰৰ কাণ্ডাৰী আছিল। ১৯২১ত স্বাধীনতাৰ হকে অসমলৈ গান্ধীজীক অনাৰ আঁৰৰ মানুহজন আছিল চন্দ্ৰনাথ শৰ্মা। যিয়ে জীৱনৰ ৩২ টা বছৰতেই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ খোজ কাঢ়ি স্বাধীনতাৰ নেতৃত্ব বহন কৰি যক্ষ্মাত আক্ৰান্ত হৈ ইহলীলা সম্বৰণ কৰিছিল। কিন্তু সেই ব্যক্তিজনেই স্বাধীনতাৰ পাছত বহু বছৰলৈ স্বাধীনতাৰ বিনিময়ত ৰাজভাৰ পোৱা কংগ্ৰেছ চৰকাৰৰ দ্বাৰাই উপেক্ষিত হৈ থাকিল।

অৱশ্যে এইখিনিতেই উল্লেখ কৰিব লাগিব যে বৰ্তমানৰ অসমৰ মুখ্যমন্ত্ৰীজন স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাশীল। তেওঁ স্বাস্থ্যমন্ত্ৰী থকাৰ দিনত চন্দ্ৰনাথ শৰ্মা আৰোগ্য ভৱন হিচাপে তেজপুৰ মেডিকেল কলেজ নামাকৰণ কৰা দেখিছো। ঠিক তেনেদৰেই ২০২১ত দেশভক্তি দিৱস উদ্‌যাপনৰ প্ৰচেষ্টা চলোৱাটো অতি আদৰণীয়। উল্লেখ্য যে কেৱল স্বাধীনতা সংগ্ৰামী অগ্ৰণী নেতাসকলেই নহয় তৃণমূল বহু নেতাও আজি অজ্ঞাত নায়ক। স্বাধীনতাৰ হকে নিজৰ সৰ্বোচ্চ ত্যাগ কৰা বহু তৃণমূল কৰ্মীৰ পৰিয়ালৰ আৰ্থিক অৱস্থা আজিও জুৰুলা। কোনো কোনো প্ৰকৃত স্বাধীনতা সংগ্ৰামীৰ ঘৰত প্ৰশংসা পত্ৰ বা তাম্ৰফলিখনো নথকা আমি দেখিছো। বহু প্ৰকৃত মুক্তিযোদ্ধাৰ পৰিয়াল পেঞ্চনবিহীন। এইসকলৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰীজনে ব্যৱস্থা গ্ৰহণ কৰিব প্ৰাপ্য আৰু যোগ্যখিনিৰ ব্যৱস্থা কৰি বুলি বহু মুক্তিযোদ্ধা পৰিয়াল অধীৰ আশাবাদী। ইয়াৰ উপৰি এইখন চৰকাৰৰ দিনতেই মুক্তিযোদ্ধা আৰু স্বাধীনতা সংগ্ৰামৰ ছহিদসকলৰ ত্যাগ আৰু সাহসৰ বিষয়ে পাঠ্যক্ৰমত সবিস্তাৰে সন্নিবিষ্ট হওক।

## দেশাত্মবোধ অবিহনে দিৱস পালন কৰাটো অৰ্থহীন

■ **জিতেন্দ্ৰ কুমাৰ জৈন,** ব্যৱসায়ী



দেশভক্তিৰ লগত দিৱসৰ প্ৰত্যক্ষভাৱে সম্পৰ্ক নাই। কিন্তু কোনোবা বিশেষ দিনত আমি এজন মহান ব্যক্তিক স্মৰণ কৰি বা দেশৰ স্বাধীনতা নতুবা গণতন্ত্ৰ দিৱসৰ দিনা আজৰি সময় উলিয়াই দেশৰ প্ৰতি আনুগত্য প্ৰকাশ কৰোঁ। দেশক ভাল পাবলৈ হ'লে দেশাত্মবোধৰ প্ৰয়োজন আৰু সেয়া কোনোবা দিন বিশেষত ভাষণ দি বা শুনি সামৰি থলে নহয়। দেশাত্মবোধ জগাবলৈ গভীৰ উপলব্ধিৰ লগতে ব্যৱহাৰিক জীৱনত অনুশীলনৰ বাৰুকৈয়ে প্ৰয়োজন। দিৱসৰ তাৎপৰ্য অধ্যয়ন কৰি চিন্তন, মনন আৰু কাৰ্যত তেনে দিৱসক সাৰোগত কৰিব পাৰিলে দেশভক্তিৰ লগত একাকাৰ হ'ব পাৰি। এজন ব্যক্তিয়ে সমাজৰ হিতাৰ্থে যেতিয়া নিঃস্বাৰ্থভাৱে কাম কৰে, তেতিয়া ব্যক্তিজনক আমি দেশভক্ত বুলি ক'ব পাৰো। দেশক ভালপোৱা মানে দেশৰ নিপীড়িত, নিষ্পেষিত আৰু শোষিত জনগণৰ হৈ নিৰ্ভয়ে মত মতামত দিয়াটো বুজায়। সচৰাচৰ দেশৰ চৰকাৰে পুঁজিপতি গোষ্ঠীৰ লগত হাত মিলাই জনতাক ৰাম ঠগন দি থাকে। মন্ত্ৰী-বিধায়কসকলে ধৰ্ম, জাতিৰ নামত মানুহক বিপথে পৰিচালিত কৰে আৰু বিশেষ দিৱসৰ দিনাও তেওঁলোকৰ মিথ্যাচাৰ প্ৰকাশ পায়। কিন্তু সেয়া বুজিবলৈ যুক্তিবাদী মনৰ প্ৰয়োজন। বিজ্ঞান মনস্কতা, যুক্তিবাদী চিন্তা-চৰ্চা আৰু গভীৰ প্ৰত্যয়েৰে মানৱীয় সত্তাৰে উদ্বুদ্ধ হৈ দিৱস পালন কৰিলেহে দেশভক্তিৰে মানুহে নিজকে জীপাল কৰিব পাৰে। দেশ আৰু দেশৰ জনগণৰ প্ৰতি গভীৰ উপলব্ধি নাথাকিলে দিৱস পালন কৰাৰ প্ৰয়োজন নাই।

## দেশভক্তিৰ বাবে তেনে কোনো বিশেষ দিৱসৰ প্ৰয়োজন নাই

■ **ড° লতিকা দেৱী,** গ্ৰন্থাগাৰিকা,

পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়, কামৰূপ (অসম)



দেশভক্তিৰ প্ৰতি কোনো বিশেষ দিনৰ প্ৰয়োজন আছে নে নাই এই বিষয়ত অলপ চিন্তিত হ'ব লগা হয়। আমি মনত ৰাখিব পৰাকৈ কেইটামান বিশেষ দিন পালন কৰি আহিছো। এই দিনবোৰ তিনিটা ভাগত ভাগ কৰিব পাৰি। প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত, দ্বিতীয়টো ৰাষ্ট্ৰীয় পৰ্যায়ত আৰু তৃতীয়টো ৰাজ্যিক পৰ্যায়ত। বিশেষ দিনবোৰ সাধাৰণতে আমি পালন কৰো এইবাবে যে এইবোৰ দিনত সমগ্ৰ বিশ্বই বা ভাৰতবৰ্ষই বা প্ৰত্যেক ৰাজ্যই কিবা এক কষ্টৰ ফল লাভ কৰা দেখা যায়। উদাহৰণ স্বৰূপে ১৯৪৭ৰ ১৫ আগষ্টত আমি ভাৰতবাসীয়ে ইংৰাজৰ শাসনৰ পৰা মুক্ত হৈ স্বাধীনতা লাভ কৰিছো। সেইদৰে ১৯৫০ৰ ২৬ জানুৱাৰীত ভাৰতবৰ্ষৰ সংবিধানখন গৃহীত হয়। এনেদৰে আমি পালন কৰা আন দিনবোৰও পালন কৰিবলৈ বিশেষ তাৎপৰ্য আছে বুলি নিশ্চিত। বিশেষভাৱে উল্লেখ কৰিব লগা বিষয়টো এই যে 'ভক্তি দিৱস' বুলি কোনো এটা নিৰ্দিষ্ট দিন থাকিব নোৱাৰে বুলি মই ক'ব খোজো। কিয়নো আমি বছৰটোৰ প্ৰতি মুহূৰ্ততে ঈশ্বৰ-আল্লাৰ প্ৰতি নাইবা জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা-ভক্তি দেখুৱাব পাৰো। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট সময় বা দিনৰ প্ৰয়োজন নাই। হৃদয়ত যাৰ সৎ চিন্তা শুদ্ধভাৱ বিৰাজমান তেনেলোকে কাৰোবাক শ্ৰদ্ধা-ভক্তি দেখুৱাবলৈ নিজমনে আগবাঢ়ি আহে যে ইয়াত কোনো সন্দেহ নাই। কোৱা হয় 'শ্ৰদ্ধাবান লভতে জ্ঞানম্।' শ্ৰদ্ধা থাকিলে জ্ঞান লাভ কৰিব পৰা যায়। গতিকে হৃদয়ত সদায় ভক্তিভাৱ ৰাখিলে সমাজখন শুদ্ধপথত চলাই নিবলৈ কোনো বিশেষ দিনৰ প্ৰয়োজন নাই বুলি মই ভাবো।

## দেশৰ কাৰণে জীৱন উছৰ্গা কৰা সকলক সোঁৱৰণ কৰিবলৈ সুযোগ প্ৰদান কৰে

■ **ডাঃ শুভ্ৰকিংকৰ গোস্বামী,** বিশিষ্ট চকু ৰোগ বিশেষজ্ঞ



দেশভক্তি এক অনুভৱ। হৃদয়ৰ নিভৃত কোণৰ পৰা নিগৰি অহা এক আৱেগ। সেই আৱেগেই দেশবাসীক উদ্বুদ্ধ কৰে। সেই আৱেগ আৰু অনুভৱ কোনো দিৱসে আনি দিব নোৱাৰিলেও সাধাৰণজনৰ মনত মানসিক ঢৌৰ সৃষ্টি কৰে। সেই দিৱসবোৰে দেশৰ কাৰণে প্ৰাণ আৰু জীৱন উৎসৰ্গা কৰা সকলকো সোঁৱৰণ কৰিবলৈ এক সুযোগ প্ৰদান কৰে। সেই কাৰণেই জাকজমকতাৰে উদ্‌যাপিত এই উৎসৱবোৰৰ প্ৰয়োজনীয়তা উলাই কৰিব নোৱাৰি। যিসকলে দেশসেৱাত নিজৰ মন আৰু জীৱন উৎসৰ্গিত কৰিব পৰা নাছিল তেওঁলোকেও এনে দিৱসৰ পৰাই দেশভক্তিৰ প্ৰেৰণা পায়। স্বাধীনতাৰ তিনিকুৰি পোন্ধৰ বছৰীয়া এই সন্ধিক্ষণত দেশৰ প্ৰতি উৎসৰ্গিত প্ৰতিজনৰ কাৰণেই এক বৰণীয় উৎসৱটি নতুন প্ৰজন্মৰ কাৰণেও দেশৰ প্ৰতি শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন আৰু ত্যাগৰ উৎসৱ ৰূপেই অনুভূত হওক।

## দেশভক্তি ৰাজনীতিকৰ হৃদয়ত জাগ্ৰত হওক

■ **গীতা শইকীয়া,** লেখিকা

মই হ'ম দেশভক্ত তৰুণৰাম
দেশৰ কাৰণে সকলো ত্যাগী
যুঁজিম অবিৰাম
ৰাখিম দেশৰ নাম
মই হ'ম তৰুণৰাম...

একালৰ ৰাজনীতিক, শিক্ষাবিদ, কবি লক্ষ্যধৰ চৌধুৰীৰ এই বিখ্যাত কবিতাটিত অসমী আইৰ সুযোগ্য সন্তান তৰুণৰাম ফুকনৰ বিষয়ে এইদৰেই লিখি থৈ গৈছে। ১৮৭৭ৰ ২২ জানুৱাৰীত জন্মগ্ৰহণ কৰা দেশভক্ত তৰুণৰাম ফুকনৰ আছিল গভীৰ দেশপ্ৰেম, সততা, বুদ্ধিদীপ্ততাৰ এক বিশাল আঁকৰ। ১৯৩৯ৰ ২৮ জুলাইত মৃত্যুবৰণ কৰা এই দেশপ্ৰেমিকজনৰ মৃত্যু দিৱসটি অসম চৰকাৰে এইবাৰৰ পৰা দেশভক্তি দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এয়া আমাৰ বাবে বৰ ভাল লগা কথা। কাৰণ পিছৰ প্ৰজন্মই এই মহান ব্যক্তিজনৰ কথা পাহৰিয়েই যাব। আমি মন কৰিলে সততে দেখা পাওঁ যে স্বাধীনোত্তৰ কালছোৱাত যিকোনো ক্ষেত্ৰত দেশৰ বাবে বা সমাজৰ বাবে যিসকল পুৰোধা ব্যক্তিয়ে তেওঁলোকৰ ত্যাগ আৰু মহত্ত্বৰে স্বমহীয়ান হৈ দেশৰ সেৱা কৰি গ'ল আমি সেইসকলক কিমানে জানো? তেওঁলোকৰ আদৰ্শ আজিৰ সমাজত প্ৰভাৱ পৰিছেনে? তেওঁলোকে ৰুই যোৱা সততাৰ গছপুলিটোত আমি কিমান সাৰ পানী যোগাইছো? আছেনে তেওঁৰ



দৰে সকলোতে ব্যুৎপত্তি থকা এজন সফল ৰাজনীতিক? যি একেধাৰে আছিল ইংৰাজী, বাংলাত বক্তৃতা দিয়াৰ অগাধ পাণ্ডিত্যৰ অধিকাৰী। নিজ স্বাৰ্থ বলিদান দি দেশৰ স্বাৰ্থৰ কাৰণে দেশৰ আইনৰ ব্যৱস্থাপক আৰু আইন মহাবিদ্যালয়ৰ অধ্যাপকৰ দৰে পদ হেলাৰঙে ত্যাগ কৰিছিল।

বিশাল পাণ্ডিত্যৰ অধিকাৰী এইজনা দেশপ্ৰেমী ৰাজনীতিকৰ দৰে আজিৰ কেইজন ৰাজনীতিত জড়িত ব্যক্তিয়ে দেশৰ সেৱা কৰিছে? কেৱল মাত্ৰ ৰাজনৈতিক মুনাফা লাভৰ স্বাৰ্থত দেশসেৱাৰ ভূমিকা লোৱা এচাম ৰাজনীতিৰ লগত জড়িত থকা ব্যক্তিৰ শাসনৰ বাঘজৰীডাল হাতত থকাৰ সুবাদতে যিকোনো কাম কৰি গৈছে। সেয়া আমি বিভিন্ন মাধ্যমত দেখা শুনা কথা। আমি উত্তৰসূৰীসকলৰ কৰ্মৰ দোহাই দি ৰাজহুৱা সভা বা তেনেধৰণৰ স্মৃতিচাৰণ সভা ঠিকেই পালন কৰো কিন্তু কাৰ্যকৰী কৰো কিমান? আগৰ অসমী আইৰ সুসন্তান এইসকল বৰেণ্য ব্যক্তিৰ কথা আৰু কামৰ তুলনা কৰিবলৈ গ'লে আজিৰ ৰাজনীবিদসকলৰ যি কৃতকৰ্ম দেখি ঘৃণাত মুখ কোঁচ খাই যায় আৰু সচেতন নাগৰিকে ইয়াৰ প্ৰতিবাদ কৰিলেই মুখ বন্ধ কৰাবলৈ বিভিন্ন পন্থা গ্ৰহণ কৰে। কি ৰাজনীতিবিদ, কি সমাজনীতিবিদ, কি বুদ্ধিজীৱী আজি যেন সকলো একাকাৰ হৈ গৈছে এনে ভাব হয়। সেইকাৰণে আজিৰ উঠি অহা প্ৰজন্মৰ বহু সচেতন যুৱক-যুৱতী ইয়াৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হৈছে আৰু এচামে ৰাজনীতিৰ পথাৰখনত ভৰি থ'বলৈ গৈয়ো পিছহোঁহকি নিৰাপদ স্থানলৈ গতি কৰিছে আৰু এচামে এচাম ভণ্ড ৰাজনীতিকৰ বিৰুদ্ধে পোতক তুলিবলৈ হাতত অস্ত্ৰ তুলি লৈছে। গেৰিলা পন্থা অৱলম্বন কৰা এইচাম দেশসেৱকৰ ভূমিকাও সন্দেহজনক। সকলোৱে যেন ভণ্ডামিৰে দেশসেৱকৰ ভাও লৈ লুটি- পুতি খাই দেশখন বণিয়া বেপাৰীৰ হাতত তুলি দিবলৈও কুণ্ঠাবোধ নকৰা যেন বোধ হয়। সাধাৰণ জনতাক আভুৱা ভাঁৰি এচাম দেশসেৱকৰূপী ভণ্ড ৰাজনীতিকে দেশৰ অৰ্থনীতি-শিক্ষানীতি সকলো ৰসাতলে নি নতুন প্ৰজন্মক কি শিক্ষা দিব সেয়া সহজে অনুমেয়। শেষত আমি আশা ৰাখিছো দেশভক্ত তৰুণৰাম ফুকনৰ দৰে এইজনা মহান মনীষীৰ মৃত্যুদিৱসটি যি দেশভক্তি দিৱস পালন কৰিবলৈ ওলাইছে সেয়া সকলো ৰাজনীতিকৰ অন্তৰত জাগ্ৰত হওক তেওঁৰ কৰ্ম, আদৰ্শ। তেওঁৰ কৰ্ম-আদৰ্শৰে মহীয়ান হ'লেহে দেশৰ জনসাধাৰণৰ তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা বাঢ়িব আৰু উত্তৰসূৰীসকলে তেওঁলোকক যুগ যুগান্তৰলৈ শ্ৰদ্ধা যাঁচিব।

## দেশভক্তিৰ বাবে কোনো দিৱসৰ প্ৰয়োজন নাই

■ **শংকৰ শৰ্মা**

লেখক-সাংবাদিক

দেশভক্তিৰ বাবে কোনো দিৱসৰ প্ৰয়োজন নাই। জন্মভূমিৰ প্ৰতি বা নিজৰ দেশখনৰ প্ৰতি শ্ৰদ্ধা-ভক্তি জনাবলৈ এটা নিৰ্দিষ্ট দিন বা দিৱসৰ প্ৰয়োজন আছে বুলি নাভাবো। কোনোবাই আদেশ দি বা নিৰ্দেশ দি কাৰো অন্তৰত শ্ৰদ্ধা-ভক্তিৰ ভাব জাগ্ৰত কৰিব নোৱাৰে। মৰম-ভালপোৱা, শ্ৰদ্ধা-ভক্তি আদি মানুহৰ স্বতঃস্ফূৰ্ত অভিব্যক্তি। এইবোৰ আনে জাপি দিয়া বস্তু নহয়। দেশৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা, দেশৰ ঐক্য-সংহতি, সংবিধান, পতাকা আদিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা প্ৰতিজন নাগৰিকৰে দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত। দেশৰ অখণ্ডতা ৰক্ষাৰ হকে প্ৰয়োজনত সকলো নাগৰিকে আগুৱাই যাব লাগে। এইবোৰ কোনোৱে কাকো কৈ দিয়া কথা নহয়। প্ৰতিজন নাগৰিকৰে অন্তৰত এনেকুৱা ভাব-অনুভূতি প্ৰতিনিয়ত জাগ্ৰত হৈ থাকে। নিজৰ দেশখনক, নিজৰ জন্মভূমিক, নিজৰ আইক কোনোবাই বেয়া পাব পাৰে জানো। সেয়ে কোৱা হয় 'জননী জন্মভূমিশ্চ স্বৰ্গাদপী গৰীয়সী'। দেশৰ প্ৰতি ভক্তি ভাব প্ৰদৰ্শন কৰিবলৈ বছৰৰ কোনোবা এটা নিৰ্দিষ্ট দিনত দিৱসৰ আয়োজন কৰাটোৱে নিশ্চয় এইটোকে বুজাব যে



আমি বছৰৰ বাকী ৩৬৪ দিন দেশৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব নেলাগে। দিৱসৰ যোগেদি জনগণৰ মনত দেশৰ প্ৰতি ভক্তি ভাব জাগ্ৰত কৰিব বিচৰা কাৰ্যই সচেতন নাগৰিকৰ অনুভূতিপ্ৰৱণ মনটোক আঘাত হনাহে হ'ব। আমি ইয়াক মুঠেও সমৰ্থন নকৰো।

## মূল উদ্দেশ্য একাষৰীয়া কৰি দিৱস পালন এক ফেশ্বনত পৰিণত হৈছে

■ **পংকজ নাথ,** সাংবাদিক



ৰাজ্যখনত চৰকাৰীভাৱে কেইটামান নিৰ্দিষ্ট তাৰিখত দিৱসবোৰ অতি উলহ-মালহেৰে পালন বা উদ্‌যাপন কৰি আহিছে। দিৱসবোৰ পালন কৰাৰ অতি প্ৰয়োজনীতা আছে তাত মোৰ দ্বিমত নাই। দিৱসবোৰ যদি উদ্‌যাপন কৰিলে সমাজখন সংস্কাৰ হয় তেতিয়াহ'লে ই সমাজখনৰ বাবে এক শুভ লক্ষণ বুলিয়েই ক'ব লাগিব। কিন্তু বৰ্তমানৰ সময়ত দিৱসবোৰ পালন কৰাৰ ক্ষেত্ৰত অঘোষিত প্ৰতিযোগিতা আৰু এটা ফেচনত পৰিণত হোৱা পৰিলক্ষিত হৈছে। বছৰৰ মূৰত এটা নিৰ্দিষ্ট দিনত এটা দিৱস পালন কৰি সামাজিক মাধ্যমত দুখনমান ফটো দি প্ৰচাৰ কৰি পিছদিনা ৰাইজে পাহৰি গ'লে নহ'ব। দিৱসবোৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্যৰ কথা সকলোৱে হৃদয়ংগম কৰিবলৈ যত্ন কৰিব লাগিব। এইক্ষেত্ৰত তিনিটা উদাহৰণ চমুকৈ দাঙি ধৰাৰ প্ৰয়াস কৰিলো। প্ৰতি বছৰৰ আঠ মাৰ্চৰ দিনটোত দেশৰ প্ৰতিটো প্ৰান্ততে ৰাজ্য চৰকাৰৰ লগতে বিশেষকৈ মহিলা সংগঠনসমূহে আন্তৰ্জাতিক নাৰী দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰি আহিছে। উক্ত দিৱসৰ দিনটোত নাৰী নিৰ্যাতন, ধৰ্ষণ, যৌতুকৰ নামত বোৱাৰীক অত্যাচাৰ, নাৰী সৰবৰাহ বন্ধ হোৱাটো সকলোৱে দাবী উত্থাপন কৰে। কিন্তু তাৰ পাছত এইখন ৰাজ্যত নাৰী নিৰ্যাতনৰ দৰে ঘটনাবোৰ নিৰ্মূল হৈছেনে? বছৰৰ মূৰত এটা দিনত নাৰী দিৱসটি উলহ-মালহেৰে উদ্‌যাপন কৰিলে দেশৰ নাৰীসকল সুৰক্ষিত হ'বনে? ইয়াৰ বাবে প্ৰথমতে মানুহক সজাগতাক আৰু শিক্ষিত কৰি তুলিব লাগিব। ঠিক তেনেদৰে পাঁচ জুলাইত বন মহোৎসৱ পালন কৰে বন বিভাগে। উক্ত দিনা চৰকাৰে চৰকাৰী অনুষ্ঠান আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে অনুষ্ঠানৰ আয়োজন কৰি একোটা একোটা গছ পুলি ৰোপণ কৰে। সেয়া ৰাইজে নিশ্চিতভাৱে প্ৰত্যক্ষ কৰিছে। ৰজাঘৰীয়া বা ৰাইজে ৰোপণ কৰা গছ পুলিবোৰ পিছদিনা কোনেও খবৰ নলয়। গৰু-ছাগলীয়ে গছৰ পুলিবোৰ নষ্ট কৰি পেলাই বা যত্নৰ অভাৱত পুলিবোৰ মৰহি যায়। এতিয়া প্ৰশ্ন হয় বন মহোৎসৱ পালন কৰাত যদি সফল হ'লহেঁতেন তেতিয়া হ'লে আজি অসমখন ঘোৰ অৰণ্যৰে ভৰি পৰিলহেঁতেন। এইখন অসমত শিশু দিৱস পালন কৰি অহাৰ পাছতো শিশু সুৰক্ষা অধিকাৰ আইন উলংঘা হোৱাৰ অভিযোগ সংবাদ মাধ্যমতে প্ৰচাৰ হয়। মাতৃ দিৱস পালন কৰাৰ সময়ত একাংশ পৰিয়ালৰ বৃদ্ধা- মাতৃসকলে বৃদ্ধা আশ্ৰমত দিন অতিবাহিত কৰিবলগীয়া হৈছে। প্ৰতিটো দিৱস আমিবোৰে কেৱল পালন কৰিব লাগে বুলিয়েই পালন কৰিলে ইয়াৰ প্ৰকৃত উদ্দেশ্য কেতিয়াও সফল নহ'ব। দিৱসবোৰ পালন কৰাত ব্যস্ত নহৈ দিৱসটি ফলপ্ৰসূ হোৱাত গুৰুত্ব প্ৰদান কৰিব লাগিব।

## টিহুত গাঞ্জা জব্দ

অগ্ৰদূত বাৰ্তা

**টিহু, ৩০ জুলাই ঃ** টিহু মহকুমাৰ হাৰিভাঙাৰ বলেথেৰ চুবুৰিৰ পৰা টিহু আৰক্ষীয়ে তিনি কিলো ৬০ গ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। কালি টিহু থানাৰ আৰক্ষী বিষয়া ত্ৰিদিপ বৰা আৰু উপ-পৰিদৰ্শক পৰেশ দাসৰ নেতৃত্বত এটি আৰক্ষীৰ দলে বিশেষ সূত্ৰৰ পমখেদি হাৰিভাঙা বলেথেৰ চুবুৰিৰ শশীমোহন কলিতাক (৫০) ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰাৰ লগতে তিনি কিলো ৬০ গ্ৰাম গাঞ্জা জব্দ কৰে। উল্লেখ্য যে শশীমোহন কলিতাই বহুবছৰ ধৰি গাঞ্জাৰ ব্যৱসায় কৰি আহিছিল। আৰক্ষীয়ে শশীমোহনক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে।

# ১০ বজাতে ছুটী পলাশগুৰি প্ৰাথমিক বিদ্যালয়ত

## বিদ্যালয় পৰিচালনা সমিতিৰ অজ্ঞাতে মূল্যবান গছ বিক্ৰীৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৩০ জুলাই ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশ অনুসৰি বিয়লি দুই বজালৈ বিদ্যালয়ত চলিব পাঠদান। কিন্তু ব্যতিক্ৰম বঙাইগাঁও জিলাৰ বৰপথাৰ পলাশগুৰি প্ৰাথমিক বিদ্যালয়। বিদ্যালয়খন পুৰা ১০ বজাতে ছুটী দিয়ে শিক্ষকে। স্থানীয় লোকে সদৰী কৰা মতে, প্ৰধান শিক্ষকজনৰ পত্নীয়ো শিক্ষকতা কৰে বাবে শিক্ষকজনে প্ৰথমে পত্নীক অইন বিদ্যালয়ত থৈ আহি উপস্থিত হয় যদিও ১০ বজাতে বিদ্যালয় ছুটী দি নিজৰ কামত গুচি যায়। তেওঁ নিতৌ পুৰা ন বজাত বিদ্যালয়ত আহে যদিও বিদ্যালয় ছুটী দিয়ে ১০ বজাত। বঙাইগাঁও শিক্ষা খণ্ডৰ অধীনৰ এইখন বিদ্যালয়ত আছে দুজন শিক্ষক ক্ৰমে লক্ষ্যধৰ ডেকা আৰু দিলিপ দাস। তাৰ বিপৰীতে আছে ছাত্ৰ-ছাত্ৰী মাত্ৰ ২০ গৰাকী। কাৰণ শিক্ষকৰ মইমতালিৰ বাবে অভিভাৱকে বাধ্য হৈ অইন বিদ্যালয়ত দিবলগীয়া হৈছে ছাত্ৰ। কোনো অভিভাৱকেই নিবিচাৰে নিজৰ সন্তানটোৰ শিক্ষা এনেদৰে ধ্বংস হওঁক। স্থানীয় লোকে শিক্ষকজনৰ বদলিৰ দাবী কৰিছে যাতে বিদ্যালয়খনৰ শিক্ষা ব্যৱস্থাৰ উন্নতি হয়। বৰপথাৰ পলাশগুৰীৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱনৰ উন্নতিৰ বাবে চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

ইপিনে, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ অজ্ঞাতে বিদ্যালয়খনত থকা কে'বাডাল মূল্যবান গছ প্ৰধান শিক্ষকে বিক্ৰী কৰাৰ অভিযোগ কৰিছে স্থানীয় ৰাইজ আৰু পৰিচালনা সমিতিয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী উত্তমা বৰ্মনেও অভিযোগ কৰি কয় যে বিদ্যালয় প্ৰাংগণত থকা মূল্যবান গছসমূহ যাৰ ছাঁত বহিছিল বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সেইসমূহ গোপনে প্ৰধান শিক্ষক লক্ষ্যধৰ ডেকাই বিক্ৰী কৰিছে। কিনোতাজনে গছ কটাত পৰিচালনা কমিটী আৰু স্থানীয় লোকৰ দৃষ্টিগোচৰ হয়। যি সময়ত অসমৰ মুখ্যমন্ত্ৰীয়ে প্ৰতিখন অনুষ্ঠানত গছপুলি ৰোপণৰ নিৰ্দেশ দিছে সেই সময়তে গোপনে বিদ্যালয়ৰ গছ বিক্ৰী কৰা প্ৰধান শিক্ষকৰ বিৰুদ্ধে স্থানীয় লোক আৰু পৰিচালনা সমিতিয়ে ক্ষোভ প্ৰকাশ কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। পৰিচালনা সমিতিয়ে স্থানীয় লোকৰ সহযোগত বিষয়টো জিলা উপায়ুক্ত আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াক লিখিত অভিযোগ প্ৰদান কৰি তদন্তৰ দাবী উত্থাপন কৰিব বুলি সংবাদ মাধ্যমক সদৰী কৰিছে।

## ঠেলামৰাত মূল্যবৃদ্ধিক লৈ বাটৰ নাট

অগ্ৰদূত বাৰ্তা



**ঠেলামৰা, ৩০ জুলাই ঃ** শোণিতপুৰ জিলাৰ ঠেলামৰাৰ ৰাজপথত কালি হঠাৎ এক দম্পতীৰ দুৰ্বাদল কাজিয়াত লিপ্ত হোৱা দেখি শ শ লোকে কাজিয়া প্ৰত্যক্ষ কৰিবলৈ ভিৰ কৰে। স্বামীৰ অত্যাচাৰ সহিব নোৱাৰি ঘৰ এৰি পলায়ন কৰা পত্নীক ঠেলামৰা ৰাজপথত লগ পাই টনা-আঁজোৰা কৰাত স্থানীয় লোকে দুয়োকে ৰাজপথত এনে কাজিয়া নকৰিবলৈ সৈমান কৰাৰ চেষ্টা কৰে। মহিলাগৰাকীৰ অভিযোগ স্বামীয়ে প্ৰায়েই ঘৰৰ হাট-বজাৰ কৰাক লৈ পত্নীক অত্যাচাৰ চলায়। দৰাচলতে এই কাজিয়া প্ৰকৃতাৰ্থত এক বাটৰ নাটহে। জিলাখনৰ ঠেলামৰাৰ ৰাজপথত শিল্পী গণেশ ডেকা, ৰাজু নাথৰ পৰিচালনা আৰু অভিনয়ত মঞ্চস্থ হয় মূল্যবৃদ্ধিক লৈ এখন বাটৰ নাট। উল্লেখ্য যে শেহতীয়াকৈ প্ৰতিটো সামগ্ৰীৰে আকাশলংঘী মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক জুৰুলা কৰিছে। শেহতীয়াকৈ এনে সময়তে কিছু অত্যাৱশ্যকীয় সামগ্ৰীত জিএছটি আৰোপ কৰাত সাধাৰণ জনতাৰ মূৰত সৰগ ভাঙি পৰিছে। ফলস্বৰূপে দিশহাৰা হৈ জনতাই সা-সামগ্ৰীৰ দাম নিয়ন্ত্ৰণ কৰিবলৈ একাংশই বিভিন্ন পন্থাৰে প্ৰতিবাদ কৰি আহিছে। অনুৰূপ আজি ঠেলামৰাত শিল্পী গণেশ ডেকা, ৰাজু নাথ, ডলি দাসৰ বাটৰ নাটখন মঞ্চস্থ হ'ল। এই বাটৰ নাটে ৰাইজক আমোদ দিলেও ইয়াৰ জৰিয়তে শাক-পাচলি, মিঠাতেল, দাইল, পেট্ৰ'ল-ডিজেল আদিৰ যি বৰ্ধিত মূল্য তাক নিয়ন্ত্ৰণ কৰিবলৈ আহ্বান জনায় শিল্পীকেইজনে।

## তামুলপুৰ জিলাৰ নাগ্ৰীজুলিত ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা



**তামুলপুৰ, ৩০ জুলাই ঃ** ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাবলৈ ভাৰত চৰকাৰে দিয়া নিৰ্দেশনা নৱগঠিত তামুলপুৰ জিলাতো পালন কৰিবলৈ লোৱা হৈছে। ইয়াৰে অংশ হিচাপে তামুলপুৰ জিলাৰ নাগ্ৰীজুলি উন্নয়ন খণ্ডৰ উদ্যোগত ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জৰিয়তে নাগ্ৰীজুলিত এখন ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হৈছে। কালি নাগ্ৰীজুলিত বিক্ৰী কেন্দ্ৰটো মুকলি কৰে তামুলপুৰ জিলাৰ উপায়ুক্ত সীমান্ত কুমাৰ দাসে। গ্ৰামীণ জীৱিকা অভিযানৰ নাগ্ৰীজুলি উন্নয়ন খণ্ডৰ সমন্বয়ক জীৱ ডেকাই জনোৱা মতে, ইতিমধ্যে সমগ্ৰ নাগ্ৰীজুলি অঞ্চলতে ১৫ হেজাৰখন জাতীয় পতাকা প্ৰস্তুত কৰি বিক্ৰীৰ বাবে সাজু কৰি ৰখা হৈছে। ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰ মুকলি অনুষ্ঠানত নাগ্ৰীজুলি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া চৰণ নাৰ্জাৰী, সহকাৰী খণ্ড উন্নয়ন বিষয়া যুধিষ্ঠিৰ ব্ৰহ্ম,স্থানীয় আত্মসহায়ক গোটৰ সদস্যা আৰু কামেং চি এল এফৰ মহিলা সকল উপস্থিত থাকে।

## কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটত বৃক্ষৰোপণ

অগ্ৰদূত বাৰ্তা

**কাকজান, ৩০ জুলাই ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই 'মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানত বৃক্ষৰোপণ আঁচনি'ৰ লগত সংগতি ৰাখি কালি ইংৰাজী ২৮ জুলাইত কলিয়াপানী স্থাপিত কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ চৌহদত এক বৃক্ষৰোপণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ আৰম্ভণি কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকে। উক্ত অনুষ্ঠানত তিতাবৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° সঞ্জয় চেতিয়া, টীয়ক ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সৌভিক ভূঞা আৰু টীয়ক পৌৰসভাৰ পৌৰপতি লাকী গগৈ উপস্থিত থাকে। কেন্দ্ৰটোৰ মুৰব্বী ড° সঞ্জয় বৰঠাকুৰৰ লগতে সমূহ বিজ্ঞানী-কৰ্মচাৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা অনুষ্ঠানত মেঘা চীডলেছ, মেঘা মেজেন্টা, মেঘা ওৱাণ্ডাৰ, মেঘা সুপ্ৰিম নামৰ উন্নত জাতৰ মধুৰীৰ পুলি ৰোপণ কৰা হয়।

## চিৰাঙত 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ প্ৰশাসনৰ তৎপৰতা

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৯ জুলাই ঃ** চিৰাং জিলাত 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সফল কৰাৰ বাবে জিলা প্ৰশাসনে ব্যাপক তৎপৰতা গ্ৰহণ কৰিছে। দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে কেন্দ্ৰীয় চৰকাৰে কৰা পৰিকল্পনা অনুসৰি ১৩ৰ পৰা ১৫ আগষ্টলৈ প্ৰতিটো বাসগৃহ আৰু কাৰ্যালয়ত যাতে জাতীয় পতাকা উৰিওৱা হয় তাক নিশ্চিত কৰাৰ বাবে জিলা প্ৰশাসনে গুৰুত্ব প্ৰদান কৰিছে। ইতিমধ্যে জিলাখনৰ চিদলী আৰু বিজনী ব্লক অঞ্চলত সাতটা ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হৈছে। আজি চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত অসম গ্ৰামীণ জীৱিকা অভিযানৰ চিৰাং জিলা অভিযানক উদ্যোগত হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী অনুসৰি এটা ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হয়। কেন্দ্ৰটো মুকলি কৰে চিৰাং জিলাৰ উপায়ুক্ত পি বিজয় ভাস্কৰ ৰেড্ডীয়ে। তেওঁ চিৰাং জিলাত আত্মসহায়ক গোটসমূহে



তৈয়াৰ কৰা ৰাষ্ট্ৰীয় পতাকাসমূহে ৰাইজৰ সহযোগিতা পাব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানৰ পাছতে চিৰাং জিলাত হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত অসম গ্ৰামীণ জীৱিকা অভিযানৰ জীৱিকা সখীসকলে ৰাষ্ট্ৰীয় পতাকা লৈ চৰকাৰে প্ৰদান কৰা স্কুটীৰে এক সজাগতা সমদল উলিওৱা হয়। সজাগতা সমদল পতাকা জোঁকাৰি মুকলি কৰে চিৰাং জিলাৰ উপায়ুক্ত পি বিজয়া ভাস্কৰ ৰেড্ডীয়ে। ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি অনুষ্ঠানত চিৰাং জিলাৰ গ্ৰামোন্নয়ন বিভাগৰ সঞ্চালক অৰবিন্দ ৰাভা, চিদলী চিৰাং খণ্ড উন্নয়ন বিষয়া কুমুদ নাৰ্জাৰী, অসম গ্ৰামীণ জীৱিকা অভিযানৰ চিৰাং জিলা প্ৰকল্প প্ৰবন্ধখ চন্দনা শৰ্মা দাস আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীসকলে অংশ লয়। উল্লেখ্য যে চিৰাং জিলাত এইবেলি ৫৬ হেজাৰ ৰাষ্ট্ৰীয় পতাকা তৈয়াৰ কৰাৰ লক্ষ্য হিচাপে লৈছে। ইতিমধ্যে ২২ হেজাৰ পতাকা তৈয়াৰ কৰা হৈছে আৰু ইয়াৰে পাঁচ হেজাৰ পতাকা বিক্ৰী হৈছে বুলি ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰবন্ধক চন্দনা শৰ্মা দাসে প্ৰকাশ কৰিছে।

## যোৰহাটত ভূ-গৰ্ভত পানী পুনৰভৰণৰ চতুৰ্থখন আঁচনি উদ্বোধন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৩০ জুলাই ঃ** যোৰহাট জিলা প্ৰশাসন আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা ভোগদৈ জ'ন পানীযোগান আঁচনিৰ চৌহদত জিলাখনৰ চতুৰ্থটো বৰষুণৰ পানী সংৰক্ষণৰ দ্বাৰা ভূ-গৰ্ভত পানী পুনৰভৰণ আঁচনিখন অসম চৰকাৰৰ শিক্ষা আৰু ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি মুকলি কৰে। যোৰহাট জিলা প্ৰশাসন আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এনে পদক্ষেপক মন্ত্ৰীজনে শলাগ লোৱাৰ লগতে এনে আঁচনিয়ে অন্য জিলাসমূহতো মুকলি কৰিবলৈ উৎসাহ যোগাব বুলি কয়। উক্ত চৌহদত মন্ত্ৰীজনে এটা গছপুলিও ৰোপণ কৰে। অনুষ্ঠানত জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনে ভোগদৈ জ'নত অঞ্চলত স্থাপিত কৰিবলৈ লোৱা অত্যাধুনিক চতুৰ্থখন আঁচনিয়ে প্ৰতিদিনে তিনি লাখ লিটাৰ পৰিশোধনাগাৰৰ অব্যৱহৃত পানী আৰু লগতে বৰষুণৰ পানী ভূ-গৰ্ভত পুনৰভৰণ কৰিব পাৰিব বুলি জানিবলৈ দিয়ে। উক্ত কাৰ্যসূচীত মন্ত্ৰীজনৰ লগত যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, দেৰগাঁও সমষ্টিৰ বিধায়ক ভবেন ভৰালী, বিজেপিৰ সভাপতি হেমন্ত কলিতা উপস্থিত থাকে। কেন্দ্ৰীয় চৰকাৰৰ ভূ-গৰ্ভত জল পুনৰভৰণ আঁচনিৰ সমৰ্থনত পৌৰসভা অঞ্চলত ৰূপায়ণ কৰা এই আঁচনিখনৰ সম্পূৰ্ণ পৰিকল্পনা জিলা উপায়ুক্তৰ আৰু যোৰহাট জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা ভাস্কৰ শৰ্মাৰ। আজিৰ অনুষ্ঠানত তিতাবৰৰ মহকুমাধিপতি গায়ত্ৰী হাইলিং, জিলা প্ৰশাসন আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া কৰ্মচাৰী আৰু জিলাখনৰ বহুকেইজন সমাজ সচেতন নাগৰিক উপস্থিত থাকে।

## তামুলপুৰত চাৰিটাকৈ অবৈধ কাঠফলা কল উচ্ছেদ ঃ কাঠ জব্দ

অগ্ৰদূত বাৰ্তা



**তামুলপুৰ, ৩০ জুলাই ঃ** তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে বনজ সম্পদ অবৈধ ব্যৱসায়ৰ লগতে বন ধ্বংস কাৰ্য। জিলাখনৰ ভূটান সীমান্তৰ লগতে বিভিন্ন প্ৰান্তত বনজ সম্পদৰে পৰিপূৰ্ণ ভূটানৰ পৰা বৈ অহা নদীসমূহৰ পৰা অবৈধভাৱে খনন কাৰ্য চলোৱাৰ সমান্তৰালভাৱে একাংশ অসাধু লোকে অবৈধভাৱে কাঠফলা কল স্থাপন কৰি চলাই আছে চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় । অবাধ বন ধ্বংস আৰু বনজ সম্পদ লুণ্ঠনকাৰী অসাধু ব্যৱসায়ীসকলৰ বিৰুদ্ধে কঠোৰ হৈ পৰিছে তামুলপুৰ জিলাৰ বন বিভাগ। শেহতীয়াকৈ শিল-বালিৰ অবৈধ মহল উচ্ছেদ কৰাৰ পাছত চোৰাংকাঠৰ ব্যৱসায়ীসকলৰ বিৰুদ্ধে কালি তামুলপুৰ আৰু কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মী, সীমান্ত সুৰক্ষা বলৰ সহযোগত এটি বৃহৎ দলে তামুলপুৰ জিলাৰ অন্তৰ্গত লতিবাৰী-অহিয়াবাৰীত এক অভিযান চলায়। অভিযান কালত বন বিভাগৰ লোকে চাৰিটাকৈ অবৈধ কাঠফলা মিল উচ্ছেদ কৰাৰ লগতে জব্দ কৰে বহু মূল্যবান কাঠ, কাঠৰ কুণ্ডা, কাঠ ফলা মেচিন, জেনেৰেটৰ আদি সা-সামগ্ৰী। বন বিভাগৰ লোকে সদৰী কৰা মতে, জব্দকৃত মেচিন তথা কাঠৰ মূল্য প্ৰায় আঠ লাখ টকা হ'ব । তামুলপুৰ ৰেঞ্জৰ ভাৰপ্ৰাপ্ত বন বিষয়া গিৰীণ বৰ্মনৰ নেতৃত্বত চলা এই অভিযান কুমাৰীকাটা ৰেঞ্জৰ ভাৰপ্ৰাপ্ত বন বিষয়া বীৰেন চন্দ্ৰ বড়োসহ আন আন কৰ্মচাৰীসকল, এছ এছ বি বিষয়া আৰু জোৱানসকল উপস্থিত আছিল। উল্লেখ যে নৱ গঠিত তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তত একাংশ অসাধু লোকে কাঠফুলাৰ দৰে অবৈধভাৱে গঢ়ি তোলা অবৈধ কাঠফলা কলৰ বিৰুদ্ধে অভিযান চলাই সেইসমূহ উচ্ছেদ কৰি আহিছে যদিও বন বিভাগৰ চকুত ধূলি দি একাংশ অসাধু লোকে চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰাখিছে। অৱশ্যে শেহতীয়াকৈ তামুলপুৰত বন বিভাগৰ লোকে চোৰাংকাঠৰ ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তোলাত তামুলপুৰৰ সচেতন প্ৰকৃতিপ্ৰেমী ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে ।

## বিশ্বনাথৰ পাঁচ নম্বৰ কুমলীয়াত অব্যাহত আছে বাঘৰ আতংক

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩০ জুলাই ঃ** বিশ্বনাথৰ পাঁচ নম্বৰ কুমলীয়াত এতিয়াও অব্যাহত আছে বাঘৰ আতংক। কালি বিশ্বনাথৰ এই স্থানতে এই মৰাপাটৰ খেতিৰ সমীপত ৰাইজে বিয়লি প্ৰত্যক্ষ কৰে বাঘ দুটা। কোনোৱে বাঘে উমলি থকা দৃশ্য বন্দী কৰিছিল ম'বাইল কেমেৰাত। কাজিৰঙাৰ ষষ্ঠ সংযোজন অঞ্চলৰ পৰা জনাঞ্চলত ওলাই আহিছিল বাঘ দুটা। যাৰ বাবে এতিয়া আতংকিত হৈছে গঞা। গাঁওখনত নিশাৰ ভাগত বন বিভাগৰ লোক উপস্থিত হৈছিল কিন্তু বাঘ দেখা নাপাই পুৰা উভতি যায় বন বিভাগৰ লোক। কিন্তু এতিয়াও উক্ত স্থানত বাঘৰ এই মুক্ত বিচৰণক লৈ আতংকিত হৈ আছে স্থানীয় ৰাইজ। স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে যে বাঘ দুটাই এতিয়াও মৰাপাটৰ খেতিৰ ভিতৰত সোমাই আছে। যদি মৰাপাটৰ খেতিৰ ভিতৰত সঁচাকৈয়ে বাঘ দুটা সোমাই আছে, নিশ্চিতভাৱে বাঘ দুটাই মানুহ অথবা ঘৰচীয়া জীৱ-জন্তুৰ ওপৰত আক্ৰমণ চলাব।

## পঞ্চায়ত সমল কেন্দ্ৰৰ প্ৰশাসনিক ভৱন-প্ৰশিক্ষাৰ্থীৰ আৱাস গৃহ উদ্বোধন

বিশেষ সংবাদদাতা

**বৰপেটা ৩০ জুলাই ঃ** বৰপেটা জিলাৰ কেওটকুছিত অৱস্থিত বৰপেটা উন্নয়ন খণ্ডৰ চৌহদত দুই কোটি টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰা জিলা পঞ্চায়ত সমল কেন্দ্ৰৰ প্ৰশাসনিক ভৱন আৰু প্ৰশিক্ষাৰ্থীৰ আৱাস গৃহটোৰ কালি উদ্বোধন কৰা হয়। এই ভৱনটো শুভ উদ্বোধন কৰে ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অন্তৰ্গত ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰতিষ্ঠান এছ আই আৰ ডিৰ জৰিয়তে নিৰ্মিত এই সমল কেন্দ্ৰটোত মুঠ ৫০জন ব্যক্তিক প্ৰশিক্ষণ দিয়াৰ বাবে শ্ৰেণীকোঠা, কম্পিউটাৰ কেন্দ্ৰকে আদি কৰি সম্পূৰ্ণ যাৱতীয় ব্যৱস্থা উপলব্ধ আছে। ইয়াৰ উপৰি, প্ৰশিক্ষাৰ্থীসকলৰ থকা-মেলাৰ সুব্যৱস্থাৰ বাবে আৱাসগৃহও আছে । আগন্তুক দিনত এই সমল কেন্দ্ৰটোত চৰকাৰী পৰ্যায়ৰ বিভিন্ন প্ৰশিক্ষণ আদি আয়োজন কৰাত যথেষ্ট সুবিধা হ'ব। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব মুনীন্দ্ৰ শৰ্মা, বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ চিকাৰীয়াকে আদি কৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে ।

## বৰপেটাত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি

বিশেষ সংবাদদাতা

**বৰপেটা, ৩০ জুলাই ঃ** ৰাজ্য চৰকাৰৰ কৃতজ্ঞতা আচনিৰ অধীনত ৰাজ্যৰ ২৭খন জিলাত স্থাপন কৰা হ'ব পেঞ্চন সেৱা কেন্দ্ৰ। কালি বৰপেটা জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত এটা পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰি এই কথা সদৰী কৰে ৰাজ্য চৰকাৰৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে । পেঞ্চন সেৱা কেন্দ্ৰটো মুকলি কৰি মন্ত্ৰী দাসে কয় যে অসম চৰকাৰৰ যোৱা ২৮ অক্টোবৰত অনুষ্ঠিত কেবিনেট বৈঠকত এমট্ৰনৰ সহযোগত ৰাজ্যৰ ২৭ খন জিলাত পেঞ্চন সেৱা কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। অৱসৰী বিষয়া কৰ্মচাৰীসকলৰ পেঞ্চনৰ কাম-কাজসমূহ যাতে সহজ আৰু ক্ষিপ্ৰতৰ হয় সেই উদ্দেশ্যে এই সিদ্ধান্ত গ্ৰহণ কৰিছিল। কেবিনেটৰ উক্ত সিদ্ধান্ত অনুসৰি, কালি বৰপেটাত পেঞ্চন সেৱা কেন্দ্ৰটো মুকলি কৰে মন্ত্ৰীজনে। উক্ত অনুষ্ঠানত বৰপেটা জিলাৰ নৱ নিযুক্ত উপায়ুক্ত আয়ুষ গাৰ্গকে ধৰি জিলা প্ৰশাসনৰ কে'বাগৰাকী বিষয়াৰ লগতে ভালেসংখ্যক শিক্ষক আৰু শিক্ষা বিভাগৰ লোক উপস্থিত থাকে ।

## দেউৰী স্বায়ত্তশাসিত পৰিষদত ডিমৌৰ তিনিখন গাঁৱৰ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ দাবী

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৩০ জুলাই ঃ** দেউৰী স্বায়ত্তশাসিত পৰিষদৰ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ এসময়ৰ প্ৰাক্তন কাৰ্যবাহী সদস্য নিৰোজ কুমাৰ ৰাজমেধিয়ে পৰিষদৰ পাঁচ নম্বৰ ৰজাবাৰী সমষ্টিত ডিমৌৰ তিনিখন গাঁৱৰ ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ নিৰ্বাচন আয়োগক দাবী জনাইছে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত প্ৰাক্তন কাৰ্যবাহী সদস্যজনে কয় যে শিৱসাগৰ জিলাৰ থাওৰা সমষ্টিৰ ডিমৌ অঞ্চলৰ কলিয়াপানী, দিহাজান হাবি আৰু ৰাইচাই গাঁও তিনিখন যিহেতু পূৰ্বৰ চাৰি নম্বৰ ৰজাবাৰী সমষ্টিৰ অন্তৰ্ভুক্তি হৈ আছে। আনহাতে, অসমৰ ৰাজ্যপালে অলপতে জাৰি কৰা জাননী মতে, উক্ত গাঁওকেইখন এতিয়াৰ পাঁচ নম্বৰ ৰজাবাৰী সমষ্টিত অন্তৰ্ভুক্ত হৈছে। কিন্তু বিগত দুটাকৈ নিৰ্বাচনত উক্ত গাঁওকেইখনৰ ভোটাৰ তালিকা প্ৰস্তুত কৰা হোৱা নাছিল।তদুপৰি ভোটকেন্দ্ৰও স্থাপন কৰা হোৱা নাছিল। বিবৃতিত লগতে কয় যে গাঁওকেইখনৰ ভোটাৰ তালিকা বৰ্তমানেও প্ৰস্তুত কৰা হোৱা নাই। ইফালে, অসম চৰকাৰে দেউৰী স্বায়ত্তশাসিত পৰিষদৰ চলিত বৰ্ষত নিৰ্বাচনৰ বাবে প্ৰস্তুতিৰ কাম আৰম্ভ কৰিছে। গতিকে নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ আগতে পাঁচ নম্বৰ ৰজাবাৰী সমষ্টিৰ অন্তৰ্ভুক্ত হৈ থকা ডিমৌ অঞ্চলৰ উক্ত গাঁও তিনিখনৰ ভোটাৰ তালিকা প্ৰস্তুত কৰি তাত ভোটকেন্দ্ৰ স্থাপন কৰিবলৈ নিৰ্বাচন আয়োগক পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্যজনে দাবী জনায়। ইয়াৰ অন্যথা বহুসংখ্যক ভোটাৰ ভোটদানৰ পৰা বঞ্চিত হ'ব বুলি আশংকা প্ৰকাশ কৰে।

## গোৰেশ্বৰত বিজুলী মহোৎসৱৰ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ৩০ জুলাই ঃ** তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত গোৰেশ্বৰত আজাদী কা অমৃত মহোৎসৱৰ উপলক্ষে 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত' মূলমন্ত্ৰৰে 'বিজুলী মহোৎসৱ' উদ্‌যাপন কৰা হয়। গোৰেশ্বৰ পৌৰসভাৰ অধীনৰ ৰাজহুৱা প্ৰেক্ষাগৃহত প্ৰায় তিনি বজাৰ পৰা অনুষ্ঠিত বিজুলী মহোৎসৱৰ কাৰ্যসূচী তামুলপুৰ জিলাৰ অতিৰিক্ত জিলা উপায়ুক্ত কোকিলা গগৈয়ে বন্তি প্ৰজ্বলনেৰে শুভ উদ্বোধন কৰাৰ পাছতেই মুখ্য অতিথিৰ ভাষণত গ্ৰাম্য বৈদ্যুতিক কোম্পানী, গুৰগাঁৱৰ মুখ্য প্ৰবন্ধক সলিল কুমাৰে বিগত ২০১৪ৰ পৰা দেশত গ্ৰাম্য বৈদ্যুতিকৰণ আৰু বিদ্যুৎ উৎপাদনত চৰকাৰে লোৱা পদক্ষেপৰ সন্দৰ্ভত তথ্য সহকাৰে ভাষণ দিয়ে। শিক্ষক তথা সাংস্কৃতিক কৰ্মী দ্বিজেন দাসে আঁত ধৰা অনুষ্ঠানত গ্ৰাম্য বৈদ্যুতিক কোম্পানীৰ গুৱাহাটীস্থ আঞ্চলিক কাৰ্যালয়ৰ অভিযন্তা অলিক ৰয় আৰু বিদ্যুৎ বিতৰণ কোম্পানীৰ তামুলপুৰ উপ-সংমণ্ডলৰ সহকাৰী অভিযন্তা মানসজ্যোতি পাঠকক সম্বৰ্ধনা জনোৱা হয়। বিজুলী মহোৎসৱৰ কাৰ্যসূচীত আয়োজক মণ্ডলীয়ে নিৰ্বাচিত কৰি দিয়া বেতনা গাঁৱৰ বিদ্যুৎ গ্ৰাহক দীপক বড়ো আৰু পৱিত্ৰ বড়োৱে চমু ভাষণ দিয়ে। উক্ত মহোৎসৱত প্ৰজেক্টৰৰ সহায়ত বিদ্যুতৰ ওপৰত নিৰ্মিত কেঁবাখনো ছবি প্ৰদৰ্শন কৰা হয়। ইয়াৰ উপৰি বিভাগীয় কৰ্তৃপক্ষৰ দ্বাৰা আমন্ত্ৰিত পিংক ৰোজ ড্ৰামা গ্ৰুপে বিদ্যুত ব্যৱহাৰৰ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা অনাৰ উদ্দেশ্যে ৰচিত দুখনকৈ চুটি নাট আৰু তামুলপুৰৰ কলাকৃষ্টিৰ দলে বাৰেৰহণীয়া নৃত্য প্ৰদৰ্শন কৰে ।

## ভেঞ্চাৰ শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ নকৰে চৰকাৰে

# হঠকাৰী সিদ্ধান্ত বাতিল নকৰিলে আন্দোলনৰ হুংকাৰ ঐক্যমঞ্চৰ

অগ্ৰদূত বাৰ্তা

**কচুৱা, ৩০ জুলাই ঃ** যুগ যুগ ধৰি বিনা বেতনত কৰ্মৰত অপ্ৰাদেশীকৃত শিক্ষক- কৰ্মচাৰীৰ জীৱনক লৈ বাৰম্বাৰ অসম চৰকাৰে হেতালি খেলাৰ লগতে যোৱা ২০ জুলাইত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ভেঞ্চাৰ শিক্ষানুষ্ঠান বন্ধ কৰিবলৈ লোৱা হঠকাৰী ঘোষণাক অসম শিক্ষক-কৰ্মচাৰী ঐক্যমঞ্চই ধিক্কাৰ জনাইছে । মানৱ সম্পদ গঢ় দিয়াৰ লক্ষ্যৰে শিক্ষাত পোহৰ বিলাই নিজৰ জীৱন ধ্বংস কৰা মানৱ দৰদী শিক্ষকসকলৰ পৰিয়ালক আৰ্থিক সকাহ দিয়াৰ বিপৰীতে অসম চৰকাৰে আসোঁৱাহপূৰ্ণ আইন বনাই প্ৰাদেশিকীকৰণৰ নামত চৰম প্ৰতাৰণা কৰি আহিছে বুলি ক্ষোভ প্ৰকাশ কৰে ঐক্যমঞ্চৰ সভাপতি ড° হিৰোমণি বৰুৱা আৰু কুশল হালৈয়ে। ইফালে, যোৱা ২০ জুলাইত ৰাজ্যৰ শিক্ষামন্ত্ৰীয়ে ভেঞ্চাৰ শিক্ষানুষ্ঠান চৰকাৰীকৰণ নকৰে বুলি কৰা হঠকাৰী সিদ্ধান্ত বাতিল কৰি অতি শীঘ্ৰেই ২০০৬ৰ পূৰ্বে স্থাপিত আৰু পৰ্যায়ক্ৰমে চৰকাৰী অনুমতি স্বীকৃতিপ্ৰাপ্ত সৰ্বস্তৰৰ বৈধ শিক্ষানুষ্ঠানসমূহ প্ৰাদেশীকৰণ কৰিবলৈ সন্থাৰ কেন্দ্ৰীয় সম্পাদক আনোৱাৰ হুছেইন চৌধুৰী, প্ৰচাৰ সম্পাদিকা মৃদুলা ডেকাই মুখ্যমন্ত্ৰী- শিক্ষামন্ত্ৰীক দাবী জনাইছে। শিক্ষামন্ত্ৰীৰ এনে হঠকাৰী ঘোষণাই বিনাবেতনত কৰ্মৰত তথা আশাত বন্দী হৈ থকা হেজাৰ হেজাৰ শিক্ষক চৰম হতাশাত ভোগাটো লক্ষ্যণীয় হৈছে। ৰাজ্যখনৰ জ্বলন্ত সমস্যাৰূপে চৰ্চিত ভেঞ্চাৰ শিক্ষানুষ্ঠান প্ৰাদেশীকৰণ বিষয়টোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ বিচাৰি কালি ঐক্যমঞ্চই মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক স্মাৰকপত্ৰ প্ৰেৰণ কৰে । অতি শীঘ্ৰে মুখ্যমন্ত্ৰীৰ স্থিতি স্পষ্ট কৰি প্ৰাদেশীকৰণ নকৰিলে আন্দোলন তীব্ৰতৰ কৰি তোলা হ'ব বুলি ঐক্যমঞ্চৰ নেতৃবৰ্গই হুংকাৰ দিয়ে ।

## বৰপেটাত হাইস্কুল শিক্ষক সংস্থাৰ প্ৰতিবাদী কাৰ্যসূচী

বিশেষ সংবাদদাতা

**বৰপেটা, ৩০ জুলাই ঃ** অসম হাইস্কুল শিক্ষক সংস্থাৰ আহ্বান মৰ্মে কালি বৰপেটাত অসম হাইস্কুল শিক্ষক সংস্থাৰ বৰপেটা জিলা সমিতিয়ে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে । ২০২১ৰ ১১ অক্টোবৰত অসম হাইস্কুল শিক্ষক সংস্থাৰ প্ৰতিনিধিৰ স'তে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে অনুষ্ঠিত এক আলোচনাত বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ লগতে শিক্ষকৰ আৰ্জত ছুটী বছৰত ৩০ দিনলৈ বৃদ্ধি কৰা, স্নাতক শিক্ষকৰ বিশেষ ভাট্টা ৩০০ টকা সংলগ্ন কৰা আদি বিষয়সমূহ সোনকালে নিষ্পত্তি কৰিবলৈ শিক্ষামন্ত্ৰীজনক নিৰ্দেশ দিছিল যদিও আজিলৈকে নিষ্পত্তি নহ'ল। ইয়াৰ প্ৰতিবাদত বৰপেটা জিলা হাইস্কুল শিক্ষক সংস্থাই বৰপেটাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। প্ৰতিবাদী সভাৰ অন্তত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ ন দফীয়া দাবী সম্বলিত এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত বিশেষ অভিনন্দন অনুষ্ঠান শংকৰদেৱ নগৰত

# মাতৃভাষা মাধ্যমৰ বিদ্যালয় নিঃশেষ কৰাৰ সিদ্ধান্ত লৈছে চৰকাৰে

অগ্ৰদূত বাৰ্তা

**লংকা, ৩০ জুলাই ঃ** কালি হোজাই জিলাৰ সদৰ শংকৰদেৱ নগৰৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ সুধাকণ্ঠ ভূপেন হাজৰিকাৰ প্ৰেক্ষাগৃহত,হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হয় বিশেষ অভিনন্দন অনুষ্ঠানৰ। উক্ত বিশেষ অভিনন্দন অনুষ্ঠানত জিলাখনৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সফলতাৰ প্ৰতিটো বিষয়ত ৯০ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা দিয়া হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথ, বিশেষ আমন্ত্ৰিত অতিথিৰূপে উপস্থিত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাসহ লংকা মহাবিদ্যালয়ৰ অধ্যক্ষ, সহকাৰী বিষয় শিক্ষক, লংকাৰ গণ্যমান্য ব্যক্তিসকল আৰু ছাত্ৰ সন্থাৰ কৰ্মীসকল। উক্ত



অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি নাথে নিজৰ ভাষণত ৰাজ্য চৰকাৰৰ কেবিনেটে কালি শিক্ষা সন্দৰ্ভত লোৱা সিদ্ধান্ত সন্দৰ্ভত সমালোচনা কৰা পৰিলক্ষিত হয়। লগতে সাংবাদিকৰ লগত হোৱা সাক্ষাৎকাৰত সভাপতি নাথে কয় যে, ৰাজ্য চৰকাৰৰ কেবিনেটে বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান ইংৰাজী মাধ্যমত পঢ়োৱাৰ তাক আমি তীব্ৰ বিৰোধিতা কৰিছো। লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ এনে ব্যৱস্থা ললে ধ্বংস হ'ব। যিটো নতুন শিক্ষা-নীতি ২০২০ৰ সম্পূৰ্ণ বিৰোধী, দিল্লীৰ শ্ৰুতলিপি শুনি মাতৃভাষাৰ ওপৰত এনে ব্যৱহাৰ কৰাতো অনুচিত। মাতৃভাষা মাধ্যমৰ বিদ্যালয় নিশেষ কৰাৰ সিদ্ধান্ত লৈছে এইখন চৰকাৰে। কেবিনেটে লোৱা ছোৱালী বিদ্যালয়সমূহ বন্ধ কৰা সন্দৰ্ভতো নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে সভাপতি নাথে। এয়া চৰকাৰৰ হঠকাৰী সিদ্ধান্ত। অসমৰ সমগ্ৰ শিক্ষা ব্যৱস্থাৰ বাবে আয়োগ গঠন কৰি আগবঢ়াই লৈ যাব লাগে। জেহাদী সন্দৰ্ভতো মন্তব্য সভাপতি নাথৰ। সদৌ অসম ছাত্ৰ সন্থাই আগৰ পৰাই জেহাদী, মৌলবাদীৰ কথা কৈ আহিছে। চৰকাৰে এতিয়াহে দেখিছে। এনে ব্যক্তি যিবিলাক অঞ্চলত আছে, শিক্ষানুষ্ঠানত আছে তেনে ব্যক্তিক শাস্তি দিয়ক। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰ প্ৰাপ্ত ন্যায়ধীশ বিপ্লৱ কুমাৰ শৰ্মা আৰু উপস্থিত থকা হোজাই জিলা ছাত্ৰ সন্থা কৰ্মকৰ্তাসকলে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৯০ শতাংশ লাভ কৰা হোজাই জিলাৰ ছাত্ৰ-ছাত্ৰীসকলক গামোচা মানপত্ৰৰে সম্বৰ্ধনা জনায় ।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৩১ জুলাই, দেওবাৰ, ২০২২ পৃষ্ঠা ১১



# মাতৃত্বৰ কথা ভাবিছে যদি

মনৰ অন্ধকাৰ দূৰ নকৰাকৈ কেতিয়াও এটা নতুন জীৱনক প্ৰাণ দিয়াৰ কথা চিন্তা নকৰিব। কিয়নো ইয়াৰ বাবে আপোনাৰ গৰ্ভস্থ সন্তান ক্ষতিৰ সন্মুখীন হ'ব পাৰে। সেই আশংকাই বেছি। তেনে জটিলতা যাতে আপোনাৰ সন্তানৰ নহওক, তাৰ কাৰণে মাতৃত্ব অৰ্জনৰ কথা চিন্তা কৰাৰ সময়তে চিকিৎসকৰ স'তে পৰামৰ্শ গ্ৰহণ কৰিবলৈ কেতিয়াও নাপাহৰিব। কিয়নো চিকিৎসকেহে আপোনাক সঠিকভাৱে আগুৱাই নিব পাৰিব। ইয়াৰ দ্বাৰাহে আপোনাৰ মনৰ অন্ধকাৰো দূৰ হ'ব। ফলত মাতৃ আৰু শিশুৰ কোনো ক্ষতি হোৱাৰ আশংকাও হ্ৰাস পাব। আমাৰ দেশৰ অধিকাংশ মহিলাই মাতৃত্ব অৰ্জনৰ পথত অগ্ৰসৰ হোৱাৰ সময়ত নিজৰ আসন্ন পৰিৱৰ্তনৰ বাবে কিদৰে প্ৰস্তুতি ল'ব লাগে, সেই বিষয়ে অজ্ঞ নহয় বা বুজিব নোৱাৰে। ফলত গৰ্ভাৱস্থাত নানা ধৰণৰ জটিলতাই মূৰ দাঙি উঠাৰ আশংকা বৃদ্ধি পায়। সেইবাবেই ভাবী মাতৃসকলক গৰ্ভাৱস্থা সংক্ৰান্তীয় নানা বিষয়া জানি ল'বলৈ চিকিৎসকে সততে পৰামৰ্শ দিয়ে। সেয়ে মাতৃত্ব অৰ্জনৰ কথা ভাবিলেই প্ৰথমে চিকিৎসকক কিছুমান প্ৰশ্ন সুধি লোৱা উচিত। সেই প্ৰশ্নবোৰ আৰু তাৰ উত্তৰ হৈছে—

## ভিটামিন ছাপ্লিমেণ্ট কেতিয়াৰ পৰা ল'ব লাগিব?

গৰ্ভাৱস্থাত মহিলাগৰাকীৰ শৰীৰত ইমানেই পৰিৱৰ্তন ঘটে যে নানা ধৰণৰ জটিলতাৰ সৃষ্টি হোৱাৰ আশংকা বৃদ্ধি পায়, তাৰ লগতে পুষ্টিৰ ঘাটতিও দেখা যায়। সেইবাবেই গৰ্ভাৱস্থাত চিকিৎসকে ভিটামিন ছাপ্লিমেণ্ট সেৱন কৰিবলৈ পৰামৰ্শ দিয়ে। এতিয়া প্ৰশ্ন হ'ল, এই ভিটামিন ছাপ্লিমেণ্ট কেতিয়াৰ পৰা গ্ৰহণ কৰা উচিত? বিশেষজ্ঞৰ মতে, মাতৃ হোৱাৰ পৰিকল্পনাৰ কথা ভবাৰ সময়ৰ পৰাই মহিলাগৰাকীয়ে ভিটামিন ছাপ্লিমেণ্ট আৰু ফলিক এচিডৰ ছাপ্লিমেণ্ট সেৱন কৰা উচিত। সন্তান প্ৰসৱ নোহোৱা পৰ্যন্ত এই ছাপ্লিমেণ্ট সেৱন কৰিব লাগে। অৱশ্যে এই ছাপ্লিমেণ্ট সেৱনৰ পৰিমাণ সন্দৰ্ভত চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ নাপাহৰিব।

## গৰ্ভাৱস্থাত ব্যায়াম কৰিব পাৰিনে?

চিকিৎসকৰ মতে, গৰ্ভাৱস্থাৰ সময়চোৱাত শৰীৰক সক্ৰিয় কৰি ৰখাটো অতিশয় প্ৰয়োজন। ইয়াৰ দ্বাৰা মাতৃ-শিশু উভয়ৰে শাৰীৰিক বিকাশ ঘটে। ফলত প্ৰসৱকালতো কোনো ধৰণৰ জটিলতা সৃষ্টিৰ আশংকা হ্ৰাস পায়। এতিয়া প্ৰশ্ন হ'ল, এনে অৱস্থাত সপ্তাহত কিমান ঘণ্টা শৰীৰ চৰ্চা কৰা উচিত? বিশেষজ্ঞৰ মতে, আসন্ন মাতৃগৰাকীয়ে যদি পাতলীয়া ব্যায়াম কৰে, তেন্তে তেওঁ সপ্তাহত ১৫০ মিনিট ব্যায়াম কৰিব পাৰে।



আনহাতে, গৰ্ভাৱতীগৰাকীয়ে যদি কঠিন ব্যায়াম কৰে, তেন্তে ভুলতো সপ্তাহত ৭৫ মিনিটৰ অধিক ব্যায়াম কৰিব নালাগে।

## ধূমপান সেৱন কৰিব পাৰিনে?

একাধিক গৱেষণা অনুসৰি, গৰ্ভাৱতী হোৱাৰ পূৰ্বে আৰু পাছৰ গৰ্ভাৱস্থাত যদি ধূমপান সেৱন কৰে, তেন্তে এফালে যিদৰে গৰ্ভপাতৰ আশংকা বাঢ়িব, সেইদৰে এট'পিক প্ৰেগনেন্সীৰ আশংকাও বাঢ়ে।প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে অত্যধিক ধূমপানৰ ফলত যিদৰে পুৰুষৰ শুক্ৰাণুৰ সংখ্যা হ্ৰাস পায়, সেইদৰে মহিলাসকলৰো মাৰাত্মক শাৰীৰিক ক্ষতি হয় বুলি বহু সমীক্ষাত তথ্য পোৱা গৈছে। ফলত মহিলাগৰাকী গৰ্ভাৱতী হোৱাৰ ক্ষেত্ৰত একাধিক জটিলতাই দেখা দিয়ে। কেৱল সেয়াই নহয়, এই কথাও প্ৰমাণিত হৈছে যে গৰ্ভাৱস্থাত ধূমপান কৰিলে শিশুৱে একাধিক জটিল সমস্যা লৈ জন্ম লোৱাৰো প্ৰবল আশংকা থাকে।

## মাতৃ হ'বলৈ ওজন কমাব লাগেনে?

নিশ্চিতভাৱে ওজন কমাব লাগিব। কাৰণ গৰ্ভাৱস্থাত স্বাভাৱিকভাৱেই শৰীৰৰ ওজন বৃদ্ধি পায়। সেয়ে মহিলাগৰাকীয়ে যদি আগৰে পৰাই মেদবহুলতাত ভুগি থাকে, তেন্তে ডাঙৰ বিপদৰ আশংকা আছে। সেইক্ষেত্ৰত আসন্ন মাতৃগৰাকী উচ্চ ৰক্তচাপ আৰু মধুমেহৰ দৰে ৰোগত আক্ৰান্ত হোৱাৰ আশংকা থাকে। তেতিয়া মাতৃগৰাকী যেনে শাৰীৰিক ক্ষতিৰ সন্মুখীন হয়, শিশুটিৰ শৰীৰতো তেনে বিৰূপ প্ৰভাৱ পৰে। সেয়ে সুস্থ শিশু জন্ম দিবলৈ হ'লে গৰ্ভধাৰণৰ পূৰ্বে শৰীৰৰ ওজন হ্ৰাস কৰিব লাগিব। অন্যথা মাতৃৰ লগতে আসন্ন সন্তানৰো বিপদ অনিবাৰ্য।

## সামান্য এলক'হল সেৱন কৰিব পাৰিনে?

বিশেষজ্ঞৰ মতে, গৰ্ভধাৰণৰ পূৰ্বে আৰু পৰৱৰ্তী সময়ত মহিলাগৰাকীয়ে মাত্ৰাধিকভাৱে এলক'হল সেৱন কৰিলে তেওঁৰ শৰীৰত কেতবোৰ নেতিবাচক পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰে। সেই নেতিবাচক পৰিৱৰ্তনৰ প্ৰভাৱ মাতৃ-সন্তান উভয়েই মাৰাত্মক ক্ষতিৰ সন্মুখীন হয়। সেয়ে গৰ্ভাৱস্থাত মাদক দ্ৰব্যৰ পৰা দূৰত থকাই শ্ৰেয়।

## মাতৃত্বৰ বাবে কিমান বয়সৰ প্ৰয়োজন?

বৰ্তমান সময়ত মহিলাসকল কৰ্মক্ষেত্ৰত ইমানেই সফল যে অধিকাংশ মহিলাই মাতৃত্ব অৰ্জনৰ ক্ষেত্ৰত বহু পলম কৰি পেলায়। সেইবাবেই সিংহভাগ মহিলাৰ মনতে প্ৰশ্নৰ জন্ম হ'বলৈ ধৰে যে অধিক বয়সত মাতৃ হ'বলৈ পৰিকল্পনা কৰিলে শিশুটিৰ ক্ষতি হোৱাৰ আশংকা থাকে নেকি? স্ত্ৰী-ৰোগ বিশেষজ্ঞৰ মতে, ৩০ বছৰৰ ভিতৰতে মাতৃ হোৱাৰ পৰিকল্পনা কৰা উচিত। কাৰণ এই সময়চোৱাত ডিম্বাণুৰ সংখ্যা সবাতোকৈ বেছি থাকে। ফলত মহিলাগৰাকী গৰ্ভাৱতী হোৱাৰ ক্ষেত্ৰত কোনো সমস্যাৰ সৃষ্টি নহয়। কিন্তু ৩০ বছৰৰ পাছত বয়স যিমানে বাঢ়ি গৈ থাকে, সিমানেই ডিম্বাণুৰ সংখ্যা হ্ৰাস পাবলৈ ধৰে। ফলত মাতৃত্ব অৰ্জনৰ ক্ষেত্ৰত একাধিক জটিলতাই মূৰ দাঙি উঠিব পাৰে। সেই বাবেই ৩০ বছৰৰ পূৰ্বে মাতৃত্ব অৰ্জনৰ পৰামৰ্শ দিয়া হয়।



পৰিসংখ্যা অনুসৰি পৃথিৱীত প্ৰতি চাৰিজনৰ ভিতৰত এজন লোক মানসিক ব্যাধিত আক্ৰান্ত। বিভিন্ন ধৰণৰ মানসিক বা আচৰণগত সমস্যা তেওঁলোকৰ মাজত দেখা যায়। এই পৃথিৱীত এনে কেতবোৰ অদ্ভুত ৰহস্যময় তথা বিৰল মানসিক ৰোগ আছে, যিবোৰৰ বিষয়ে আমাৰ অধিকাংশ মানুহেই অজ্ঞাত।

# বিৰল ৰহস্যময় মানসিক ৰোগ

### এডেল ছিণ্ড্ৰ'ম

ফৰাচী লেখক ভিক্টৰ হুগোৰ কন্যা এডেল হুগোৰ নামানুসাৰে এই ৰোগৰ নাম এডেল ছিণ্ড্ৰম (Adele Syndrome) হৈছে। এডেল ছিজ'ফ্ৰেনিয়াৰ আক্ৰান্ত আছিল। হয়তো ছিজ'ফ্ৰেনিয়াৰ কাৰণেই তেওঁৰ মাজত এক ধৰণৰ বিশেষ আসক্তিয়ে দেখা দিয়ে। যুৱতীগৰাকী এজন ব্ৰিটিছ সেনা বিষয়াৰ প্ৰেমত পৰে। সেই প্ৰেম ইমানেই তীব্ৰ আছিল যে সেনা বিষয়াজনে প্ৰত্যাখ্যান কৰাৰ বাবে এডেল প্ৰায় পাগল হৈ পৰিছিল। পাছত সেনা বিষয়াজনে যেতিয়া আন এগৰাকী যুৱতীক বিয়া কৰালে, উক্ত ৰোগৰ পৰিণতি স্বৰূপে এডেলক পগলা ফাটেকত ৰাখিবলগীয়া অৱস্থা হয়। তেতিয়াই তেওঁৰ সেই আচহুৱা মানসিক ৰোগবিধ ধৰা পৰে। সেয়ে এডেলৰ নামতে ৰোগবিধৰ নামকৰণ হয়।

প্ৰেমক কেন্দ্ৰ কৰি এনে ভয়াৱহ আসক্তি যে এক ধৰণৰ অসুস্থতা, সেয়া বহুতেই মানিবলৈ নিবিচাৰে। কিন্তু মনোৰোগ বিশেষজ্ঞই এক গৱেষণাত লাভ কৰা তথ্য অনুসৰি এই প্ৰেমৰ আসক্তি ধপাত, এলক'ল বা ক্ৰেপট'মেনিয়া আসক্তিৰ দৰেই ভয়াৱহ, যি ৰোগীৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ মাৰাত্মক ক্ষতি কৰে। এই ৰোগত আক্ৰান্ত ব্যক্তিজন বিষণ্ণতাত ভোগে। তেওঁলোকে নিজেই নিজক নানা ধৰণে কষ্ট দিয়ে, অবাস্তৱ কল্পনা কৰে, নিজকে বিভিন্ন ধৰণে ছলনা কৰে, কাৰো কোনো উপদেশ মানিবলৈ নিবিচাৰে, বেপৰোৱা আচৰণ কৰে, কাৰো স'তে মিলিব নোখোজে আৰু ভালপোৱা নাৰী বা পুৰুষজনৰ বাহিৰে পৃথিৱীৰ যাৱতীয় সকলোবোৰ বিষয়তে আগ্ৰহ হেৰুৱাই পেলায়।

হলিউদত 'দ্য ষ্টোৰী অৱ এডেল এইছ' নামৰ ছবিখনত এই ৰোগবিধ উপস্থাপন কৰা হৈছিল। ইয়াৰ উপৰি 'প্যাৰ তুনে ক্যা কিয়া' নামৰ বলিউদৰ ছবিখনত উৰ্মিলা মাতোণ্ডকাৰে এডেল ছিণ্ড্ৰ'ম ৰোগত আক্ৰান্ত এগৰাকী ৰোগীৰ চৰিত্ৰত অসাধাৰণ অভিনয় কৰিছিল।

### কুৱাছিম'ড' ছিণ্ড্ৰ'ম

কুৱাছিম'ড' ছিণ্ড্ৰ'ম (Quasimodo Syndrome) বা বডী ডিছমৰফিক ডিজ'ৰ্ডাৰ (Body Dismorphic Disorder) এনে এবিধ ৰোগ, যি ৰোগত আক্ৰান্ত হ'লে ৰোগীয়ে নিজৰে দোষ ক্ৰুটি বিচাৰি উলিয়াবলৈ বাউলি হৈ পৰে। নিজৰ সৰু-সৰু শাৰীৰিক ক্ৰুটিও আক্ৰান্ত ব্যক্তিজনৰ বাবে ডাঙৰ হৈ পৰে। এই ৰোগত আক্ৰান্ত ব্যক্তিয়ে সদায় দাপোণৰ সন্মুখত থিয় হয় আৰু বিভিন্ন ধৰণেৰে নিজৰ এনে কিছুমান শাৰীৰিক ক্ৰুটি বিচাৰি উলিয়ায়, যিবোৰ আচলতে তেওঁৰ মাজত নাই। ফটো উঠাৰ ক্ষেত্ৰত তেনে ৰোগীৰ প্ৰচুৰ অনীহা থাকে। কেমেৰাৰ সন্মুখত থিয় হ'ব নোখোজে, কিজানি ফটোত তেওঁৰ কিবা ক্ৰুটি ধৰা পৰে! নিজৰ চেহেৰাৰ মাত্ৰাধিক যত্ন ল'বলৈ আৰম্ভ কৰে। নিজৰ চেহেৰাক কেন্দ্ৰ কৰি অতিমাত্ৰা অসন্তুষ্টিৰ কাৰণে তেনে ৰোগীৰ প্ৰেমৰ সম্পৰ্কতো সমস্যাই দেখা দিয়ে। তেনে ৰোগীৰ মাজত আত্মমৰ্যাদাৰ অভাৱ ঘটে আৰু আনৰ সন্মুখলৈ যাবলৈ অস্বস্তি পায়। নিজৰ চেহেৰাত দেখা পোৱা কাল্পনিক ক্ৰুটিৰ বাবে তেওঁৰ সামাজিক জীৱন যাপনো ব্যাহত হয়।

### এৰ'ট'মেনিয়া

এৰ'ট'মেনিয়া (Erotomania) ৰোগত আক্ৰান্ত লোকে কোনোবাই তেওঁৰ প্ৰেমত পৰা বুলি সকলো সময়তে ধাৰণা কৰি থাকে। সেই বিশেষ নাৰী বা পুৰুষ আকৌ ৰোগীতকৈ অধিক সামাজিক মৰ্যাদাপূৰ্ণ (বিশেষকৈ কোনো চেলিব্ৰেটী) হোৱাৰে সম্ভাৱনা থাকে। অৰ্থাৎ পৰিচিত বা স্বল্প-পৰিচিত কোনোবা বিপৰীত লিংগৰ ব্যক্তিয়ে যদি ৰোগীৰ প্ৰতি স্বাভাৱিক সহানুভূতি, সৌজন্যতা বা আন্তৰিকতা দেখুৱায়, তেন্তে ধাৰণা কৰি লয় যে সেই ব্যক্তি আচলতে তেওঁৰ প্ৰেমত পৰিছে। ৰোগীয়ে কল্পনা কৰি থাকে, নিৰ্দিষ্ট পুৰুষ বা নাৰীগৰাকীয়ে তেওঁৰ প্ৰতি প্ৰেম-নিবেদনৰ বাবে নানা মাধ্যমেৰে বিভিন্ন ধৰণৰ গোপন ইংগিত দিছে। আনকি



কল্পিত ব্যক্তিয়ে যদি স্বাভাৱিকভাৱে 'না' শব্দটোও কয়, তথাপি ৰোগীয়ে কল্পনা কৰে যে সেয়া হয়তো কোনো গোপন ইংগিতেই আছিল। কোনো 'কোড মেচেজ'; যাৰ মাধ্যমেৰে সেই ব্যক্তিয়ে নিজৰ গোপন ভালপোৱা আনৰ পৰা আঁৰ কৰাৰ চেষ্টা কৰিছে বুলিহে তেওঁ ভাবে। হলিউদৰ 'ফ্ৰম দ্য লেণ্ড অৱ দ্য মুন' নামৰ ছবিখনত এই ৰোগ উপস্থাপন কৰা হৈছিল।

### কেপগ্ৰেছ ডিল্যুছন

যেতিয়া কোনো লোকে বাস্তৱত অস্তিত্ব নথকা ঘনিষ্ঠ কোনোবা, কোনো বন্ধু বা যমজ সকলো সময়তে কাষতে থকা বুলি ধাৰণা কৰে, তেন্তে সেই লোকজন কেপগ্ৰেছ ডিল্যুছন (Copgras Delution) ৰোগত আক্ৰান্ত হয়। ৰোগীয়ে বিভিন্ন ধৰণৰ বেয়া কাম কৰিবলৈ ধৰে, অথচ সেই কামবোৰ তেওঁৰ দ্বাৰাই হৈছে বুলি বুজিব নোৱাৰে। সেই বেয়া কামবোৰৰ বাবে ৰোগীয়ে সকলো সময়তে নিজৰ কাষতে থকা কাল্পনিক ব্যক্তিজনকে দোষাৰোপ কৰে। এই ৰোগ ছিজোফ্ৰেনিয়াত আক্ৰান্ত ৰোগীৰো হয়। হলিউদৰ 'দ্য ডাবল' নামৰ ছবিখনত এই ৰোগত আক্ৰান্ত এজন লোকৰ চৰিত্ৰ ফুটাই তোলা হৈছিল।

### ফ্ৰেগ'লি ডিল্যুছন

ফ্ৰেগ'লি ডিল্যুছন (Fregoli Delution) বা 'দ্য ডিল্যুছন অৱ ডাবল্‌ছ, (The Delution of Doubles) এনে এবিধ মানসিক ৰোগ, যি ৰোগত আক্ৰান্ত ব্যক্তিয়ে সকলো সময়তে কল্পনা কৰি থাকে যে কিছুমান মুখাপিন্ধা মানুহে তেওঁক প্ৰতিক্ষণতে অনুসৰণ কৰি থাকে। কোনো উদ্দেশ্য পূৰণৰ বাবে বিভিন্ন লোকে বা একেজন লোকে সঘনাই মুখা, মেকআপ বা পোছাক সলনি কৰি চেহেৰা পৰিৱৰ্তনৰ মাধ্যমেৰে তেওঁক অনবৰত অনুসৰণ কৰি থাকে বুলি ৰোগীজনে ধাৰণা কৰে। ১৯৭২ত এই ৰোগ প্ৰথম চৰ্চালৈ আহে। এগৰাকী কিশোৰীয়ে কল্পনা কৰিবলৈ আৰম্ভ কৰিছিল তেওঁ যি যেতিয়াই কোনো নাটক চাবলৈ যায়, সেই নাটকৰ দুজন অভিনেতাই তেওঁৰ কোনো পৰিচিত লোকৰ বেশ ধৰি কোনো উদ্দেশ্য পূৰণৰ বাবে কিশোৰীগৰাকীক অনুসৰণ কৰি থাকে।

### ক্ৰিপ্‌ট'মনেছিয়া

কোনো এটা নিৰ্দিষ্ট ঘটনা ঠিক কেতিয়া বা ক'ত ঘটিছিল, সেই কথা মনত পেলাব নোৱাৰে ক্ৰিপ্‌ট'মনেছিয়া (Cryptomnesia) ৰোগত আক্ৰান্তই। উদাহৰণস্বৰূপে, ৰোগীজনে যদি কোনো এখন গ্ৰন্থ পঢ়িছিল, তেন্তে তেওঁ সেই গ্ৰন্থখনৰ কথাবোৰ বা বিষয়বস্তু মনত পেলাব পাৰিলেও, গ্ৰন্থত থকা ঘটনাবোৰ মনলৈ নাহে। সেই ঘটনা সত্য নে কল্পনা, সেই কথা মনত পেলাব নোৱাৰে। অথৎ কোনো বিষয় বা ঘটনাৰ উৎস সম্পৰ্কে ৰোগীজন নিশ্চিত হ'ব নোৱাৰে। কোনো বস্তু বা চিন্তা তেওঁৰ নিজৰ নে আন কাৰোবাৰ পৰা পোৱা, সেই কথাও তেওঁৰ মনত নপৰে। ই প্ৰকৃততে একপ্ৰকাৰৰ স্মৃতিশক্তিৰ অক্ষমতা। এই ৰোগে এজন লোকক এনে অৱস্থালৈ লৈ যায় যে সেই অৱস্থাৰ অতি পৰিচিত কোনো স্থান বা মানুহক দেখিলে তেওঁৰ বাবে অপৰিচিত যেন অনুভৱ হয়। এই ৰোগত আক্ৰান্ত ৰোগীৰ অৱস্থা দেখা গৈছিল 'দ্য ছায়েন্স অৱ শ্লিপ' নামৰ ছবিখনত।

### এলিচ ইন ৱণ্ডাৰলেণ্ড ছিণ্ড্ৰ'ম

এলিচ ইন ৱণ্ডাৰলেণ্ড ছিণ্ড্ৰ'ম (Alice in Wonderland Syndrome) ত ভোগা লোকে নিজকে তথা চৌপাশৰ সকলোবোৰ বেলেগ ৰূপত দেখে। অৰ্থাৎ কোনো বস্তু বা কোনো স্থানৰ সঠিক অৱস্থা বা আকৃতি সম্পৰ্কে তেওঁৰ কোনো ধাৰণা নাথাকে। সকলো বস্তুকে অতিশয় ডাঙৰ বা একেবাৰে সৰু যেন অনুভৱ হয়। আকৌ দূৰৰ বস্তু এটাকো হাতৰ কাষতে থকা যেন অনুভৱ হয়। এই ৰোগে সবাতোকৈ ভয়ানক ধাৰণ কৰে, যেতিয়া ৰোগীয়ে নিজৰ শৰীৰৰ আকৃতিও সঠিক ৰূপত নিৰ্ণয় কৰিব নোৱৰা হৈ পৰে।

### অৱছেছিভ-কম্পালছিভ ডিজ'ৰ্ডাৰ

অৱছেছিভ-কম্পালছিভ ডিজ'ৰ্ডাৰ (Obsessive compulsive disorder) এনে এবিধ মানসিক সমস্যা, যাৰ ফলত ৰোগী সকলো ক্ষেত্ৰতে অত্যধিক বেছি উদ্বিগ্ন হৈ পৰে। দুশ্চিন্তা আৰু উদ্বেগৰ মাত্ৰা ইমানেই বেছি যে তাৰ ওপৰত ৰোগীৰ কোনো ধৰণৰ নিয়ন্ত্ৰণ নাথাকে। তেওঁ সেই সমস্যাৰ পৰা মুক্তও হ'ব নোৱাৰে। ফলত নিজস্ব মানসিক শান্তিৰ বাবে তেওঁ একেই চিন্তা- কামবোৰ বাৰে বাৰে কৰি থাকে। এই ৰোগত আক্ৰান্ত ব্যক্তিজনে বুজিব পাৰে যে দুশ্চিন্তাৰ কোনো কাৰণ নাই আৰু একেটা কাম বাৰে বাৰে কৰাৰ প্ৰয়োজন নাই। তথাপি তেওঁ কোনোপধ্যেই দুশ্চিন্তাৰ পৰা মুক্ত হ'ব নোৱাৰে। ইপিনে, এই দুশ্চিন্তা এটা সময়ত ইমানেই অসহনীয় হৈ উঠে যে সেই কামকে সঘনাই কৰিবলৈ ধৰে।

### পেৰাফ্ৰেনিয়া

পেৰাফ্ৰেনিয়া (Paraphrenia) নামৰ বিৰল মানসিক ৰোগবিধত আক্ৰান্ত ৰোগীজন যিকোনো ধৰণৰ ভ্ৰমৰ চিকাৰ হ'ব পাৰে। ইয়াৰ দ্বাৰা তেওঁ নিজকে বৰ মহান ব্যক্তিৰূপে কল্পনা কৰে। ছদ্ম হালুছিনেছন আৰু ভুৱা স্মৃতিশক্তিৰ দ্বাৰা ৰোগীজন বিভ্ৰান্ত হ'বলৈ ধৰে। তেওঁ নিজকে বিশ্বব্ৰহ্মাণ্ডৰ অধিপতি বুলি কল্পনা কৰে আৰু নিজে অমৰ বুলি ভাবে। নিজৰ কোনো ঐশ্বৰিক ক্ষমতা আছে, তেওঁ বহু বিখ্যাত গ্ৰন্থৰ লেখক আদি কল্পনাবোৰো ৰোগীৰ মনত থাকে। ৰোগীৰ বৰ্তমানৰ সাধাৰণ পৰিচয়ৰ অন্তৰালত কোনো এক অসাধাৰণ পৰিচয় আছে বুলি তেওঁ বিশ্বাস কৰিবলৈ ধৰে। এই মানসিক ৰোগত আক্ৰান্ত ব্যক্তিসকল অত্যন্ত খঙাল আৰু গোড়া প্ৰকৃতিৰ হয়। তেওঁলোকৰ মনোভাব বহু ৰহস্যময়ো হয়।

### মাল্টিপল পাৰ্ছনেলিটী ডিজ'ৰ্ডাৰ

মাল্টিপল পাৰ্ছনেলিটী ডিজ'ৰ্ডাৰ (Myltiple personality disorder) বা ডিছ'চিয়েটি আইডেণ্টিটী ডিজ'ৰ্ডাৰ (Desochietive Identity Disorder) এবিধ বিৰল মানসিক ৰোগ। এই ৰোগত আক্ৰান্ত লোকৰ আচৰণ বিভিন্ন ভাগত ভাগ হৈ পৰে। অৰ্থাৎ একেজন ব্যক্তিৰ আচৰণত বিভিন্ন ধৰণৰ ব্যক্তিত্বৰ প্ৰকাশ ঘটে। ক'ব পাৰি 'একেটা শৰীৰতে বিভিন্ন মানুহৰ বাস'। এই ৰোগক স্প্ৰিট পাৰ্ছনেলিটী বুলিও কয়। একেজন ব্যক্তিৰ শৰীৰত বাস কৰা সেই ভিন্ন লোকসকলৰ বয়স, লিংগ, জাতীয়তা, মানসিক অৱস্থা, মন-মেজাজ, জগতখন চোৱাৰ দৃষ্টিভংগী আদি সম্পূৰ্ণ পৃথক হয়। শিশুকালত ভয়ানক শাৰীৰিক আৰু মানসিক চাপৰ মাজেৰে দিন অতিবাহিত কৰাৰ কাৰণে নিজক ৰক্ষাৰ তাগিদাতে শিশুসকলৰ মাজত এই ৰোগ পালিত হ'ব পাৰে। এইবিধ ৰোগৰ সবাতোকৈ চৰ্চিত ঘটনা সংঘটিত হয় ১৯৭০ত।



# গৰ্ভনিৰোধকৰ বিষয়ে নজনা তথ্য

কনড'ম বাৰু কেৱল পুৰুষেহে ব্যৱহাৰ কৰে নেকি? গৰ্ভনিৰোধক টেবলেট সেৱন কৰিলে বাৰু মহিলাৰ পৰৱৰ্তী সময়ত গৰ্ভধাৰণৰ ক্ষমতা হ্ৰাস পায় নেকি? মাহেকীয়া ঋতুস্ৰাৱৰ সময়ত যৌন মিলন ঘটিলে গৰ্ভধাৰণ হয় নেকি? এনে বহু প্ৰশ্নৰে উত্তৰ হয়তো সকলোৰে বাবে জ্ঞাত নহয়। গৰ্ভনিৰোধক পদ্ধতিক কেন্দ্ৰ কৰি আমাৰ সমাজত আজিও অনেক ভ্ৰান্ত ধাৰণা আছে। লগতে আছে সজাগতাৰ অভাৱ। শেহতীয়াকৈ এক ৱেবছাইটত গৰ্ভনিৰোধক সম্পৰ্কীয় এটা প্ৰতিবেদনত নানা অজান তথ্য দাঙি ধৰিছে। যিবোৰ তথ্য প্ৰকৃততে সকলো প্ৰাপ্তবয়স্ক লোকেই জনা উচিত। গৰ্ভনিৰোধক ব্যৱহাৰক কেন্দ্ৰ কৰি বিভিন্ন লোকৰ মনত থকা ভ্ৰান্ত ধাৰণাসমূহেই উক্ত প্ৰতিবেদনত উল্লেখ কৰা হৈছে। কি এই ভ্ৰান্ত ধাৰণা?

### গৰ্ভনিৰোধক সেৱনৰ বাবে ওজন বাঢ়ে

বহুতৰ মনতে ধাৰণা আছে, গৰ্ভনিৰোধক টেবলেট সেৱন কৰিলে শৰীৰৰ ওজন বৃদ্ধি পায়। আচলতে সেয়া সত্য নহয়। গৱেষণাত স্পষ্ট ৰূপত ওলাই পৰিছে যে নিয়মিতৰূপে গৰ্ভনিৰোধক টেবলেট সেৱন কৰিলেও মহিলাৰ ওজন বৃদ্ধি নহয়। বৰঞ্চ তেওঁলোকে স্বাভাৱিক খাদ্যই গ্ৰহণ কৰিব পাৰে।

### সন্তানধাৰণৰ ক্ষমতা হ্ৰাস পায়

নিয়মিতৰূপে গৰ্ভনিৰোধক টেবলেট সেৱন কৰিলে মহিলাৰ সন্তানধাৰণৰ ক্ষমতা হ্ৰাস পায় বুলি বহুতৰে ভ্ৰান্ত ধাৰণা আছে। কিন্তু বিশেষজ্ঞসকলে দাবী কৰে যে ইয়াৰ কোনো প্ৰভাৱ ৫০ শতাংশ মহিলাৰ ক্ষেত্ৰতে নপৰে। পৰীক্ষাত দেখা গৈছে যে অধিকাংশ মহিলাই গৰ্ভনিৰোধক টেবলেট খোৱা বন্ধ কৰাৰ তিনিৰ পৰা ছমাহৰ ভিতৰত গৰ্ভধাৰণ কৰিছে।

### নিয়মিতৰূপে গৰ্ভনিৰোধক টেবলেট সেৱন অনুচিত

বহুতে আকৌ ধাৰণা কৰে যে নিয়মিতৰূপে গৰ্ভনিৰোধক টেবলেট সেৱন কৰাটো স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক। অথচ বিশেষজ্ঞৰ মতে, সেয়া কোনো কথাই নহয়। বৰঞ্চ মাজতে চাৰি-পাঁচ দিন বাদ দিয়াৰ পাছত পুনৰ সেৱন কৰিবলৈ ল'লেহে ক্ষতিকাৰক হ'ব পাৰে। এইক্ষেত্ৰত গৰ্ভধাৰণৰ সম্ভাৱনাও থাকে। বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে যে নিয়মিতৰূপে গৰ্ভনিৰোধক টেবলেট সেৱন কৰা মহিলাই সন্তানধাৰণৰ সিদ্ধান্ত নল'লে টেবলেট সেৱন বন্ধ কৰাৰ কোনো কাৰণ নাই।

### ঋতুস্ৰাৱকালীন মিলনত গৰ্ভধাৰণ নহয়

ই একেবাৰে ভুল ধাৰণা। কোনো মহিলাৰ ঋতুস্ৰাৱ অনিয়মীয়া হ'লে



চিকিৎসকে গৰ্ভনিৰোধক টেবলেট সেৱনৰ পৰামৰ্শ দিয়ে। সেই টেবলেট সেৱন কৰিলে ঋতুস্ৰাৱ নিয়মীয়া হয়। আন এটা বিষয় হ'ল, ঋতুস্ৰাৱৰ সময়তে মহিলাই যৌন মিলনত লিপ্ত হ'লে তেওঁৰ যৌনাংগত শুক্ৰাণু জীৱিত হৈ থাকে। ইয়াৰ ফলত গৰ্ভধাৰণৰ সম্ভাৱনা থাকিয়ে যায়।

### স্তন কৰ্কটৰ সম্ভাৱনা বৃদ্ধি কৰে

বহুতেই ভাবে যে গৰ্ভনিৰোধক টেবলেটে স্তনৰ কৰ্কট ৰোগৰ আশংকা বৃদ্ধি কৰে। অৱশ্যে এয়া একেবাৰে ভ্ৰান্ত ধাৰণা। বৰঞ্চ এক গৱেষণাত দেখা গৈছে যে যিসকল মহিলাই গভ৪নিৰোধক টেবলেট নিয়মিতৰূপে সেৱন কৰে, তেওঁলোক স্তন কৰ্কটত আক্ৰান্ত হোৱাৰ আশংকা আনৰ তুলনাত বহু কম।

### কনড'ম কেৱল পুৰুষৰে থাকে

কনড'ম কেৱল পুৰুষৰ ব্যৱহাৰৰ বাবেই বুলি বাৰু আপুনি ভাবে নেকি? যদি ভাবে, তেন্তে ভুল ভাবিছে। কিয়নো মহিলাৰ বাবেও কনড'ম আছে। এই কনড'ম মহিলাৰ যৌনাংগত স্থাপন কৰিব লাগে। ইয়াৰ কোনো পাৰ্শ্ব-প্ৰতিক্ৰিয়াও নাথাকে।

### দুটা কনড'মত অতিৰিক্ত সুৰক্ষা

এটাৰ পৰিৱৰ্তে একেলগে দুটা কনড'ম ব্যৱহাৰ কৰাটো অধিক সুৰক্ষিত বুলিও বহুতে ধাৰণা কৰে। অৱশ্যে এই ধাৰণা সম্পূৰ্ণ অমূলক। কাৰণ জন্ম নিয়ন্ত্ৰণৰ বাবে এটা কনড'মেই যথেষ্ট। বৰঞ্চ দুটা কনড'ম একেলগে ব্যৱহাৰ কৰাৰ ফলত কেনেবাকৈ ফাটি গ'লে বিপত্তিহে বাঢ়ে।

# গৰমতো আকৰ্ষণীয় হৈ থাকিবলৈ



গৰমৰ দিনবোৰ আৰম্ভ হৈছেহে; অথচ এতিয়াৰে পৰাই গাত অস্বত্বিভাবৰ সৃষ্টি হ'বলৈ ধৰিছে। শৰীৰত পানীৰ পৰিমাণ কমি যোৱাৰ ফলত হাত-ভৰিৰ ত্বকো শুকান হৈ পৰিবলৈ ধৰিছে। শীতকালৰ মইশ্চাৰাইজাৰ সনাৰ সময়ো ইতিমধ্যে আঁতৰিছে। সেই শুকান ছালৰ বাবে অস্বস্তিৰ সৃষ্টি হোৱাৰে কথা। অৱশ্যে সমস্যা বুলি ভাবি অস্বস্তি প্ৰকাশ কৰি বহি থাকিলেইতো নহ'ব! সমাধানো বিচাৰিব লাগিব। গৰমৰ দিনতো ত্বক নমনীয় আৰু আকৰ্ষণীয় কৰি ৰাখিবলৈ হ'লে কি কি কৰা আৱশ্যক, সেয়াও এবাৰ চাই লোৱা উচিত।

গৰমৰ দিনবোৰত প্ৰখৰ ৰ'দৰ বাবে ত্বক পুৰি যোৱাৰ সম্ভাৱনা অধিক। গৰমৰ আতিশয্যৰ বাবে কেতিয়াবা দীঘল হাতৰ চোলা পিন্ধিবলৈকো মন নাযায়। সেইদৰে ছাতি, ছানগ্লাছ আদিও কেতিয়াবা বোজাস্বৰূপ হৈ পৰে। যেতিয়াৰ পৰাই আপুনি এই জৰুৰী বস্তুসমূহ বোজা বুলি ভাবিবলৈ আৰম্ভ কৰিব, তেতিয়াৰ পৰাই আপোনাৰ কোমল ত্বকৰো অৱস্থা হ'বলৈ ধৰিব। যি ত্বকৰ বাবে ২৫-২৬ বছৰ বয়সীয়া যুৱতীৰ প্ৰতিও মানুহৰ যোড়শীৰ দৰে আকৰ্ষণৰ সৃষ্টি হয়, যি ত্বকৰ ফালে চালে এটা সময়ত দৃষ্টিও পিছলি গৈছিল, সেই ত্বকেই হয়তো লজ্জাৰ কাৰণ হৈ পৰে। কিন্তু মুখ লুকুৱাই ফুৰিলে সমস্যাও নাথাকিব বুলিতো কোনো কথা নাই! সেই বাবেই আমাক সমাধানৰো প্ৰয়োজন।

সচৰাচৰ প্ৰকৃতিয়ে আমাৰ শৰীৰত মইশ্চাৰাইজৰ ব্যৱস্থা কৰিয়ে পৃথিৱীলৈ প্ৰেৰণ কৰে। সেই সহজাত মইশ্চাৰ যদি বিপন্ন হয়, তেন্তে জীৱনো বিপন্ন হ'বলৈ বাধ্য! কি এই মইশ্চাৰ? সেয়া হ'ল পানী। গৰমৰ দিনত ঘামৰ কাৰণে যিদৰে শৰীৰত পানীৰ পৰিমাণ দ্ৰুতগতিৰে কমিবলৈ ধৰে, সেইদৰে শুকান গৰমতো পানীৰ পৰিমাণ হ্ৰাস পায়। ইয়াৰ ফলত সঘনাই পানী পান কৰাৰ প্ৰৱণতা বৃদ্ধি পায়। দিনে কমেও সাত-আঠ গিলাচ পানী পান কৰিলেহে এই অভাৱ দূৰ হ'ব পাৰে। মনত ৰাখিব, শৰীৰৰ পৰা পানী ওলাই গৈ আছে, অথচ সেয়া পূৰণ কৰিবলৈ কোনো ধৰণৰ চেষ্টা কৰা নাই; সেই মানসিকতা অক্ষুণ্ণ ৰাখিলে সোনকালে অসুস্থ হৈ পৰিব পাৰে। একেসময়তে স্বাভাৱিক কমনীয়তা হেৰুৱাই ত্বকত অকাল জৰাগ্ৰস্ততাৰ লক্ষণ ফুটি উঠিব পাৰে। সেয়ে গৰমৰ দিনবোৰত পৰ্যাপ্ত পৰিমাণৰ পানী গ্ৰহণ কৰিব লাগে। ইয়াৰ উপৰি পানীৰ অভাৱ পূৰণ কৰিবলৈ ফলৰ ৰস, এল'ভেৰাৰ ৰস আদিও পান কৰিব পাৰে। আঙুৰ, তিয়ঁহ, জামু, আনাৰস, ছিৰাল, তৰমুজ, আপেল, ৰঙা কেপ্‌ছিকাম খাব লাগে। ডায়েটত ফলমূল থাকিলে শৰীৰত জলয়ী দ্ৰৱণৰ সমতা অটুট থাকে। ত্বকো সজীৱ হৈ থাকে। সেয়ে উৎকট গৰমত শৰীৰ সতেজ কৰি ৰাখিবলৈ ফল আৰু পানী সম পৰিমাণে গ্ৰহণ কৰিব লাগে। পাৰিপাৰ্শ্বিক বতৰত গৰম থাকিলেও ভিতৰৰ পৰা আপুনি ঠাণ্ডা হৈ থাকিব পাৰিব। শৰীৰো থাকিব সুস্থ।

ইয়াৰ উপৰি গৰমত ত্বক সুস্থ কৰি ৰাখিবলৈ অতিৰিক্ত ছ'ডিয়ামযুক্ত খাদ্যৰ পৰা দূৰত থাকিব। কম ৰাসায়নিকযুক্ত ফ্ৰেছৱাছ ব্যৱহাৰ কৰিব। ইউ ভি এ আৰু ইউ ভি বিৰ পৰা ৰক্ষা পাবলৈ এছ পি এছ-৩০ৰ বেছি ছানস্ক্ৰীণ লোচন ব্যৱহাৰ কৰিব। দিনৰ বেলা বাহিৰলৈ ওলালে প্ৰতি চাৰি ঘণ্টাৰ অন্তৰালত নতুনকৈ ছানস্ক্ৰীণ ব্যৱহাৰ কৰিব। শৰীৰত জলীয় দ্ৰৱণৰ মাত্ৰা সঠিক ৰাখিবলৈ হ'লে গ্ৰীণ-টি পান কৰিব পাৰে। গ্ৰীণ-টিত বৃহৎ পৰিমাণৰ শীতলীকৰণ শক্তি আছে। গৰমৰ দিনত শৰীৰৰ তাপমাত্ৰা স্বাভাৱিকভাৱে ৰাখিবলৈ হ'লে গ্ৰীণ-টিয়ে ত্বক নিমজ কৰি ৰাখে। গৰমত ত্বকৰ যি ক্ষতিসাধন হয়, সেয়া পূৰণ কৰাত গ্ৰীণ-টি সিদ্ধহস্ত। পানীত গুড়ি কৰা চেনি আৰু গ্ৰীণ টি মিহলাই এটা মিশ্ৰণ তৈয়াৰ কৰি ত্বকত সানিব। এই মিশ্ৰণে স্ক্ৰেবাৰৰ কাম কৰে। নিয়মিতৰূপে ব্যৱহাৰ কৰিলে অভাৱনীয় ফল লাভ কৰিব। ত্বকৰ অনাকাংক্ষিত স্কিন টোনৰ সমস্যাৰ পৰা ৰক্ষা কৰাত এই ঘৰুৱা প্ৰয়োগ অতি উপযোগী। একে সময়তে ত্বকৰ ক'লা দাগো দূৰ কৰি উজ্জ্বলতা আনি দিয়ে।

# গোৰোহাৰ যন্ত্ৰণাত ভুগিছে!

অতি স্বাভাৱিক বুলি ক'ব পাৰি, কিয়নো বৰ্তমান সময়ত অধিকাংশ লোককে এই সমস্যাত আক্ৰান্ত হোৱা পৰিলক্ষিত হয়। গোৰোহাৰ যন্ত্ৰণাক ইংৰাজীত কোৱা হয় 'হীল পেইন'। গোৰোহাৰ যন্ত্ৰণা সাধাৰণতে অনুভৱ হয় গোৰোহা বা গেৰোৱাৰ তলৰ ফালে বা পাছফালে। যদি আপোনাৰ গোৰোহাৰ বিষ তলৰ ফালে আছে, তেন্তে বুজিব যে ইয়াৰ কাৰণ হ'ল প্লেণ্টাৰ ফাছাইটিছ। এইক্ষেত্ৰত খোজকাঢ়িলে গোৰোহাৰ যন্ত্ৰণা বাঢ়ে, পুৱাৰ ভাগত যন্ত্ৰণা বেছি থাকে আৰু সময় আগবঢ়াৰ লগে লগে বিষ কিছু পৰিমাণে কমিবলৈ ধৰে। কেতিয়াবা গোৰোহা কঠিন যেন অনুভৱ হয় আৰু টান জোতা পৰিধান কৰিলে বিষ বৃদ্ধি পায়। কোনো কোনো সময়ত গোৰোহা ফুলিও উঠে। আনহাতে, একিলিছ টেণ্ডিনাইটিছ হ'লে ভৰিৰ গোৰোহাৰ পাছফালৰ অংশত যন্ত্ৰণা অনুভৱ হয়। এই যন্ত্ৰণা অনুভৱ হয় গোৰোহাৰ হাড়ৰ স'তে একিলিছ টেণ্ডন যুক্ত হোৱা অংশত। গোৰোহাৰ যন্ত্ৰণাই এজন লোকৰ বাবে প্ৰবল সমস্যাৰ সৃষ্টি কৰিব পাৰে। আনকি বহুতৰে এই যন্ত্ৰণাত কাতৰ হৈ খোজকাঢ়িব নোৱৰা অৱস্থাও হয়।

### গোৰোহাৰ যন্ত্ৰণাৰ কাৰণ

কেলকেনিয়াম বা গোৰোহাৰ হাড়ত আৰু ভৰিৰ পতাৰ মাংসপেশীত কোনো সমস্যা হ'লে সামান্যৰ পৰা মাৰাত্মক ধৰণৰ যন্ত্ৰণা হ'ব পাৰে।আমাৰ শৰীৰৰ সকলো ভৰ পৰে গোৰোহা আৰু ভৰিৰ পতাত। সেয়ে গোৰোহাত যন্ত্ৰণা হ'লে সেই গোৰোহাত ভৰ দি খোজকঢ়া, দৌৰা বা কোনো কামকাজ কৰাত ৰোগী অসমৰ্থ হৈ পৰে। গোৰোহাৰ যন্ত্ৰণা বিভিন্ন কাৰণত হ'ব পাৰে। অৱশ্যে সাধাৰণ কাৰণবোৰ হ'ল—

⇨ একিলিছ টেণ্ডাইটিছ। এইক্ষেত্ৰত একিলিছ টেণ্ডনত প্ৰদাহজনিত কাৰণত যন্ত্ৰণা হয়। এই বিষ অত্যন্ত তীব্ৰ।

⇨ একিলিছ টেণ্ডন ৰেপচাৰ। এইক্ষেত্ৰত একিলিছ টেণ্ডন ছিঙি যায়।



⇨ আঘাতজনিত কাৰণ। এইক্ষেত্ৰত গোৰোহাত আঘাত লাগিলে বিষ অনুভৱ হয়। হাড় ভাঙিলে বা চাপ পৰিলেও যন্ত্ৰণাৰ সৃষ্টি হয়।

⇨ হাড়ৰ টিউমাৰ, বাৰ্ছাইটিছ, ফ্ৰাইব্ৰ'মায়ালজিয়া, গোৰোহাৰ হাড় ভঙা, গাউট ইত্যাদি আৰু গোৰোহাৰ পেড ছিঙি যোৱা।

⇨ হীল স্পাৰ। দীৰ্ঘদিন ধৰি প্লাণ্টাৰ ফাছাইটছ থাকিলে, ফাছা টিছ্যু বেণ্ড যি স্থানত আপোনাৰ হীল ব'ন বা গোৰোহাৰ হাড়ৰ স'তে সংযুক্ত হয়, সেই স্থানত হীল স্পাৰ (কেলছিয়াম জমা হোৱা) গঠন হ'ব পাৰে। আপোনাৰ হাড়ৰ উদ্ভেদ চোৱাৰ বাবে এক্স-ৰে' কৰাব পাৰে। এই উদ্ভেদ বা প্ৰকটন বিভিন্ন জোখৰ হ'ব পাৰে।

⇨ অষ্টিঅ'মাইলাইটিছ। ই হ'ল হাড়ৰ সংক্ৰমণ আৰু প্ৰান্তিক স্নায়ুৰ সমস্যা।

### কেতিয়া চিকিৎসকক দেখুৱাব

⇨ আপোনাৰ গোৰোহাৰ আশে-পাশে প্ৰচণ্ড বিষ হ'লে আৰু ফুলি উঠিলে।

⇨ যদি আপুনি আপোনাৰ ভৰিৰ পতা বেঁকা কৰি তলৰ ফালে নমাব নোৱাৰে, ভৰিৰ আঙুলি দাঙিব নোৱাৰে বা ভালদৰে খোজকাঢ়িব নোৱাৰে।

⇨ যদি আপোনাৰ গোৰোহাৰ যন্ত্ৰণাৰ লগতে জ্বৰ উঠে, গোৰোহা ক্ৰমশঃ অৱশ হৈ পৰে বা ঝিনঝিননি অনুভৱ হয়।

### গোৰোহাৰ বিষ সমস্যাজনক বুলি কেনেকৈ বুজিব

⇨ আপুনি খোজ নাকাঢ়িলেও বা থিয় হৈ নথকা অৱস্থাতো যদি আপোনাৰ গোৰোহাত অবিৰতভাৱে যন্ত্ৰণা থাকে।

⇨ আপুনি বিশ্ৰাম গ্ৰহণ কৰা, বৰফ লগোৱা বা অন্যান্য ঘৰুৱা চিকিৎসা গ্ৰহণ কৰাৰ পাছতো গোৰোহাৰ যন্ত্ৰণা কে'বা সপ্তাহলৈ স্থায়ী হৈ থাকে।

চিকিৎসা

## বান সাহায্য প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ৩০ জুলাইঃ** দৰং জিলাৰ অন্যতম স্বেচ্ছাসেৱী বিশেষভাৱে সক্ষম শিশুসকলৰ অভিলাষী অনুষ্ঠান আশাজ্যোতিৰ উদ্যোগত আৰু আইডিয়া-দ্য এন্ট আৰু কেৰিং ফেঞ্চ মুম্বাইৰ সহযোগত এইবেলি বানত ক্ষতিগ্ৰস্ত হোৱা ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত শ'লপাম আৰু বচাচুৰা গাঁৱত ৩০০ টা পৰিয়ালৰ মাজত বানসাহায্য বিতৰণ কৰা হয়। সাহায্য বিতৰণৰ সময়ত আশাজ্যোতিৰ সঞ্চালক, সভাপতি যোগেন্দ্ৰ বণিয়া উপস্থিত থাকে।

## ধিঙৰ এখন বিদ্যালয় বন্ধ কৰি অন্য বিদ্যালয়ত সংলগ্ন কৰাক লৈ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**

**ধিং, ৩০ জুলাই ঃ** জুৰীয়া প্ৰাথমিক শিক্ষাখণ্ড অন্তৰ্গত ৰৌমাৰী পাম এলপি স্কুলখন শিক্ষা বিভাগে বন্ধ কৰি সৰু ৰাধাআটি উমেদ আলী এল পি স্কুলত চামিল কৰাক লৈ সম্প্ৰতি স্থানীয় ৰাইজৰ মাজত অব্যাহত আছে তীব্ৰ প্ৰতিক্ৰিয়া। ২০০৩ত স্থাপিত স্কুলখনত শিক্ষাৰ্থীৰ সংখ্যা কমি যোৱাত সৰু ৰাধাআটি বিদ্যালয়ত চামিল কৰে শিক্ষা বিভাগে। অতি পৰিতাপৰ কথা যে ৰৌমাৰী পামৰ পৰা সৰু ৰাধাআটি স্কুললৈ যোৱাৰ কোনো পথ নাই। পথৰ মাজত বছৰটোৰ অধিক সময়ে একাঁঠু পানী জমা হৈ থকাৰ বাবে প্ৰায় শতাধিক কণ কণ শিক্ষাৰ্থী এক বিপদ সংকুল অৱস্থাত শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছে। সেয়ে ৰৌমাৰী পামৰ অভিভাৱকসকলে কণ কণ ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ত শিক্ষা গ্ৰহণৰ পৰিৱৰ্তে ঘৰতে ৰাখিবলগীয়া হৈছে। এতিয়া এই কণ কণ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা বিভাগৰ এই সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদত নামিবলগীয়া হোৱা ঘটনাই সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## তিনিচুকীয়াত কৃষিমন্ত্ৰী বৰাৰ পেঞ্চন সেৱা কেন্দ্ৰৰ উদ্বোধন

### পেঞ্চন সেৱা কেন্দ্ৰত অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীসকলৰ পেঞ্চন সংক্ৰান্তীয় সকলো প্ৰকাৰৰ সুবিধা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ



**অগ্ৰদূত বাৰ্তা**

**ডুমডুমা, ৩০ জুলাই ঃ** অসম চৰকাৰৰ কৃষি আৰু উদ্যান শস্য, পশু চিকিৎসা আৰু নগৰ পৰিকল্পনা দপ্তৰৰ মন্ত্ৰী তথা তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী অতুল বৰাই তিনিচুকীয়া সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত কৃতজ্ঞতা পেঞ্চন সেৱা কেন্দ্ৰ উদ্বোধন কৰে। তিনিচুকীয়া জিলা প্ৰশাসন আৰু তিনিচুকীয়া জিলা শিক্ষা বিভাগৰ ব্যৱস্থাপনাত এই পেঞ্চন সেৱা কেন্দ্ৰ উদ্বোধনৰ লগত সংগতি ৰাখি অনুষ্ঠিত সভাত কৃষিমন্ত্ৰীৰ লগতে অসম চৰকাৰৰ শ্ৰম আৰু চাহ জনজাতি কল্যাণ দপ্তৰৰ মন্ত্ৰী সঞ্জয় কিষাণ, শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলিন চেতিয়া, ডিগবৈ সমষ্টিৰ বিধায়ক সুৰেন ফুকন, ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা, জিলা উপায়ুক্ত নৰসিং পৱাৰ, শিক্ষা বিভাগৰ অতিৰিক্ত উপায়ুক্ত সুশান্ত দত্ত, বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতুপন হাজৰিকা, জিলা প্ৰাথমিক শিক্ষা বিষয়া বিন্তী শৰ্মা প্ৰমুখ্যে শিক্ষা বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰী, বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কে'বাগৰাকী অৱসৰপ্ৰাপ্ত কৰ্মচাৰী উপস্থিত থাকে। উল্লেখ্য যে আজি অসমৰ ২৭ খন জিলাত এই কৃতজ্ঞতা পেঞ্চন সেৱা কেন্দ্ৰৰ উদ্বোধন কৰা হৈছে। অৱসৰপ্ৰাপ্ত কৰ্মচাৰীয়ে সন্মুখীন হোৱা পেঞ্চন সংক্ৰান্তীয় বিভিন্ন অসুবিধাৰ অৱসান ঘটাবৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনা অনুসৰি এই কৃতজ্ঞতা পেঞ্চন সেৱা কেন্দ্ৰৰ স্থাপন কৰা হৈছে। এই সেৱা কেন্দ্ৰৰ জৰিয়তে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ সেৱা পুথিৰ লগত পেঞ্চন সংক্ৰান্তীয় সকলো নথিপত্ৰ অনলাইন মাধ্যমেৰে আপলোড আৰু প্ৰেৰণৰ ব্যৱস্থা কৰা হ'ব। সভাত ১৩ পৃষ্ঠাত চাওক

## মেৰাপানীত অ'এনজিচিৰ উদ্যোগত স্বাস্থ্য পৰীক্ষা



**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ৩০ জুলাই ঃ** ভাৰতীয় তেল আৰু প্ৰাকৃতিক গেছ নিগম চমুকৈ অ'এনজিচিৰ যোৰহাটস্থিত চিনামৰা আসাম এণ্ড আসাম আৰাকান বেচিনৰ সৌজন্যত তথা প্ৰতিষ্ঠানটো কৰ্প'ৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ যোগেদি কালি মেৰাপানীৰ কাছমাৰী ছেটেলাইট তৈল ক্ষেত্ৰৰ অধীনৰ ভেলৌগুৰি মধ্য ইংৰাজী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে স্বাস্থ্য আৰু চকু পৰীক্ষাৰ মেগা কেম্প অনুষ্ঠিত হয়। দেশৰ বৃহৎ ৰাজখণ্ডৰ প্ৰতিষ্ঠানটোৰে অঞ্চলটোৰ পৰা খাৰুৱা তেল নিষ্কাসনৰ সমান্তৰালভাৱে সামাজিক দায়বদ্ধতাৰ প্ৰতি সঁহাৰি জনাই চি এছ আৰ পুঁজিৰ অধীনত এই স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰে। অ'এনজিচিয়ে জনহিতকৰ কাম বুলি উল্লেখ কৰি ১৩ পৃষ্ঠাত চাওক

## উপযুক্ত চিকিৎসা অবিহনেই বেতন বঞ্চিত শিক্ষকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ৩০ জুলাই ঃ** বিহপুৰীয়া শিক্ষাখণ্ডৰ অন্তৰ্গত দঙিবিলৰ পলাশবাৰী প্ৰাথমিক বিদ্যালয়ৰ এজন সহকাৰী শিক্ষক জনাৰ্দন বৰা (৩৬)ৰ উপযুক্ত চিকিৎসা অবিহনেই মৃত্যু ঘটাত শৈক্ষিক মহলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিগত ১২বছৰে বিনাবেতনে শিক্ষকতা কৰা জনাৰ্দন বৰা বিগত কিছুদিন ধৰি ৰোগাক্ৰান্ত হৈ আছিল। ৰোগগ্ৰস্ত শিক্ষকজনে ধনৰ অভাৱতে উন্নত চিকিৎসাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে পৰিয়াল তথা স্থানীয় ৰাইজে। শিক্ষকজনৰ আত্মীয় তথা স্থানীয় ৰাইজে দুই এপইচা সংগ্ৰহ কৰি তেওঁৰ চিকিৎসাৰ ব্যৱস্থা কৰিছিল যদিও উপযুক্ত চিকিৎসা নোপোৱাৰ বাবে ২৭ জুলাইত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত তেওঁৰ মৃত্যু হয়। শিক্ষকজনৰ বিয়োগৰ পাছতেই পিতৃ-তৰুণ বৰা, মাতৃ ৰাণু বৰা আৰু পত্নী বিনীতা

### পৰিয়ালক সাহায্য প্ৰদানৰ দাবী শিক্ষক সংগঠনৰ

বৰাসহ কণমানি জীয়ৰী গাৰ্গীৰ জীৱনলৈ নামি আহিছে ঘোৰ অমানিশা। এই দুৰ্ভগীয়া পৰিয়ালটোক চৰকাৰীভাৱে সাহায্য প্ৰদানৰ দাবী উত্থাপন কৰিছে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় সহকাৰী শিক্ষক সন্থাই।

সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বিশ্বজিৎ ছেত্ৰী প্ৰমুখ্যে লখিমপুৰ জিলা সন্থাৰ সভাপতি সোণাৰাম দত্ত, সম্পাদক শ্ৰীকান্ত দলে, প্ৰশান্ত সোণোৱাল, বাহাৰুল ইছলামসহ এটি সঁজাতী দলে দুৰ্ভগীয়া পৰিয়ালটোৰ কাষত উপস্থিত হৈ প্ৰয়াত শিক্ষকজনলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীজনক পৰিয়ালটোক সহায় কৰিবৰ বাবে আহ্বান জনায়। তেওঁলোকে কেৱল জনাৰ্দন বৰাৰ পৰিয়ালেই নহয় বিনাবেতনে শিক্ষকতা কৰা শিক্ষকসকলৰ পৰিয়ালসমূহৰ প্ৰতিও সদয় হ'বৰ বাবে চৰকাৰক আহ্বান জনায়। ইপিনে, শিক্ষকজনৰ দুৰ্ভগীয়া পত্নী আৰু পিতৃয়ে মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক দুৰ্ভগীয়া পৰিয়ালটোক সহায় কৰিবৰ বাবেও বিনম্ৰ আহ্বান জনাইছে।

## মৰাণত গৰমপানী ঢালি কিশোৰীক নিৰ্যাতন মহিলাৰ

### আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে পতি-পত্নীক ঃ কিশোৰী নিৰ্যাতনকাৰীক শাস্তিৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩০ জুলাই ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ শান্তিপুৰত কিশোৰী নিৰ্যাতনৰ এক ঘটনা পোহৰলৈ আহিছে। মৰাণ শান্তিপুৰৰ নিবাসী নিৰূপম দাস নামৰ লোকজনৰ ঘৰত বনকৰা হিচাপে থকা জঁড়জলী পাঁড়চ আলিৰ এগৰাকী ১৪ বছৰীয়া কিশোৰীক নিৰূপম দাসৰ পত্নী পিংকি শইকীয়াই পিঠিত গৰম পানী ঢলাৰ লগতে শাৰীৰিকভাৱে নিৰ্যাতন চলোৱাৰ অভিযোগ কৰিছিল কিশোৰীগৰাকীয়ে। যোৱা শনিবাৰে সংঘটিত কৰা এই ঘটনাৰ সন্দৰ্ভত পৰিয়ালৰ লোকে ২৮ জুলাইত মৰাণহাট থানাত এজাহাৰ দাখিল কৰিছে। কিশোৰীগৰাকীৰ শৰীৰত আঘাতৰ চিন স্পষ্ট। ইফালে, বনকৰা কিশোৰীক গৰমপানী ঢালি নিৰ্যাতন চলোৱা মৰাণৰ শান্তিপুৰৰ নিৰূপম দাস আৰু পিংকি শইকীয়াক গোলাঘাটৰ পৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। তেওঁলোকৰ লগত আছে তিনি বছৰীয়া কণমানি সন্তান। যোৱা ২৮ জুলাইত মৰাণহাট আৰক্ষী থানাত ভুক্তভোগী কিশোৰী জোনালী মুড়াই অভিযোগ দাখিল কৰাৰ পাছতে গ্ৰেপ্তাৰ কৰা হয় পতি-পত্নীক। সেই সময়ৰ পৰাই পলাতক অৱস্থাত আছিল অভিযুক্ত পতি পত্নী। এটা বছৰে পৰিয়ালটোৰ ঘৰত বনকৰা কিশোৰী হিচাপে আছিল জোনালী। নিৰূপম দাস সোণাৰি টি ব'ৰ্ডৰ বিষয়া আৰু পত্নী পিংকী শইকীয়া ডিমৌ কৃষি বিভাগৰ বিষয়া। উল্লেখ্য যে কিশোৰীগৰাকীক গাত গৰমপানী ঢলাৰ লগতে ডিঙি চেপি হত্যা কৰাৰ চেষ্টা, বেলনা মাৰিৰে অত্যাচাৰ চলোৱা, ৰডেৰে মৰাৰ অভিযোগ দাখিল কৰিছিল কিশোৰীগৰাকীয়ে। ইফালে, দোষীক কঠোৰ শাস্তি বিহাৰ দাবী জনাইছে আদিবাসী ছাত্ৰ সংগঠন আছাই।

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অসম কলেজ শিক্ষক সংস্থাৰ ১০ লাখ টকা অনুদান-২৫ খন গ্ৰন্থ প্ৰদান



**বিশেষ সংবাদদাতা**

**নগাঁও, ৩০ জুলাইঃ** বিগত সময়ছোৱাত অসমত হোৱা বানপানীয়ে ৰাজ্যখনৰ প্ৰায় ৪০ লাখ লোকক সৰ্বস্বান্ত কৰিলে। বৰ্তমান সময়তো যথেষ্টসংখ্যক লোক মাথাউৰিতে থকা পৰিলক্ষিত ১৩ পৃষ্ঠাত চাওক



বান-খহনীয়াগ্ৰস্তক ক্ষতিপূৰণকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত চিপিআইএমৰ হাজোত প্ৰতিবাদ কাৰ্যসূচী।

## বিহালী শিক্ষাখণ্ডৰ বৰাজুলি প্ৰাথমিক বিদ্যালয়ত অভিনন্দন অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**বিহালী, ৩০ জুলাই ঃ** বিহালী শিক্ষাখণ্ডৰ অন্তৰ্গত বৰাজুলি প্ৰাথমিক বিদ্যালয়ত কালি এক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক বিষ্ণু হোমাগাইৰ উদ্যোগত আয়োজিত অনুষ্ঠানত সভাপতিত্ব কৰে পৰিচালনা সমিতিৰ সভাপতি বিপুল বৰাই। বৰাজুলী প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীদ্বয় আকাশ সৰকাৰ আৰু পল্লৱী বৰাই ক্ৰমে আৰ কে সোঁৱৰণী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় আৰু জ্ঞানম একাডেমীৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা হেতুকে অভিনন্দন জনোৱা হয়। উল্লেখ্য যে পল্লৱী বৰাই চাৰিটা বিষয়ত লেটাৰ মাৰ্ক লৈ প্ৰথম বিভাগত আৰু আকাশ সৰকাৰে দুটা বিষয়ত লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বৰাজুলী অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। অভিনন্দন অনুষ্ঠানত বিহমাৰী মিকিৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱনাথ মিলি, পূব বিহালী মণ্ডল কেন্দ্ৰ সমন্বয়ক কৃষ্ণ পৌড়েল, বৰজুলী প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দিগন্ত দাস আৰু সমাজকৰ্মী গণেশ বৰাই ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ প্ৰতি লক্ষ্য ৰাখি বক্তব্য আগবঢ়ায়। সভাত কৃতী ছাত্ৰ-ছাত্ৰীদ্বয় পল্লৱী বৰা আৰু আকাশ সৰকাৰে নিজৰ অধ্যয়নৰ অভিজ্ঞতা বৰ্ণনা কৰি, শিক্ষকসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত বিমলা আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ঊষা দেৱী আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষক কুলপ্ৰসাদ ভট্টৰাইয়ে অংশগ্ৰহণ কৰে।



## হাজোত স্বাধীনতা দিৱসৰ সজাগতামূলক অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩০ জুলাই ঃ** হাজোৰ ক্ষেত্ৰীহাৰদিয়াৰ কেচিকে জাতীয় বিদ্যালয়ত কালি আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি এছ্এছ্বি জোৱানৰ স্বাধীনতা দিৱসৰ সজাগতামূলক অনুষ্ঠান সম্পন্ন কৰা হয় জানিব পৰা মতে সোণাপুৰ, গুৱাহাটীৰ এছ্এছ্বিৰ বেটেলিয়নৰ উদ্যোগত আৰু কে. চি. কে. জাতীয় বিদ্যালয়, ক্ষেত্ৰিহাৰদিয়াৰ সহযোগত 'আজাদী কা মহোৎসৱ'ৰ বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। উক্ত মহোৎসৱৰ লগত সংগতি ৰাখি এছ্এছ্বিৰ জোৱান, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱক-অভিভাৱিকাৰ দ্বাৰা এক বৰ্ণিল শোভাযাত্ৰা উলিওৱা হয়। তাৰ পাছত বিভিন্ন সৃষ্টিশীল অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ৰাইজ উপস্থিত থাকে।

## জামুগুৰিহাটৰ উত্তৰাঞ্চলত বন্যহস্তীৰ সন্ত্ৰাস

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৩০ জুলাইঃ** জামুগুৰিহাটৰ উত্তৰাঞ্চলত বন্যহস্তিয়ে চলাইছে সন্ত্ৰাস। অঞ্চলটোৰ এক নম্বৰ বৰদিকৰাই, খ্ৰীষ্টানবস্তি, আজাৰগুৰি, বামুণীপামকে ধৰি একাধিক অঞ্চলত বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাইছে। নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা ২০-২৫ জনীয়া হাতীৰ জাকে অঞ্চলটোৰ কৃষক ৰাইজৰ পথাৰৰ মাজেদি বাট লোৱাত ধান কঠীয়া বহু পৰিমাণে নষ্ট হোৱা পৰিলক্ষিত হৈছে। চলিত বৰ্ষত পানীৰ অভাৱৰ বাবেই বহু কৃষকে এতিয়াও কঠীয়া ৰুব পৰা নাই যদিও যিখিনি ৰুইছে সেইখিনিও এতিয়া বনৰীয়া হাতীয়ে গছকি খাই তহিলং কৰাত কৃষক ৰাইজ নিৰুপায় হৈ পৰিছে। অঞ্চলবাসী ৰাইজে এই অঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱৰ সমস্যা সমাধানৰ বাবে স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে বিগত সময়ত জামুগুৰিহাটৰ উত্তৰাঞ্চলত নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ আক্ৰমণত বহুলোক ঘূণীয়া হোৱাৰ লগতে বহুকেইজনে প্ৰাণ হেৰুৱাইছে।

## ৰেণু বড়া মেম'ৰিয়েল একাডেমীৰ নৱাগত আদৰণি সভা অনুষ্ঠিত

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৩০ জুলাইঃ** টীয়কৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান ৰেণু বড়া মেম'ৰিয়েল একাডেমীৰ নৱাগত আদৰণি সভা আজি কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। সভাৰ প্ৰাক্ক্ষণত স্মৃতি তৰ্পণ কৰে কনিষ্ঠ মহাবিদ্যালয়ৰ সঞ্চালক প্ৰাণ কমল বড়াই ছাত্ৰী ৰিকুমণি নেওগে আঁত ধৰা সভাত বিশিষ্ট ব্যক্তিৰূপে উপস্থিত থাকে কমলাবাৰী সত্ৰ মাজুলীৰ বুঢ়াভকত প্ৰভাত বড়া, টীয়কৰ বিশিষ্ট সমাজকৰ্মী, নাট্যকাৰ, অভিনেতা কৃষ্ণপদ কলিতা আৰু টীয়ক বিধান পৰিষদৰ সভাপতি বিকাশ শইকীয়া। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আৰম্ভণি গীতেৰে আৰম্ভ কৰা সভাত একাডেমীৰ ৰেক্টৰ কুলধৰ শইকীয়াই প্ৰাচীৰ পত্ৰিকা 'কিশলয়' আৰু কৃষ্ণপদ কলিতাই হাতে লিখা আলোচনী 'গজালি'ৰ উন্মোচন কৰে। সভাৰ সমান্তৰালকৈ কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰি অনুষ্ঠান জীপাল কৰি তোলে। এই সভাতে ২০২২ত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কনিষ্ঠ মহাবিদ্যালয়ৰ সঞ্চালক প্ৰাণকমল বড়াই সভাত সহযোগিতা আগবঢ়োৱাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে আৰু আহি থকা দিনবোৰতো এনেদৰে সকলোৰে সহায়-সহযোগিতা কামনা কৰে।

## বাঘ হ'ল অৰণ্যৰ আত্মা

### ■ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানতো আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস উদ্‌যাপন
### ■ স্থানীয় ১৮ লোকক ক্ষতিপূৰণ-৩৯ গৰাকী বনকৰ্মীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ৩০ জুলাই ঃ** 'বাঘ হ'ল অৰণ্য আত্মা। বাঘে জৈৱতন্ত্ৰ সংৰক্ষণ আৰু সন্তুলনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মানুহৰ জনসংখ্যা বিস্ফোৰণৰ পটভূমিত ঢেঁকীয়াপতীয়া বাঘৰ বাবে ব্ৰহ্মপুত্ৰ নদী আৰু বিভিন্ন নদী পথবোৰ সংৰক্ষণৰ প্ৰয়োজন।' বিশ্ব ব্যাঘ্ৰ দিৱসৰ দিনা কালি কাজিৰঙাত এই মন্তব্য কৰে গোলাঘাটৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই। সমগ্ৰ বিশ্বৰ লগতে বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলতো দিনজোৰা কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস উদ্‌যাপন কৰা হয়। ব্যাঘ্ৰ দিৱস উপলক্ষে কালি পুৱা কাজিৰঙাৰ কঁহৰাত থকা বন বিভাগৰ শতবৰ্ষ সমাৰোহ কেন্দ্ৰ প্ৰাংগণত স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বৃক্ষৰোপণ কৰা হয়। বৃক্ষৰোপণ কাৰ্যসূচী উদ্বোধন কৰে পূৱ অসম বন্যপ্ৰাণী সংমণ্ডলৰ বন প্ৰাধিকাৰী ৰমেশ কুমাৰ গগৈয়ে। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু কাজিৰঙাৰ হুকুমা বিল সংৰক্ষণ আৰু উন্নয়ন সমিতিৰ যৌথ উদ্যোগত শতবৰ্ষ সমাৰোহ কেন্দ্ৰতে ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। চিত্ৰাংকন প্ৰতিযোগিতাত স্থানীয় শিক্ষানুষ্ঠানৰ পৰা অহা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। দুপৰীয়া আহাৰ গ্ৰহণৰ পাছত ব্যাঘ্ৰ দিৱসৰ বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই মুখ্য অতিথিৰূপে থকা এই অনুষ্ঠানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ সঞ্চালক যতীন্দ্ৰ শৰ্মা, ডিএফঅ' ৰমেশ কুমাৰ গগৈ, বোকাখাতৰ মহকুমাধিপতি ডাঃ নেহা যাদৱ, অতিৰিক্ত আৰক্ষী ১৩ পৃষ্ঠাত চাওক




## দৰং জিলা প্ৰশাসনৰ সংবাদমেল বছৰৰ চাৰিটা দিনত সংশোধনী কৰিব পাৰিব ভোটাৰ তালিকা

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৩০ জুলাই ঃ** এতিয়াৰে পৰা ইংৰাজী পহিলা জানুৱাৰী ২০২২ক ভিত্তিবৰ্ষ হিচাপে লৈ প্ৰস্তুত কৰা নহয় ফটোযুক্ত ভোটাৰ তালিকাৰ। বছৰত চাৰিটা তাৰিখত সংশোধনী কৰিব পাৰিব ভোটাৰ তালিকা। এই প্ৰক্ৰিয়াটোক অধিক গতিশীলতা প্ৰদানৰ লক্ষ্যৰে দৰং জিলা প্ৰশাসনে আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এক সংবাদমেলৰ আয়োজন কৰি বিশদভাৱে জানিবলৈ দিয়ে। জিলাৰ অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ বৰা আৰু নিৰ্বাচন বিষয়া প্ৰাঞ্জল প্ৰাণ শইকীয়াৰ উপস্থিতিত অনুষ্ঠিত সংবাদমেলত জানিবলৈ দিয়ে যে পহিলা জানুৱাৰী, পহিলা এপ্ৰিল, পহিলা জুলাই আৰু পহিলা অক্টোবৰ যিকোনো এটা তাৰিখত ১৮ বছৰ হ'লেই আবেদন কৰিব পাৰিব ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তৰ বাবে। এই সংশোধনীত চূড়ান্ত ভোটাৰ তালিকা ২০২৩ ৰ পাঁচ জানুৱাৰীত প্ৰকাশ পাব। সবিশেষ জানিবলৈ www.nsvp.in ৱেবছাইট চাব পাৰিব।

## হোজাইত বন্যহস্তীৰ তাণ্ডৱ ঃ ভাঙিলে তিনিটা বাসগৃহ



**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৩০ জুলাই ঃ** হোজাইত অব্যাহত আছে বন্যহস্তীৰ তাণ্ডৱ। প্ৰায়ে খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰি তাণ্ডৱ চলাই আহিছে বন্যহস্তীৰ জাকে। যোৱা নিশা হোজাইৰ কোমোৱাকটা অঞ্চলত তিনিটা পৰিয়ালৰ ভঁৰাল আৰু বাসগৃহৰ ক্ষতিসাধন কৰে। ক্ষতিসাধন কৰা গৃহস্থ কেইজন ক্ৰমে মিথুন থাউছেন, ভৱেশ্বৰ কেম্পৰাই, প্ৰকাশ কেম্পৰাই। উল্লেখ যে আজি কিছুদিনৰ পৰা নিতৌ বন্যহস্তীৰ এটা দলে হোজাইৰ কোমোৱাকটা, ৰাইকটা, বিষ্ণুপুৰ, আমতলা আদি অঞ্চলত খাদ্যৰ সন্ধানত বহু ক্ষয়ক্ষতি কৰি আহিছে; কিন্তু বন বিভাগৰ পৰা কোনো ধৰণৰ টহল দিয়া বা বন্যহস্তীৰ জাকক খেদি পঠিওৱাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি স্থানীয় গঞাই অভিযোগ কৰে।

## লাহৰীঘাটৰ কুশতলীত মণিপুৰৰ ভূমিস্খলনত নিহত শ্ৰমিকসকলৰ ৰাজহুৱা স্মৃতিচাৰণ সভা অনুষ্ঠিত

### মৃতকক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন বিশিষ্ট ব্যক্তিসকলৰ

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ৩০ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কুশতলীত আজি অনুষ্ঠিত হয় এখন স্মৃতিচাৰণ সভা। কিছুদিন পূৰ্বে মণিপুৰৰ ভূমিস্খলনত নিহত হৈছিল কুশতলী অঞ্চলৰ বহুকেইজন যুৱক। কুশতলিৰ খোৱাগোহাঁইবড়ি গাঁৱত অনুষ্ঠিত স্মৃতিচাৰণ সভাত মৃতকৰ আত্মীয়ক একোখন ফুলাম গামোচাৰে আদৰণি জনায়। স্মৃতিচাৰণ সভাখনত অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে মৃত শ্ৰমিকসকলৰ আত্মীয়সকল উপস্থিত থাকে। বিশিষ্ট ব্যক্তিসকলে ভাষণত পৰিয়াল পোহপালৰ তাড়নাত কামৰ সন্ধানত যোৱা যুৱকসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে আত্মাৰ চিৰশান্তি কামনা কৰে। সমান্তৰালকৈ মৃতকৰ পৰিয়ালবৰ্গক উক্ত অনুষ্ঠানতে সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে ১৩ পৃষ্ঠাত চাওক

# পঞ্চায়ত মন্ত্ৰীৰ সমষ্টিতে বিজেপিৰ মাজত কন্দল

## সচিবৰ বিৰুদ্ধে ফাইল এৰি নিদিয়াৰ অভিযোগ

অগ্ৰদূত বাৰ্তা
**বৰপেটাৰোড, ১৯ জুলাই ঃ** গোৱৰ্ধনা উন্নয়ন খণ্ডৰ অন্তৰ্গত ৯৪ নম্বৰ খৈৰাবাৰী গাঁও পঞ্চায়তৰ সভাপতি সুজিত সাহা ওৰফে কেতুৱে পঞ্চায়ত সচিব প্ৰদীপ ঘোষৰ বিৰুদ্ধে এক অভিযোগ আনিছে। বিশেষকৈ সচিবজনে তেওঁ দায়িত্বভাৰ লোৱাৰ পাছতো ফাইল চমজাই নিদিয়া তথা কামৰ খতিয়ান দাঙি নধৰা বুলি অভিযোগ আনিছে। উল্লেখ্য যে বিগত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ পৰা পঞ্চায়ত সভাপতিৰূপে সুজিত সাহা নিৰ্বাচিত হৈছিল আৰু যোৱা দুই ফেব্ৰুৱাৰীত তেওঁ শপত গ্ৰহণ কৰিছিল। অৱশ্যে এইজন সভাপতিৰ বিৰুদ্ধে খোদ কংগ্ৰেছৰ দুজন সদস্যৰ লগতে বিজেপিৰ ছজন সদস্যই অনাস্থা আনে। পৰৱৰ্তী সময়ত গোৱৰ্ধনা উন্নয়ন খণ্ডৰ অন্তৰ্গত আঞ্চলিক পঞ্চায়তত এই সন্দৰ্ভত যোৱা ২০২০ৰ ১৪ অক্টোবৰত বৰ্ষত বহা এখন সভাত প্ৰস্তাৱ গ্ৰহণ কৰি সুজিত সাহাক সভাপতি পদৰ পৰা বৰ্খাস্ত কৰা হয়, কিন্তু এই কাৰ্যৰ বিৰুদ্ধে সাহাই উচ্চ ন্যায়ালয়ত আবেদন জনোৱাত উচ্চ ন্যায়ালয়ে যোৱা ন জুনত এক নিৰ্দেশনা দি পূৰ্বৰ সভাৰ সিদ্ধান্তক খাৰিজ কৰাৰ লগতে সাহাকে সভাপতি হিচাপে দায়িত্ব প্ৰদানৰ নিৰ্দেশনা দিয়ে। সেই অনুসৰি সুজিত সাহাই যোৱা সাত জুলাইত পঞ্চায়ত সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। অতি তৎপৰ্যপূৰ্ণ কথা যে সাহাই এই দায়িত্ব লোৱাৰ পাছতো সেই পঞ্চায়তৰ সচিব প্ৰদীপ ঘোষে সাহাক দায়িত্ব চমজাই দিলেও কাম - কাজত সহযোগ তথা ফাইল চমজাই নিদিয়াৰ অভিযোগ তুলিছে খোদ পঞ্চায়ত সভাপতি সাহাই। আনহাতে, সভাপতি সাহাই উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি সভাপতিৰ দায়িত্ব লোৱাৰ এদিন পাছতে পুনৰাই কংগ্ৰেছৰ এজন, কংগ্ৰেছৰ পৰা বহিস্কৃত দুজন সদস্য আৰু বিজেপিৰ পাঁচজন সদস্যই আকৌ সভাপতি সাহাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনে। উল্লেখ্য যে নিৰ্বাচনত সাহাই কংগ্ৰেছৰ পৰা জয়ী হ'লেও পৰৱৰ্তী সময়ত কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰিছিল। ইমানৰ পাছতো খোদ বিজেপিৰে একাংশ সদস্যই পুনৰ সাহাৰ বিৰুদ্ধে অনাস্থা অনাটো ৰহস্যজনক হৈ পৰিছে। বৰ্তমানলৈ এই সন্দৰ্ভত কোনো সভা অনুষ্ঠিত হোৱা নাই যদিও সাহাৰ বিৰুদ্ধে পঞ্চায়তৰ মহিলা সদস্যাক দুৰ্ব্যৱহাৰ কৰা, অনাময় আঁচনিত দুৰ্নীতি কৰা, ফোৰ্টিন ফাইনেন্সৰ কামত মইমতালি কৰা আদি অভিযোগ আনে।



*এনএছইউআইত যোগদান কৰিলে বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰই, মহানগৰীত শনিবাৰে।*

## নলবাৰীত দিন দুপৰতে দুই লাখ লৈ উধাও চোৰ

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ৩০ জুলাই ঃ** নলবাৰী চহৰৰ মাজ মজিয়াৰ পৰা মটৰ চাইকেলত অহা দুৰ্বৃত্তই এজন পথচাৰীৰ পৰা দুই লাখ টকাৰ মোনা এখন কাঢ়ি লৈ যায়। জিলাখনৰ বৰধানতলীৰ শিক্ষক হাচিৰ আলীয়ে আজি দিনৰ ভাগত নলবাৰী চহৰৰ ষ্টেট বেংকৰ পৰা দুই লাখ টকা উলিয়াইছিল। টকাখিনি লৈ তেওঁ চহৰৰ এ টি ৰোডৰ এখন দোকানত নিজৰ পুত্ৰৰ বাবে এখন চাইকেল কিনিবলৈ আগবাঢ়িছিল। এনেতে মটৰ চাইকেলত অহা দুজন দুৰ্বৃত্তই তেওঁৰ পৰা টকাৰ মোনা খন কাঢ়ি লৈ যায়। লোকজন পথৰ ওপৰত বাগৰি পৰি যোৱাত দুই দুৰ্বৃত্তই পলাই সাৰে। ইতিমধ্যে লোকজনে নলবাৰী আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে।

## নগাঁৱ চহৰত নিচাযুক্ত ঔষধসহ দুজনক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা
**নগাঁও, ৩০ জুলাই ঃ** নগাঁও আৰক্ষীয়ে আজি চহৰত অভিযান চলাই বুজন পৰিমাণৰ নিচাযুক্ত ঔষধসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ পম খেদি হয়বৰগাঁও আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰী আৰু উপপৰিদৰ্শক হেমচন্দ্ৰ মহন্তৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে নগাঁও চহৰৰ মোল্লাপট্টিত অভিযান চলাই এই সফলতা লাভ কৰে। আৰক্ষীয়ে এই সন্দৰ্ভত মোল্লাপট্টিৰ ছাইফুল (৩৬) আৰু জাকিৰ হুছেইন (৩৮)ক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে তেওঁলোকৰ ঘৰৰ পৰা বুজন পৰিমাণৰ নিচাযুক্ত ঔষধ জব্দ কৰিছে।

## বিজেপি নেতাৰে বাগিচা মালিক ঘনিষ্ঠ বাবেই মইনা নায়কৰ ক্ষতিপূৰণ অনিশ্চয়তাত

অগ্ৰদূত বাৰ্তা
**ডিগবৈ, ৩০ জুলাই ঃ** সমগ্ৰ ৰাজ্যতে জোকাৰণিৰ সৃষ্টি কৰা লেপেটকটা চাহ বাগিচাৰ কলঘৰৰ কৰ্মচাৰী মইনা নায়কৰ ঘটনাটোৰ প্ৰসংগত আজি আম আদমী পাৰ্টিৰ ৰাজ্যিক সমন্বয়ক মনোজ ধনোৱাৰে অভিযোগ কৰে যে বাগিচাৰ স্বত্বাধিকাৰীৰ স'তে সুসম্পৰ্ক আছে বিজেপিৰ শীৰ্ষ নেতাৰ। তেওঁ কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপিৰ আন শীৰ্ষ নেতাৰ স'তে বাগিচাৰ স্বত্বাধিকাৰী ৰুদ্ৰ চেটাৰ্জীৰ সুসম্পৰ্ক থকাৰ বাবেই শ্ৰমিক মহিলাগৰাকীয়ে কলঘৰত গুৰুতৰভাৱে আহত হোৱাৰ পাছত ক্ষতিপূৰণ লাভৰ বিষয়টো অনুচিত হৈছে। চৰকাৰৰ সদিচ্ছাৰ অভাৱৰ বাবেই চৰকাৰী নিৰ্দেশনা লাভৰ পাছতো মইনাক ক্ষতিপূৰণ দিবলৈ অপাৰগতা প্ৰকাশ কৰি বাগিচাৰ কৰ্তৃপক্ষই শ্ৰম আয়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰা বুলি কয় নেতাজনে। ধানোৱাৰে কয় যে ব্ৰিটিছ কালৰে শোষণ নীতি আৰু পুজিপতি ৰক্ষণাবেক্ষণ দিয়া নীতিক চলাইছে বিজেপি চৰকাৰে। সেয়েহে চৰকাৰী নিৰ্দেশক অমান্য কৰি সমগ্ৰ বিষয়টো আইনী মেৰপেচৰ মাজলৈ ঠেলি দি বিধি পঠালি দিবলৈ সাহস কৰিছে বাগিচাৰ কৰ্তৃপক্ষই। চৰকাৰে আজি পৰ্যন্ত বাগিচাখনৰ এজনো বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম নহ'ল।

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অসম কলেজ

১২ পৃষ্ঠাৰ পৰা হৈছে। এনে পৰিস্থিতিৰ কিছু পৰিমাণে হ'লেও মোকাবিলা কৰিবৰ বাবে অসম কলেজ শিক্ষক সংস্থাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১০ লাখ টকাৰ অনুদান আগবঢ়াইছে। যোৱা ২৮ জুলাইত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি হিমাংশু মৰল আৰু সম্পাদক ড০ জয়ন্ত বৰুৱাৰ নেতৃত্বত যোৱা এটা সঁজাতী দলে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক এই চেক প্ৰদান কৰে। লগতে মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ পুথিভঁৰালৰ বাবে অসম কলেজ শিক্ষক সংস্থাৰ দ্বাৰা প্ৰকাশিত কিতাপৰ অনুদান বিচাৰি কৰা অনুৰোধৰ প্ৰতি সন্মান জনাই অসম কলেজ শিক্ষক সংস্থাৰ দ্বাৰা প্ৰকাশিত মুঠ ২৫খন গ্ৰন্থ মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰা হয় বুলি অসম কলেজ শিক্ষক সংস্থাৰ সম্পাদক ড০ বৰুৱাই জনাইছে।

## লাহৰীঘাটৰ কুশতলীত মণিপুৰৰ

১২ পৃষ্ঠাৰ পৰা যোৱা ২৯ জুনৰ নিশা মণিপুৰৰ ননী জিলাৰ টুপুলত সংঘটিত ভয়ংকৰ ভূমিস্খলনত সন্ধানহীন হৈ অকাল মৃত্যু ঘটিছিল লাহৰীঘাটৰ কুশতলী অঞ্চলৰ ১৬ গৰাকীকৈ শ্ৰমিকৰ। সেইসকল শ্ৰমিকৰ সোঁৱৰণত আজি এনেদৰে অনুষ্ঠিত হয় স্মৃতিচাৰণ সভাখন। আনহাতে, কাইলৈ এই একে স্থানতে শ্ৰমিকসকলৰ আত্মাৰ সদ্গতি কামনাৰে অনুষ্ঠিত হ'ব সমূহীয়া আদ্যশ্ৰাদ্ধ। কাইলৈ পুৱা আঠ বজাৰ পৰা আৰম্ভ হ'বলগীয়া আদ্যশ্ৰাদ্ধত প্ৰথম ভাগত আসন প্ৰতিষ্ঠা, শৰাই অৰ্চণ, নাম-প্ৰসংগ, ভাগৱত পাঠ, সামূহিক দিহা নাম আদিৰে পুৱাৰ পৰা নিশালৈকে অবিৰতভাৱে কাৰ্যসূচী চলিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে । এই সমূহীয়া আদ্যশ্ৰাদ্ধলৈ সকলো ৰাইজৰ সহায়-সহযোগিতাৰ লগতে উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে আয়োজক সমিতিয়ে।

## তিনিচুকীয়াত কৃষিমন্ত্ৰী বৰাৰ পেঞ্চন

১২ পৃষ্ঠাৰ পৰা কৃষিমন্ত্ৰী বৰাই অসমৰ মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ গতিশীল নেতৃত্বত প্ৰশাসনৰ সৰ্বস্তৰতে ব্যাপক সংস্কাৰ সাধন হৈছে বুলি উল্লেখ কৰি বৰ্তমানৰ চৰকাৰখনে ডিজিটেল কৰ্মব্যৱস্থাৰ ওপৰত অত্যধিক গুৰুত্ব দিছে বুলি কয়। কৃষিমন্ত্ৰীজনে এই কৃতজ্ঞতা পেঞ্চন সেৱা কেন্দ্ৰসমূহত পেঞ্চন সংক্ৰান্তত অহা অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে যাতে কোনো কাৰণতেই অসুবিধাৰ সন্মুখীন নহয় সেয়া সুনিশ্চিত কৰিবলৈ কেন্দ্ৰত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলক আহ্বান জনায়। সভাত অসম চৰকাৰৰ শ্ৰমমন্ত্ৰী কিষাণে এই কৃতজ্ঞতা পেঞ্চন সেৱা কেন্দ্ৰই পেঞ্চন লাভৰ বাবে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ কষ্ট যথেষ্ট লাঘৱ কৰিব বুলি উল্লেখ কৰে আৰু মুখ্যমন্ত্ৰীয়ে পেঞ্চন প্ৰক্ৰিয়াৰ সৰলীকৰণৰ বাবে লোৱা পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। বৰ্তমানৰ চৰকাৰখনে ৰাইজৰ কল্যাণৰ হকে লোৱা সিদ্ধান্তসমূহ সফলতাৰে কাৰ্যকৰী কৰাত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে বুলি নিজ ভাষণত উল্লেখ কৰে। আনহাতে, সভাতে অৱসৰ গ্ৰহণ কৰিবলগীয়া তিনিগৰাকী চৰকাৰী কৰ্মচাৰীক আজি তেওঁলোকৰ পেঞ্চনৰ নথিপত্ৰ প্ৰদান কৰা হয়।

## বাঘ হ'ল অৰণ্যৰ আত্মা

১২ পৃষ্ঠাৰ পৰা অধীক্ষক ধ্ৰুৱজ্যোতি নাথ, মহকুমা আৰক্ষী বিষয়া অনিতা হাজৰিকা, স্থানীয় বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বনকৰ্মীসকল উপস্থিত থাকে। ডিএফঅ' ৰমেশ কুমাৰ গগৈয়ে সকলোকে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ হৈ অনুষ্ঠানলৈ আদৰণি জনায়। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকি কাজিৰঙাৰ গৱেষণা বিষয়া ৰবীন্দ্ৰ শৰ্মাই ঢেঁকীয়াপতীয়া বাঘ, ইয়াৰ আৱাস আৰু সংৰক্ষণৰ ইতিহাস আৰু বিভিন্ন বিষয় সামৰি প্ৰস্তুত কৰা এক সচিত্ৰ উপস্থাপন দাঙি ধৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই নিৰ্মাণ কৰা আৰু বিতোপন কলঙৰ পৰিচালনাৰে নিৰ্মিত কাজিৰঙাৰ বাঘৰ তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত চিত্ৰাংকন প্ৰতিযোগিতাত স্থান লাভ কৰা আৰু অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে মানপত্ৰ আৰু পুৰস্কাৰ প্ৰদান কৰাৰ উপৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি-কাষৰীয় আৰু বাঘৰ দ্বাৰা ক্ষতিগ্ৰস্ত ১৮ টা পৰিয়ালক বিশ্ব প্ৰকৃতি নিধিৰ তৰফৰ পৰা একালীন ক্ষতিপূৰণৰ চেক প্ৰদান কৰা হয়। বিশ্ব ব্যাঘ্ৰ দিৱসৰ অনুষ্ঠানতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ একেৰাহে ২৫ বছৰৰো অধিক কাল ধৰি একেৰাহে সেৱা আগবঢ়োৱা ৰাষ্ট্ৰীয় উদ্যানখনৰ ৩৯ গৰাকী বনকৰ্মীক উদ্যান কৰ্তৃপক্ষৰ তৰফৰ পৰা আৰ্থিক পুৰস্কাৰ, ফুলাম গামোচা আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশন কৰা জাতীয় সংগীতৰে আৰম্ভ হোৱা ব্যাঘ্ৰ দিৱসৰ এই অনুষ্ঠানলৈ কাজিৰঙাত কৰ্মৰত বেচৰকাৰী প্ৰকৃতি সংগঠন বিশ্ব প্ৰকৃতি নিধি, আৰণ্যক, কৰবেট ফাউণ্ডেছন, ভূমি, ৱাইল্ড লাইফ ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ লগতে হুকুমা বিল সংৰক্ষণ আৰু উন্নয়ন সমিতিয়েও সহযোগিতা আগবঢ়ায়। ব্যাঘ্ৰ দিৱসৰ লগত সংগতি ৰাখি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল কৰ্তৃপক্ষৰ উদ্যোগত ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰাইজমানি টুইটাৰ কুইজৰো ব্যৱস্থা কৰা হয়।

## মেৰাপানীত অ'এনজিচিৰ উদ্যোগত

১২ পৃষ্ঠাৰ পৰা মেৰাপানী সীমাৰ ভিতৰুৱা অঞ্চলটোৰ ৰাইজৰ স্বাস্থ্য সম্পৰ্কীয় সমস্যা, চকুৰ সমস্যা সমাধানৰ বাবে অনুষ্ঠিত কৰে স্বাস্থ্য শিবিৰটো। সেই উপলক্ষে কালি যোৰহাটস্থিত চিনামৰা বেচিনৰ উচ্চপদস্থ বিষয়াসকল ক্ৰমে আৰ পি এছ সিনহা, মহিন্দৰ খান্না, লিলি চাৱাং, বিকাশ গুপ্তা, পি কে চেনীৱাৰী, অজয় লাল দত্ত, মনচমিতা চিৰান, ধৃতি দাস আদিৰ উপস্থিতিত মেৰাপানীৰ সীমান্ত দণ্ডাধীশ অম্লান ফুকনে ফিটা কাটি স্বাস্থ্য শিবিৰটো মুকলি কৰে। মেৰাপানীৰ ভেলৌগুৰি উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আমন্ত্ৰণক্ৰমে দিনজোৱা কাৰ্যসূচীৰে এই স্বাস্থ্য শিবিৰত যোৰহাট মেডিকেল কলেজৰ চিকিৎসকৰ লগতে চন্দ্ৰপ্ৰভা নেত্ৰ চিকিৎসালয়ৰ চিকিৎসকসকলে ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় বিনামূলীয়া ঔষধো বিতৰণ কৰে। কালি অনুষ্ঠিত স্বাস্থ্য পৰীক্ষা শিবিৰটোত অঞ্চলটোৰ পাঁচ শতাধিক লোকৰ স্বাস্থ্য পৰীক্ষাৰ লগতে প্ৰয়োজনীয় ঔষধ, শতাধিক লোকৰ চকু পৰীক্ষাৰ পাছত বিনামূলীয়া চশমা প্ৰদান কৰাৰ লগতে চকুৰ অসুখত বিশেষভাৱে আক্ৰান্ত ৩৪ গৰাকী লোকক অ'এনজিচিৰ ব্যৱস্থাপনাত যোৰহাটৰ চন্দ্ৰপ্ৰভা নেত্ৰ চিকিৎসালয়লৈ চকুৰ অস্ত্ৰোপচাৰৰ বাবে লৈ যোৱা হয়। স্বাস্থ্য শিবিৰৰ উদ্বোধনী অনুষ্ঠানত মেৰাপানী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰিযেশ্বৰ শইকীয়া, চিআৰপিএফৰ বিষয়া বি কে গগৈ আৰু স্থানীয় গাঁওবুঢ়াসকল উপস্থিত থাকে। উল্লেখ্য যে অ'এনজিচিয়ে অঞ্চলটোৰ পৰা খাৰুৱা তেল নিষ্কাসনৰ সমান্তৰালভাৱে অঞ্চলটোৰ ৰাইজৰ বাবে বিভিন্ন ধৰণৰ জনহিতকৰ কাম কৰি আহিছে বুলি অৱগত কৰে বিষয়া-কৰ্মচাৰীসকলে আৰু তাৰেই অংশস্বৰূপে মেৰাপানী সীমান্তত ইতিমধ্যে এখন এম্বুলেন্স বাহন, ৰাস্তা-ঘাট, বিদ্যালয় গৃহ, শৌচাগাৰ আদি নিৰ্মাণ কৰা বুলি জানিবলৈ দি পৰৱৰ্তী সময়তো ৰাইজৰ বাবে বিশেষ উন্নয়নমূলক কাম-কাজ কৰি যাব বুলি আশ্বাস দিয়ে।

## ধিঙত আনন্দৰাম বৰুৱা বঁটাৰ ওপৰতো চকু পৰিছে দুষ্টচক্ৰৰ

### বঁটাৰ বাবে আবেদন কৰিবলৈ গৈ বিপাঙত ছাত্ৰ-ছাত্ৰী

অগ্ৰদূত বাৰ্তা,
**ধিং, ৩০ জুলাই ঃ** যোৱা পাঁচ জুলাইত অসম চৰকাৰৰ ৰাজ্যিক কেবিনেটে 'আনন্দৰাম বৰুৱা বঁটা'ৰ ক্ষেত্ৰত লৈছিল কে'বাটাও সিদ্ধান্ত। বিগত বৰ্ষ সমূহত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থী সকলক প্ৰদান কৰা হৈছিল আনন্দৰাম বঁটাৰ লগতে ডেক্সটপ আৰু পাছত লেপটপ। যদিও এইবাৰ ৰাজ্য চৰকাৰে ৰাজ্যিক কেবিনেটত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থী সকলক ১৬০০০ কৈ টকা প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। লগতে কেবিনেটে সিদ্ধান্ত লৈছিল যে ছাত্ৰ-ছাত্ৰীসকলে ৩১ জুলাইৰ ভিতৰত অনলাইন যোগে এই বঁটাৰ বাবে আবেদন কৰিব লাগিব। কিন্তু এই অনলাইন আবেদনেই যে এই বঁটাৰ পৰা শ শ শিক্ষাৰ্থীক বঞ্চিত কৰিলে সেয়া স্পষ্ট হৈ পৰিল। এনে এক চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে নগাঁও জিলাৰ অন্তৰ্গত ধিঙৰ ধূপগুৰিত। বটদ্ৰৱা শিক্ষা খণ্ডৰ অন্তৰ্গত ধূপগুৰিৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নামত দুষ্ট চক্ৰই অন্য একাউন্ট নম্বৰৰ জৰিয়তে কৰিছে আবেদন। এতিয়া এই বঁটাৰ বাবে আবেদন কৰিবলৈ গৈ বিপাঙত পৰিছে ধূপগুৰিৰ বহু ছাত্ৰ-ছাত্ৰী। যিহেতুকে এই আবেদনৰ বাবে আজি অন্তিম তাৰিখ আৰু এই বঁটাৰ পৰা এইসকল শিক্ষাৰ্থী বঞ্চিত হোৱাৰ বিপৰীতে দুষ্টচক্ৰৰ যি ধন সৰকোৱাৰ যি ব্লুপ্ৰিন্ট সেয়া যেন সফল হোৱাৰ পথত। এই ঘটনা পোহৰলৈ অহাৰ লগে লগেই এইসকল ছাত্ৰ-ছাত্ৰীয়ে ধিং আৰক্ষীত এখন এজাহাৰ দাখিল কৰাৰ সমান্তৰালকৈ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীকো নিজৰ নিজৰ বঁটা পাবলৈ যাতে সক্ষম হয়, তাৰ বাবে দাবী জনায়। এই ঘটনাৰ লগত কোন জড়িত তাক লৈও প্ৰশ্নৰ উদ্ৰেক ঘটিছে। শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ অভিযোগ যে এই সমগ্ৰ ঘটনাটোৰ লগত জড়িত আছে ধূপগুৰি ফকৰউদ্দিন আলী আহমেদ আদৰ্শ হাইস্কুলৰ প্ৰধান শিক্ষক চামচুল হকৰ লগতে বেছামাৰী ষ্টেক বেংক শাখাৰ অধীনৰ এটা চিএছপিৰ স্বত্বাধিকাৰী আৰু দুষ্ট চক্ৰ। এই জালিয়াতিৰ মূল নায়ক চিএছপিৰ স্বত্বাধিকাৰীক তদন্তৰ আওতালৈ আনিলেই সকলো কাহিনী ওলাই পৰিব বুলি আজি ভুক্তভোগীসকলে কয়। অৱশ্যে এই দুষ্টচক্ৰই বেলেগ বেলেগ নামৰ একাউন্ট নম্বৰৰ জৰিয়তে কেনেকৈ এই আবেদন কৰিব পাৰিলে বুলিও একাংশই প্ৰশ্ন কৰে।

## বিশ্ব ব্যাঘ্ৰ দিৱস উপলক্ষে অনুষ্ঠিত বাটৰ নাট

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ৩০ জুলাই ঃ** এটা বাঘৰ আক্ৰমণত শংকিত ৰাইজ। পশুধনক খাদ্য হিচাপে গ্ৰহণ কৰাত ভয়ত কম্পমান এখন গাঁৱৰ ৰাইজ । অৱশেষত ৰাইজ বহিল । সিদ্ধান্ত হ'ল হত্যা কৰা হ'ব বাঘটিক। কিন্তু হঠাতে সলনি হ'ল সিদ্ধান্ত, বাঘক হত্যা কৰিবলৈ ওলোৱা সিদ্ধান্তৰ বিপৰীতে গাঁওবুঢ়া আৰু প্ৰকৃতিপ্ৰেমীৰ জৰিয়তে ৰাইজক বুজোৱা হ'ল বাঘ সংৰক্ষণৰ সন্দৰ্ভত সজাগতামূলক বাখ্যা। দৰাচলতে, এই দৃশ্য হৈছে বিশ্বনাথ ঘাটৰ । কালি বিশ্ব ব্যাঘ্ৰ দিৱস। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বনৰ ৰজা বাঘৰ বাবে উদ্‌যাপন হোৱা এই বিশেষ দিনটোত ৰাইজৰ মাজত সজাগ সচেতনতা বৃদ্ধি কৰা বাবে অনুষ্ঠিত হ'ল বাটৰ নাট। বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল আৰু দ্বন্দ্বদ্বণ্ঠৰ উদ্যোগত আজি বিশ্বনাথৰ বিভিন্ন প্ৰান্তত সজাগতামূলক বাটৰ নাট লগতে সজাগতামূলক বাণীবদ্ধ প্ৰচাৰ কাৰ্যসূচী অনুষ্ঠিত কৰে ।

## পুৰণিগুদামত মালবাহী ট্ৰাকে মহটিয়ালে বাহন

### কোনোমতে প্ৰাণৰক্ষা যাত্ৰীৰ

অগ্ৰদূত বাৰ্তা
**পুৰণিগুদাম, ৩০ জুলাই ঃ** ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ ফৰলেন নিৰ্মাণ কোম্পানী পিআৰএলৰ চূড়ান্ত গাফিলতিৰ বাবেই আজি নগাঁও জিলাৰ পুৰণিগুদামৰ ন-আলিমূৰত এখন ছুইফট গাড়ীক এখন মালবাহী ট্ৰাকে প্ৰায় এশ মিটাৰ চোঁচৰাই লৈ যায়। অৱশ্যে চাৰিজনকৈ আৰোহীৰ কোনোমতে প্ৰাণৰক্ষা পৰে । দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত দুয়োখন গাড়ী উজনিৰ পৰা নামনিৰ দিশে আহি আছিল। উল্লেখ্য যে পিআৰএল কোম্পানীয়ে কোনো সাংকেতিক চিহ্ন নোহোৱাকৈ পথটোৰ বিভিন্ন স্থানত শিলগুটি আৰু মাটিৰ দ'ম কৰি থোৱাৰ বাবে গাড়ীসমূহে সেই দ'মসমূহ অতিক্ৰম কৰিবলৈ যোৱাৰ সময়ত দুৰ্ঘটনা সংঘটিত হয়। আনকি এই পিআৰএল কোম্পানীৰ কামৰ গাফিলতিৰ সম্পৰ্কে সংবাদ মাধ্যমত বাতৰি পৰিবেশন হৈ আহিলেও এই গাফিলতিৰ ক্ষেত্ৰত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। বিশেষকৈ উৰিয়াগাঁৱৰ পৰা পুৰণিগুদামৰ তেলিয়াগাঁৱলৈকে পিআৰএল কোম্পানী , তেলিয়াগাঁৱৰ পৰা ৰঙাগড়ালৈকে এম গংগাসাগৰ আৰু আন স্থানসমূহত বিভিন্ন কোম্পানীয়ে কাম কৰি আছে যদিও কামৰ এই গাফিলতিৰ বাবে এতিয়া ৰাষ্ট্ৰীয় ঘাইপথত যমৰ যাতনা ভোগ কৰিছে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অহা যোৱা কৰা যাত্ৰীসকলে।

## বৰপেটাত লক্ষাধিক টকা পৰিমাণৰ ড্ৰাগছ-গাঞ্জা দাহন

বিশেষ সংবাদদাতা
**বৰপেটা, ৩০ জুলাই ঃ** বৰপেটা জিলাৰ আৰক্ষীয়ে জিলাখনৰ বিভিন্ন স্থানৰ পৰা অভিযান চলাই জব্দ কৰা ড্ৰাগছ আৰু গাঞ্জা সমূহ আজি দাহন কৰে। বৰপেটা চহৰৰ বাৰাদিত অৱস্থিত বৰপেটা আৰক্ষী চাউনী চৌহদত বহু পৰিমাণৰ নিচাযুক্ত সামগ্ৰী, ড্ৰাগছ আৰু গাঞ্জা দাহন কৰা হয়। বিগত ছমাহত বৰপেটাৰ বিভিন্ন স্থানত অভিযান চলাই আৰক্ষীয়ে জব্দ কৰা নিচাযুক্ত সামগ্ৰী, ড্ৰাগছ আৰু গাঞ্জাসমূহ দাহন কৰা অনুষ্ঠানত পশ্চিম মণ্ডলৰ আৰক্ষী মহাপৰিদৰ্শক দিলীপ দে আৰু অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশ দেবাশীষ কাশ্যপ, আৰক্ষী অধীক্ষক অমিতাভ সিনহা, অতিৰিক্ত আৰক্ষী প্ৰদীপ শইকীয়া, সহকাৰী আয়ুক্ত দীপাংকৰ কলিতা উপস্থিত থাকে। দাহন কৰা ড্ৰাগছ আৰু গাঞ্জাসহ নিচাযুক্ত সামগ্ৰী সমূহৰ মূল্য প্ৰায় এক কোটি ৭৫ লাখ টকা বুলি আৰক্ষী সূত্ৰই জনাইছে।

## বজালীত ১৬২ কেজি গাঞ্জা জ্বলালে আৰক্ষীয়ে

বিশেষ সংবাদদাতা
**পাঠশালা, ৩০ জুলাই ঃ** বজালী জিলাৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ কুমাৰ দাস, বজালী জিলা ড্ৰাগছ বিনাস কমিটিৰ উপস্থিতিত আজি দিনৰ ভাগত বজালী জিলাৰ ভৱানীপুৰৰ বাংলীপাৰা গাঁৱৰ পহুমৰা নদীৰ পাৰত ১৬২.১ কিলোগ্ৰাম গাঞ্জা জ্বলাই দিয়ে। উল্লেখ্য যে বজালী জিলা আৰক্ষী প্ৰশাসনে পূৰ্বে অবৈধভাৱে সৰবৰাহকাৰীৰ পৰা গাঞ্জাবোৰ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল।

## ডিব্ৰুগড়ত ২০ লক্ষাধিক টকাৰ চোৰাং কাঠৰ দুখন ট্ৰাকসহ দুজন গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়,৩০ জুলাই ঃ** সুদীৰ্ঘ কালৰ পাছত ডিব্ৰুগড়ত পুনৰ চোৰাং কাঠ জব্দ হ'ল। ডিব্ৰুগড়ত ২০ লক্ষাধিক টকাৰ চোৰাং কাঠসহ দুখন ট্ৰাক জব্দ হোৱাৰ লগতে দুজন লোক গ্ৰেপ্তাৰ হোৱা ঘটনাই উন্মোচিত কৰিছে বনজ সম্পদৰ অবিৰত ধ্বংসলীলা। চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ নামচাইৰ পৰা তিনিচুকীয়া-ডিব্ৰুগড় বাইপাছ হৈ আহি থকা অৱস্থাত ডিব্ৰুগড় বৰবৰুৱাত এখন আৰু আন এখন ট্ৰাক বগীবিল ৰোডৰ পৰা জব্দ কৰে ডিব্ৰুগড় আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বনকৰ্মী আৰু জকাই বনবিভাগৰ বনকৰ্মীয়ে। জব্দকৃত কাঠখিনিৰ মূল্য প্ৰায় ২০ লাখ টকা বুলি বন বিভাগৰ সূত্ৰই জনাইছে। বিভাগীয় কৰ্তৃপক্ষই সোধ-পোছৰ অন্তত ট্ৰাক দুখনৰ চালক ক্ৰমে পাৰ্থপ্ৰতিম দাস আৰু নুৰ আলম আলীক অসম বন আইনৰ অধীনত গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে নিশাৰ ভাগত অৰুণাচলৰ পৰা দৈনিক শ-শ ট্ৰাকেৰে অবৈধভাৱে চোৰাং কাঠ ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ কঢ়িয়াই নিয়ে যদিও বন বিভাগে জব্দ কৰিবলৈ সক্ষম হোৱা নাছিল। অৱশ্যে আজি দিনৰ ভাগতে সৰবৰাহ কৰা দুখন ট্ৰাক চোৰাং কাঠ জব্দ কৰাৰ লগতে দুজনক গ্ৰেপ্তাৰ কৰে।

## যোৰহাটত সাংবাদিক বদন বৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ বিশেষ অনুষ্ঠান

### বদন বৰুৱা আছিল নিৰ্ভীক নিৰপেক্ষ সাংবাদিক : হিতেন গোস্বামী



ষ্টাফ ৰিপৰ্টাৰ
**যোৰহাট, ৩০ জুলাই ঃ** 'সাংবাদিক বদন বৰুৱা প্ৰকৃতাৰ্থতে এজন নিৰ্ভীক আৰু নিৰপেক্ষ সাংবাদিক আছিল। সাংবাদিকৰ প্ৰকৃত আদৰ্শ আৰু নীতিৰ প্ৰতি দায়বদ্ধতাৰে তেওঁ কাম কৰিছিল। চৰকাৰী যন্ত্ৰ অথবা ৰাজনৈতিক নেতা, মন্ত্ৰী, বিধায়কৰ নিৰ্দেশ মানি তেওঁ সংবাদ পৰিৱেশন কৰা নাছিল। জনসাধাৰণে সন্মুখীন হোৱা প্ৰকৃত সমস্যাক সঠিকৰূপত তুলি ধৰিবলৈ তেওঁ সদায় যত্ন কৰিছিল। সেয়ে সাংবাদিকজনে চৰকাৰী, বেচৰকাৰী সকলো পক্ষৰ পৰা সন্মান আৰু সমীহ আদায় কৰিবলৈ সক্ষম হৈছিল।' আজি যোৰহাট প্ৰেছ ক্লাবত বিশিষ্ট সাংবাদিক বদন বৰুৱা (১৯২২-২০২২)ৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বাৰ্তাজীৱী সংঘৰ যোৰহাট জিলা সমিতিৰ উদ্যোগত আৰু পৰিয়ালৰ সহযোগত অনুষ্ঠিত বিশিষ্ট সাংবাদিক বদন বৰুৱাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে অনুষ্ঠিত বিশেষ অনুষ্ঠানত মুখ্য বক্তা হিচাপে দিয়া ভাষণত বিশিষ্ট সাংবাদিক তাজউদ্দিন আহমেদে এইদৰে কয়। বয়সত জ্যেষ্ঠ হ'লেও এসময়ত বৰুৱাৰ লগত একেলগে সংবাদ সংগ্ৰহ আৰু বাতৰি পৰিৱেশন সম্পৰ্কে মন্তব্য কৰি আহমেদে কয় যে বৰুৱাই বাতৰি সত্যাসত্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। যোৰহাট জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি অঞ্জন বৰাৰ সভাপতিত্বত অনুষ্ঠিত, সম্পাদক জ্ঞানাৰুণ কুমাৰ গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা আৰু যোৰহাটৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে উদ্বোধন কৰা সভাখনত ভাষণ প্ৰদান কৰি বিশিষ্ট লিখক সাহিত্যিক তথা দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক পদ্মলোচন নাথে কয়, 'সভ্যতাৰ লক্ষণ হ'ল যিসকল সমাজৰ বাবে কাম গৈছে সেইসকলক স্মৰণ কৰা। বদন বৰুৱাৰ দৰে বহু সাংবাদিক তথা আন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে সমাজৰ বাবে কাম কৰি গৈছে নিজৰ স্বাৰ্থকো জলাঞ্জলি দি। সেইসকলক স্মৰণ কৰাটো সমাজৰ কৰ্তব্য। বদন বৰুৱাই আজিৰ পৰা ৪০-৫০ বছৰৰ পূৰ্বে যি পৰিৱেশিত সংবাদ সেৱা আগবঢ়াইছিল সেইটো বৰ্তমানৰ সমাজৰ দৰে সহজসাধ্য নাছিল। তাৰবাবে বহু কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিব লাগিছিল।' বদন বৰুৱাৰ শতবাৰ্ষিকী উপলক্ষে এনে অনুষ্ঠান আয়োজন কৰাৰ বাবে বাৰ্তাজীৱী সংঘৰ শলাগ লয়। আনজন বক্তা সাংবাদিক, শিক্ষাবিদ দেবেন্দ্ৰনাথ বৰাই বদন বৰুৱাৰ সান্নিধ্যৰ কথা উল্লেখ কৰাৰ লগতে অসমৰ সংবাদ জগতলৈ আগবঢ়োৱা বৰঙণিৰ কথা উল্লেখ কৰে। আনজন বক্তা কৃষি বিজ্ঞানী তথা ক্ৰীড়া সংগঠক তপন দত্তইও বদন বৰুৱাৰ সংবাদ সেৱাৰ লগত সমাজ সেৱা তথা ক্ৰীড়াৰ ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ কথা উল্লেখ কৰে। প্ৰাক্তন বিধায়ক সমাজকৰ্মী হেমন্ত কলিতাই বদন বৰুৱাৰ সংবাদ আৰু সাহিত্যকৃতিৰ কথা উল্লেখ কৰাৰ লগতে তেওঁৰ সমাজদায়বদ্ধতাৰ কথাও উল্লেখ কৰে। সমাজলৈ বৰঙণি যোগোৱা বহু বিশিষ্ট ব্যক্তিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ যোৰহটীয়াৰ উদাসীনতাৰ কথা উল্লেখ কৰি তেওঁ আজিৰ কাৰ্যসূচীৰ বাবে বাৰ্তাজীৱী সংঘৰ প্ৰচেষ্টাৰ শলাগ লয়।

অনুষ্ঠানত জনসংযোগ বিভাগৰ যোৰহাট আঞ্চলিক সঞ্চালক ত্ৰিদীপ নন্দন বৰা, জ্যেষ্ঠ সাংবাদিক ললিত বৰাৰ লগতে পৰিয়ালৰ হৈ অধ্যাপক সঞ্জীৱ বৰুৱাইও সভাত ভাষণ প্ৰদান কৰে। সভাপতি অঞ্জন বৰাই আৰম্ভণিতে লিখিত আদৰণী ভাষণ পাথ কৰে। অনুষ্ঠানত বদন বৰুৱাৰ পৰিয়ালবৰ্গক চিনাকী কৰি দিয়ে বৰুৱাৰ জ্যেষ্ঠ কন্যা ডাঃ মিতালী বৰুৱাই। অনুষ্ঠানৰ শেষত জাতীয় সংগীতেৰে সভা ভংগ কৰা হয়। উল্লেখ্য, ১৯২২ৰ ২০ জুলাইত যোৰহাটৰ উপকণ্ঠৰ সৰুচৰাইখাট দুলীয়া গাঁৱ (শেনচোৱা গাঁও)ত জন্মগ্ৰহণ কৰা মৌজাদাৰ তিলোৰাম বৰুৱাৰ পুত্ৰ বদন বৰুৱাই কটন কলেজৰ পৰা কলেজীয়া শিক্ষা গ্ৰহণ কৰি মুম্বাইৰ পৰা সাংবাদিকতাৰ ডিপ্ল'মা গ্ৰহণ কৰে। এজন সুদক্ষ ক্ৰিকেট আৰু বেডমিণ্টন খেলুৱৈ বৰুৱাই ইউপিআই, ইউএন আই, টাইমছ্ অৱ ইণ্ডিয়া, ষ্টেটচ্‌মেন, দৈনিক অসম, দ্যা চেণ্টিনেল, আজিৰ অসম আৰু দৈনিক জনমভূমিত সাংবাদিক হিচাপে কৰ্মৰত আছিল। তেওঁ 'যোৰহাটৰ গোলাপ ফুল', 'ওকণি মৰা যন্ত্ৰ' আৰু 'শিক্ষা অৰাজকতা'কে ধৰি কেইবাখনো কিতাপ লিখি থৈ গৈছে। সাংবাদিক হিচাপে তেওঁ বহু কেইটা বঁটাও লাভ কৰিছে।

## প্ৰমোদ বড়োক সাক্ষাৎ কোচ-ৰাজবংশী সাহিত্য সভাৰ সঁজাতি দলৰ

অগ্ৰদূত বাৰ্তা
**তামাৰহাট, ৩০ জুলাই ঃ** বিটিআৰৰ অন্তৰ্গত অঞ্চলৰ কোচ ৰাজবংশী জনগোষ্ঠীটোৰ কেইবাটাও জ্বলন্ত তথা গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ দাবীত আজি কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড০ দ্বীজেন্দ্ৰ নাথ ভকত আৰু সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনৰ নেতৃত্বত কোচ ৰাজবংশী সাহিত্য সভা আৰু বিটিআৰ আক্ৰাছুৰ এটা যৌথ সঁজাতি দলে বিটিআৰ প্ৰধান প্ৰমোদ বড়োক সাক্ষাৎ কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰে। কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড০ ভকত আৰু সাধাৰণ সম্পাদক বৰ্মনে চহী কৰা স্মাৰক পত্ৰ খনত উল্লেখ কৰা মতে কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষানীতি - ২০২০ অনুসৰি আগন্তুক শিক্ষা বৰ্ষত বিটিআৰৰ কোচ ৰাজবংশী অধ্যুষিত অঞ্চলৰ প্ৰাথমিক বিদ্যালয় সমূহত অধ্যয়নৰত 'ক' শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকলক জনগোষ্ঠীটোৰ মাতৃভাষা ৰাজবংশী ভাষাত শিক্ষা প্ৰদানৰ বাবে দাবী জনায় । বি টি আৰ এলেকাৰ ৰাভা আৰু শান্তালি ভাষাৰ শিক্ষকৰ প্ৰশিক্ষণ আৰু মাননীৰ বাবে বি টি আৰ প্ৰশাসনে আছুতীয়াকৈ পুঁজি নিৰ্ধাৰণ কৰাৰ দৰে বি টি আৰৰ কোচ ৰাজবংশী অধ্যুষিত অঞ্চলৰ ৢছ খন প্ৰাথমিক বিদ্যালয়ত ৰজবংশী ভাষা শিকোৱাৰ বাবে পুঁজি নিৰ্ধাৰণৰ বাবে দাবী জনায় । কোকৰাঝাৰ জিলাৰ শক্তিআশ্ৰমস্থিত কোচ ৰাজবংশী সাহিত্য সভাৰ মুখ্য কাৰঞ্জয্যালয় বৰ্ধিতকৰণ তথা নিৰ্মাণৰ বাবে পুঁজি আবন্টন দিয়াৰ দাবী জনায় । প্ৰাথমিক পৰঞ্জয্যায়ত ৰাজবংশী ভাষাত পাঠ্য পুথি প্ৰনয়ন আৰু প্ৰকাশন ,কোচ ৰাজবংশী জনগোষ্ঠীৰ পূৰ্ণাংগ ইতিহাস, অভিধান , ব্যাকৰণ, সাংস্কৃতিক কোষকে ধৰি মৌলিক গ্ৰন্থ আদি

# পাঁচ আগষ্টত চিত্ৰগৃহলৈ নতুন ৰোমাণ্টিক-একচন ছবি খং



অসমীয়া চলচ্চিত্ৰ জগতত সম্প্ৰতি বিভিন্ন ট্ৰিটমেন্টৰ ছবি নিৰ্মাণ হৈ আছে। নৱপ্ৰজন্মৰ বহু চিনেমাকৰ্মীয়ে এই ক্ষেত্ৰত আগভাগ লৈ আছে। অসমীয়া চলচ্চিত্ৰ জগতৰ এজন নবীন পৰিচালক কুলদ্বীপ বৰাৰ পৰিচালনাত নিৰ্মিত নতুন অসমীয়া ছবি 'খং'- এতিয়া মুক্তিৰ দুৱাৰডলিত। অহা পাঁচ আগষ্টত অসমৰ সকলো চিত্ৰগৃহতে মুক্তি পাব এই ছবিখনে। কাহিনী প্ৰধান, ৰোমাণ্টিক - একচন ছবি 'খং'- ৰ প্ৰযোজনা সু-সংস্কৃতিবান মহিলা বিশিষ্ট চিকিৎসক ডাঃ ভাৰতী বসুমতাৰীৰ। সহযোগী প্ৰযোজক দূৰদৰ্শন কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত সঞ্চালক সাহিত্যসেৱী দেৱেন্দ্ৰ নাথ বসুমতাৰী। 'খং'-ৰ কাহিনী চিত্ৰনাট্য সংলাপ লিখাৰ উপৰি সম্পাদনা কৰিছে পৰিচালক কুলদ্বীপ বৰাই। ইয়াৰ পূৰ্বে তেওঁ 'ৰ'দ হৈ আহা তুমি' ছবিখন সম্পাদনা আৰু কাৰিকৰী নিৰ্দেশনা কৰিছিল। ছবিৰ সংগীত পৰিচালনা কৰিছে মনীষ দাসে। গীতসমূহত কণ্ঠ দিছে জুবিন গাৰ্গ আৰু ডাঃ ভাস্বতী বসুমতাৰীয়ে। গীতৰ কথা - বিনয় কৃষ্ণ তামুলী ফুকনৰ। চিত্ৰগ্ৰহণ বেদব্ৰত বৰা আৰু চন্দন সাগৰৰ। কৰিঅ'গ্ৰাফী মনোজ দাসৰ। অভিনেতা- অভিনেত্ৰীসকল হ'ল- নৱাগত শ্যামন্ত ভিভান, গায়ত্ৰী বৰা, ডিম্পী কাশ্যপ, মাছুদ আলী, আকাশ সুৰ, অখিল ডেকা, মৃণাল দাস, ভূপেন চন্দ্ৰ দাস, পৰম, ৰাজ ইণ্ডিয়া বাচফ'ৰ, জেউতি লস্কৰ, ত্ৰিদীপ কাশ্যপ, দিবাকৰ কলিতা, ৰক্তিম বসুমতাৰী, মামনি দাস, মমী দাস আৰু অনুপম গগৈ। একচন আৰু কাহিনী প্ৰধান ছবিখনে দৰ্শকক আকৃষ্ট কৰিব বুলি ক'ব পাৰি।

## ছয় আগষ্টত শ্ৰীমন্তশংকৰদেৱ কলাক্ষেত্ৰত সুৰজিৎ একাডেমীৰ ডেকাগিৰি

উত্তৰ পূৰ্বাঞ্চলৰ উচ্চ মানৰ সাংস্কৃতিক প্ৰশিক্ষণ কেন্দ্ৰ সুৰজিৎ একাডেমীয়ে অসমৰ সাংস্কৃতিক জগতলৈ যথেষ্ট অৱিহণা যোগাই আহিছে। যোৱা ২৫ বছৰ ধৰি একাডেমীয়ে অভিনয় আৰু পুতলা নাচৰ দুবছৰীয়া ডিপ্লমা পাঠ্যক্ৰম চলাই আছে। দুবছৰীয়া পাঠ্যক্ৰমৰ নিয়ম অনুসৰি, শিক্ষাৰ্থীসকলৰ জৰিয়তে পৰীক্ষামূলক এখন নাট পৰিৱেশন কৰা হয়। সেই হেতুকে অহা ছয় আগষ্ট সন্ধিয়া ৫-৩০ বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত শংকৰদেৱৰ শিশু কালৰ আধাৰত ৰচিত 'ডেকাগিৰি' নাটখন পৰিৱেশিত হ'ব। নাটখনৰ ৰচনা আৰু পৰিচালনা কৰিব শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যাপক তথা ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ পৰা ছিনিয়ৰ ফেল'শ্বিপ প্ৰাপ্ত সীমান্ত শৰ্মাই। সংগীত পৰিচালনা কৰিব মাজুলীৰ সত্ৰীয়া সাধক হলিৰাম বৰা বৰবায়ন আৰু নাটখনৰ কলা নিৰ্দেশক হিচাপে থাকিব ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ পৰা ৰাষ্ট্ৰীয় টেগৰ ৰিচাৰ্চ স্কলাৰপ্ৰাপ্ত বিনীতা দেৱী। নাট কাৰ্যক্ৰমত মুখ্য অতিথি তথা উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বিত্ত আৰু পৰিকল্পনাৰ সঞ্চালক বাবুল বৰা আৰু বিশিষ্ট অতিথিৰূপে থাকিব কেশৱ চন্দ্ৰ দাস বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৃষীকেশ বৰুৱা ।



# ভ্ৰাম্যমাণৰ দুই তাৰকাৰ খলকনি ৰূপালী পৰ্দাত





## ইতিমধ্যে ব্যাপক চৰ্চা নতুন অসমীয়া ছবি 'লংকাকাণ্ড'ৰ ট্ৰেইলাৰৰ

সম্প্ৰতি ছ'চিয়েল মিডিয়াত ব্যাপক চৰ্চালাভ কৰিছে বহুপ্ৰত্যাশিত অসমীয়া ছবি 'লংকাকাণ্ড'ৰ ট্ৰেইলাৰে। কিছুদিন পূৰ্বে মুক্তিলাভ কৰা ছবিখনৰ ট্ৰেইলাৰটোৱে অসমীয়া ছবি যে কাৰিকৰী দিশত যথেষ্ট উন্নত হৈছে তাকে লৈ চৰ্চা নেটিজেনৰ মাজত। ভ্ৰাম্যমাণ থিয়েটাৰৰ দুই তাৰকা শিল্পী মৃদুল ভূঞা আৰু চম্পক শৰ্মাৰ চমকপ্ৰদ অভিনয়ে দৃষ্টি আকৰ্ষণ কৰিছে চলচ্চিত্ৰপ্ৰেমীক। উল্লেখ্য যে দীৰ্ঘ সময় ধৰি অসমীয়া চিনেমাজগতৰ পৰা আঁতৰি আছিল এই দুই তাৰকা। ১৯৯৯ত মুক্তিলাভ কৰা অশোক কুমাৰ বিষয়াৰ 'বুকুৰ মাজত জ্বলে' আৰু ২০১২ত মুক্তিলাভ কৰা প্ৰদ্যুৎ কুমাৰ ডেকাৰ 'সমীৰণ বৰুৱা আহি আছে' ছবি দুখনত অভিনয় কৰিছিল মৃদুল ভূঞাই। তাৰ বিপৰীতে ১৯৯১ত মুক্তিলাভ কৰা যাদৱ চন্দ্ৰ দাসৰ 'প্ৰেম জনমে জনমে', ১৯৯৭ত মুক্তিলাভ কৰা ড° ভবেন্দ্ৰনাথ শইকীয়াৰ হিন্দী ভাষাৰ ছবি 'কালসন্ধ্যা' আৰু ২০০৪ত মুক্তিলাভ কৰা অমল বৰুৱাৰ 'ৰংমন'ত অভিনয় কৰিছিল চম্পক শৰ্মাই। তাৰ পাছত এই দুই অভিনেতাই অসমীয়া ছবিত অভিনয় কৰা নাছিল। শেহতীয়াকৈ ৰজনী বৰ্মন (ৰাজ) পৰিচালিত 'লংকাকাণ্ড'ৰ জৰিয়তে অসমীয়া ছবিত অভিনয় কৰাৰ বাবে আগবাঢ়ি আহিছে ভ্ৰাম্যমাণ থিয়েটাৰৰ এই দুই জনপ্ৰিয় অভিনেতা। ছবিখনৰ ট্ৰেইলাৰটোত একচন, সংলাপ, সংগীত, কাৰিকৰী প্ৰযুক্তি আদিয়ে দৃষ্টি আকৰ্ষণ কৰিছে বহুতৰে। চলচ্চিত্ৰখনৰ কাহিনী-চিত্ৰনাট্য ৰজনী বৰ্মন (ৰাজ)ৰ, প্ৰযোজনা কৰিছে মনীষ আগৰৱালাই। মৃদুল ভূঞা আৰু চম্পক শৰ্মাৰ উপৰি ছবিখনত অভিনয় কৰিছে ক্ৰমে— নিপন গোস্বামী, ৰীণা বৰা, অতুল পাচনী, ভ্ৰান্তি মেধি, বিবেক বৰা, মুনমী ফুকন, পল ফুকন, ড° আলখ্য বৰুৱা, জুনজুন বৰা, চিৰঞ্জিত বৰা, দোলা পাল, অমূল্য কুমাৰ, ৰমেন তামুলী, বাল্লী বৰা, যতীন খনিকৰ, জয়ন্ত দাস, কবিতা চুতিয়া, লিকুমা শৰ্মা, টুনটুন শইকীয়া বৰ্মন, বিনয় ডেকা, অঞ্জনজ্যোতি বেজ, তপন শইকীয়া, প্ৰকাশ মেধি, তৰুণ বৰা আৰু বহুতো ন-পুৰণি শিল্পীৰ লগতে শিশু শিল্পী শ্ৰেয়া, অদিতি নন্দিনী আৰু নিশানে। ছবিখনৰ দৃশ্যগ্ৰহণৰ দায়িত্বত আছে চনু ডেকা আৰু ধৰ্ম থাপা। সংগীত পৰিচালনা অজয় ফুকন, গৌতম শৰ্মা, মৃণাল বৈষ্ণৱ। সংগীত ব্যৱস্থাপনা শেখৰজ্যোতি গোস্বামী আৰু সুদৰ্শন বৰকটকীৰ। ছবিখনৰ গীতসমূহত কণ্ঠদান কৰিছে জুবিন গাৰ্গ, নীল আকাশ, দীপলিনা ডেকা আৰু ৰিটিশাই। আৱহ সংগীত অজয় ফুকনৰ, ছাউণ্ড ডিজাইনাৰ অনুপ মুখাৰ্জী (মুম্বাই)। পুনঃশব্দ সংযোজন কৰিছে দীপক কুমাৰ দত্ত আৰু বাবুল দাসে। সম্পাদনা আৰু ডিআই কৰিছে শ্যামল দাসে। সমৰকলা নিৰ্দেশনা আৰ কে শ্ৰী আৰু দাক্ষিণাত্যৰ একচন গ্ৰুপে। নৃত্য নিৰ্দেশনা কৰিছে দীপক দে, অসীম গগৈ, শশীন বৰুৱাই। ভি এফ এক্স কৰিছে মৃগাংক পাৰ্তিক পৰাশৰে। ৰূপসজ্জা ৰুমী গোস্বামী, মিনতি ডেকা আৰু পিয়ু শৰ্মাৰ। উল্লেখ্য যে অহা ২৮ অক্টোবৰত ছবিখন চিত্ৰগৃহলৈ আহিব।

# মহানগৰীত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ কৰ্মশালাৰ সামৰণি



শিল্পী তথা সাংস্কৃতিক কৰ্মী গিৰিমল্লিকা দাসৰ সম্পাদনাত অসম সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত আৰু সপ্তৰথী ৱেলফেয়াৰ ছ'চাইটীৰ উদ্যোগত ২৩-০৭-২০২২ পৰা ২৮-০৭-২০২২লৈকে মথুৰানগৰৰ নান্দনিকত হোৱা কলাগুৰু বিষ্ণু ৰাভাৰ গীতৰ কৰ্মশালাখনৰ সামৰণি পৰে। কৰ্মশালাখনত শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়ে গিৰিমল্লিকা দাস, তপন কুমাৰ লহকৰ , বীতু গোস্বামী, হেমেন অৰ্ণৱ , কবিন্দ্ৰ দাস আৰু দীপক দাসে। সংগত কৰে গুণজিত বৰপূজাৰীয়ে। কৰ্মশালাৰ অন্তত সামৰণি অনুস্থানত উপস্থিত থাকে বিশিষ্ট শিল্পী ড° অনিমা চৌধুৰী, কল্লোল বৰঠাকুৰ, সাংস্কৃতিক কৰ্মী বুবু বৰুৱা আৰু বহুত গণ্যমান্য ব্যক্তিয়ে। কৰ্মশালাৰ অন্তত শিক্ষাৰ্থীসকলক আৰু প্ৰশিক্ষকসকলক সপ্তৰথী ৱেলফেয়াৰ ছ'চাইটীৰ তৰফৰ পৰা প্ৰমাণপত্ৰ দিয়া হয় ।

# 'অৰণ্য মানৱ,পদ্মশ্ৰী ড° যাদৱ পায়েং' গ্ৰন্থৰ আধাৰত শংকৰদেৱ কলাক্ষেত্ৰত 'মুলাই'

ভাৰতৰ অৰণ্য মানৱ ,পদ্মশ্ৰী যাদৱ পায়েংৰ নাম এতিয়া সাত সাগৰ তেৰ নদীৰ সিপাৰতো আলোচ্য বিষয় হৈ পৰিছে। অসমৰ এজন পৰিৱেশ কৰ্মী তথা সাংবাদিক জিতু কলিতাই ২০০৭ৰ পৰা ২০০৯ লৈ যাদৱ পায়েঙে গঢ়ি তোলা অৰণ্যখনৰ বিষয়ে অধ্যয়ন কৰিছিল। কলিতাই ২০১০ত বাতৰি কাকতৰ যোগেদি যাদৱ পায়েঙক অৰণ্যৰ মাজৰ পৰা বিশ্ববাসীৰ আগত পৰিচয় কৰা দিছিল। সাংবাদিক কলিতাৰ দিনলিপি আৰু বিভিন্ন তথ্য সম্বলিত প্ৰৱন্ধৰ এখন গ্ৰন্থ ২০১৪ত কলিতাৰ দ্বাৰা লিখিত আৰু গুৱাহাটী পাণবজাৰৰ চন্দ্ৰ প্ৰকাশে অতি সুন্দৰকৈ এখন গ্ৰন্থ প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিছিল। লেখকে অধ্যয়নৰ সময়ত পোৱা বিভিন্ন তিতা-মিঠা অভিজ্ঞতা, যাদৱ পায়েঙে কৰা ব্যৱহাৰ আৰু পৰিৱেশৰ প্ৰতি থকা অগাধ প্ৰেম, জীৱনৰ বহু কৰুণ আৰু হাস্যকৰ বিষয় লেখকে গ্ৰন্থখনত উপস্থাপন কৰিছে। যাৰ বাবে 'অৰণ্য মানৱ পদ্মশ্ৰী ড° যাদৱ পায়েং' নামৰ গ্ৰন্থখনে যথেষ্ট সমাদৰ পাইছিল। ইংৰাজী ভাষা, চাইনিজ আৰু বহু দেশ-বিদেশী ভাষালৈ অনুবাদ হোৱা গ্ৰন্থখনৰ বিষয়বস্তুক লৈ মুম্বাই বলিউদৰ হিন্দী চলচ্চিত্ৰৰ এটা প্ৰতিষ্ঠানে চুক্তি কৰাৰ লগতে নতুন দিল্লী ৰাষ্ট্ৰীয় প্ৰচাৰ মাধ্যমে এই গ্ৰন্থৰ বিষয়বস্তু ওপৰত এখন হিন্দী চিৰিয়েলো নিৰ্মাণ কৰে। শেহতীয়াকৈ অসমতো অহা ছয় আগষ্টত গ্ৰন্থখনৰ



আধাৰত গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত হিমজ্যোতি বৈশ্যৰ ৰচনা আৰু অখিলেশ হাজৰিকাৰ পৰিচালনাত 'মুলাই' নামৰ নাটকখন প্ৰদৰ্শন কৰিব। এই নাটকখনত বহুকেইজন ন-পুৰণি কলা-কুশলীয়ে অভিনয় কৰিব য'ত সাংবাদিক আৰু অৰণ্য মানৱৰ মাজত হোৱা খণ্ড যুদ্ধ, কথাৰ কটা-কটি আৰু কিছুমান অজানিতে হৈ যোৱা ঘটনাৰ ৰোমাণ্টিক দৃশ্যই যথেষ্ট সমাদৰ পাব। ইতিমধ্যে গন্ধৰ্ব নাট্য গোষ্ঠীটিয়ে অসমৰ বহুকেইজন স্বনামধন্য ব্যক্তিৰ জীৱনৰ চৰিত্ৰৰ ওপৰত নাটক কৰি ৰাষ্ট্ৰীয় আৰু আন্ত:ৰাষ্ট্ৰীয়ভাৱে প্ৰশংসা পাবলৈ সক্ষম হৈছে। অসমত প্ৰথমবাৰলৈ মঞ্চস্থ হ'বলৈ লোৱা 'মুলাই' নাটকখনে সমাজত পৰিৱেশৰ প্ৰতি যথেষ্ট সজাগতা হ'ব। হিমজ্যোতি বৈশ্যই জনোৱা মতে, এই নাটকখন যোৰহাট, শিৱসাগৰ আদিৰ লগতে নতুন দিল্লীতো শীঘ্ৰেই প্ৰদৰ্শন হ'ব।

# 'ৰংগভূমি'ৰ অভিনৱ পদক্ষেপ ঃ লাজ-ভয়-শংকাত ভোগা শিশুসকলক লৈ আয়োজিত নাট কৰ্মশালা সম্পন্ন



## 'কি কৰিম, কেনেকৈ আমি কৰিম, কেনেকৈ আমি তৰিম' শিশু নাটে মুহিলে দৰ্শকক



কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ বিখ্যাত 'মানৱ বন্দনা' শীৰ্ষক কবিতাৰ 'আহিছে মানুহ গৈছে মানুহ, মানুহ ময়াপী জীৱ। মানুহ সোঁতৰ অন্ত নাইকিয়া বুলিলে মৰত কিয় ?' পংক্তি তথা আত্মবিশ্বাসৰ স্তৰ উৰ্ধ্বগামী কৰা সংলাপৰ মাজেৰে ঢকুৱাখনাত অনুষ্ঠিত শিশু নাট কৰ্মশালা এজাক শিশুৰৰ কলেৰৱত মুখৰিত হৈ পৰে। লখিমপুৰ জিলাৰ ঢকুৱাখনা মহকুমাৰ স্বেচ্ছাসেৱী সংগঠন তথা অভিনৱ কাৰ্যসূচীৰ জৰিয়তে ইতিমধ্যে প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা 'ৰংগভূমি'ৰ উদ্যোগত যোৱা চাৰি জুলাই পৰা ২৫ জুলাইলৈ অনুষ্ঠিত হোৱা শিশু নাট কৰ্মশালাখনৰ সামৰণি পৰিছে। মহকুমাটোৰ হাৰ্হি অঞ্চলৰ সাপতিয়া আঞ্চলিক ৰাজহুৱা ভৱনত ২৫ আৰু ২৬ জুলাইত সন্ধিয়া অনুষ্ঠিত হোৱা এই শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত শিশুসকলে পাঁচখনকৈ নাট মঞ্চস্থ কৰে। উল্লেখ্য যে প্ৰশিক্ষণপ্ৰাপ্ত শতাধিক শিশুৰ প্ৰতিজনৰে সাৱলীল অভিনয়েৰে মঞ্চস্থ হোৱা এই পাঁচখনকৈ নাটে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ মূল কাৰণ হ'ল এক মহান উদ্দেশ্য আগত ৰাখি 'ৰংগভূমি'য়ে এই নাট কৰ্মশালা আয়োজন কৰিছিল। বিশেষকৈ ভয়, শংকা, লাজ, সংকোচ কৰা তথা সমাজ বা পৰিয়াল, লগ-বন্ধুৰ পৰা আঁতৰি থাকিব বিচৰা শিশুসকলক লৈ এই নাট কৰ্মশালাখন আয়োজন কৰা হৈছিল। অৰ্থাৎ এই নাট কৰ্মশালা অনুষ্ঠিত কৰা 'ৰংগভূমি'ৰ মূল্য লক্ষ্য আৰু উদ্দেশ্য আছিল উল্লিখিত সমস্যাসমূহত আক্ৰান্ত শিশুসকলৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু সামাজিক দিশত প্ৰতিভাৰ বিকাশ কৰা আৰু ইয়াৰ জৰিয়তে এজন সুস্থ-সবল নাগৰিকৰূপে গঢ় দিয়া। অৱশেষত ২২ দিনীয়া নাট কৰ্মশালাখনৰ সফল সমাপ্তিৰ পাছত নিজৰ লক্ষ্য আৰু উদ্দেশ্যত 'ৰংগভূমি'য়ে সফলতা অৰ্জন কৰিবলৈ সক্ষম হোৱাত চৌদিশে প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

উল্লেখ্য যে ঢকুৱাখনাৰ হাৰ্হি অঞ্চলৰ ছবছৰৰ পৰা ১৪ বছৰ বয়সৰ প্ৰায় দুই শতাধিক শিশুৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা এই শিশু নাট কৰ্মশালাৰ সামৰণিৰ দুটা দিনত অভিজিৎ চুতীয়াৰ পৰিকল্পনা-পৰিচালনাত 'যোগ-বিয়োগ' আৰু 'কি কৰিম, কেনেকৈ আমি কৰিম, কেনেকৈ আমি তৰিম', সৌৰভ দহোটীয়াৰ পৰিচালনা আৰু হেমন্ত ৰাজখোৱাৰ ৰচিত 'বেহু', নৱদীপ দত্তৰ পৰিচালনা ৰাজকুমাৰ চুতীয়াৰ ৰচিত 'মঙহ' আৰু 'জিলমিল সপোন' নাট প্ৰদৰ্শন কৰে প্ৰশিক্ষণপ্ৰাপ্ত শিশুসকলে। ইয়াৰে 'কি কৰিম, কেনেকৈ আমি কৰিম, কেনেকৈ আমি তৰিম' শীৰ্ষ নাটখনত অভিনয় কৰা শিশুসকলে দৰ্শকৰ মন মুগ্ধ কৰাৰ লগতে সমাজলৈ এক বাৰ্তা প্ৰদান কৰে। গ্ৰামাঞ্চলৰ মানুহৰ জীৱন প্ৰণালী যেনে কৃষি কৰ্মৰ পৰা আদি কৰি ধান কটা, জীৱনত সুখ-দুখ, আনন্দ সমাহিত নাটখনৰ মূল বাৰ্তা আছিল জীৱনলৈ অহা প্ৰত্যাহ্বানৰ পৰা জীৱন যুঁজত কিদৰে জয়ী হ'ব পাৰি। প্ৰতিজন শিশু অভিনেতা-অভিনেত্ৰীৰ সাৱলীল অভিয়নে উপস্থিত দৰ্শকসকলক কেৱল আবেগিক কৰি তোলাই নহয়, প্ৰতিজনৰে মন জয় কৰিবলৈ সক্ষম হয়। একেদৰে 'বেহু' নাটখনতো শিশু অভিনেতা-অভিনেত্ৰীসকলে সমাজৰ উচ্চ শ্ৰেণীয়ে কিদৰে নিম্ন শ্ৰেণীৰ মানুহক শোষণ, বঞ্চিত কৰে আৰু এসময়ত কিদৰে শোষণ কৰা শ্ৰেণীটোৰ বিৰুদ্ধে সৰৱ হৈ পৰে সেয়া সুন্দৰ ৰূপত উপস্থাপন কৰিবলৈ সক্ষম হয়। 'ৰংগভূমি'ৰ সঞ্চালক কৌস্তভ কিশোৰ চুতীয়াৰ উদ্যোগত তথা 'ৰংগভূমি'ৰ সমন্বয়ক মানসজ্যোতি বৰা, ৰোহিত বৰুৱা, প্ৰতিমা চেতিয়া, ৰুবী গগৈ চুতীয়া আদিৰ সহযোগত সফল সমাপ্তি ঘটা এই নাট কৰ্মাশালাত প্ৰশিক্ষকৰূপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগত স্নাতকোত্তৰ ডিগ্ৰীধাৰী অভিজিৎ চুতীয়া, সৌৰভ দহোটীয়া, নৱদীপ দত্ত আদিয়ে অংশগ্ৰহণ কৰে। সমান্তৰালভাৱে স্থানীয় তচিল চেতিয়া, সুমিত্ৰ শইকীয়া, নৃপেন চমুৱা, ভাস্কৰ শইকীয়া, মনোজ বৰুৱা আদিৰ সক্ৰিয় সহযোগিতাত অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে। উল্লেখ্য যে নাট কৰ্মশালাৰ উপৰি 'ত্যাগৰ সমান সুখ নাই, দানৰ সমান পূণ্য নাই' এই বাক্যশাৰী সাৰোগত কৰি সমাজৰ অভাৱগ্ৰস্তসকলক সহায় কৰাৰ উদ্দেশ্যে 'ৰংগভূমি'য়ে পুৰণি ব্যৱহাৰযোগ্য বস্ত্ৰ, কিতাপ, শৈক্ষিক কাৰ্যত ব্যৱহৃত সামগ্ৰী, আচবাব আদি সংগ্ৰহৰ এক অভিযান অব্যাহত ৰাখিছে আৰু বিভিন্ন অঞ্চলত বিতৰণ কৰি আহিছে। এনে মহান উদ্দেশ্য তথা পদক্ষেপসমূহৰ বাবেই কেইজনমান যুৱকৰ প্ৰচেষ্টা ২০১৭ত জন্ম লাভ কৰা বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান 'ৰংগভূমি'য়ে অতি কম দিনৰ ভিতৰতে এক বৃহৎ পৰিয়াললৈ ৰূপান্তৰিত হোৱাৰ লগতে অঞ্চলটোৰ প্ৰতিজনৰ হৃদয়ত স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

# ওড়িছাত উজলিল গোৰেশ্বৰৰ চিফুং দ্য আৰ্টিষ্টৰ 'থেং ফাংখ্ৰী'

আজাদী কা অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি অনুষ্ঠিত কৰা থীম ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আঁৰৰ বীৰ বীৰাংগনা'ৰ আধাৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় (এনএছডি)ৰ আন্তঃৰাষ্ট্ৰীয় নাট মহোৎসৱ 'ভাৰত ৰংগ মহোৎসৱৰ ভুৱনেশ্বৰত জিলিকি উঠিল জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনৰ ৰচিত আৰু এন এছ ডি পৰী শৰণীয়াৰ দ্বাৰা পৰিচালিত গোৰেশ্বৰৰ অন্যতম নাট্যগোষ্ঠী 'চিফুং দ্য আৰ্টিষ্ট'ৰ নাট 'থেং ফাংখ্ৰী'। বিগত ১৯ জুলাইত ভাৰত ৰংগ মহোৎসৱত অংশগ্ৰহণ কৰাৰ বাবে 'থেং ফাংখ্ৰী'ৰ দল ভুৱনেশ্বৰলৈ ৰাওনা হয়। নাট্যদলটোৱে ২২ জুলাইত ভুৱনেশ্বৰৰ কিট বিশ্ববিদ্যালয় প্ৰেক্ষাগৃহত নাট প্ৰদৰ্শন কৰে। বড়ো মহীয়সী নাৰী থেং ফাংখ্ৰীৰ জীৱন আধাৰত অসমীয়া, বড়ো আৰু ইংৰাজী তিনিটা ভাষাত ৰচিত নাটখনৰ অভিনেতা-অভিনেত্ৰীসকলে কৰা দুৰ্দান্ত অভিনয়ে উপস্থিত ৰাইজক মুগ্ধ কৰি তোলে। বিশেষকৈ থেং



ফাংখ্ৰীৰ মুখ্য ভূমিকাত অভিনয় কৰা অভিনেত্ৰী তথা হায়দৰাবাদ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰিদৰ্শন কলাৰ স্নাতকোত্তৰ অলিম্পিকা ৰাজবংশীৰ অভিনয়ে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। নাটখনৰ পোহৰ নিৰ্দেশক ডিম্পল দাসৰ পোহৰ নিৰ্দেশনা আৰু মুক্তিমুহূৰ্ত হাজৰিকাৰ নিখুঁত সংগীত পৰিচালনাৰ বাবে নাটকখন সফল কৰাত অৱদান আগবঢ়ায়। অভিনেত্ৰী পৰী শৰণীয়াৰ সফল নেতৃত্ব আৰু অতি সুন্দৰভাৱে কৰা নাট পৰিচালনাৰ বাবে ভুৱনেশ্বৰত উজলি উঠিল অসমীয়া, বড়ো আৰু ইংৰাজী ভাষাৰ নাট 'থেং ফাংখ্ৰী' নাম ল'বই লাগিব এগৰাকী বড়ো মহীয়সী নাৰীৰ জীৱন আধাৰত তিনিটা ভাষাত নাট্য ৰূপ দিয়া 'থেং ফাংখ্ৰী' নাটখন কোনো এটা সময়ত দৰ্শকে আমনি নোপোৱাকৈ অতি নিখুঁতভাৱে উপস্থাপন কৰা জনপ্ৰিয় কবি, নাট্যকাৰ প্ৰণৱ কুমাৰ বৰ্মনৰ। এইজন প্ৰতিষ্ঠিত নাট্যকাৰৰ বাবে আজিও সকলোৰে মুখে মুখে চৰ্চিত হৈ আছে 'থেং ফাংখ্ৰী' নাটকৰ সংলাপ। দেশৰ ছখন চহৰ দিল্লী, ভুৱনেশ্বৰ, বাৰানসী, অমৃতসৰ, বাংগালুৰু আৰু মুম্বাইত চলি থকা এচিয়াৰ সৰ্ববৃহৎ নাট মহোৎসৱ 'ভাৰত ৰংগ মহোৎসৱত' উজলি উঠা থেং ফাংখ্ৰী নাটখনে ইতিপূৰ্বে গুৱাহাটী, ডিমাপুৰ, গোৰেশ্বৰ, নলবাৰী, এনএছডিৰ পূৰ্বোত্তৰ নাট সমাৰোহৰ লগতে আন বিভিন্ন ঠাইত প্ৰদৰ্শিত হোৱা নাটখনে দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰে। 'থেং ফাংখ্ৰীত' অভিনয় কৰা শিল্পীসকল হ'ল ভৰেশ ডেকা, গকুল মহন্ত, বাবু ৰাভা হাকাচাম, বিজয় ৰাজবংশী, পংকজ শৰণীয়া, বেঞ্জামিন দৈমাৰী, মিণ্টু ডেকা, অভিজিৎ ডেকা, অভিলাষ বৰবৰা, ধ্ৰুৱজ্যোতি ডেকা, ৰাজ বৰুৱা, অলিম্পিকা ৰাজবংশী, দিশা শৰ্মা, সৌদমশ্ৰী বড়ো, ললিতা ৰাজবংশী, বৰষা ডেকা, ভাস্বতী কুমাৰ দাস, নিজম বড়ো।

# আজি নাট্যাৰম্ভ গীতাশ্ৰী থিয়েটাৰৰ



ভ্ৰাম্যমাণ থিয়েটাৰৰ গৰিমা ৰক্ষাৰ শপতেৰে মৰিগাঁও জিলাৰ বৰঙাবাৰীৰ পৰা আত্মপ্ৰকাশ কৰা বুলন হাজৰিকা প্ৰযোজিত গীতাশ্ৰী থিয়েটাৰে পাৰ হৈ যোৱা দুটা নাট্যবৰ্ষ সফলতাৰে অতিক্ৰম কৰি চলিত ২০২২-২০২৩ নাট্যবৰ্ষত স-গৌৰৱে তৃতীয় বৰ্ষত ভৰি দিছে। ইতিমধ্যে চলিত নাট্যবৰ্ষৰ বাবে গীতাশ্ৰী থিয়েটাৰে নাটক নিৰ্বাচনৰ পৰা আৰম্ভ কৰি শিল্পী কলা- কুশলী নিৰ্বাচন লৈ সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। আজি মৰিগাঁও জিলাৰ বৰঙাবাৰীত গীতাশ্ৰী থিয়েটাৰৰ স্থায়ী আখৰা শিবিৰত চলিত নাট্যবৰ্ষৰ শুভ নাট্যাৰম্ভ কৰিব। এই বৰ্ষত গীতাশ্ৰী থিয়েটাৰে দুগৰাকী নাট্যকাৰৰ তিনিখন ভিন্ন স্বাদৰ ভিন্ন পটভূমিৰ নাটক মঞ্চায়ন কৰিব। নাটককেইখন হ'ল অভিজিত ভট্টাচাৰ্যৰ 'ৰঙা গোলাপত তেজ' আৰু 'মৰমতীৰ্থ' লগতে ভাস্কৰজ্যোতি শৰ্মাৰ 'বুদ্ধ পূৰ্ণিমা'। চলিত নাট্যবৰ্ষত গীতাশ্ৰী থিয়েটাৰৰ মঞ্চত অভিনয় কৰিব—ভ্ৰাম্যমাণ মঞ্চৰ বলিষ্ঠ অভিনেতা বিনয় ডেকা, অমিতাভ ৰাজখোৱা, গুঞ্জন চৌধুৰী, নাগেশ্বৰ নাথ, দ্বীৰন আৰ্য, ভাস্কৰ শৰ্মা, সঞ্জীৱ গণেশ, প্ৰত্যশা ভৰদ্বাজ, দিম্পী নাথৰ লগতে আন কে'বাগৰাকী প্ৰতিভাবান অভিনেতা-অভিনেত্ৰীয়ে। নাট্যদলটোৰ সম্পাদকৰ দায়িত্ব আছে জিতু শৰ্মা। নাট্যদলটোৰ প্ৰযোজক পক্ষই জানিবলৈ দিয়া মতে অহা আগষ্টৰ শেষ ভাগৰ পৰা গীতাশ্ৰী থিয়েটাৰে দৰ্শকৰ ওচৰত নাট প্ৰদৰ্শন আৰম্ভ কৰিব।

## বাৰ্মিংহাম কমনৱেলথ গেমছ ঃ আঘাতৰ বাবে ভাৰোত্তোলক সাগৰে হেৰুৱালে স্বৰ্ণ

# ভাৰতক প্ৰথমটো পদক দিলে সংকেতে



## ভাৰোত্তোলনত দেশক ব্ৰঞ্জ পদক দিলে গুৰুৰাজাই

**বাৰ্মিংহাম, ৩০ জুলাই ঃ** ভাৰতৰ পুৰুষ ভাৰোত্তোলক সংকেট সাগৰে আজি চলিত 22 সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতক প্ৰথমটো পদক দিয়াৰ গৌৰৱ লাভ কৰাৰ পাছতে ভাৰোত্তোলনত দেশক দ্বিতীয়টো পদক দিয়ে গুৰুৰাজা পুজাৰীয়ে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা পুৰুষৰ 61 কিলোগ্ৰাম শাখাৰ ভাৰোত্তোলনত ভাৰতৰ গুৰুৰাজা পুজাৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ভাৰতীয় ভাৰোত্তোলকজনে স্নেচত 118 কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত 151 কিলোগ্ৰাম মুঠ 269 কিলোগ্ৰাম উত্তোলন কৰি ব্ৰঞ্জ পদক জয় কৰে। এই শাখাৰ সোণ লাভ কৰে 285 কিলোগ্ৰাম ওজন উত্তোলন কৰা মালয়েছিয়াৰ আজনিল বিনে। আনহাতে, ৰূপ পায় পাপুৱা নিউগিনিৰ ম'ৰে বাৰুই (273 কিলোগ্ৰাম)। স্মৰ্তব্য যে কমনৱেলথ গেমছত এয়া গুৰুৰাজা পুজাৰীৰ ক্ৰমাগত দ্বিতীয়টো পদক। ইয়াৰপূৰ্বে বিগত 2018 ৰ গ'ল্ডক'ষ্ট কমনৱেলথ গেমছতো পুজাৰীয়ে ৰূপৰ পদক লাভ কৰিছিল।

**বাৰ্মিংহাম, ৩০ জুলাই ঃ** চলিত 22 সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতক প্ৰথমটো পদক দিয়াৰ গৌৰৱ লাভ কৰিছে পুৰুষ ভাৰোত্তোলক সংকেট সাগৰে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা পুৰুষৰ 55 কিলোগ্ৰাম শাখাৰ ভাৰোত্তোলনত ভাৰতৰ সংকেটে ৰূপৰ পদক লাভ কৰে। তেওঁ স্নেচত 113 কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত 135 কিলোগ্ৰাম মুঠ 248 কিলোগ্ৰাম উত্তোলন কৰি ৰূপ জয় কৰে। সোণ লাভ কৰে 249 কিলোগ্ৰাম ওজন উত্তোলন কৰা মালয়েছিয়াৰ মহম্মদ অনিকে। আনহাতে, ব্ৰঞ্জ পায় শ্ৰীলংকাৰ দিলাংকা ইছুৰুৱে (225 কিলোগ্ৰাম)। স্মৰ্তব্য যে কেৰিয়াৰৰ প্ৰথমখন কমনৱেলথ গেমছ খেলা সংকেটে অপ্ৰতিৰুদ্ধ হৈ সোণ দখল কৰাৰ দিশে অগ্ৰসৰ হৈছিল যদিও ক্লিন এণ্ড জাৰ্কৰ দ্বিতীয়টো উত্তোলনত আঘাত পোৱাত ৰূপৰ পদকতে সন্তুষ্ট থাকিব লগা হয়। স্নেচত সংকেটে উত্তোলন কৰিছিল 113 কিলোগ্ৰাম। আনহাতে, মালয়েছিয়াৰ অনিকে উত্তোলন কৰিছিল 107 কিলোগ্ৰাম। ছয় কিলোগ্ৰাম অধিক উত্তোলন কৰি শীৰ্ষত আছিল ভাৰতৰ সংকেট। কিন্তু যেতিয়া ক্লিন এণ্ড জাৰ্ক আৰম্ভ হ'ল সংকেটে প্ৰথম প্ৰয়াসত 135 কিলোগ্ৰাম সহজে উত্তোলন কৰিলে। দ্বিতীয় প্ৰয়াসত সংকেটে 139 কিলোগ্ৰাম লক্ষ্য লয় যদিও অন্তিমক্ষণত আঘাত পোৱাত বিফল হয়। ইয়াতে সমাপ্ত হৈ যায় সোণ জয়ৰ সপোন। সুযোগ লাভ কৰি অনিকে তৃতীয় চেষ্টাত 142 কিলোগ্ৰাম উত্তোলন কৰি সংকেটতকৈ মাত্ৰ এক কিলোগ্ৰাম অধিক উত্তোলন কৰি সোণ দখল কৰে। স্বাভাৱিকতে বিধতাই মালয়েছিয়াৰ ভাৰোত্তোলকক সহায় কৰাৰ বিপৰীতে দুভাগ্যৰ বলি হয় সংকেট।





### পুৰুষ দলৰ জয়

## লন বলৰ তৃতীয় মেচতো পৰাস্ত অসমৰ তানিয়া

**বাৰ্মিংহাম, ৩০ জুলাই ঃ** চলিত 22 সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতক প্ৰতিনিধিত্ব কৰা অসমৰ তানিয়া চৌধুৰীয়ে লন বলৰ একক শাখাৰ নিজৰ তৃতীয়খন মেচতো আজি পৰাজয়ৰ সন্মুখীন হয়। ৱেলছৰ লৌৰা ডেনিয়েলে 21-10 ৰ ব্যৱধানত পৰাস্ত কৰে অসম কন্যা তানিয়াক। উল্লেখ্য যে কালি তানিয়া প্ৰথম দুখন মেচত পৰাস্ত হৈছিল। তানিয়াৰ মেচেৰেই ভাৰতে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰিছিল। কিন্তু অসম কন্যা তানিয়া প্ৰথম মেচত স্কটলেণ্ডৰ বিৰুদ্ধে 21-10 ত পৰাস্ত হোৱাৰ বিপৰীতে দ্বিতীয় মেচতো ফাল্কলেণ্ড আইছলেণ্ডৰ খেলুৱৈৰ হাতত 21-20 ত পৰাস্ত হয়। লন বলত ভাৰতৰ পুৰুষ দলো নিউজিলেণ্ডৰ হাতত 23-6 আৰু স্কটলেণ্ডৰ হাতত 19-12 ৰ ব্যৱধানত পৰাস্ত হয়। কিন্তু আজি হোৱা খেলত ভাৰতৰ পুৰুষ দলে 13-10 ৰ ব্যৱধানত পৰাস্ত কৰে কুক আইছলেণ্ডক। উল্লেখ্য যে কমনৱেলথ গেমছৰ ভাৰতীয় লন বল দলত অসমৰ তিনি গৰাকী খেলুৱৈয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। 12 জনীয়া দলত স্থান লাভ কৰিছে অসমৰ তানিয়া চৌধুৰী, নয়নমণি শইকীয়া আৰু মৃদুল বৰগোঁহায়ে।



### ভাৰতীয় দলৰ অধিনায়ক পদ লাভ

## দুখন বিশ্ব টেনিছলৈ অসমৰ নাজনীন

**গুৱাহাটী, ৩০ জুলাই ঃ** অসমৰ নাজনীন ৰহমানে ভাৰতীয় টেনিছ দলৰ সন্মানীয় অধিনায়ক পদ লাভ কৰিছে। উল্লেখ্য যে অহা 31 জুলাইৰ পৰা পাঁচ আগষ্টলৈ পৰ্তুগালত অনুষ্ঠিত হ'ব আই টি এফ ছিনিয়ৰ মাৰ্গাৰেট ক'ৰ্ট কাপ ৱৰ্ল্ড চেম্পিয়নশ্বিপ টেনিছ প্ৰতিযোগিতা। আন্তৰ্জাতিক টেনিছ ফেডাৰেছনৰ সন্মানীয় প্ৰতিযোগিতাখনত বিশ্বৰ মুঠ 23 খন দেশৰ খেলুৱৈয়ে অংশ ল'ব। স্মৰ্তব্য যে আই টি এফ ছিনিয়ৰ মাৰ্গাৰেট ক'ৰ্ট কাপ ৱ'ৰ্ল্ড চেম্পিয়নশ্বিপ টেনিছ প্ৰতিযোগিতাত ভাৰতৰ খেলুৱৈয়েও অংশ লোৱাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। আনহাতে, অসমৰ নাজনীন ৰহমানে এই আন্তৰ্জাতিক প্ৰতিযোগিতাখনত ভাৰতীয় টেনিছ দলক নেতৃত্ব দিয়াৰ কৃতিত্ব লাভ কৰিছে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই এই কথা জানিবলৈ দিছে। দত্তই জনোৱা অনুসৰি ভাৰতীয় দলৰ অন্য সদস্যসকল হ'ল সোনাল বড়া, প্ৰেৰণা আপটে আৰু ৰশ্মী মোহন। ইফালে, আই টি এফ ছিনিয়ৰ মাৰ্গাৰেট ক'ৰ্ট কাপ ৱৰ্ল্ড চেম্পিয়নশ্বিপ টেনিছ প্ৰতিযোগিতাৰ পাছতে পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হ'ব আন এখন একক শাখাৰ বিশ্ব টেনিছ চেম্পিয়নশ্বিপ। ছয়ৰ পৰা 12 আগষ্টলৈ হ'ব এই আন্তৰ্জাতিক প্ৰতিযোগিতাখন। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি অসম কন্যা নাজনীন ৰহমানে এই বিশ্ব টেনিছ চেম্পিয়নশ্বিপখনতো দেশক প্ৰতিনিধিত্ব কৰি অংশ ল'ব। নাজনীনৰ এই সফলতাৰ বাবে অসম টেনিছ সন্থাই তেওঁক শুভেচ্ছা জনোৱাৰ লগতে দুয়োখন আন্তৰ্জাতিক প্ৰতিযোগিতাত সফলতা লাভ কৰাৰ আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে নাজনীনে বিগত বৰ্ষত ৰাজ্যৰ শ্ৰেষ্ঠ ক্ৰীড়াবিদৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল।



### বক্সিঙৰ প্ৰি-কোৱাৰ্টাৰত ভাৰতৰ হুছাম মহম্মদ

## আজি মহিলা ক্ৰিকেটত ভাৰত-পাকিস্তান

**বাৰ্মিংহাম, ৩০ জুলাই ঃ** ভাৰতৰ হুছাম মহম্মদে দ্বিতীয়জন বক্সৰৰূপে চলিত কমনৱেলথ গেমছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি হোৱা পুৰুষৰ 57 কিলোগ্ৰাম শাখাত ভাৰতীয় বক্সাৰজনে 5-0 ৰ ব্যৱধানত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাৰ আমজ'লেলাক। উল্লেখ্য যে ইয়াৰপূৰ্বে কালি দেশৰ তাৰকা বক্সাৰ অসম সন্তান শিৱ থাপাই সুন্দৰ জয়েৰে অভিযান আৰম্ভ কৰিছিল। পুৰুষৰ লাইট ৱেল্টৰৱেট 60-63.5 কিলোগ্ৰাম শাখাত খেলা শিৱই প্ৰথম ৰাউণ্ডৰ মেচত পাকিস্তানৰ চুলেমান বালোচৰ বিৰুদ্ধে 5-0 ৰ চমকপ্ৰদ জয় সাব্যস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। ইফালে, আজি স্ক'ৱাছত ভাৰতৰ সৌৰভ ঘোষালে শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক 11-4, 11-4, 11-6 ৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে ছোৱালীৰ শাখাত ভাৰতৰ জ্যোৎস্না চিনাপ্পাই বাৰ্বাডোজৰ প্ৰতিদ্বন্দ্বীক 11-8, 11-9, 12-10 ৰ ব্যৱধানত পৰাস্ত কৰে। ইফালে, বেডমিণ্টনৰ মিক্সড শাখাত ভাৰতে সহজে পৰাস্ত কৰে শ্ৰীলংকাক। আনহাতে, টেবুল টেনিছৰ পুৰুষ দলে 3-0 ৰ ব্যৱধানত উত্তৰ আয়াৰলেণ্ডক পৰাস্ত কৰি তৃতীয় বিজয় সাব্যস্ত কৰে। কিন্তু মাৰাথনত 12 নম্বৰ স্থানত থাকিয়ে বিদায় লয় ভাৰতৰ নৰেন্দ্ৰ সিং ৰাৱটে। চলিত 22 সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত কাইলৈ ভাৰতৰ মহিলা ক্ৰিকেট দল মুখামুখি হ'ব পাকিস্তানৰ। উল্লেখ্য যে প্ৰথম মেচত ভাৰতৰ মহিলা ক্ৰিকেট দল (154-8] তিনি উইকেটত পৰাস্ত হৈছিল অষ্ট্ৰেলিয়াৰ (157-7] হাতত। আনহাতে, পকিস্তানো বাৰ্বাডোজৰ বিৰুদ্ধে পৰাস্ত হয়।



## দক্ষিণ কামৰূপ এ ডিভিজন লীগ

**বকো, ৩০ জুলাই ঃ** দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ এ ডিভিজন আন্তঃ ক্লাব লীগ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত ভলকেনো ফুটবল ক্লাব আৰু চক্ৰপাণি ফুটবল ক্লাব জয়ী হৈছে । বকো ক্ৰীড়া সন্থাৰ সহযোগত বকো হাইস্কুল খেলপথাৰত চলি থকা লীগৰ আজি প্ৰতিযোগিতাখনৰ প্ৰথম খেলত ভলকেনোই বনগাঁও স্প'ৰ্টছ ক্লাবক 1-0 গ'লত আৰু দ্বিতীয় খেলখনত চক্ৰপাণিয়ে নংবাগ ফুটবল ক্লাবক 3-2 গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে।

## লখিমপুৰ জিলা কাৰাটে আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ৩০ জুলাই ঃ** বিহপুৰীয়া মহাবিদ্যালয় ইনড'ৰ ষ্টেডিয়ামত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে লখিমপুৰ জিলা ভিত্তিত সপ্তম বাৰ্ষিক কাৰাটে প্ৰতিযোগিতা । লখিমপুৰ জিলা কাৰাটে সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনি আজি দুপৰীয়া উদ্বোধন কৰে বিহপুৰীয়া প্ৰাথমিক শিক্ষা খণ্ডৰ সহকাৰী পৰিদৰ্শক আব্দুৰ ৰাজ্জাকে । লখিমপুৰ জিলা কাৰাটে সন্থাৰ সম্পাদক মনোজ গগৈয়ে আতঁ ধৰা প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত সদ্য অনুষ্ঠিত যুৱ অলিম্পিকৰ কাৰাটে প্ৰতিযোগিতাৰ কুমিটে শাখাত সোনৰ পদক লাভ কৰা ননী গোপাল দত্ত , ব্ৰঞ্জৰ পদক লাভ কৰা মিৰাজ আলি আৰু ছোৱালীৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰা ইয়াটি গুপ্তাক সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয় । উদ্বোধনী সভাত বিহপুৰীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক কৃষ্ণ কমল শইকীয়াৰ লগতে সন্থাৰ সভাপতি ৰাজকুমাৰ বৰাই অংশগ্ৰহণ কৰে । প্ৰতিযোগিতাখনিত জিলা খনৰ 14 টা ক্লাবৰ 250 গৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছে।





## ৰাষ্ট্ৰীয় উশ্বুত অসমৰ ২১ টা পদক

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ৩০ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ ভিতৰুৱা গাঁৱৰ পৰা গৈ নিজৰ অনন্য ক্ৰীড়া প্ৰতিভাৰে উজলিবলৈ সক্ষম হৈছে এগৰাকী ছাত্ৰী। মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত সৰুপানী পঞ্চায়তৰ শ্বহিদপুৰ গাঁৱৰ মনীষা গড়ে শেহতীয়াকৈ হিমাচল প্ৰদেশৰ ছিমলাত অনুস্থিত 22 সংখ্যক ৰাষ্ট্ৰীয় উশ্বু চেম্পিয়নশ্বিপত লাভ কৰিছে ব্ৰঞ্জৰ পদক। শ্বহীদপুৰ গাঁৱৰ জগন্নাথ গড় আৰু জোনালী গড়ৰ কন্যা মনীষা বৰ্তমান দশম শ্ৰেণীত অধ্যয়ণ কৰি আছে। চাৰি বছৰ বয়সৰ পৰাই প্ৰশিক্ষক গোলাপ দৈমাৰী আৰু অমৰ সিং লিম্বুৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি অহা মনীষাই পূৰ্বেও ৰাজ্যিক উশ্বু প্ৰতিযোগিতাত ভাগ লৈ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। এইবাৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত অসম দলৰ হৈ 48 গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰি স্বৰ্ণ পদক সহ মুঠ 21 টা পদক আজুৰি আনিবলৈ সক্ষম হয়। নিজ গাঁৱত উপস্থিত হোৱাৰ পাছত শতাধিক লোকে এক বিজয় সমদল কৰি মনীষাক বাসগৃহলৈ আদৰি আনে। পাছত সদৌ অসম গড় সমাজৰ উদ্যোগত স্থানীয় মিলনপুৰ সভাগৃহত এখন সভা অনুস্থিত কৰি মনীষাক বিপুল সম্বৰ্ধনা জনাই অঞ্চলবাসীয়ে।

## মৰিয়নি ফুটবল লীগৰ কোৱাৰ্টাৰত হোলোংগুৰি বাগিচা

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ৩০ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগত হোলোংগুৰি চাহ বাগিচা ফুটবল দল কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে । আজি গ্ৰুপ লীগৰ হোলোংগুৰিৰ অন্তিমখন খেলত দলে উদয়ন সংঘক একমাত্ৰ গ'লত পৰাজিত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰে । গ্ৰুপ লীগত তিনিওখন খেলত জয়ী হৈ হোলোংগুৰিয়ে অন্তিম আঠটা দলৰ মাজত নিজৰ স্থান নিশ্চিত কৰে । আজি খেলৰ চাৰি মিনিটত হোলোংগুৰিৰ বিতুপন কাৰৱাই বিজয়সুচক গ'লটো দিয়ে। খেলখন পৰিচালনা কৰে নিত্যৰঞ্জন ফুকন, দিব্যজ্যোতি শইকীয়া, বাবুল দেৱ আৰু নেইনা ভূমিজে। কাইলৈৰ খেল ঃ কাঁঞ্জঠালগুৰি এফ চি বনাম নাগাজাংকা চাহ বাগিচা ফুটবল দল।

### গৃহভূমিত ৱেষ্টইণ্ডিজৰ ব্যৰ্থতা অব্যাহত

## প্ৰথম টি-২০ ত ভাৰতৰ জয়লাভ

**প'ৰ্ট অব স্পেইন, ৩০ জুলাই ঃ** ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো 3-0 ৰ ব্যৱধানেৰে দখল কৰাৰ পাছত পাঁচখনীয়া টি-20 শৃংখলাৰ প্ৰথমখন মেচতো 68 ৰাণত জয়লাভ কৰি 1-0 ৰ অগ্ৰগতি লৈছে। যোৱানিশা অনুষ্ঠিত হোৱা প্ৰথমখন টি-20 মেচত পোনতে বেটিং কৰা ভাৰতে 20 অভাৰত ছয় উইকেটত 190 ৰাণ কৰে। দলৰ হৈ অপেনাৰ তথা অধিনায়ক ৰোহিত শৰ্মাই 64 আৰু দিনেশ কাৰ্তিকে 41 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে 191 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি 20 অভাৰত 122-8 ৰাণত ইনিংছ সামৰে। ভাৰতৰ হৈ অশ্বিন, অৰ্শ্বদীপ তথা ৰবী বিষ্ণৱে দুটাকৈ উইকেট পায়। পাঁচখনীয়া টি-20 শৃংখলাৰ দ্বিতীয়খন মেচ অহা পহিলা আগষ্টত অনুষ্ঠিত হ'ব। **জিম্বাৱ'ৱৈৰ বিৰুদ্ধে**



**ভাৰতীয় দল ঘোষণা ঃ** ৱেষ্ট ইণ্ডিজ ভ্ৰমণৰ পাছতে ভাৰতীয় ক্ৰিকেট দলে জিম্বাৱ'ৱে ভ্ৰমণ কৰিব। আজি বি চি চি আয়ে জিম্বাব'ৱে ভ্ৰমণ কৰিব লগা ভাৰতীয় ক্ৰিকেট দল ঘোষণা কৰিছে। ভাৰতীয় ক্ৰিকেট দলক নেতৃত্ব দিব শিখৰ ধৱনে।

### বাস্কেটবল সম্পৰ্কীয় আলোচনাচক্ৰ

**গুৱাহাটী, ৩০ জুলাই ঃ** মহানগৰীৰ বাস্কেটবল প্ৰশিক্ষকসকলৰ বাবে আজি হোটেল লেণ্ডমাৰ্কত গুৱাহাটী ক্ৰীড়া সন্থাই আয়োজন কৰে এক আলোচনাচক্ৰ । এই আলোচনাচক্ৰত বক্তা হিচাপে অংশ লৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডঃ মৈথিলী হাজৰিকাই প্ৰশিক্ষকসকলৰ মনস্তাত্বিক আচৰণ সম্পৰ্কে বক্তৃতা দিয়ে । প্ৰশিক্ষক ভৱজ্যোতি ভট্টই মৌলিক কৌশল বিকাশ সম্পৰ্কে বক্তৃতা দিয়ে । আন এগৰাকী বক্তা তথা ৰাষ্ট্ৰীয় বাস্কেটবল খেলুৱৈ দেৱ কুমাৰ বৰুৱাই নতুন নীতি নিয়ম আৰু বাস্কেটবলত ইয়াৰ প্ৰভাৱ সম্পৰ্কে বক্তৃতা দিয়ে । এই আলোচনাচক্ৰত 13 গৰাকী প্ৰশিক্ষকে অংশ লয়।

## তৃতীয় ডিভিজন লীগত বঢ়মপুৰ ক্লাবৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ৩০ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূএগ সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত বঢ়মপুৰ স্প'ৰ্টছ ক্লাবে নগাঁও ছুপাৰ ষ্ট্ৰাইৰ্কাছক 2-1 গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। খেলখনত বঢ়মপুৰ ক্লাবৰহৈ বিদ্যুৎ বনিয়া আৰু গোমে ৰাভাই গ'ল দুটা দিয়াৰ বিপৰীতে নগাঁও ছুপাৰ ষ্ট্ৰাইৰ্কাছৰহৈ ৰাকেশ আমফিয়ে একমাত্ৰ গ'লটো দিয়ে।



## গুৱাহাটীত ৰাজ্যিক ৰেংকিং বেডমিণ্টন

**গুৱাহাটী, ৩০ জুলাই ঃ** গুৱাহাটী ক্ৰীড়া সন্থাই অহা পহিলা আগষ্টৰ পৰা আয়োজন কৰিছে এছবিআই প্ৰেজেন্ট্ছ য়'নেক্স ছানৰাইজ 22 সংখ্যক সদৌ অসমৰ ৰেংকিং বেডমিণ্টন টুৰ্ণামেণ্ট 2022 । আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা বৰুৱা ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব লগা এই প্ৰতিযোগিতাৰ পাঁচ আগষ্টত সামৰণি পৰিব । প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডনবস্কো বিশ্ববিদ্যালয়ৰ ছেবাষ্টিয়ান মেথিউ আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদ। প্ৰতিযোগিতাত ৰাজ্যৰ 700 ৰো অধিক শ্বাটলাৰে অংশ ল'ব।

## যুৱ অলিম্পিকত পদক জয়ী খেলুৱৈক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা, দুমুনিচকী, ৩০ জুলাই ঃ** অসম ইয়ুথ অলিম্পিকত সাফলতা লাভ কৰা মান্দাকাটা লাহিৰাম কাকতি টাং চু ডু একাডেমীৰ তিনি শিক্ষাৰ্থীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে লাহিৰাম কাকতি টাং চু ডু একাডেমীৰপৰা তিনিগৰাকী খেলুৱৈয়ে কামৰূপ জিলাক প্ৰতিনিধিত্ব কৰি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। ইয়াৰে 53 কেজি আৰু 49 কেজি শাখাত আৰ্চিফা খানম আৰু নাজমিন আহমেদে ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয় । আনহাতে, 60 কেজি শাখাত চাহিল হকে ব্ৰঞ্জৰ পদক লাভ কৰে। প্ৰশিক্ষকদ্বয় তুলু ডেকা আৰু তছলিম আহমেদৰ তত্বাবধায়নত প্ৰশিক্ষণ লাভ কৰা তিনিওগৰাকী শিক্ষাৰ্থীকে একাডেমীৰ তৰফৰপৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়।




মানুহৰ ধন জমা কৰি ৰখাৰ বাবে সকলো দেশতে আছে ৰাষ্ট্ৰীয়কৃত বা বেচৰকাৰী বেংক। আনকি দুৰ্ঘটনা বা কোনো ৰোগৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় তেজ পাবলৈ আছে 'ব্লাড বেংক'। অথচ কেতিয়াবা 'সময় বেংক'ৰ কথা শুনিছেনে? কোনো লোকে ইচ্ছা কৰিলেই অতি সহজে নিজৰ বাবে সময় জমা কৰি থ'ব পাৰে এই বেংকত। আচৰিত হ'লেও এয়া সত্য।

# ভৱিষ্যতৰ বাবে সময়ো জমা কৰাৰ সুবিধা উপলব্ধ

## ইচ্ছা কৰিলেই বিশেষ মূল্য দি ক্ৰয় কৰিব পাৰে 'টাইম বেংক'

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩০ জুলাই ঃ** মানুহৰ ধন জমা কৰি ৰখাৰ বাবে সকলো দেশতে আছে ৰাষ্ট্ৰীয়কৃত বা বেচৰকাৰী বেংক। আনকি দুৰ্ঘটনা বা কোনো ৰোগৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় তেজ পাবলৈ আছে 'ব্লাড বেংক'। অথচ কেতিয়াবা 'সময় বেংক'ৰ কথা শুনিছেনে? কোনো লোকে ইচ্ছা কৰিলেই অতি সহজে নিজৰ বাবে সময় জমা কৰি থ'ব পাৰে এই বেংকত। আচৰিত হ'লেও এয়া সত্য। সময় নিৰ্ধাৰণ কৰা ঘড়ী আৰু বেংকৰ বাবে বিখ্যাত ছুইজাৰলেণ্ড। এই দুয়োটাৰে সমন্বয়তে ছুইজাৰলেণ্ডতে আছে 'টাইম বেংক'। আনকি চীনতো পোৱা যায় এই সময় বেংক। এই বেংকত কোনো লোকে সময় জমা কৰিতো ৰাখিব পাৰিবই, বৰঞ্চ প্ৰয়োজন অনুসাৰে সেই সময় খৰচো কৰিব পাৰিব।

কেনেদৰে কাম কৰে এই বেংকে? কিদৰে মানুহে এই বেংকত সময় জমা কৰি ৰাখিব পাৰে? আচলতে এক বিশেষ উদ্দেশ্যেৰে এই সময় বেংক প্ৰচলন কৰা হৈছে। ৬০ৰ উৰ্দ্ধৰ মানুহৰ কথা চিন্তা কৰিয়েই এই 'সময় বেংক'বোৰ প্ৰতিষ্ঠা কৰা হৈছে। ছুইজাৰলেণ্ডত যিকোনো লোকে কোনো বৃদ্ধ বা বৃদ্ধাক চোৱাচিতা কৰি নিজৰ ভৱিষ্যতৰ বাবে সময় জমা কৰি ৰাখিব পাৰে। বয়স্ক লোকক চোৱাচিতাৰ বাবে এজন মানুহে যিমান সময় ব্যয় কৰিব, সেই সিমানখিনি সময়েই তেওঁ নিজৰ ভৱিষ্যতৰ বাবে জমা কৰি ৰাখিব পাৰিব। সময় জমা কৰি ৰখাৰ বাবে ছুইজাৰলেণ্ডৰ প্ৰতিজন মানুহে প্ৰয়োজনত সেই দেশত একোটা 'ছ'চিয়েল ছিকিউৰিটি একাউণ্ট' খুলিব পাৰে। এই একাউণ্টতে বয়স্ক লোকক পৰিচৰ্যা কৰি নিজৰ বাবে সময় জমা কৰিব পাৰে স্বেচ্ছাসেৱক তৰুণ-তৰুণীসকলে। এই সময় জমা কৰি ৰখাৰ অৰ্থ হৈছে বাৰ্ধক্যত ভাৰাক্ৰান্ত হোৱা মানুহক পৰিচৰ্যা কৰা সেই লোকজনে যেতিয়া নিজেই ৬০ বছৰ অতিক্ৰম কৰিব, তেতিয়া তেওঁ নিজে জমা কৰি ৰখা সময়খিনি ব্যয় কৰিব পাৰিব। এই জমা কৰি ৰখা সময় ব্যয় কৰাৰ অৰ্থ হৈছে সেই লোকজনৰ বয়স বাঢ়িলে আন এজন স্বেচ্ছাসেৱকক তেওঁৰ চোৱাচিতাৰ দায়িত্ব দিয়া হ'ব। সেই লোকজনে নিজৰ ডেকাকালত যিদৰে কোনো বৃদ্ধ বা বৃদ্ধাৰ সেৱা কৰিছিল, সেইদৰে তেঁৱো নিজৰ বৃদ্ধ অৱস্থাত বিশেষ প্ৰয়োজনত কোনো যুৱক বা যুৱতীৰ পৰিচৰ্যা লাভ কৰিব।

উল্লেখ্য যে চীনৰ বেইজিঙতো এইদৰে সময় জমা কৰি ৰখাৰ সুবিধা আছে। অৱশ্যে চীনৰ ৰাজধানীত ইয়াৰ নিয়ম কিছু পৃথক। বেইজিঙত বৃদ্ধ অথবা অসহায় লোকক পৰিচৰ্যা কৰাৰ বাবে একোজন স্বেচ্ছাসেৱক যুৱক বা যুৱতীয়ে প্ৰতি ঘণ্টাত একোটাকৈ নিৰ্দিষ্ট মূল্যৰ মুদ্ৰা উপাৰ্জন কৰিব পাৰে। বৃদ্ধক পৰিচৰ্যা কৰি মুদ্ৰা উপাৰ্জন কৰা এজন লোকৰ বয়স ৬০ বছৰ পাৰ হোৱাৰ পাছতে তেওঁ জমা কৰি ৰখা মুদ্ৰ খৰচ কৰিব পাৰে। এই জমা কৰি ৰখা মূল্য দুটা উপায়েৰে খৰচ কৰিব পাৰি।

এজন লোকে ইচ্ছা কৰিলে এই জমা কৰি ৰখা বিশেষ ধন তেওঁৰ কোনো আত্মীয় বা বন্ধু-বান্ধৱক দান কৰিব পাৰে। আকৌ ইচ্ছা কৰিলে নিজৰ বাবেও ব্যৱহাৰ কৰিব পাৰে সেই মুদ্ৰা। এই বিশেষ ধনৰ সাহায্যত এজন লোকে নিৰ্দিষ্ট সময় ক্ৰয় কৰিব পাৰে। অৰ্থাৎ সেই লোকজনে ইচ্ছা কৰিলে নিজৰ বৃদ্ধ বয়সত তৰুণ প্ৰজন্মৰ কোনো স্বেচ্ছাসেৱকক তেওঁৰ পৰিচৰ্যাৰ কামত লগাব পাৰে। বৃদ্ধসকলক পৰিচৰ্যা কৰি এই ধৰণৰ ১০ হেজাৰ মুদ্ৰা জমা কৰিলে এজন লোকে নিজৰ বাকী জীৱনটো সম্পূৰ্ণ চৰকাৰী খৰচত সকলো সা-সুবিধালব্ধ শুশ্ৰূষালয়ত অনায়াসে আৰামত কটাব পাৰে।

এই অভিনৱ পদ্ধতি দেশ দুখনে গ্ৰহণ কৰাৰো কাৰণ আছে। এক আন্তৰ্জাতিক সংবাদ মাধ্যমৰ সমীক্ষা অনুসৰি, সমগ্ৰ বিশ্বব্যাপী বাৰ্ধক্যৰ হাৰ বাঢ়িছে। সম্প্ৰতি ১০জন লোকৰ ভিতৰত এজনৰ বয়স ৬৫ বছৰৰ অধিক। ২০৫০লৈ সেই অনুপাত হ'বগৈ প্ৰতি ছজনৰ ভিতৰত এজন। অৰ্থাৎ অতি শীঘ্ৰেই বিশ্বত আৰু বেছি মানুহক সেৱা-শুশ্ৰূষাৰ প্ৰয়োজন হ'ব। সেই কথা মনত ৰাখিয়েই সময় জমা কৰাৰ এই পদ্ধতি বাচি লৈছে ছুইজাৰলেণ্ড আৰু চীনে।



## দুই যুৱকৰ অভিনৱ প্ৰতিবাদ ঃ শীঘ্ৰে চিকিৎসালয় মুকলি নকৰিলে 'গ্ৰহ পূজা' কৰাৰ কথা ঘোষণা

# জীয়াকুৰ ৰিজাৰ্ভ আদৰ্শ চিকিৎসালয়ৰ সন্মুখত শনিপাঠ কৰি প্ৰতিবাদ

**ছয়গাঁও, ৩০ জুলাই ঃ** পলাশবাৰী বিধানসভা সমষ্টিৰ কুকুৰমাৰাৰ সমীপৰ জীয়াকুৰ গাঁৱৰ ৰিজাৰ্ভত থকা জীয়াকুৰ ৰিজাৰ্ভ আদৰ্শ চিকিৎসালয়ৰ সন্মুখত আজি দুজন যুৱকৰ নেতৃত্বত স্থানীয় একাংশ ৰাইজে শনিপাঠৰ আয়োজন কৰাৰ লগতে চিকিৎসালয়খনৰ সন্মুখত পূজা অৰ্চনা কৰে। ২০১৪ তে জিয়াকুৰ ৰিজাৰ্ভত সেই সময়ৰ স্বাস্থ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰাক্তন বিধায়ক যতীন মালীৰ উপস্থিতিত চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰিছিল। আধাৰশিলা স্থাপনৰ পাছতে ঠিকাদাৰে পূৰ্ণ গতিত কাম আৰম্ভ কৰে যদিও কিছু বছৰ ৰহস্যজনকভাৱে কাম বন্ধ হয়। তাৰ পাছতে ৰাইজৰ প্ৰতিবাদৰ অন্ততঃ পুনৰ অন্য ঠিকাদাৰে কাম আৰম্ভ কৰে। পিছে এতিয়া চিকিৎসালয়খন সম্পূৰ্ণ হোৱাৰ পাছতো মুকলি নোহোৱাত স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে।

আজি সদৌ অসম সংস্কৃত ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক শৈলেন তালুকদাৰ আৰু কামৰূপ জিলাৰ সভাপতি দ্ৰৈব্য দাসৰ নেতৃত্বত চিকিৎসালয়খনৰ সন্মুখত 'শনি দেৱতা' আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিচ্ছবি লৈ পূজা অৰ্চনা কৰি অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰিছে। তেওঁলোকৰ দাবী শীঘ্ৰে চিকিৎসালয়খন মুকলি কৰি দিব লাগে। অন্যথা ইয়াত পুনৰ 'গ্ৰহ পূজা' কৰাৰ হুংকাৰ দিয়ে। উল্লেখ্য যে এই চিকিৎসালয়খনত ইতিমধ্যে চিকিৎসক, নাৰ্চ তথা অন্যান্য কৰ্মচাৰী নিয়োগ হৈ আছে যদিও অন্য চিকিৎসালয়ত কাম কৰি আছে বুলি এক বিশেষ সূত্ৰে জানিব পৰা গৈছে। দক্ষিণ সৰুবংশৰ মৌজাৰ অতি গুৰুত্বপূৰ্ণ এই চিকিৎসালয়খন নিৰ্মাণৰ পাছতো কিয় মুকলি নহ'ল তাৰ বাবে মুখ্যমন্ত্ৰী শৰ্মা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত আৰু বিধায়ক হেমাংগ ঠাকুৰীয়াক বিষয়টো গুৰুত্ব সহকাৰে লৈ চিকিৎসালয় মুকলি কৰি দিবলৈ দাবী জনাইছে।

দুখৰ বিষয় এই যে এই চিকিৎসালয়খনৰ ভিতৰভাগত ঠিকাদাৰে কাম সম্পূৰ্ণ কৰাৰ পাছতে চিৰাল ফাট মেলা পৰিলক্ষিত হৈছে। ইয়াৰ উপৰি চিকিৎসালয়ৰ চৌদিশে হাবি জংঘলে আৱৰি ধৰিছে।

# প্ৰথমবাৰলৈ পাকিস্তান আৰক্ষীৰ কোনো শীৰ্ষ পদত হিন্দু মহিলা



## চিকিৎসা শাস্ত্ৰৰ প্ৰৱেশিকাত এক নম্বৰৰ বাবে হৈছিল ব্যৰ্থ

মাত্ৰ এক নম্বৰৰ বাবে চিকিৎসা শাস্ত্ৰৰ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা নাছিল। সেই গৰাকী যুৱতীয়েই সম্প্ৰতি সৃষ্টি কৰিলে আন এক নজিৰ। নিজৰ 'ব্যৰ্থতা' ঢাকি আন ক্ষেত্ৰত 'সাফল্য' অৰ্জন কৰিলে পাকিস্তানৰ মনীষা ৰূপেটাই।



**নিউজ ব্যুৰ'**
**কৰাচী, ৩০ জুলাই ঃ** মাত্ৰ এক নম্বৰৰ বাবে চিকিৎসা শাস্ত্ৰৰ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা নাছিল। সেই গৰাকী যুৱতীয়েই সম্প্ৰতি সৃষ্টি কৰিলে আন এক নজিৰ। নিজৰ 'ব্যৰ্থতা' ঢাকি আন ক্ষেত্ৰত 'সাফল্য' অৰ্জন কৰিলে পাকিস্তানৰ মনীষা ৰূপেটাই। প্ৰথম হিন্দু মহিলাৰূপে পাকিস্তানৰ আৰক্ষীৰ শীৰ্ষ পদত অধিষ্ঠিত হ'ব মনীষা। শীঘ্ৰেই তেওঁ পাক আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক পদত নিয়োজিত হ'ব।

সংবাদ মাধ্যমৰ দাবী অনুসৰি, পাক আৰক্ষীত এই পৰ্যন্ত ইমান উচ্চ পদবীত কোনো হিন্দু মহিলা নিয়োজিত হোৱা নাই। সম্প্ৰতি প্ৰশিক্ষণ গ্ৰহণ কৰি থকা মনীষাই অতি সোনকালেই দায়িত্ব গ্ৰহণ কৰিব। পাকিস্তানৰ দৰে ৰক্ষণশীল তথা পুৰুষতান্ত্ৰিক সমাজত মনীষাৰ এই কীৰ্তি অনন্য বুলিয়ে বহুতে মত প্ৰকাশ কৰিছে। মনীষাই জনাইছে যে তেওঁৰ পৰিয়ালৰ সদস্যসকলো অত্যন্ত ৰক্ষণশীল। তেওঁ কয়, 'মই পুৰুষতান্ত্ৰিক পৰিৱেশতে ডাঙৰ হৈছো। সৰুৰে পৰাই আমাক কোৱা হৈছিল যে পঢ়া-শুনা কৰিব পাৰো, কিন্তু পেছা নিৰ্বাচনৰ ক্ষেত্ৰত শিক্ষকতা বা চিকিৎসকৰ পেছাহে বাছি ল'ব লাগিব।' আৰক্ষীত চাকৰি কৰা বা আইন-আদালত বিষয়ক কোনো পেছা গ্ৰহণ কৰাৰ 'অধিকাৰ' নাথাকিলেও সেই পথৰেই আগুৱাই গৈছে মনীষা। তেওঁলোক প্ৰকৃততে পাকিস্তানৰ সিন্ধু প্ৰদেশৰ বাসিন্দা। যদিও মনীষাৰ ১৩ বছৰ বয়সতে পিতৃৰ অকাল মৃত্যুৰ পাছতে মাতৃয়ে সন্তানসকলক লৈ কৰাচীত বাস কৰিবলৈ আৰম্ভ কৰে। সিন্ধু প্ৰদেশৰ জেকবাবাদত এটা মধ্য বিত্ত পৰিয়ালত ডাঙৰ-দীঘল হোৱা মনীষাই কয়, 'ভাল ঘৰৰ ছোৱালীয়েও যে আৰক্ষী বা ক'ৰ্ট-কাছাৰীত কাম কৰিব পাৰে, তাকেই বুজাব খোজো।'

শৈশৱৰ পৰাই আৰক্ষীৰ পোছাক দেখি অনুপ্ৰেৰণা লাভ কৰিলেও অৱশ্যে মনীষাই কেতিয়াও সেই বিভাগত চাকৰি কৰাৰ কথা ভবা নাছিল। বৰঞ্চ এমবিবিএছৰ প্ৰৱেশিকা পৰীক্ষাৰ প্ৰস্তুতি লৈছিল। তেওঁ পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও মাত্ৰ এক নম্বৰৰ বাবে উত্তীৰ্ণ হ'ব পৰা নাছিল। অৱশ্যে সেই ব্যৰ্থতা যেন মনীষাৰ বাবে শাপেই বৰ হোৱাৰ দৰে হ'ল। মনীষাই কয়, 'চিকিৎসা শাস্ত্ৰৰ প্ৰৱেশিকাত অনুত্তীৰ্ণ হোৱাৰ পাছত ঘৰত স্পষ্টভাৱে কৈছিলো, ফিজিকেল থেৰাপী শিকাৰ চেষ্টা কৰিম। লগতে সিন্ধু পাব্লিক ছাৰ্ভিচ কমিচনৰ পৰীক্ষাতো বহিম।' মনীষাৰ প্ৰস্তুতিয়ে ফলো পাইছিল। আৰক্ষীৰ চাকৰিৰ পৰীক্ষাত তেওঁ ৪৬৮গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ষষ্ঠদশ স্থান লাভ কৰে।

আৰক্ষীৰ প্ৰশিক্ষণ সমাপ্ত হোৱাৰ পাছত মনীষাই লিয়াৰিৰ দৰে অপৰাধপ্ৰৱণ অঞ্চলত কামত যোগ দিব লাগিব। অৱশ্যে অকুতোভয় মনীষাই বিচাৰে, তেওঁ মহিলাসকলৰ 'ৰক্ষক' হৈ উঠিব বিচাৰে। তেওঁ কয়, 'আমাৰ সমাজত সততে মহিলাসকল অপৰাধৰ বলি হয়। এই সমাজত মহিলাসকলৰ 'ৰক্ষক'ৰ প্ৰয়োজন। সেই বাবেই আৰক্ষীৰ চাকৰিত যোগ দিছো।' মনীষাই লগতে কয় যে নিজৰ পেছাত লিংগ বৈষম্যৰ অনেক উদাহৰণ আছে আৰু তেওঁ সেই দিশটোৰ দূৰ কৰিব বিচাৰে।

# ভাৰতীয় মহিলা উদ্যোগীসকলৰ সম্পদ বিপুল পৰিমাণে বৃদ্ধি পাইছে

## কোটাক-হুৰুণৰ সমীক্ষাত প্ৰকাশ দেশৰ শীৰ্ষ এশগৰাকী ধনী মহিলাৰ তালিকা

**নিউজ ব্যুৰ'**
**মুম্বাই, ৩০ জুলাই ঃ** বিগত প্ৰায় আঢ়ৈ বছৰত কৰ'না মহামাৰীৰ কৰাল গ্ৰাসত পৰি সৰ্বসাধাৰণ ৰাইজৰ আৰ্থিক অৱস্থা কিমান বেছি ক্ষতিগ্ৰস্ত হৈছে তাক আৰু ন দি কোৱাৰ প্ৰয়োজন নাই। কৰ'নাৰ বাবেই কাৰোবাৰ যদি ব্যৱসায় বন্ধ হৈছে, কোনোবাই আকৌ হেৰুৱাবলগীয়া হৈছে ব্যক্তিগত খণ্ডৰ চাকৰি। কিন্তু অতিমাৰীৰ পৰিস্থিতিয়েও তিলমানো প্ৰভাৱিত কৰিব পৰা নাই আমাৰ দেশৰ বৃহৎ উদ্যোগপতিসকলক। বৰঞ্চ এনে উদ্যোগপতিসকলৰ উপাৰ্জন দোপতদোপে বৃদ্ধি পাইছে বুলি শেহতীয়া কেবাটাও অধ্যয়নত জনা গৈছে। অলপতে কোটাক প্ৰাইভেট বেংকিং-হুৰুণ তালিকাত স্পষ্ট হৈ পৰিছে যে সম্পত্তি বৃদ্ধিৰ এই দৌৰত ভাৰতৰ মহিলা উদ্যোগপতিসকলো কোনোগুণে পিছ পৰি থকা নাই। কোটাক-হুৰুণৰ এক সমীক্ষাভিত্তিক প্ৰতিবেদনত প্ৰকাশ পাইছে ভাৰতৰ শীৰ্ষ এশগৰাকী ধনী মহিলাৰ তালিকা। তালিকাত থকা এইসকল মহিলা উদ্যোগপতিৰ জন্ম বা ডাঙৰ-দীঘল ভাৰততেই। এওঁলোকৰ কোনোবাই যদি ঔদ্যোগিক সংস্থা চলাই আছে, আন কোনোবাই নিজৰ উদ্যোগত সংগঠন গঢ়ি তুলিছে। কোটাক-হুৰুণৰ এই শীৰ্ষ এশগৰাকী ধনী মহিলাৰ তালিকাৰ শীৰ্ষতম স্থান অধিকাৰ কৰিছে এইছ চি এল টেকন'লজিছৰ অধ্যক্ষ ৰোষণীয়ে। এবছৰত তেওঁৰ ধন-সম্পত্তিৰ পৰিমাণ ৫৪ শতাংশ বৃদ্ধি পাইছে। ইয়াৰ পাছতে দ্বিতীয় স্থান দখল কৰা নাইকাৰ প্ৰতিষ্ঠাপক ফাল্গুনীৰ ক্ষেত্ৰত সম্পত্তি বৃদ্ধিৰ হাৰ হৈছে ৯৬৩ শতাংশ। ইফালে, বায়'কনৰ মুৰব্বী কিৰণ মজুমদাৰৰ সম্পত্তি অৱশ্যে ২১ শতাংশ হ্ৰাস পাই



২৯,০৩০ কোটি টকা হৈছে। ফলত ধনাঢ্য মহিলাৰ তালিকাত তেওঁৰ নাম দ্বিতীয় স্থানৰ পৰা তৃতীয় স্থানলৈ নামিছে। উল্লেখ্য যে এই তালিকাত স্থান লাভ কৰা আটাইতকৈ কম বয়সীয়া মহিলাগৰাকী হৈছে ভূপালৰ জেট ছেট গো নামৰ কোম্পানীটোৰ গৰাকী ৩৩ বছৰীয়া কনিকা টেকৰিৱাল।

# অসমৰ প্ৰতিখন সত্ৰৰ ভূমিত বেদখল হৈছে

## বৰপেটাৰ বাৰাদি সত্ৰ পৰিদৰ্শনৰ বাবে উপস্থিত সত্ৰ আয়োগৰ দল

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৩০ জুলাই ঃ** ৰাজ্যৰ সত্ৰসমূহৰ ভূমিত চলি থকা বেদখল সন্দৰ্ভত তদন্তৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰা সত্ৰ আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকাৰ নেতৃত্বত দুই সদস্য বিধায়ক ৰূপক শৰ্মা আৰু মৃণাল শইকীয়া আজি বৰপেটাত উপস্থিত হয়। দলটোৱে বাৰাদি সত্ৰ পৰিদৰ্শন কৰে। শ্ৰীমন্ত মাধৱদেৱে প্ৰতিষ্ঠা কৰা সত্ৰখনৰ সমিতিৰ স'তে আয়োগৰ সদস্যসকলে বাৰ্তালাপ কৰে। আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকাই কয়, 'অসমৰ প্ৰতিখন সত্ৰৰ ভূমি বেদখল হৈছে। বেদখলকাৰীয়ে সত্ৰসমূহৰ মৰ্যাদা হানি কৰিছে।' পূৰ্বৰ বংগীয় মুছলমানসকলে সত্ৰৰ ভূমি বেদখল কৰা বুলিও হাজৰিকাই মন্তব্য কৰে। তেওঁ আক্ষেপৰে কয় যে অসমীয়া মানুহে শুই থাকোতে সত্ৰৰ মাটি বেদখল হৈছে। অসমীয়া জাতিটো পৰিকল্পিতভাৱে নিঃশেষ কৰাৰ ষড়যন্ত্ৰ চলিছে। হাজৰিকাই অভিযোগ কৰে যে পূৰ্বৰ চৰকাৰসমূহে সত্ৰৰ ভূমিসমূহ ৰক্ষাৰ চেষ্টাই নকৰিলে। কিছুমান সত্ৰৰ নামত থকা চাৰি হেজাৰ বিঘা ভূমিৰ পৰৱৰ্তী সময়ত ৫০ বিঘালৈ সংকুচিত হৈ পৰা বুলিও তেওঁ কয়। আহোম স্বৰ্গদেউ আৰু ব্ৰিটিছে সত্ৰসমূহ ৰক্ষাৰ চেষ্টা কৰিছিল বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে আয়োগৰ অধ্যক্ষজনে।

ইপিনে, বিধায়ক শইকীয়াই কয় যে বংগমূলীয় মুছলমানসকলে সত্ৰৰ ভূমি বেদখল কৰিছে বুলি মন্তব্য কৰি বাংলাদেশত মাটি হেৰুওৱাসকলে অসমলৈ আহি সত্ৰৰ ভূমি বেদখল কৰিছে বুলি কয়। তেওঁ কয় যে ভূমি বেদখলক লৈ সত্ৰাধিকাৰো হত্যাৰ বলি হ'বলগীয়া হৈছে আৰু বহুলোক নিপীড়িত হৈছে। এনে বহু ঘটনা সত্ৰ আয়োগৰ প্ৰতিবেদনত উন্মোচিত হ'ব বুলি তেওঁ মন্তব্য কৰে।

লক্ষ্যণীয়ভাৱে সত্ৰৰ ভকতে নাম প্ৰসংগ হৈ থকাৰ সময়তে বেদখলকাৰীয়ে সত্ৰৰ ভূমি বেদখল কৰা বুলি কয় শইকীয়াই।

# ই-ৰিক্সাৰ খুন্দাত থিতাতে মৃত্যু পথচাৰীৰ

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ৩০ জুলাই ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও চাৰিআলিত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত থিতাতে এজন পথচাৰীৰ মৃত্যু হয়। ই-ৰিক্সাৰ খুন্দাত মৃত্যু হোৱা লোকজন মলহু চাপৰিৰ বক্কৰ আলী বুলি চিনাক্ত হৈছে। ইফালে, দুৰ্ঘটনা সংঘটিত কৰিয়েই পলায়ন কৰে ই-ৰিক্সাসহ চালকেজনে। উল্লেখ্য যে বিগত কিছুদিন ধৰি অঞ্চলটোত বৃদ্ধি পাইছে অনুজ্ঞাপত্ৰবিহীন চালক আৰু পঞ্জীয়নবিহীন ই-ৰিক্সাৰ দৌৰাত্ম্য।

# হিন্দু পৰিচয়েৰে কামাখ্যাত বিবাহ ঃ গ্ৰেপ্তাৰ তেজপুৰৰ আব্দুল ছাহজাহান শ্বেখ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৩০ জুলাই ঃ** নিজকে হিন্দু বুলি পৰিচয় দি তেজপুৰৰ আব্দুল ছাহজাহান শ্বেখ নামৰ এজন লোকে বিশ্বনাথৰ এগৰাকী মহিলাক পলুৱাই আনি কামাখ্যাত হিন্দু নিয়ম অনুসৰি বিয়া পাতি মহিলাগৰাকীৰ হাতত থকা সাতলাখ টকা আত্মসাৎ কৰে। বৰ্তমান স্বামীৰ প্ৰকৃত পৰিচয় উদ্ধাৰ হোৱাৰ পাছতে মহিলাগৰাকীৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰা আব্দুলৰ বিৰুদ্ধে ভুক্তভোগী মহিলাগৰাকীয়ে আজি তেজপুৰ সদৰ আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে কৰ্মসূত্ৰে বিশ্বনাথত থকাৰ সময়তে ইতিমধ্যে প্ৰথম স্বামীৰ বিয়োগ ঘটা মহিলাগৰাকীৰে পৰিচয় হৈছিল আব্দুলৰ। নিজকে মিণ্টু ৰয় বুলি পৰিচয় দিয়া আব্দুলে পাছত মহিলাগৰাকীক পলুৱাই আনে পলফিল্ডৰ নিজা ঘৰলৈ। ইপিনে, মহিলাগৰাকীৰ হাতত পূৰ্বৰ স্বামীৰ বিয়োগৰ পাছত লাভ কৰা সাতলাখ টকা আছিল আৰু সেই টকাও ব্যয় কৰি শেষ কৰে আব্দুলে। ইয়াৰ পাছৰে পৰাই আব্দুলে মহিলাগৰাকীৰ ওপৰত শাৰীৰিক-মানসিক নিৰ্যাতন আৰম্ভ কৰাৰ লগতে ধৰ্মান্তৰিত কৰাৰ বাবে বল প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰে। কামাখ্যাত বিয়া পতাৰ ছমাহৰ পাছতহে মিণ্টু ৰয় প্ৰকৃততে আব্দুল বুলি জানিব পাৰি বিমোৰত পৰা মহিলাগৰাকীক আনকি আব্দুলৰ দুই ভনী জোঁৱায়েকেও শাৰীৰিক সম্পৰ্ক কৰিবলৈ জোৰ কৰিছিল যদিও এনে অসৎ উদ্দেশ্যও বিফল হয় বুলি আজি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে মহিলাগৰাকীয়ে। তেওঁ কয় যে ইয়াৰ পূৰ্বেও আব্দুলে আন এগৰাকী হিন্দু যুৱতীকে বিয়া কৰোৱাৰ নামত কিছুদিন ৰাখি পাছত অত্যাচাৰ চলাই খেদি পঠাইছিল। আনকি দ্বিতীয়গৰাকী পত্নী থকা সত্বেও তৃতীয় এগৰাকীকো ঘৰলৈ অনা আব্দুলে এনে দুষ্কাৰ্য পৰিকল্পিতভাৱে আৰু লাভ জেহাদৰ অংশ হিচাপেই কৰে বুলি অভিযোগ উঠিছে। ইতিমধ্যে আব্দুলক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সোধ-পোছ অব্যাহত ৰাখিছে।

# বশিষ্ঠ চাৰিআলিত চাৰিখন দোকান ভস্মীভূত

## শ্বৰ্ট চাৰ্কিটক সন্দেহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ জুলাই ঃ** মহানগৰীৰ বশিষ্ঠ আৰক্ষী থানাৰ অধীনৰ বশিষ্ঠ চাৰিআলিত আজি নিশা এক অগ্নিকাণ্ড সংঘটিত হয়। চাৰিআলিটোত থকা মেঘা প্লাজা নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ সমীপত সংঘটিত এই ঘটনাত চাৰিখন দোকানক জুইৰ লেলিহান শিখাই ঘেৰি ধৰে। অৱশ্যে কোনখন দোকানৰ পৰা জুইৰ সূত্ৰপাত হয় তাৰ নিশ্চিত তথ্য উদ্ধাৰ হোৱা নাই। শ্বৰ্ট চাৰ্কিটৰ ফলতেই এই জুই লাগে বুলি প্ৰাথমিক তদন্তত নিশ্চিত কৰা হৈছে। নিশা বাতৰি যুগুতোৱাৰ পৰলৈকে অগ্নিনিৰ্বাপক বাহিনীৰ দ্বাৰা জুই সম্পূৰ্ণ নিৰ্বাপনৰ তৎপৰতা অব্যাহত আছে।

# ৰাজপথত পৰি থাকিল অসহায় মহিলা

## নগাঁৱত ভূ-লুণ্ঠিত হ'ল মানৱতা

**বিশেষ সংবাদদাতা**
**নগাঁও, ৩০ জুলাই ঃ** নগাঁৱত পুনৰ ভূ-লুণ্ঠিত হ'ল মানৱতা। নগাঁও চহৰৰ মাজ মজিয়াত সংঘটিত হৈছে এই ঘটনা। এই ভূলুণ্ঠিত মানৱতাৰ কাহিনী আজিহে পোহৰলৈ আহে। কালি দিনৰ ভাগৰ পৰা সন্ধিয়া পৰ্যন্ত এগৰাকী মহিলা নগ্ন অৱস্থাত চহৰখনৰ এটা ব্যস্ত পথত পৰি থকাৰ পাছতো সংশ্লিষ্ট কৰ্তৃপক্ষই খবৰ লʼবলৈ আহৰি নাপালে। মহিলাগৰাকী পৰি থকাৰ ওচৰতেই আছে এটা স্বেচ্ছাসেৱী সংগঠনে পৰিচালনা কৰা সহায়ক কেন্দ্ৰ। এই কেন্দ্ৰটোৰ কৰ্মচাৰীসকলক স্থানীয় লোকে বহুবাৰ মহিলাগৰাকীৰ বিষয়ে অৱগত কৰাৰ পাছতো গুৰুত্ব নিদিয়াৰ অভিযোগ তুলিছে একাংশ স্থানীয় লোকে। নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ পাছফালে থকা মতিৰাম বৰাৰ পথৰ দাঁতিত বহু ঘন্টা ধৰি এই মহিলাগৰাকী অসহায় অৱস্থাত পৰি আছিল। অৱশ্যে দুই-এগৰাকী স্থানীয় মহিলাই মহিলাগৰাকীৰ গাত কাপোৰ দিয়ে। একাংশ স্থানীয়লোকে সাংবাদিক আৰু আৰক্ষীৰ সহযোগত মহিলাগৰাকীক কালি সন্ধিয়া উদ্ধাৰ আৰু চিকিৎসাৰ ব্যৱস্থা কৰে। মহিলাৰ সুৰক্ষা আৰু সহায়ৰ বাবে দায়বদ্ধতাৰ শ্ল'গান দিয়া সংস্থাসমূহৰ কাম-কাজ এতিয়া শ্ল'গানৰ বিপৰীতে যোৱা বুলি সচেতন মহলে মন্তব্য কৰিছে। উল্লেখ্য যে একাংশ স্বেচ্ছাসেৱী অনুষ্ঠানে বিভিন্ন জনকল্যাণমূলক কামৰ লগতে শিশু-মহিলাৰ সুৰক্ষাৰ বিনিময়ত বিভিন্ন আঁচনিৰ জৰিয়তে চৰকাৰৰ পৰা ধন আহৰণ কৰি আহিছে। তাৰ পাছতো একাংশ স্বেচ্ছাসেৱী অনুষ্ঠানে একমাত্ৰ চৰকাৰী ধনৰ শৰাধ কৰাৰ বাৱেই সামাজিক দায়বদ্ধতাক আওকাণ কৰি আহিছে। তাৰ উদাহৰণ হ'ল কালি সন্ধিয়া সাংবাদিক আৰু আৰক্ষীয়ে উদ্ধাৰ কৰা মহিলাগৰাকী। এনে স্বেচ্ছাসেৱী অনুষ্ঠানৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে লক্ষ্যণীয় হ'ব।

# কৃষ্ণাইত চাৰিচকীয়া বাহনসহ ড্ৰাগছ সৰবৰাহকাৰী ধৃত

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ৩০ জুলাই ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ বিভিন্ন অঞ্চলত নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে তীব্ৰ অভিযান অব্যাহত ৰাখিছে। এই অভিযান কালত আজি সন্ধিয়া কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত ঝৰাবড়ীত এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে আৰক্ষীয়ে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী জনৰ নাম নুৰুল হক। নুৰুল হকৰ ঘৰ মানকাচৰ জিলাৰ ফকিৰগঞ্জত। আৰক্ষীয়ে আটকাধীন নুৰুল হকৰ জিম্মাৰ পৰা এখন চাৰিচকীয়া বাহন সহ জব্দ কৰে প্ৰায় ১২৫ গ্ৰাম হিৰ'ইন। আনহাতে, আৰক্ষীয়ে জব্দ কৰা



ড্ৰাগছ খিনিৰ বজাৰ মূল্য প্ৰায় ছয় লক্ষাধিক টকা হ'ব বুলি আৰক্ষী সূত্ৰত প্ৰকাশ।

জিলা আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহৰ ঘটনাটোত আন কেবাজনো লোক জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে। ইতিমধ্যে আৰক্ষীয়ে ঘটনাত জড়িত আন সকলক কৰায়ত্ত কৰাৰ বাবে অভিযান তীব্ৰতৰ কৰি তুলিছে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com